
# প্ৰান্তিক




## অসমৰ উদ্যোগীকৰণ









# প্ৰান্তিক

৫ম বছৰ ৫ম সংখ্যা ১—১৫ ফেব্ৰুৱাৰী '৮৬ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

যোৱা বছৰৰ ৬ মে'ৰ দিনা ভাৰতৰ মহাজাগতিক ৰশ্মি নিৰীক্ষা যন্ত্ৰ "অনুৰাধা" আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্পে'ছশ্লেব চেলেঞ্জাৰৰ সহযোগত মহাকাশত সফলতাৰে পৰীক্ষা চলাই পৃথিৱীলৈ ঘূৰি আহে। এই প্ৰকল্পৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত বিজ্ঞানীসকলৰ এজন হ'ল যোৰহাটৰ বৰভেটা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীনাথ গোস্বামীৰ পুত্ৰ **ডঃ জিতেন্দ্ৰ নাথ গোস্বামী**।

প্ৰান্তিকৰ হৈ মনোজ কুমাৰ গোস্বামীয়ে সোধা প্ৰশ্নৰ উত্তৰত ডঃ গোস্বামীয়ে "অনুৰাধা" প্ৰকল্পৰ গুৰুত্বপূৰ্ণ দিশসমূহ সহজ-সৰল ভাষাৰে বৰ্ণনা কৰিছে। লগতে প্ৰকাশ পাইছে ডঃ গোস্বামীৰ বিজ্ঞান চৰ্চাৰ পৰিচয়।

### অনুৰাধা আৰু আমাৰ বিজ্ঞানী

অসম-আন্দোলনৰ বাবে ১৯৭৯ চনৰ মাজ ভাগৰ পৰা ১৯৮২ চনৰ মাজ ভাগলৈকে খাৰুৱা তেল আৰু সাৰৰ শিতানত কেন্দ্ৰীয় চৰকাৰৰ ১২৭২ কোটি টকা হানি হৈছিল। এয়া চৰকাৰী তথ্য। এই তথ্যৰ পৰাই দেশখনৰ বিত্তীয় অৱস্থালৈ অসমৰ বৰঙণিৰ আভাস পোৱা যায়। কিন্তু এই বৰঙণি অনুসাৰে অসমে কেন্দ্ৰৰ পৰা সাহায্য পায়নে ?

**ভুবন বৰুৱাৰ তথ্যভিত্তিক প্ৰবন্ধ**

### কেন্দ্ৰীয় বিত্ত ঃ অসমৰ অংশ

আজিকালি ৰঙালী বিহুৰ লগত সম্পৰ্ক থকা বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা আৰম্ভ হৈছে। কিন্তু এই প্ৰতিযোগিতাসমূহৰ কৃতকাৰ্যতাৰ বাবে, বিচাৰকসকলৰ দৃষ্টিভংগী বা বিচাৰৰ ধাৰা একে কৰিবৰ বাবে, উদ্যোক্তাসকলে সুচিন্তিত আৰু উপযুক্ত নিয়মাৱলীৰ (বা সংবিধানৰ) আশ্ৰয় নলয়। ফলত বিহুনাচ, হুঁচৰি আদিৰ ক্ষেত্ৰত এক ক্ষতিকৰ বিশৃংখলাৰ সৃষ্টি হৈছে। অহা ৰঙালী বিহুলৈ সময় থাকোঁতেই **জয়কান্ত গন্ধীয়াই** আগবঢ়াইছে এক পৰামৰ্শমূলক প্ৰবন্ধ


### হুঁচৰি, বিহুৱা আৰু বৰবিহুৱা প্ৰতিযোগিতাৰ নিয়মাৱলী

## এই সংখ্যাত

বিভিন্ন চৰকাৰী বিভাগৰ সাল-সলনি আৰু কৰ্মপদ্ধতিৰ বিষয়ে উচ্চ স্থানীয় বিষয়াসকলৰ ধাৰণা সন্দৰ্ভত কথা পাতি অনুমান হ'ল— প্ৰথমতে তেওঁলোকৰ মনত কিছু আশংকা বা সন্দেহৰ সৃষ্টি হলেও, এতিয়া সময় যোৱাৰ লগে লগে সেইবোৰৰ সৰহভাগ অমূলক বুলি প্ৰমাণিত হৈছে।... বিষয়াসকলে এই চৰকাৰে "কাম কৰিব" বুলি ভাবে। এই সম্পৰ্কত **এটা অনুসন্ধানমূলক প্ৰবন্ধ ঃ**


**চৰকাৰৰ অংগ ঃ বিষয়াসকল** ।১০।

**কাজিৰঙাত গঁড়-চিকাৰৰ কৌশল ঃ মুকুট বৰুৱা** ।১৩।

বেটুপাতৰ মানসৰ কালাৰ ট্ৰেন্সপেৰেন্সি ঃ বিশিষ্ট আলোকচিত্ৰ শিল্পী **স্বৰ্গীয় মনোজ কুমাৰ দত্তৰ**


পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৬। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৮। চৰকাৰৰ অংগ ঃ বিষয়াসকল ।১০। অসমৰ উদ্যোগীকৰণ ।১৫। বিজ্ঞান ।২১। চিগাৰেট আৰু লাং কেন্সাৰ ।২৪। ধাবা-লাইন হোটেল ।২৭। ঘৰুৱা ।২৯। জীৱনৰ দীঘ আৰু বাণি ।৩১। উপন্যাস ।৩৯। দৈনন্দিন ।৪৭। কবিতা ।৪৯। গল্প ।৫০। বিক্ৰম ।৫২। কলা-সংস্কৃতি ।৫৪। ক্ৰীড়াংগন ।৫৬। শেষ পৃষ্ঠা ।৫৮।



**মুখ্য সম্পাদক ঃ ডঃ ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ ঃ** কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল প্ৰৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক ঃ** ইমৰান হুছেইন

**অংগ সজ্জা** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ ঃ** দীপক বেজবৰুৱা

**মুদ্ৰাংকন** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol V No. 5 1—15 February '86

*Prantik*
The Assamese Fortnightly,

P.O. Silpukhuri, Guwahati—781003

Phone : 28751

## অসমৰ চতুৰ্থ তেল শোধনাগাৰটো

অসম চুক্তি অনুসৰি কেন্দ্ৰীয় চৰকাৰে অসমত চতুৰ্থ এটা তেল শোধনাগাৰ স্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিছে। ই অসমৰ ৰাইজৰ বাবে সুখবৰেই কথা। কিন্তু এই শোধনাগাৰটো স্থাপন কৰিবলৈ মনস্থ কৰা হৈছে ব্যক্তিগত খণ্ডত (private sector)। এতিয়া আমাৰ কথা হৈছে যে যিহেতু ভাৰতবৰ্ষত তেল উদ্যোগ এটা ৰাষ্ট্ৰীয়কৃত উদ্যোগ—সি লাগিলে তেল উদ্ঘাটন সম্পৰ্কীয়ই হওক নতুবা শোধন সম্পৰ্কীয়ই হওক,—গতিকে অসমৰ চতুৰ্থ শোধনাগাৰটো ব্যক্তিগত খণ্ডত স্থাপন কৰাৰ প্ৰস্তাৱ হাতত লোৱাৰ অৰ্থ কি? ই অসমীয়া ৰাইজক আচুৰা ভাবিবলৈ লোৱা এক প্ৰচেষ্টা। এনেকুৱা কোনো অসমীয়া পুঁজিপতি লোক আছেনে যি শোধনাগাৰ পতাৰ নিচিনা কথা চিন্তা কৰিব পাৰে? এতেকে এইটো সত্য যে এই শোধনাগাৰটো টাটা, বিৰলা, স্বৰাজ পাল আদিৰ গোষ্ঠীৰ লোকৰ হাতলৈ যাব। তাৰ অৰ্থই হৈছে অসমীয়া লোকৰ তাৰ ওপৰত কোনো স্বত্বই নাথাকিব। তাৰ পাছতে আহিল নিয়োগ আদিৰ কথা। ব্যক্তিগত খণ্ডই কেতিয়াও কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰি ৮০% থলুৱা লোক নিয়োগ নকৰে। এনে খণ্ডৰ উদ্যোগবোৰৰ মুখ্য উদ্দেশ্যই হয় 'লাভ'। গতিকে সৰহকৈ মানুহ ৰাখি তেওঁলোকে লাভৰ পৰিমাণ কমোৱাৰ নিচিনা কথা নিশ্চয় নাভাবে। গতিকে কিছু সৰহকৈ দৰমহা দি কিছু দক্ষ (skilled) লোকহে তেওঁলোকে নিয়োগ কৰিব। সেই ক্ষেত্ৰত দক্ষ লোক তেওঁলোকে দৰকাৰ হ'লে অসমৰ বাহিৰৰপৰাই আমদানি কৰিব। গতিকে ব্যক্তিগত খণ্ডত অসমত শোধনাগাৰটো হ'ব লাগিলে ই আমাৰ বাবে উপকাৰ কৰক চাৰি অপকাৰহে কৰিব।

তেল শোধনাগাৰটো কিন্তু আমাক লাগিবই। অৱশ্যেই সি তৈলক্ষেত্ৰৰ সমীপৱৰ্তী অঞ্চলত আৰু ৰাজহুৱা খণ্ডত (public sector) স্থাপিত হ'ব লাগিব; যাতে নিয়োগৰ ক্ষেত্ৰত থলুৱা লোকে অগ্ৰাধিকাৰ পায়। ঘুমুক-ঘানাককৈ শুনিবলৈ পোৱা গৈছে যে শোধনাগাৰটো যোৰহাট বা শিৱসাগৰৰ তেল পথাৰৰ সমীপত স্থাপন হ'ব পাৰে। ই আনন্দৰ কথা। কিন্তু বৰাক উপত্যকাৰ চক্ৰটোও এই ক্ষেত্ৰত নিৰৱে বহি নাথাকে। গতিকে এই কথাৰ্তে আমি চকু ৰখা প্ৰয়োজন হ'ব।

অসম-বিৰোধী চক্ৰটো হয়তো ইতিমধ্যে ষড়যন্ত্ৰত বহিবলৈ সাজু হৈছেই। তেওঁলোকে এনে কথাও হয়তো ক'ব পাৰে যে ইতিমধ্যে অসমত তিনিটা শোধনাগাৰ আছেই; ভাৰতবৰ্ষত আন কোনো ৰাজ্যতেই সিমান শোধনাগাৰ নাই। গতিকে চতুৰ্থ এটা শোধনাগাৰ অসমত পতাৰ কি যুক্তি আছে? কিন্তু আমি এইটো কথা জনাটো উচিত হ'ব যে অসমৰ থাকৰা তেলেৰে ভাৰতবৰ্ষত চাৰিটা শোধনাগাৰ চলি আছে। তাৰে এটা বাৰাউনিত আৰু বাকী তিনিটা অসমত। অথচ আচৰিত কথা এইটোৱেই যে কেৱল বাৰাউনি শোধনাগাৰৰ শোধন ক্ষমতা যিমান (৩.৩ নিযুত মে. টন); আমাৰ বাকী তিনিওটা শোধনাগাৰৰ মিলিও সিমান নহয়। গতিকে অন্ততঃ ২ নিযুত মে. টন ক্ষমতাযুক্ত চতুৰ্থটো শোধনাগাৰ আমাৰ নিশ্চয় প্ৰয়োজনীয়।

বিশ্বৰ সবাতোকৈ পুৰণি ডিগবৈ শোধনাগাৰটোৰ (বৰ্তমান বিশ্বৰ চলি থকা শোধনাগাৰবোৰৰ ভিতৰত) আধুনিকীকৰণৰ বাবে আলোচনা চলি আছে। আধুনিকীকৰণৰ ফলত ইয়াৰ ক্ষমতা প্ৰায় দুগুণ হ'ব লাগে। কিন্তু বৰ্তমানৰ চতুৰ্থ শোধনাগাৰৰ কথাত লাগি যেন ডিগবৈৰ কথাযাৰ তল পৰে। কাৰণ OIL আৰু ONGCৰ হিচাপমতে অসমৰ তেল পথাৰৰ পৰা বছৰি ৭ নিযুত মে. টনৰো অধিক থাকৰা তেল উৎপাদন হয়। গতিকে এই হিচাপত চতুৰ্থ শোধনাগাৰটো হোৱাৰ পাছতো ডিগবৈ শোধনাগাৰৰ শোধন-ক্ষমতা বঢ়োৱাৰ থল আছে।

এই সম্পৰ্কীয় আৰু অধিক আলোচনা 'প্ৰান্তিক'ৰ পাতত আশা কৰিলোঁ। ৰাইজৰ জ্ঞাতাৰ্থে আলোচনাসমূহ তথ্যপূৰ্ণ হোৱাটো বাঞ্ছনীয়।

—ৰাজীৱ লোচন শৰ্মা,
ডিগবৈ শোধনাগাৰ, ডিগবৈ

### বিয়া আৰু সুৰা

আলোচনী, বাতৰি কাকত আদিত সুৰাৰ অপকাৰিতাৰ কথা সঘনে আলোচনা কৰি থকা হয়। সুৰাৰপৰা সুৰাপান কৰাসকলৰ স্বাস্থ্যৰ ওপৰত কেনেকুৱা বেয়া প্ৰভাৱ পৰে সেইটো সকলোৰে জ্ঞাত, কিন্তু তাৰ দ্বাৰা আমাৰ ৰাজহুৱা জীৱনত, সমাজত কেনেকুৱা প্ৰভাৱ পৰে আমি বোধকৰোঁ সিমান মন নকৰোঁ। আজিকালি বিয়া-বাৰুত দৰাৰ লগত যোৱা বৰযাত্ৰীসকলে দেখোন সুৰাপান নকৰাকৈ কইনা ঘৰলৈ যাবই নোখোজে। দৰাঘৰে তাৰ বাবে আগতীয়া বন্দবস্ত কৰিবই লাগিব— এনে এটা নিয়ম প্ৰায় বাধ্যতামূলক হৈ গৈছে। বেছিকৈ অসমীয়া বিয়া বাৰুতহে সুৰাপান কৰি পুৰুষত জাহিৰ খোজা এচাম লোক দেখা যায়। কইনা ঘৰলৈ গৈ বহুতে ভাৰসাম্য ৰাখিব নোৱাৰি অবাইচ মাত-কথাৰে বিয়াৰ দৰে পৱিত্ৰ অনুষ্ঠান এটা অপবিত্ৰ কৰা দেখা যায়। সুৰাপান কৰাসকলৰ অধিকাংশই যুবক। বয়সীয়া বৰযাত্ৰীসকলে নিবিকাৰ হৈ থাকে। সুৰাপান কৰি ডিস্কো ডেন্স দিয়াটো বিয়াৰ এটা অংগই হ'লগৈ। দেশক প্ৰগতিৰ পথত আগুৱাই নিবলৈ অসমীয়া যুৱকসকলে সোনকালে বিদেশী গুণ (বিলাতী গুণ?) আয়ত্ত কৰিলব পৰাটো বাৰু লক্ষণেই নেকি? এই কথা সমাজে ভাবিবৰ হ'ল।

—নীলিমা শইকীয়া, তিনিচুকীয়া

### অসম লোক সেৱা আয়োগৰ পৰীক্ষা আৰু ফলাফল

অসমৰ প্ৰশাসনিক সেৱা, বন সেৱা, পুলিচ সেৱা ইত্যাদিকে ধৰি বহু ৰকমৰ পৰীক্ষা অসম লোক সেৱা আয়োগৰ দ্বাৰা অনুষ্ঠিত হয়। কিন্তু আয়োগৰ দ্বাৰা ইয়াৰ লিখিত বা মৌখিক পৰীক্ষাৰ ফলাফলৰ নম্বৰৰ তালিকা প্ৰাৰ্থীক জনোৱা নহয়। আমি দেখা মতে কেন্দ্ৰীয় লোক সেৱা আয়োগে ইয়াৰ দ্বাৰা অনুষ্ঠিত সকলো পৰীক্ষাৰে নম্বৰৰ কথা কৃতকাৰ্য হোৱা বা নোহোৱা সকলো প্ৰাৰ্থীকে জনাই দিয়ে। সেই হেতুকে অসম লোক সেৱা আয়োগেও কেন্দ্ৰীয় লোক সেৱা আয়োগৰ দৰে সকলো পৰীক্ষাৰে নম্বৰৰ তালিকা কৃতকাৰ্য, অকৃতকাৰ্য সকলো প্ৰাৰ্থীকে দিয়াটো উচিত বুলি ভাবোঁ। কিয়নো তেতিয়াহে অকৃতকাৰ্য হোৱাসকলে ক'ত কেনেকুৱা নম্বৰ পালে সেইটো জানিব পাৰিব আৰু পিছৰ বাৰৰ বাবে জোৰ দিব পাৰিব। অসম লোক সেৱা আয়োগৰ বিভাগীয় কৰ্তৃপক্ষক এই বিষয়ে চিন্তা কৰি চাবলৈ অনুৰোধ কৰিলোঁ।

—নিখিল নাৰায়ণ দেৱ চৌধুৰী,
ডিফু

### ১৯৪১ চনৰ ৬ ডিচেম্বৰৰ তাৎপৰ্য

ড° নিৰোদ কুমাৰ বৰুৱাৰ উক্ত প্ৰবন্ধটো (১।১২।৮৫) পঢ়ি বহুতো স্মৃতিৰ ৰোমন্থন হ'ল। উল্লিখিত ঘটনাৰ সময়ত মই কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আছিলোঁ আৰু স্বচক্ষে প্ৰবন্ধত উল্লেখ কৰা মতে ছাত্ৰক মৰা আৰু হামফ্ৰেৰ গাতো ছাত্ৰই ঢকা দিয়া দেখিছিলোঁ। মোৰ সহপাঠী আৰু বন্ধু শিৱসাগৰৰ শ্ৰীযুত তাৰা বৰঠাকুৰে চাহেবৰ গাত-হাত দিছিল। আজি চুৰছৰমান আগতে স্বৰ্গী হোৱা মোৰ আন এজন সহপাঠী এসময়ৰ All India Radio, Delhiৰ উচ্চ বিষয়া প্ৰয়াত উপেন্দ্ৰ লতিক বৰুৱায়ো উত্তেজিত হৈ হামফ্ৰেৰ সৈতে ধস্তাধস্তি কৰিছিল। অৱশ্যে সেই সময়ৰ কটন কলেজৰ অধ্যক্ষ প্ৰয়াত বিজয় বাবুক বহুত ভৰ্ৎসনা কৰিছিল। ড° বৰুৱাই লিখা মতে বিজ্ঞান প্ৰদৰ্শনীখন অন্দ্ৰ কাৰ্জন হলত (বৰ্তমানৰ নবীন বৰদলৈ হল) অনুষ্ঠিত হোৱা নাছিল। প্ৰদৰ্শনীখন পদাৰ্থ বিজ্ঞানৰ প্ৰেকটিকেল ক্লাছৰ কোঠাত পতা হৈছিল, কোঠাটো পদাৰ্থ বিজ্ঞান শ্ৰেণীৰ গেলেৰিৰ দক্ষিণে অৱস্থিত আছিল; মই জনাত বৰ্তমানৰ কলেজৰ পুথি-ভঁৰালৰ কাষত। এই বিজ্ঞান শ্ৰেণীবোৰ Historical Research Instituteৰ দক্ষিণে অৱস্থিত। ঘটনাৰ সময়ত মোৰ যিমান দুৰ মনত পৰে ড° জ্যোতিষ দাসৰ পৰিবাৰ স্বৰ্গীয়া ৰাজবালা দাস অহা নাছিল। অধ্যক্ষ বিজয় বাবুৱে হামফ্ৰে চাহেবক আনি পদাৰ্থ বিজ্ঞান শ্ৰেণীৰ দক্ষিণে অৱস্থিত সেই প্ৰেকটিকেল ক্লাছৰ কোঠালৈ যুদ্ধৰ পুঁজিৰ বাবে কৰা প্ৰদৰ্শনী দেখুৱাইছিল আৰু তাৰ পাছতে সেই ঘটনাবোৰ ঘটিছিল। ডাক্তৰ দাস কলেজৰ পৰিচালনা সমিতিৰ সভ্য আছিল।

শ্ৰীহৰিদাস ডেকা আৰু শৰীৰ চৰ্চাবিদ শ্ৰীচিদানন্দ দাস শোভাযাত্ৰাৰ আগত আছিল। হামফ্ৰেৰ আক্ৰমণৰ লক্ষ্য আছিল শ্ৰীডেকা। শ্ৰীউমা শৰ্মা তেতিয়া এজন উল্লেখযোগ্য ছাত্ৰ নেতা আছিল। তেওঁৰ ওপৰত আক্ৰমণ হৈছিল নে নাই মনত নাই। আক্ৰমণ কৰা চিপাহীবোৰ সশস্ত্ৰ গোৰ্খা চিপাহী আছিল। তেওঁলোকে টাঙোনেৰে ছাত্ৰৰ মূৰতো আঘাত কৰিছিল; বেয়নেটেৰেও খুঁচিছিল।

স্বৰ্গীয় ড° ভুবনেশ্বৰ বৰুৱাই জখমী ছাত্ৰ শ্ৰীহৰিদাস ডেকা, প্ৰাক্তন ছাত্ৰ হৰেন কলিতা আৰু কোনোবা এজন কলিতা আৰু কেইজনমানক চাবলৈ সদায় পাণবজাৰৰ চৰকাৰী চিকিৎসালয়লৈ (বৰ্তমান মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়) গৈছিল। এই ঘটনাৰ দুই এদিন পাছতে স্বৰ্গীয় নীলমণি ফুকনৰ সভাপতিত্বত জজ ফিল্ডত এখন ডাঙৰ ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। তাত স্বৰ্গীয় হৰেশ্বৰ গোস্বামী, শ্ৰীউমা শৰ্মা আৰু স্বৰ্গীয় বৈদ্যনাথ বৰপূজাৰীয়ে বক্তৃতা দিছিল।

—খগেন্দ্ৰ নাৰায়ণ চৌধুৰী,
অধিবক্তা, ডিব্ৰুগড়

### "দ্বিতীয় দাপোন"

বহু দিন বিৰতি মূৰত প্ৰান্তিকত (১৬।৯।৮৫)। নিৰোদ চৌধুৰীৰ গল্প 'দ্বিতীয় দাপোন' গল্পটো পঢ়ি মনটো সেমেকি উঠিল, —গল্পটো যেন আগতে ক'ৰবাত পঢ়িছিলো। পুৰণি আলোচনীৰ সংখ্যা এটা বিচাৰি চাই দেখিলো এই একেটি গল্পই 'ফটো নোহোৱা ফ্ৰেম' নামেৰে তিনিচুকীয়াৰপৰা ১৯৭৮ চনত বিজন দত্তৰ সম্পাদনাত প্ৰকাশ পোৱা 'অসম' নামৰ আলোচনীখনতো প্ৰকাশ পাইছিল। মাথো প্ৰান্তিকৰ গল্পটিত পেৰেগ্ৰাফৰ সংখ্যা বাঢ়িছে আৰু শেষৰ শাৰী এটা বাদ পৰিছে। কিয় চৌধুৰীদেৱে একেটা গল্পকে দুবাৰ প্ৰকাশৰ ব্যৱস্থা কৰিলে নাজানিলো।

—অমৃত কুমাৰ ঠাকুৰ,
গুৱাহাটী বিশ্ববিদ্যালয়,
গুৱাহাটী

### নেতাৰ বয়স

আমাৰ চৰকাৰী কৰ্মচাৰীসকলে ৫৮ বছৰ বয়সত অৱসৰ পায়। তেখেতসকলৰ স্মৰণ শক্তি কমি যায়, কৰ্ম শক্তি হ্ৰাস পায়। কিন্তু একোজন লোকে অৱসৰৰ পাছত ৰাজনীতিত নামি নিৰ্বাচনৰ জৰিয়তে এম. এল. এ বা এম. পি. হ'ব পাৰে বা মন্ত্ৰিত্বৰ দৰে গধুৰ দায়িত্ব বহন কৰি এখন চৰকাৰ চলোৱাৰ বাবে ক্ষমতা পায়, এই ক্ষেত্ৰত বয়সৰ এটা সীমা নাই নেকি?

নিৰ্বাচনৰ প্ৰাৰ্থীৰ বয়স অন্ততঃ ৬৫ বছৰৰ অধিক হ'ব নালাগে বুলি আমাৰ ধাৰণা।

—দিগেন বেজবৰা,
বেবেজীয়া, নগাঁও



### গায়কৰ ৰাজহুৱা স্বীকাৰোক্তি

শ্ৰীৰিৰাজ বৰুৱাৰ পত্ৰখন (১।১২।৮৫) মই পূৰ্ণৰূপে সমৰ্থন কৰোঁ। সঁচাকৈয়ে উক্ত গীতটি শালীনতাৰ সীমা পাৰ হৈ যোৱা। গায়িকাই যদি কেৱল নিজক লৈ গীতটি গাইছে তেন্তে আমি হয়তো একো কব নোৱাৰোঁ, কিন্তু যিহেতুকে গীতবোৰ আত্মকেন্দ্ৰিক নহৈ সমাজকেন্দ্ৰিক হৈ পৰে, সেয়ে গোটেই গাভৰু সমাজৰ ওপৰত গীতটো প্ৰযোজ্য হৈ পৰিছে। এনেকুৱা গীত যাতে কোনেও ৰচনা নকৰে আৰু এনে গীত গাবলৈ যাতে কোনো আগবাঢ়ি নাহে তাৰ বাবে ইয়াৰ দ্বাৰাই অনুৰোধ কৰিলো। শেষত শ্ৰীবৰুৱালৈ অশেষ ধন্যবাদ জনাওঁ, কাৰণ তেওঁ পুৰুষ হৈ এনে এটি গীতৰ তীব্ৰ প্ৰতিবাদ জনাইছে।

—লীনা তালুকদাৰ, গুৱাহাটী

দুই

শ্ৰীবৰুৱাই উল্লেখ কৰা গীতটোৰ বাদেও অসমৰ সংগীত জগতত বিহু গীতকো চেৰ পেলাই যাব পৰা যথেষ্ট সংখ্যক আধুনিক প্ৰেমৰ মুক্ত প্ৰকাশৰ অশ্লীল গীত-মাত ৰেডিঅ' যোগে শুনিবলৈ পোৱা গৈছে। এই তৰল গীতবোৰ ডেকা-গাভৰু, জীয়াৰী-বোৱাৰী সকলোৰে বাবে জনপ্ৰিয় হৈ উঠিছে। সাধাৰণতে এনেবোৰ গীতকেই স্কুল-কলেজত অথবা সাংস্কৃতিক অনুষ্ঠানত গোৱা হয়; বাপেকে-পুতেকে একেলগে শুনে; হাত চাপৰি মাৰি; ঘৰতো জীয়াৰী-বোৱাৰীয়ে গুণগুণাই গাই মানসিক তৃপ্তি লাভ কৰে। এনেবোৰ গীত সংগীত জগতত সমাজ তথা সাহিত্যৰ বাবে ক্ষতিকাৰক। ৰেডিঅ' যোগে এনেবোৰ গীত প্ৰচাৰ নকৰাটোৱেই শ্ৰেয়।

—প্ৰবোধ কুমাৰ নাথ,
ডুমডুমা

### "ৰুছ চলচ্চিত্ৰ"

শ্ৰীগৌতম বৰাৰ প্ৰবন্ধটো (১।১২।৮৫) নিঃসন্দেহে তথ্যসমৃদ্ধ আৰু উপাদেয় হৈছে। প্ৰবন্ধটোৰ বক্তব্যসমূহ বাদ দি দুটা কথা উল্লেখ কৰিব খুজিছোঁ।

প্ৰথম কথা, প্ৰবন্ধটোত ৰুছ চলচ্চিত্ৰ সম্পৰ্কে এটা নিৰ্দিষ্ট সময়লৈকেহে আলোচনা কৰা হৈছে। সাম্প্ৰতিক কালত ইয়াৰ অৱস্থা কেনে আৰু কোন কোন দিশত ই প্ৰগতি লাভ কৰিছে এইবোৰ বিষয় প্ৰবন্ধটোত সামৰা নহল। আশা কৰোঁ প্ৰান্তিকৰ পাতত অইন এটা প্ৰবন্ধত এই বিষয়ে পঢ়িবলৈ পাম।

দ্বিতীয়তে ৰুছ চলচ্চিত্ৰৰ আধুনিক যুগটোৰ আদি কালত যি গৰাকী ব্যক্তি ইয়াৰ অন্যতম ৰূপকাৰ আছিল, সেইজন ব্যক্তি, অক্টোবৰ বিপ্লৱৰ কৰ্ণধাৰ, ভলাডিমিৰ লেনিনৰ ভূমিকাৰ বিষয়ে সুকীয়া আলোচনাৰ থল আছে। অক্টোবৰ বিপ্লৱৰ দহ বছৰ আগেয়ে লেনিনে চলচ্চিত্ৰ মাধ্যমৰ শক্তিশালী সম্ভাৱনীয়তাৰ বিষয়ে মন্তব্য কৰিছিল। বিপ্লৱোত্তৰ কালত তেওঁ শিল্প আৰু সংস্কৃতি বিভাগৰ কমিশ্যনাৰ লুনাৰস্কিৰ সৈতে ভৱিষ্যতৰ ছোভিয়েট চলচ্চিত্ৰ আঁচনি প্ৰস্তুত কৰিছিল।

চলচ্চিত্ৰ সম্পৰ্কে গভীৰ আলোচনা অসমীয়াত খুব কমেইহে হৈছে। এনে আলোচনা যিমানে বেছি হয়, মাধ্যমটোৰ সুস্থ বিকাশত সিমানেই সহায় হয়।

—জয়ন্ত ডেকা,
লক্ষ্মীনাথ বেজবৰুৱা পথ, মঙলদৈ

### "বগা কাউৰী"

শ্ৰীমধুসূদন দাসে কাঠমাণ্ডুৰ ভাৰতীয় দূতাবাসত যিটো বগা কাউৰী দেখিছিল (পত্ৰালাপ, ১৬।১১।৮৫), সেইটো এটা প্ৰকৃতিৰ খেয়ালৰ সৃষ্টি। ই এটা সাধাৰণ পাতি কাউৰীয়েই। ই কাউৰী বংশৰ বেলেগ কোনো প্ৰজাতি বা উপজাতি নহয়। সূৰ্যৰ কিৰণৰ সংস্পৰ্শত জীৱজন্তুৰ শৰীৰৰ পৰা নিৰ্গত কিছুমান জটিল ৰাসায়নিক পদাৰ্থৰ ক্ৰিয়াৰ ফলত সিহঁতৰ স্বাভাৱিক ৰঙৰ সৃষ্টি হয়। কেতিয়াবা কোনো এটা প্ৰাণীৰ শৰীৰ এই বিশেষ ৰাসায়নিক পদাৰ্থ নিৰ্গত কৰিবলৈ অক্ষম হ'লে, ই স্বাভাৱিক ৰঙৰ পৰা বঞ্চিত হয়। তেতিয়া সি ব'গা ৰং লয়। ইংৰাজীত এনে প্ৰাণীক এলবিন' (albino) বোলে। ৰংটোৰ বাহিৰে এনে এলবিন' প্ৰাণীৰ স্বভাৱ-আচৰণ সিহঁতৰ জাতিবিলাকৰ দৰেই থাকে। এনে কেইটামান বগা কাউৰী কলিকতাৰ চিৰিয়াখানাতো ৰখা হৈছে। বগা হাতী, বগা ম'হ আদিও প্ৰকৃতিৰ এনে খেয়ালৰ সৃষ্টি। আফ্ৰিকাৰ নিগ্ৰো গোষ্ঠীৰ মানুহৰ স্বাভাৱিক ছালৰ ৰং গাঢ় ক'লা। কিন্তু প্ৰকৃতিৰ এনে খেয়ালৰ ফলত দুই এজন এলবিন' নিগ্ৰোও দেখা যায়। তেওঁলোকৰ ছালৰ ৰং হয়তো উত্তৰ ইউৰোপৰ আটাইতকৈ ব'গা ৰঙৰ চাহাবজনতকৈও ব'গা।

চন্দ্ৰ মজিন্দাৰ বৰুৱা,
ডিব্ৰুগড়

### ডোঙা গুচি ভাপৰ নাও?

নৱম-দশম শ্ৰেণীৰ 'মাধ্যমিক অসমীয়া কথ-চয়ন' পুথিৰ অন্তৰ্গত আনন্দৰাম ঢেকিয়াল ফুকনদেৱৰ অসমীয়াৰ দুৰৱস্থাৰ হেতু নামৰ প্ৰবন্ধটিত উল্লেখ আছে যে, '.........তেতিয়া অসমদেশ হাবি গুচি ফুলবাৰী হ'ব পঁজাৰ ঠাইত অট্টালিকা হ'ব ডোঙা গুচি ভাপৰ নাও হ'ব আৰু গোটেই দেশ ধনময় হ'ব'। এই বাক্যটোত উল্লিখিত 'ডোঙা' শব্দটোৱে শাৰীটো ত্ৰুটিপূৰ্ণ কৰিছে যেন লাগে। 'ডোঙা' শব্দৰ অৰ্থ হৈছে 'সৰু খালত হোৱা অলপীয়া পানী' (হেমকোষ)। ঢেকিয়াল ফুকনদেৱে হাবি, পঁজা আদি শব্দকেইটা যি অৰ্থত ব্যৱহাৰ কৰিছে, তাৰ তুলনাত 'ডোঙা' শব্দটো খাপ খোৱা নাই যেন বোধ হয়। মোৰ বিবেচনাৰে, 'ডোঙা গুচি ভাপৰ নাও' নহৈ 'ডিঙা (অৰ্থাৎ টুলুঙা নাও) গুচি ভাপৰ নাও' বুলি হ'লেহে বাক্যটো অৰ্থপূৰ্ণ হ'ব।

বাক্যটোত 'ডোঙা' শব্দটো ছাপাশালৰ ভুলৰ কাৰণে নে ঢেকীয়াল ফুকন দেৱৰ কাপৰ পিচলৰ পৰিণতি স্বৰূপে সৃষ্টি হ'ল, সেই বিষয়ে সহৃদয় মহালয়সকলৰ পৰা সমিধান বিচাৰিলো।

—জয়ন্ত কুমাৰ বৰা,
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক,
শিৱসাগৰ কলেজ, জয়সাগৰ

### ডেকাৰ কাকুতি

"পিতাইটি অ' ভাল কৰিলি ব্যৱীথাৰী এজনী মোক গোটাই নিদিলি"— আকাশবাণীয়ে প্ৰচাৰ কৰা এই গীতটো অশ্লীল নহয়নে? এনেবোৰ গীতৰপৰা সমাজখনে কিবা সুফল আশা কৰিব পাৰে জানো?

—গণেশ বৰা, নগাঁও

# অসম গণ পৰিষদ বনাম ৰাজীৱ গান্ধী

প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে আঞ্চলিক দলবোৰ প্ৰাসংগিক নহয়, ভাৰতীয় ৰাজনীতিৰ বাবে সম্পূৰ্ণ বিপজ্জনক বুলি কৰা মন্তব্যৰ সম্পৰ্কত বিশিষ্ট ইংৰাজী পষেকীয়া 'ইণ্ডিয়া টুডে'ই সম্পাদকীয় লেখা এটাৰে মুখ পাতি ধৰিছে। অসমত আঞ্চলিক দল অসম গণ পৰিষদ ক্ষমতাত অধিষ্ঠিত হোৱাৰ ঠিক পাছতে প্ৰধানমন্ত্ৰীৰ তেনেকুৱা কথাই যথেষ্ট উদ্বেগ আৰু সংশয়ৰ সৃষ্টি কৰিছে আৰু সেয়ে দেশৰ অন্যতম প্ৰভাৱশালী আৰু মৰ্যাদাসম্পন্ন পষেকীয়াখনে প্ৰধানমন্ত্ৰীৰ দৃষ্টি ভংগীক কৰা সমালোচনাটো প্ৰণিধানযোগ্য।

অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ৰামা ৰাৱে ৰাজ্যবোৰৰ জনগণৰ সমস্যাবোৰৰ উত্তৰ আঞ্চলিক দলবোৰহে বুলি আৰু দেশৰ প্ৰধানমন্ত্ৰীয়ে তাৰ বিপৰীতে আঞ্চলিক দলবোৰ দেশৰ ৰাজনীতিৰ পক্ষে বিপজ্জনক বুলি কৰা মন্তব্য দুটাৰ সম্পৰ্কত পষেকীয়াখনে কয়ঃ তেওঁলোকে কিবা ভমকত সেইদৰে কৈছেনে, ভাবি চিন্তিয়েই কৈছে ধৰা টান। কিন্তু এটাও মানি ল'ব নোৱাৰি। ৰাজনৈতিক মঞ্চখনত উঠি ল'লেই দায়িত্বপূৰ্ণ স্থানত থকা মানুহবোৰে কেতিয়াবা দায়িত্বজ্ঞান এৰি পেলায় কিয় বুজিব নোৱাৰি। বিশেষকৈ প্ৰধানমন্ত্ৰীয়ে তেলুগু দেশম, আকালি দল আৰু নৱ গঠিত অসম গণ পৰিষদক কৰা এই আক্ৰমণে ঠিক কি উদ্দেশ্য সাধন কৰিব সেইটো স্পষ্ট নহয়।

কংগ্ৰেছ শতবাৰ্ষিকীৰ অনুষ্ঠানত নিজৰ দলক আৰু বিৰোধী দলবোৰক সমালোচনা কৰি ৰাজীৱে সাহসৰ পৰিচয় দিয়া বুলি অভিহিত কৰি সম্পাদকীয়টোত কোৱা হয় যে একেটা প্ৰসংগতে অসম চুক্তিৰ স্বাক্ষৰকাৰীসকলে গঠন কৰা দলটোক বিভেদকামী শক্তি বুলি অভিহিত কৰাটো ৰাজীৱৰ বাবে বীৰত্বৰ কথা নহ'ল।

তেওঁৰ সমালোচনাই ভোটাৰৰ মনত প্ৰভাৱ বিস্তাৰ নকৰাটো সমস্যা নহয়। অসম সমস্যা সমাধান হোৱা নাই; সমস্যাটো হাতৰপৰা সৰকি নপৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যুটীয়া প্ৰচেষ্টা চলাব লাগিব। অসমৰ নিৰ্বাচনটোৱে বিভিন্ন গোষ্ঠীৰ মাজত গভীৰ ফাঁট মেলা কথাটো প্ৰকাশ কৰিছে। বৰ্তমান ৰাজ্যখন প্ৰশাসনৰ দিশত অনভিজ্ঞ এদল ৰাজনীতিকে শাসন কৰিছে আৰু তেওঁলোক শুকাই বিস্ফোৰণমুখী হৈ থকা বাৰুদৰ ওপৰত বহি আছে। পৰস্পৰৰ মাজত বিশ্বাস গঢ়ি তোলাৰ প্ৰয়োজন হৈছে। অসম চুক্তিখন লৈ পৰৱৰ্তী পৰিস্থিতি এতিয়াৰ পঞ্জাবৰ লেখীয়া হ'বগৈ পাৰে আৰু সেই কাৰণে শুভ বুদ্ধিৰ প্ৰয়োজন হৈছে— পাৰস্পৰিক সন্দেহ আৰু অবিশ্বাসক বিভিন্ন গোষ্ঠীৰ মাজত সেতু বন্ধনৰ অন্তৰায় হৈ পৰিবলৈ দিয়াটো ভুল হ'ব।

প্ৰধানমন্ত্ৰীয়ে যিধৰণৰ ৰাজনৈতিক পৰিৱেশ সলনি কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছে ঠিক সেই ধৰণৰ পৰিৱেশেইহে সৃষ্টি হ'ব যদিহে বেলট বাকচে তিক্ততাৰ জন্ম দিয়ে। আঞ্চলিক দলবোৰ বাস্তৱ ঘটনা— সেইবোৰক এক ধৰণৰ বিপদ বুলি ধৰিব নালাগে। কংগ্ৰেছ (আই)ৰ বাবে সেইবোৰ আপদ যেন হ'ব পাৰে কিন্তু ৰাজ্যসমূহৰ সমস্যাবোৰ কংগ্ৰেছে (আই) নিজে ভুলভাৱে চম্ভালিবলৈ যোৱাৰ পৰাই সেইবোৰৰ জন্ম।

সম্পাদকীয়টোৱে শেহত মন্তব্য কৰিছে যে আঞ্চলিক দলবোৰৰ লগত একেলগে কাম কৰাৰ এটা ভাল সম্পৰ্ক গঢ়ি তোলাটোহে আঞ্চলিকতাবাদৰ উত্তৰ হ'ব পাৰে— সেইবোৰ প্ৰৱণতাক নিন্দা কৰাটো নহয়।

## ৰাষ্ট্ৰপতি বনাম প্ৰধানমন্ত্ৰী

অৱসৰ ল'বলৈ মাত্ৰ ১৮ মাহ বাকী থকা অৱস্থাতো ৰাষ্ট্ৰপতি জাইল সিং প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰপৰা 'নিলগ' হৈয়ে থাকিল বুলি ওলাইছে। জানুৱাৰীৰ প্ৰথম পষেকটোত ৰাষ্ট্ৰপতিৰ মেজত বিভিন্ন দেশৰ পৰা ২৩ টা আমন্ত্ৰণ গোট খাইছে, কিন্তু উত্তৰ দিব পৰা নাই। সেইবোৰৰ ভিতৰত পাকিস্তান আৰু ফ্ৰান্সৰ দৰে দেশৰ ৰাষ্ট্ৰপতিৰ পৰা অহা আমন্ত্ৰণো আছে। কিন্তু ৰাষ্ট্ৰপতি হিচাপে ম্যাদ শেষ হোৱাৰ আগেয়ে এই আমন্ত্ৰণবোৰ গ্ৰহণ কৰিবলৈ দিয়া হ'বনে নহয় সেইটোৰ বিষয়ত ৰাষ্ট্ৰপতি নিশ্চিত হ'ব পৰা নাই। ৰাষ্ট্ৰপতিৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত এই অনিশ্চয়তাকে পৰ্যবেক্ষক মহলে প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ মাজত সম্পৰ্ক ভাল নথকাৰ দেখ দেখ ডাঙৰ প্ৰমাণ বুলি ক'ব খোজে। ইতিমধ্যে ৰাজীৱে প্ৰধানমন্ত্ৰী হিচাপে অভ্যন্তৰীণ বা বৈদেশিক প্ৰশ্নত ৰাষ্ট্ৰপতিৰ লগত কোনো ধৰণৰ আলোচনা নকৰি এটা অভিলেখ স্থাপন কৰিছে।

পৰ্যবেক্ষক মহলৰ মতে স্বস্তিৰ কথা ইমানেই যে ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ মাজত প্ৰকাশ্যে কোনো ধৰণৰ সংঘৰ্ষ এতিয়ালৈকে ঘটা নাই আৰু আগৰ কোনো কোনো ৰাষ্ট্ৰপতিৰ দৰে জাইল সিঙে নিজা ৰবীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰা নাই।

## ১৯৮৬ৰ বিশিষ্ট ভাৰতীয়ৰ তালিকাত প্ৰফুল্ল মহন্ত

'প্ৰ'ব ইণ্ডিয়া' নামৰ আলোচনীখনে ১৯৮৬ চনত মন কৰিবলগীয়া ১৭ জন ভাৰতীয়ৰ এখন তালিকা প্ৰকাশ কৰিছে আৰু তাত অসমৰ পৰা আছে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত। ভাৰতৰ ইতিহাসত সৰ্বাতোকৈ তৰুণ মুখ্যমন্ত্ৰী জনৰ নেতৃত্বত অসমত এটা ডাঙৰ জাগৰণ ঘটিব, এটা সংহতি কাৰক শক্তি হিচাপে মহন্তই সংকটজনক স্থিতি চম্ভালিব লগা হ'ব বুলি মন্তব্য কৰা হৈছে। তালিকাত থকা অন্যান্যসকল হৈছে : কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ৰামকৃষ্ণ হেগড়ে—উদাৰনৈতিক গণতন্ত্ৰবাদী, একমাত্ৰ জনতা মুখ্যমন্ত্ৰী আৰু সম্ভাব্য বিৰোধী জোটৰ মধ্যমণি হিচাপে, কেন্দ্ৰীয় বিত্তমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিং— এজন অতি সৎ নিকা ভাবমূৰ্তিৰ, ৰাজনীতিৰ ধূলি-বোকা নলগা ৰাজনীতিক হিচাপে, অভ্যন্তৰীণ নিৰাপত্তা দপ্তৰৰ মন্ত্ৰী অৰুণ নেহৰু—চোৰাংচোৱা গোটবোৰ আৰু অৰ্ধসামৰিক বাহিনীবোৰকে ধৰি কমেও ৩২টা বিভাগ হাতত ৰখা, এতিয়াও প্ৰধানমন্ত্ৰীক 'ৰাজীৱ' বুলি মাতিব পৰা আৰু লোকসভাৰ অৰ্ধেক এম পি বহন কৰা হিন্দী প্ৰধান ৰাজনীতিৰ নাড়ী নক্ষত্ৰ বুজা ভাৰতৰ নতুন 'লোহ মানৱ' হিচাপে, জম্মু কাশ্মীৰৰ ফাৰুক আব্দুল্লা—আনৰ ওপৰত নিজৰ ছাঁ পেলাব পৰা 'ওখ' ব্যক্তিত্বৰ মানুহ হিচাপে, আকালী দলৰ প্ৰকাশ সিং বাদল— উপেক্ষা কৰিব নোৱৰা আকালী নেতা হিচাপে, শিৱসেনাৰ বাল থেকাৰে— তেজৰ স্বাদ পোৱা বাঘ হিচাপে, মহাৰাষ্ট্ৰৰ বিত্তমন্ত্ৰী সুশীলকুমাৰ শিণ্ডে—এটা নিৰ্দোষ হাঁহি আৰু নিকা ভাবমূৰ্তিৰ গৰাকী হিচাপে, ব্যৱসায়ী ধীৰুভাই আম্বানি— ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ দুৰদৰ্শী নিঃসংগ অভিযাত্ৰী হিচাপে, চলচ্চিত্ৰকাৰ অপৰ্ণা সেন— শ্বাসৰুদ্ধকাৰী, বিস্ময় উদ্ৰেককাৰী ছবিৰ নিৰ্মাতা হিচাপে, সাংবাদিক কবি প্ৰীতীশ নন্দী— পঁচাশীৰ সৰ্বাধিক প্ৰচাৰিত আৰু সৰ্বাধিক মানহানি মকৰ্দমাৰ সন্মুখীন হোৱা সাংবাদিক হিচাপে, সাংবাদিক এম জে আকবৰ— 'নিউজলাইন কাৰ্যসূচীৰে চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত দুৰদৰ্শনৰ বহু নিষেধ ভংগ কৰোতা হিচাপে, এথলিট পি টি উষা —এছিয়াৰ সৰাতোকৈ বেগী মহিলা হিচাপে, ইকুয়েষ্ট্ৰিয়ান বি ভি পি ৰাও—' ছিউল গেমছত স্বৰ্ণ পদক জয় কৰাৰ সম্ভাৱনা থকা অশ্বাৰোহী ক্ৰীড়াবিদ হিচাপে, বিজ্ঞানী ৰাজা ৰামান্না—ভাৰতৰ পাৰমাণৱিক গৌৰৱ হিচাপে, বিজ্ঞানী অশোক খোছলা— দুখীয়াৰ সমস্যা সমাধান কৰা উন্নত প্ৰযুক্তি বিদ্যাৰ বিকল্প দিওঁতা হিচাপে, আৰু চিকিৎসা বিজ্ঞানী ব্ৰহ্মপ্ৰকাশ—অগ্ৰণী লেছাৰ মাইক্ৰ' ছাৰ্জন হিচাপে।

## মুহিব মজুমদাৰৰ মনোভাৱেই ৰাজ্যৰ কংগ্ৰেছ (আই)ৰো মনোভাব নে?

অসম বিধান সভাত কংগ্ৰেছ (আই)ৰ এজন সদস্যই তেওঁলোকে কৰা ভুলবোৰ আদৰ্শ হিচাপে নল'বলৈ নৱ নিৰ্বাচিত অসম গণ পৰিষদৰ সদস্যসকলক সনিৰ্বন্ধ অনুৰোধ জনাই এটা তাৎপৰ্যপূৰ্ণ ভাষণ দিয়ে।

বিধান সভাত ১২ জানুৱাৰীৰ দিনা ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত ভাগ লৈ শইকীয়া আমোলৰ মন্ত্ৰী আব্দুল মুহিব মজুমদাৰে অসম গণ পৰিষদৰ চৰকাৰ তথা বিধায়কসকলক কয়ঃ আমি ভুল কৰিছোঁ। আমাক আপোনালোকে অনুকৰণ নকৰিব, উদাহৰণ হিচাপে নল'ব। আমাক আপোনালোকে সতৰ্ক চিহ্ন হিচাপে ল'ব। অসমৰ ৰাইজে আপোনালোকৰ ওপৰত বৰকৈ আশা ৰাখিছে। আপোনালোকৰ ওপৰত অৰ্পিত সেই পৱিত্ৰ তথা গধুৰ দায়িত্ব সতৰ্কতাৰে সৈতে পালন কৰিব লাগিব।

নতুন সদস্যসকলক জানিবুজি লব'লৈ, সদনৰ মান-মৰ্যাদা অটুট ৰাখিবলৈ, পশ্চিমবংগৰ বিধানসভাৰ পৰিৱেশ যাতে অসম বিধানসভাতো নহয় তাৰ প্ৰতি যত্নবান হ'বলৈ মজুমদাৰে আহ্বান জনায়।

তেওঁ অসম চুক্তিৰ প্ৰতি কংগ্ৰেছ (আই)ৰ অকুণ্ঠ সমৰ্থন থকাৰ কথা দোহাৰে আৰু চুক্তিখনৰ সম্পৰ্কত সংযুক্ত সংখ্যালঘু মৰ্চাৰ দুতলীয়া নীতিৰ সমালোচনা কৰে। অসম চুক্তি বাতিল কৰিবলৈ বিধানসভালৈ অহা সংখ্যালঘু মৰ্চাই এতিয়া চুক্তি বাতিলৰ কথা এৰি আন কথাহে কোৱা বুলি মজুমদাৰে উল্লেখ কৰে।

## ৰাজীৱ গান্ধী নতুন ভাবমূৰ্তিৰ গৰাকী

মাকিন 'নিউজ উইক' আলোচনীৰ মতে ১৯৮৫ চনত এটা পাৰ্থক্য আনি দিয়া বিশ্বৰ ১০ জনৰ ভিতৰত ভাৰতৰ ৰাজীৱ গান্ধীও আছে। আলোচনীখনৰ এই তালিকাত শক্তিশালী ব্যক্তিত্বৰ অধিকাৰী ৰেগান আৰু গৰবাচেভ, বলিষ্ঠ তৰুণ নেতা হিচাপে নিজৰ নিজৰ দেশৰ ভাবমূৰ্তি সলনি কৰি দিয়া ভাৰতৰ ৰাজীৱ গান্ধী, পেৰুৰ এলানি গাৰ্ছিয়া পেৰেজ, নিউজিলেণ্ডৰ ডেভিড ৰাছেল লাংগে, দক্ষিণ আফ্ৰিকাৰ বৰ্ণবৈষম্যৰ বিৰোধী উইনি মাণ্ডেলা, সন্ত্ৰাসবাদৰ বিশ্ব কঁপোৱা নেতা আবুল আব্বাছ, কে. জি. বি আৰু ছি. আই. এৰ চোৰাংচোৱাগিৰিৰ জগত তোলপাৰ লগোৱা ডিটেলি ইউৰচেংকো, ভয়ংকৰ ৰোগ 'এইডছ'ৰ বলি হোৱা চিত্ৰতাৰকা ৰক হাডছন আৰু মাৰ্কিন সংস্কৃতিৰ প্ৰতীক হৈ পৰা পপ ষ্টাৰ ব্ৰুচ স্প্ৰিংষ্টিন আছে।

'হিংসাৰ বিৰুদ্ধে যুক্তিবুদ্ধিৰ জয়ঃ গান্ধীয়ে ভাৰতৰ মেজাজ সলাই দিলে' শিৰোনামা দি আলোচনীখনে ৰাজীৱ গান্ধীৰ বিষয়ে মন্তব্য কৰিছেঃ "সন্দেহ কৰোঁতা ঢেৰ আছিল, কিন্তু ৰাজীৱ গান্ধীয়ে তেওঁলোকক ভুল প্ৰমাণিত কৰি দিলে। তেওঁৰ মাকৰ হত্যাৰ পাছত ৰাজনৈতিক ক্ষেত্ৰত নৱাগত অৱস্থাত ক্ষমতাত অধিষ্ঠিত কৰি দিয়া, বিমানৰ পাইলটৰ পৰা গৈ প্ৰধানমন্ত্ৰী হোৱা ৰাজীৱ গান্ধীয়ে ভাৰতৰ মন-মেজাজ সলনি কৰি দিলে আৰু যুক্তিবিচাৰে আবেগ আৰু হিংসাক জয় কৰিব পাৰে বুলি তেওঁৰ দৃঢ় প্ৰত্যয়ে বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশখনক ভৱিষ্যতৰ বাবে আশা দিলে। দেশৰ অভ্যন্তৰীণ ক্ষেত্ৰত তেওঁ অশান্তিত জৰ্জৰিত হৈ থকা ৰাজ্য পঞ্জাব আৰু অসমলৈ শান্তি আনিবৰ কাৰণে আশাভৰা অ'চনি কেইখন আলাপ-আলোচনাৰে গ্ৰহণ কৰিলে। বিশ্বৰ বৃহৎ শক্তি কেইটাৰ আগত নিজৰ তেজবলৰ প্ৰমাণ দিবলৈ তেওঁ ৱাশ্বিংটন আৰু মস্কো ভ্ৰমণ কৰিলে, কিন্তু তেওঁ বিজ্ঞতাৰে অধিক সময় ব্যয় কৰিলে পাকিস্তান আৰু ভাৰতৰ আন আন অধিক সৰু আৰু প্ৰায়ে অৱহেলিত চুবুৰীয়া দেশ কেইখনৰ লগত সম্পৰ্ক উন্নত কৰাৰ চেষ্টাৰে।"



# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

## কাশ্মীৰত অশান্তি সৃষ্টিৰ ফন্দী

বোধকৰোঁ আন ক'তো অশান্তি দূৰ কৰোঁতা বুলি কথিত লোকে অশান্তি সৃষ্টিকাৰীক ইমান বেছি সহায় কৰা নাই—যিমান কৰিছে কাশ্মীৰ উপত্যকাত। নতুন দিল্লীত ক্ষমতাত অধিষ্ঠিতসকলে যোৱা দুবছৰমানত ইয়াৰ পাছত সিটোকৈ ভুল পদক্ষেপেৰে বিচ্ছিন্নতাবাদী আৰু অন্ধবিশ্বাসী মৌলবাদীসকলক অনুগামীৰ সংখ্যা বঢ়োৱাৰ এটা ডাঙৰ সুযোগ দি আহিছে।

গতিকে 'ওমৰ মুখটাৰ' নামৰ চলচ্চিত্ৰখন চাই শ্ৰীনগৰ আৰু উপত্যকাটোৰ অন্যান্য ঠাইৰ বহু ছাত্ৰ-ছাত্ৰী মুগ্ধ হৈ মজি পৰাত আচৰিত হ'ব লগা নাই। ইটালীয়ান উৎপীড়কসকলৰ বিৰুদ্ধে এটা সশস্ত্ৰ সংগ্ৰামৰ নেতৃত্ব দিয়া এজন লিবিয়ান বিপ্লৱীক ছবিখনৰ নায়ক হিচাপে দেখুওৱা হৈছে আৰু তাত আছে "ভাৰতীয় উৎপীড়ক" সকলৰ বিৰুদ্ধে এটা অনুৰূপ সংগ্ৰাম চলোৱাৰ স্বপ্ন। এনেকুৱা ধৰণৰ উৎপীড়ন যে চলা নাই সেইটো প্ৰধান কথা নহয়, প্ৰধান কথাটো হ'ল এনেকুৱা ধৰণৰ উৎপীড়ন চলি আছে বুলি এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যে ধাৰণাৰ সৃষ্টি কৰা হৈছে সেইটোহে।

কিছুমান তৰুণ বয়সৰ লোক কাশ্মীৰৰ পাকিস্তানৰ দখলত থকা অঞ্চলটোলৈ সৰকি পাৰ হৈ গৈছে, সেই অঞ্চলৰ শাসকসকলে তেওঁলোকক "সহায়" কৰাৰ প্ৰকাশ্যে আশ্বাস দিছে; তেওঁলোকৰ বহু সংখ্যক প্ৰশিক্ষণ লৈ আৰু সশস্ত্ৰ হৈ আনকি উভতিও আহিছে পশ্চাৎঘাতী কাৰ্য চলাবলৈ আৰু সাম্প্ৰদায়িক অশান্তি সৃষ্টি কৰিবলৈ। তেওঁলোকৰ ভাবুকি অকল হিন্দুৰ মঠ-মন্দিৰলৈকে নহয়, মুছলমানৰ মছজিদলৈও; কাৰণ তেওঁলোকে যিটো বিচাৰে সেইটো হ'ল অশান্তি। এই পশ্চাৎঘাতীসকলে ভগবানৰ দূত মহম্মদৰ চুলি (মুৱে-ই-মুকাদচ) ৰখা খাহি মছজিদ বিস্ফোৰণ ঘটাই উৰাই দি, ১৯৬৩ চনত সেই চুলি চুৰি হোৱাৰ পাছত সৃষ্টি হোৱাটোতকৈও জঘন্য পৰিস্থিতিৰ সৃষ্টি কৰিবলৈও আনকি চেষ্টা কৰিব পাৰে বুলি প্ৰশাসনৰ ভয় হৈছে।

সংগ্ৰামী ভাৱাপন্নসকল দিনক দিনে বেছি বলিষ্ঠ হৈ উঠিছে, কাৰণ উপত্যকাটোত ইছলামীয় "অন্ধবিশ্বাসী মৌলবাদ"ৰ ক্ৰমবৃদ্ধিয়ে তেওঁলোকক অকল আত্মগোপনৰ ঢাকনি এখন দিয়াই নহয়, তেওঁলোকক সাধন কৰিবলৈ এটা উদ্দেশ্যও দিছে যিটোক অধিক সহজেই ভোল যোৱাসকলক ইছলামৰ স্বাৰ্থত বুলি বিশ্বাস কৰাই দিব পাৰি। উপসাগৰীয় অঞ্চলৰ দেশবোৰৰপৰা অহা টকা-পইচাৰ বুকুত উটি-ভাহি থকা জমিয়েত-ই-ইছলামিয়া তেওঁলোকৰ অৱলম্বন আৰু এই সংগঠনটোৱে তেওঁলোকৰ মস্তিস্ক-প্ৰক্ষালনো কৰিছে। আজিৰ দৰে আগেয়ে কেতিয়াও কাশ্মীৰত ইমান সাম্প্ৰদায়িকতা নাছিল আৰু জমিয়েতে সৰ্বাত্মক প্ৰচেষ্টা চলাই গৈছে জনগণৰ সকলো সমস্যাক (পৰ্যটনৰ মন্দা অৱস্থাই হওক বা ব্যৱসায়-বাণিজ্যৰ মন্দা অৱস্থাই হওক) "হিন্দু ভাৰত"ত অন্তৰ্ভুক্তিৰ লগত সংযুক্ত কৰিবলৈ।

জমিয়েতৰ সংগঠন তিনিটা;— এটা ছাত্ৰৰ (তুলাবা) বাবে, আনটো ছাত্ৰীসকলকে ধৰি মহিলাৰ বাবে আৰু তৃতীয়টো প্ৰধান— পুৰুষৰ বাবে। তেওঁলোকক নিয়মিতভাৱে নামাজ পঢ়িবলৈ, আৰু মুছলমান হিচাপে যিবোৰ তেওঁলোকৰ কৰ্তব্য বুলি তেওঁলোকক কোৱা হৈছে সেইবোৰ "মুছলমানৰ কৰ্তব্য" সম্পাদন কৰি "প্ৰকৃত মুছলমান" হ'বলৈ পৰামৰ্শ দিয়া হয়। মুছলমান বিশ্বৰ সংহতিৰ ওপৰত এটা গুৰুত্বও আছে— য'ত ভাৰত খাপ নাখায়, কিন্তু ইছলামধৰ্মী পাকিস্তান খাপ খায়।

এই চিন্তাধাৰা-সন্নিবিষ্ট কিতাপ, পুস্তিকা আৰু আলোচনী বিনামূলীয়াকৈ বিতৰণ কৰা হয় আৰু আনকি কিছুমান শিক্ষকে প্ৰথমে গোপনে আৰু এতিয়া অধিক প্ৰকাশ্যে ধৰ্মনিৰপেক্ষতাৰ আক্ৰমণৰ পৰা ইছলামক ৰক্ষা কৰাৰ নামত ভাৰতৰপৰা বিচ্ছিন্ন হৈ যোৱাৰ কথা কয়।

অবাধে চলোৱা ঈশ্বৰতান্ত্ৰিক প্ৰচাৰে বিচ্ছিন্নতাবাদী আৰু ভাৰত-বিৰোধী শক্তিবোৰক মুখৰ কৰি তুলিছে। পাকিস্তানপন্থী নিখিল জম্মু-কাশ্মীৰ গণ লীগ আৰু গণ ভোট মৰ্চা পন্থী (মাহাজ-ই-আজাদী) সকলে প্ৰকাশ্যে তেওঁলোকৰ ভাৰত বিৰোধী আৰু বিচ্ছিন্নতাবাদী ভাব অনুভূতি প্ৰচাৰ কৰিছে। এই সংগঠনবোৰে ১৯৮৩ চনৰ ১৩ অক্টোবৰত শ্ৰীনগৰত ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতৰ একদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেলখনত পিচখন খান্দি পেলোৱাকে ধৰি অসংখ্য কুৎসিত ঘটনা সংঘটিত কৰাৰ গৌৰৱ লৈছে।

কেন্দ্ৰীয় চৰকাৰৰ চোৰাংচোৱা বুৰ'ই (আই· বি) বিচ্ছিন্নতাবাদী আৰু ৰাষ্ট্ৰবিৰোধী গোষ্ঠী আৰু সংগঠনবোৰৰ নেতা আৰু কৰ্মীসকলৰ কামকাজৰ ওপৰত "অতি সতৰ্ক দৃষ্টি" ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত বাৰম্বাৰ গুৰুত্ব দিছে, কিন্তু সমস্যাটোৰ সম্পৰ্কত ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত আন্তৰিকতা-শূন্য চেষ্টাহে চলোৱা হৈছে। ফাৰুক আব্দুল্লাই নতুন দিল্লীৰ লগত থকা তেওঁৰ বিৰোধৰ কাৰণে আই· বিৰ সতৰ্কবাণীবোৰ কেতিয়াও গুৰুত্ব সহকাৰে নল'লে।

তেওঁৰ উত্তৰাধিকাৰী জি· এম. শ্বাহে পোনতে কিছু ব্যৱস্থা গ্ৰহণ কৰিছিল, কিন্তু যেতিয়া তেওঁ বুজি পালে যে তেওঁৰ ৰাজত্ব বেছি কাল নাথাকিব পাৰে তেতিয়াৰ পৰা তেওঁ নিষ্ক্ৰিয় হৈ পৰিল। দৰাচলতে তেওঁ এতিয়া সস্তীয়া জনপ্ৰিয়তা পাবলৈ নতুন দিল্লীক আক্ৰমণ কৰে আৰু প্ৰায়ে তেওঁৰ ভাষণবোৰত "শ্বেখে কাশ্মীৰীসকলে নিজেই নিজক শাসন কৰাটো বিচাৰিছিল কাৰণে" ১৯৫৪ চনত জৱাহৰলাল নেহৰুৱে শ্বেখ আব্দুল্লাক গ্ৰেপ্তাৰ কৰাৰ কথা উল্লেখ কৰে।

অন্ধবিশ্বাসী মৌলবাদ আৰু বিচ্ছিন্নতাবাদী প্ৰচাৰে লগ লাগি কি বিপদৰ সৃষ্টি কৰিব পাৰে সেইটোৰ গুৰুত্ব ফাৰুক আব্দুল্লাই লঘু কৰা নাছিল; দৰাচলতে তেওঁ অনুভৱ কৰিছিল যে "অতি সোনকালে" প্ৰতিকাৰ মূলক ব্যৱস্থা গ্ৰহণ নকৰিলে "পৰিস্থিতি উদ্ধাৰ কৰি আনিব নোৱৰা অৱস্থাত পৰিবগৈ"। "ৰাজনীতিৰ খেলা" কৰাৰ কাৰণে আৰু ভাৰত বিৰোধী শক্তিবোৰৰ পৰম সুবিধা কৰি দিয়া পৰিস্থিতি সৃষ্টি কৰাৰ কাৰণে তেওঁ নতুন দিল্লীক জগৰীয়া কৰে। ফাৰুক আব্দুল্লাই কয়: "চাওক, মই যদি কিবা এটা আন্দোলন আৰম্ভ কৰিলোহেঁতেন, তেনেহলে বিচ্ছিন্নতাবাদী আৰু অন্ধবিশ্বাসী মৌলবাদীসকলে হিংসাত্মক ঘটনা আৰু সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰি মোৰ আৰু মোৰ দল নেশ্যনেল কনফাৰেন্সৰ অপযশ কৰিবলৈ তাৰ সুযোগ ল'লেহেঁতেন।"

কাশ্মীৰৰ বেলিকা নতুন দিল্লীয়ে গণতন্ত্ৰৰ বাবে ব্যৱহাৰ কৰা মাপকাঠীডালো বেলেগ,—সংগ্ৰামী ভাবাপন্নসকলে এই অভিযোগ তুলিবলৈ ফাৰুক আব্দুল্লাৰ বৰ্খাস্তকো এটা যুক্তি হিচাপে ব্যৱহাৰ কৰিছে। তেওঁলোকে কয় যে শ্বেখ আব্দুল্লাক ভাৰত চৰকাৰে বিচৰা নাছিল কিন্তু জনগণে বিচাৰিছিল; সেই কাৰণে তেওঁক দুই দশক ধৰি ৰাজ্যখনৰ বাহিৰত ৰখা হৈছিল। আৰু তেওঁলোকৰ সন্দেহ হৈছে যে ই-কংগ্ৰেছৰ লগত কিবা এটা বন্দবস্তত উপনীত নহয় মানে ফাৰুক আব্দুল্লাক ক্ষমতালৈ প্ৰত্যাবৰ্তন কৰিবলৈ দিয়া নহ'ব। আনকি ফাৰুক আব্দুল্লাৰ কিছুমান অনুগামীয়েও এই কথা বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে।

ই-কংগ্ৰেছৰ লগত এটা বুজাবুজিত উপনীত হ'বৰ বাবে ফাৰুক আব্দুল্লাৰ ওপৰত হেঁচা দিয়া হৈছে বুলি বাতৰি ওলাইছে। কিছু বছৰ ধৰি, বিশেষকৈ যোৱা দুই বা তিনি বছৰত ই-কংগ্ৰেছ কাশ্মীৰবিৰোধী মনোভাবৰ লগত ইমান সমাৰ্থক হৈ পৰিছে যে কংগ্ৰেছৰ লেশ মানো থকা যিকোনো জোটক জনগণে অগ্ৰাহ্য কৰিব পাৰে। শ্বেখ আব্দুল্লা সদায় জনপ্ৰিয় আছিল, কিন্তু যেতিয়াই তেওঁ নতুন দিল্লীৰ পৰা তেওঁৰ দূৰত্বৰ ওপৰত গুৰুত্ব দিছিল তেতিয়াই তেওঁৰ জনপ্ৰিয়তা বাঢ়িছিল। ফাৰুক আব্দুল্লা তেওঁৰ জনপ্ৰিয়তাৰ সৰ্বোচ্চ শিখৰত উঠিছিল তেওঁ মুখ্যমন্ত্ৰী হৈ থাকোঁতে নহয়,— নতুন দিল্লীয়ে তেওঁক বৰ্খাস্ত কৰাৰ পাছতহে।

আনকি ফাৰুক আব্দুল্লায়ো স্বীকাৰ কৰে আৰু কেন্দ্ৰত ক্ষমতাত অধিষ্ঠিত হৈ থকাসকলক তেওঁ সেই কথা জনাইছেও যে ই·কংগ্ৰেছৰ লগত হোৱা আনুষ্ঠানিক বা অনানুষ্ঠানিক যিকোনো মিত্ৰতাই অকল তেওঁৰ আৰু তেওঁৰ দলৰ খ্যাতিকেই যে নষ্ট কৰিব এনে নহয়,—নিৰ্বাচনত কাশ্মীৰ উপত্যকাৰ বিচ্ছিন্নতাবাদী আৰু অন্ধ বিশ্বাসী মৌলবাদীসকলক আৰু জম্মুৰ হিন্দু উগ্ৰ জাতীয়তাবাদীসকলক সুবিধাও কৰি দিব।

বাস্তৱিকতে যিটো দেখা গৈছে, ১৯৮৪ চনৰ আগভাগত ফাৰুক আব্দুল্লাক বৰখাস্ত কৰিবলৈ ইন্দিৰা গান্ধীৰ ওপৰত যি দুজনে প্ৰভাৱ বিস্তাৰ কৰিছিল সেই মাখনলাল ফটেদাৰ (ৰাজীৱ গান্ধীৰ ৰাজনৈতিক সচিব) আৰু অৰুণ নেহৰুৰ (অভ্যন্তৰীণ নিৰাপত্তা বিষয়ক ৰাজ্য পৰ্যায়ৰ মন্ত্ৰী) পৰামৰ্শক্ৰমে ৰাজীৱ গান্ধীয়ে যদি ফাৰুক আব্দুল্লাৰ ওপৰত এটা নিৰ্বাচনী বন্দবস্ত জাপি দিয়ে, তেতিয়া হ'লে নেশ্যনেল কনফাৰেন্সে হয়তো সংখ্যাগৰিষ্ঠতা লাভ নকৰিব। অৱশ্যে নিৰ্বাচনৰ পাছত দুয়োটা দল হয়তো ঠিক নেহৰুৰ আমোলত হোৱাৰ দৰে এটা বন্দবস্তত উপনীত হ'ব পাৰিব। (তেতিয়া শ্বেখ আৰু পৰৱৰ্তী কালত তেওঁৰ উত্তৰাধিকাৰীসকলে নেশ্যনেল কনফাৰেন্সক কংগ্ৰেছৰ এটা সহযোগী দল কৰিছিল)।

বিচ্ছিন্নতাবাদী আৰু অন্ধবিশ্বাসী মৌলবাদীসকলৰ মনত এই ভয়টো আছে আৰু তেওঁলোকৰ কিছুমান ১৯৪৭ চনত মহাৰজাজন ৰাজ্যখনৰপৰা পলাই যাওঁতে শ্বেখে ৰাজ্যখন ভাৰতত অন্তৰ্ভুক্ত কৰিবলৈ লোৱা সিদ্ধান্তটোৰ ক্ষেত্ৰত দিয়া নেতৃত্বৰ বিষয়ে প্ৰশ্ন তুলিবলৈ আৰম্ভ কৰিছে। জম্মু-কাশ্মীৰৰ ভাৰত ভুক্তিৰ বহু দিনৰ আগেয়ে শ্বেখে দিয়া বুলি কথিত ভাষণ আৰু সাক্ষাৎকাৰৰ অসংখ্য 'টেপ' তেওঁলোকে বজাই ফুৰিছে— যিবোৰত শ্বেখজনে হেনো স্বাধীন কাশ্মীৰৰ কথা কৈছিল।

এইটো তথ্যগত দিশৰপৰা শুদ্ধ কথা নহয়। তেওঁ প্ৰায়ে কৈছিল (মই তেওঁৰ ভাষণবোৰৰ এটাৰপৰা উদ্ধৃত কৰিছোঁ),— "মুছলমানসকল গোটেইখন ভাৰতত সিঁচৰতি হৈ আছে আৰু কোনোবা কেইটামান অংশ দেশখনৰপৰা বিচ্ছিন্ন কৰি আনিলে আৰু স্বাধীন বুলি ঘোষণা কৰিলে তেওঁলোক অধিক কষ্টৰ সন্মুখীন হ'ব। তেওঁলোক

৫৩ পৃষ্ঠাত চাওক

OKDISCD

## হজৰত খাজা নিজামুদ্দিন কাজী বৰদেৱান

প্ৰান্তিক নামৰ আলোচনীখনৰ ৪থ বছৰৰ ২৪শ সংখ্যাটো (১৬-৩০ নৱেম্বৰ '৮৫) কিনি পঢ়িলো। চকুত পৰিল শ্ৰীদিলীপ কুমাৰ দত্তই লিখা "আমেৰিকাবাসী অসমীয়াৰ কৰ্তব্য"। তাত আমাৰ উপৰিপুৰুষ হজৰত মীৰে-মীৰান মুহিয়ুদ্দিন খাটিবে বেমিচাল ওৰফে চাহ মিলন ওৰফে হজৰত আজান পীৰ চাহেবৰ বিষয়েও অলপ উল্লেখ আছে। মই ১।১০।৮৫ তাৰিখৰ চিঠিখন দেখা নাই, গতিকে সেই বিষয়ে নাজানো। এই অভাজন হজৰত চাহ মিলন চাহেবৰ আজো নাতি আৰু আজি ভালেমান দিন ধৰি মই তেখেতৰ বিষয়ে গৱেষণা কৰি আছো।

এইটো সত্য যে চাহ মিৰান ওৰফে হজৰত আজান পীৰ চাহেব বাগদাদৰপৰা অহা নাছিল। তেওঁৰ পূৰ্ব-পুৰুষসকলহে বাগদাদৰপৰা প্ৰথমতে আজমিৰ খৰীফ তাৰ পাছত দিল্লী, তাৰ পৰা জৌনপুৰ, তাৰপৰা বিহাৰ, তাৰ পৰা পান্দাৱাহ (মালদহ জিলা,—বৰ্তমান বাংলাদেশত), সেই ঠাইৰপৰা ভেল্লা (কামৰূপ-গোৱালাপাৰাৰ ফালে), তাৰপৰা হাজো, তাৰপৰা গড়গাঁও (নাজিৰা), তাৰপৰা শৰাগুৰি (দিখৌমুখ), তাৰপৰা জাঁজী, তাৰপৰা এজন পুত্ৰেক কাকজানৰ দেৱান ভৰলুৱা গাঁও আৰু আনজন নামতি চাৰিআলিলৈ (শিৱসাগৰ জিলাৰ) যায়। কাকজানৰপৰা হজৰত খাজা নিজামুদ্দিন কাজী বৰদেৱান চাহেবৰ বৰপুত্ৰ হজৰত আলহাজ কাজী চৈয়দ আব্দুৰ ৰহমান যোৰহাটলৈ আহে। ১৮২৭ খৃ.ত উক্ত হাজী কাজী চৈয়দ আব্দুৰ ৰহমান চাহেবে ইছলামী সম্বৰণ কৰে। এখেতেই হজৰত আজান পীৰ চাহেবৰ চুফী তৰিকাৰ (পন্থাৰ) সৰ্বশেষ চুফী-পীৰ আছিল। ডক্টৰ ইমৰান হুছেইন চৌধুৰী আৰু মুক্তিয়াৰ কেৰামত আলি (বহুতে এওঁক উকিল বুলি কয়) চাহেবে বৰ ভক্তি কৰা "চাই ফকিৰ" এখেতৰে ঘৰত গোলাম (চাকৰ) আছিল; ৰাতি চুফীবাদৰ জপ-তপ শিকে, দিনত চোতাল সাৰে, ঢেঁকী দিয়ে, ধান শুকুৱায়, পানী আনে। এনেকুৱা ভালেমান ফকিৰ, পীৰ, মৌলানা ভাৰতৰ বিভিন্নস্থানৰপৰ এখেতৰ ওচৰলৈ আহে; ভাৰতৰ বাহিৰৰ পৰাও,—কাবুল আদি ঠাইৰপৰাও এখেতৰ ওচৰলৈ চুফীবাদ শিকিবলৈ লোক আহিছিল। বিভিন্ন সাতোটা আৰবী ভাষা এখেতে ক'ব পাৰিছিল।

এখেতৰ পিতৃ হৈছে হজৰত খাজা নিজামুদ্দিন কাজী বৰদেৱান চাহেব। এখেত আজান পীৰ চাহেবৰ সপ্তম পুৰুষত্তি নাতি। বংশাৱলীত এইদৰে আছে: (১) হজৰত মিৰে-মীৰান মুহিয়ুদ্দিন খাটিবে বেমিচাল ওৰফে চাহ মিলন ওৰফে হজৰত আজান পীৰ চাহেব। চৈয়দসকলৰ ওপৰত চৰ্দাৰ আছিল কাৰণে এওঁক মিৰে মীৰান বোলে; চৈয়দসকলে মীৰ, খাজা, আগা উপাধিও ঠায়ে ঠায়ে লিখে। চৈয়দ মানে ৰাজকুমাৰ; অৱশ্যে ৰাজকুমাৰতকৈ সম্ৰাট কুমাৰ (চাহানচাহৰ পুত্ৰ), গতিকে পৃথিৱীৰ আন দেশৰ ৰজা-বাদচাহসকলৰ ছোৱালীৰ লগত এওঁলোকৰ বৈবাহিক সম্বন্ধ ঘটে। গতিকে হজৰত আজান পীৰ চাহেবৰ বংশধৰসকলে হাজৰিকা, শইকীয়া, বৰা উপাধি আহোম ৰজাৰপৰা লোৱা নাছিল। সাংসাৰিক বিষয় হিচাপে আজান পীৰ চাহেবৰ উপৰিপুৰুষে "দেৱান"ৰ কাম কৰিছিল। দেৱান মানে ৰাজহ মন্ত্ৰী। গতিকে, হজৰত নিজামুদ্দিন কাজী চাহেবক ৰবদেৱান বুলিছিল;—সেয়া হৈছে মীৰে মিৰানৰ অসমীয়া ভাঙনি। আহোম ৰজাই পত্তা এখেত কাজী আছিল। সেই দিনৰ কাজী আজিকালিৰ কাজীৰ দৰে নাছিল। আজিকালিৰ কাজী নামতহে কাজী; তেওঁ ইছলামী আইন চলাব নোৱাৰে; এওঁলোক মাথো বিবাহ পঞ্জীয়ক (Marriage Registrar)। আহোমৰ দিনৰ কাজীয়ে মুছলমান সম্প্ৰদায়ৰ মাজত ইছলামী ছৰিয়ত আইন পূৰামাত্ৰাই চলাব পাৰে; মাথো মৃত্যু-দণ্ড দিব নোৱাৰে। কম ওজনৰ দগা-পাল্লাৰে বস্তু বিকিলে, আঠকঠীয়া দোনেৰে ধান বেচি জনসাধাৰণক ঠগিলে সেই দগা-পাল্লা-দোন তেওঁলোকে জ্বলাই দিব পাৰে। মদ খালে বেত দিব পাৰে; মাক-বাপেকৰ ওপৰত হাত দিলে মুখ ক'লা কৰি, ডিঙিত কলহ বান্ধি ৰাইজৰ মাজত ঘূৰাব পাৰে। তেওঁলোকে চোৰ-ডকাইতক সাধাৰণতে আহোম ৰজাৰ বিষয়াসকলক গতাই দিয়ে; সম্পত্তিৰ ভাগ-বাটোৱাৰাৰ বিবাদ আদিৰ গোচৰ সোধে আৰু বিভিন্ন কাম কৰে।

আহোম ৰজাৰপৰা এখেতে খাট হিচাপে (জাইগীৰৰূপে) দেৱানি ভৰলুৱাৰ (কাকজানৰ) গাঁওখন পায়। অৱশ্যে এখেতৰ পিতৃ হজৰত বুৰহামুদ্দিম কাজী চাহেবে আৰু ইয়াৰ আগতে ককাক হজৰত চাহ জংগলী আসামী চাহেবে এই জাইগীৰ উপভোগ কৰিছিল।

যোৰহাটৰ ফৰমুদ আলি আৰু বাহাদুৰ গাঁওবুঢ়া এখেতৰ ভকত (মুৰীদ) আছিল। এওঁলোক দুজনে মণিৰাম দেৱানৰ মোকৰ্দমাত কলিয়াপানীলৈ হোৱাৰ শাস্তি পালত ৰাইজৰ মাজত খ্যাতি লাভ কৰে। এই দুজনৰ বাহিৰেও তেখেতৰ প্ৰায় এক লাখতকৈ অধিক ভকত অসমৰ বিভিন্ন জিলাত (যেনে-যোৰহাট জিলা, শিৱসাগৰ জিলা, লক্ষীমপুৰ জিলা, দৰং আৰু নগাঁও জিলাত) আছিল।

—আল্লামা চৈয়দ বদিউজ জামান,
ৰয়েল ৰ'ড, যোৰহাট



## চৰকাৰৰ অংগ ৪ বিষয়াসকল

এখন চৰকাৰৰ বিষয়াসকলে স্বাভাৱিকতে মন্ত্ৰী, বিধায়ক আদি নিৰ্বাচিত প্ৰতিনিধিসকলৰ লগত কাম কৰি বিভিন্ন ধৰণৰ অভিজ্ঞতা অৰ্জন কৰে। একোজন মন্ত্ৰীৰ লগত কাম কৰি নিস্বাৰ্থভাৱে, প্ৰকৃত অৰ্থত "ভাল পোৱা" বিষয়া বহু আছে। এনে কিছু বিষয়া আছে—যিসকল কোনো কোনো মন্ত্ৰী-বিধায়কৰ সাহচৰ্যত অন্যায়ভাৱে লাভবান হয়, উৎফুল্ল হয়। আনহাতে মন্ত্ৰীৰ অন্যায় বিচাৰ-বিবেচনাৰ সন্মুখত অসহায় হৈ নিজৰ বিবেকৰ লগত যুঁজি ক্লান্ত হৈ পৰা বিষয়াও আছে। মন্ত্ৰীৰ অযোগ্যতা, নিজৰ অধিক যোগ্যতা বা দম্ভ আদিৰ কাৰণে ৰাষ্ট্ৰপতিৰ শাসনকে ভাল পোৱা বিষয়াও বহুত। এনে অৱস্থাত, যেতিয়া মন্ত্ৰীসভা, বিশেষকৈ শাসনকৰ্তা ৰাজনৈতিক দলটো সলনি হয়, তেতিয়া বিষয়াসকলৰ প্ৰদত্ত নানান ধৰণৰ প্ৰতিক্ৰিয়া হয়। কাৰোবাৰ সমস্যা বাঢ়ে, কাৰোবাৰ কমে।

অসম গণ পৰিষদৰ শাসন প্ৰৱৰ্তিত হোৱাৰ পাছত বিষয়াসকলৰ চিন্তা-ভাৱনা-প্ৰতিক্ৰিয়া কেনে হৈছে?

এজন বিষয়াই পোনে পোনে উত্তৰ নিদি পাতল সুৰেৰে কলে,— দিছপুৰখনত ৰাস্তাৰ বাহবোৰ কমিল, বাটবোৰ বন্ধ কৰি থোৱা তাঁৰৰ জালবোৰ আঁতৰিল। বন্দুক লৈ থিয়া-থিয়ি কৰি থকা ছি. আৰ. পিৰ সংখ্যা কমিল, ঠাইডোখৰ মুকলি-মুকলি হ'ল। আমাৰ মনৰ অৱস্থাও প্ৰায় এনেকুৱাই।

অৱস্থাটো আৰু অলপ ভালকৈ বুজিবলৈ কেইগৰাকীমান বিষয়াক লগ ধৰি কথা-বতৰা পাতিলে **ৰঞ্জিতা বিশ্বাসে।**

(স. প্ৰা.)

গড়কাপ্তানী বিভাগৰ উচ্চস্থানীয় এজন বিষয়াই কলে,— নতুন মন্ত্ৰীৰ লগত কাম কৰি "ভাল লাগিছে।" তেখেতৰ মতে এই বিভাগৰ কাম কাজ বুজি ল'বলৈ মন্ত্ৰীজনে তেখেতৰ পৰামৰ্শ ল'বলৈ অকণো কুণ্ঠাবোধ কৰা নাই। "ব্যক্তিগতভাৱে মই আগতকৈ স্নায়ু চাপৰপৰা বহুত কম ভুগিছো।" তেখেতে কলে। তেখেতৰ মতে কৰ্মক্ষেত্ৰৰ পৰিবেশ আগতকৈ বহুখিনি "খোলা-মেলা" হৈছে। তদুপৰি এই বিভাগৰ পদস্থ বিষয়-বৰীয়াসকলৰ যথেষ্ট সাল-সলনি কৰা হৈছে যদিও, অনা-অসমীয়া বুলি বা নিজৰ মনোনীত প্ৰাৰ্থী নহয় বুলি কাকো ক্ষতিগ্ৰস্ত কৰা হোৱা নাই বুলি জানি বিষয়াসকলৰ মনৰ অহেতুক আশংকা দূৰ হৈছে।

এই সন্দৰ্ভতে এজন একজিকিউটিভ ইঞ্জিনিয়াৰৰ কথা উল্লেখ কৰিব পাৰি। নতুন চৰকাৰ হ'ল, নতুন মন্ত্ৰী হ'ল, গতিকে তেখেতসকলৰ লগত 'চিনা-পৰিচয়' হ'বলৈ যোৱা উচিত হ'ব নে নহয় সেইবিষয়ে বিষয়াজন অলপ দোধোৰ-মোধোৰত পৰে। তাৰে অলপ বুজ ল'বলৈ চেষ্টা কৰি এদিন তেওঁ গম পায় যে নতুন মন্ত্ৰীসকলে এনে "চিনা-পৰিচয় হোৱাৰ" নিচিনা কামত দিছপুৰলৈ যোৱাটো পছন্দ নকৰে।

বিভিন্ন চৰকাৰী বিভাগৰ সাল-সলনি আৰু কৰ্মপদ্ধতিৰ বিষয়ে উচ্চস্থানীয় বিষয়াসকলৰ ধাৰণা সন্দৰ্ভত কথা পাতি অনুমান হ'ল— প্ৰথমতে তেওঁলোকৰ মনত কিছু আশংকা বা সন্দেহৰ সৃষ্টি হ'লেও, এতিয়া সময় যোৱাৰ লগে লগে সেইবোৰৰ সৰহভাগ অমূলক বুলি প্ৰমাণিত হৈছে সাধাৰণভাৱে আলোচনা কৰোঁতে ধাৰণা হ'ল,— বিষয়াসকলে এই চৰকাৰে "কাম কৰিব" বুলি ভাবে। বনবিভাগৰ ব্যাপক সাল-সলনি আৰু কিছু উচ্চপদস্থ বিষয়াৰ অপসাৰণে অধীনস্থ বিষয়াসকলৰ মনলৈ স্বস্তি আনিছে। সেই বিভাগৰে এজন বিষয়াই কয় যে নতুন মন্ত্ৰীজনে এই বিভাগৰ বিষয়ে যিমানপাৰে তথ্যপাতি সংগ্ৰহ কৰিবলৈ লৈছে।" তেওঁ কয়, "এতিয়া হয়তো আগৰ দৰে লাখ লাখ টকাৰ বনজ সম্পদ ৰাজ্যৰ বাহিৰলৈ অবাধে আৰু নীতিবিৰুদ্ধভাৱে যাব নোৱাৰিব।"

অসমৰ বাহিৰৰপৰা বিভিন্ন প্ৰকল্পৰ বিষয়ে আলোচনা কৰিবলৈ অহা উচ্চস্থানীয় বিষয়াসকলৰ মনতো একশ্ৰেণীৰ, প্ৰচাৰ-মাধ্যমে আৰু কিছু ব্যৱসায়ী গোষ্ঠীয়ে সৃষ্টি কৰা ভীতি বা চিন্তা নতুন মন্ত্ৰীৰ লগত পোনপটীয়া সম্বন্ধ স্থাপনৰ পাছত বহুখিনি আঁতৰিছে যেন লাগে। স্থানীয়ভাৱে দুগ্ধ-সৰবৰাহ প্ৰকল্প প্ৰতিষ্ঠা সন্দৰ্ভত কলিকতাৰপৰা অহা এজন ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ (এন. ডি. ডি. বি) মুৰব্বীস্থানীয় বিষয়াই মন্তব্য কৰে যে বয়সত নবীন হ'লেও মুখ্যমন্ত্ৰীকে ধৰি বিভাগীয় মন্ত্ৰীক যথেষ্ট অভিজ্ঞ যেন লাগিল। তেখেতসকলে এই বিষয়ে সকলো খুটি-নাটি জানিবলৈ আগ্ৰহ প্ৰকাশ কৰে আৰু ৰাজ্যৰ বাহিৰৰ এনে উন্নত প্ৰকল্প পৰিদৰ্শন কৰি অভিজ্ঞতা অৰ্জন কৰাৰ প্ৰয়োজনীয়তা সম্বন্ধে একমত হয়। বিষয়াজনে অলপ বিস্মিত হৈয়েই কয় যে এইবাৰ আহোঁতে তেওঁৰ ভুল ধাৰণা ভাগি গ'ল। ভৱিষ্যতে, যে কাম-কাজত যথেষ্ট আগুৱাব পৰা যাব সেইবিষয়ে তেওঁ আশান্বিত হ'ব পাৰিছে।

ভূতপূৰ্ব চৰকাৰৰ অধীনত কাম-কৰাৰ সময়ত সৃষ্টি হোৱা দৈনন্দিন কিছুমান অসুবিধাৰপৰা মুক্ত হৈ বেছিভাগ চাকৰিয়ালে "এইবাৰ কিছু কাম হ'ব" বুলি আশা প্ৰকাশ কৰে। অৱশ্যে ব্যাপকহাৰত হোৱা বিষয়াসকলৰ পদ আৰু স্থান পৰিবৰ্তন সম্পৰ্কে কোনো কোনোৱে বিৰূপ মনোভাৱো পোষণ কৰে। প্ৰচাৰ দপ্তৰৰ এজন ভাৰপ্ৰাপ্ত বিষয়াই ৰাজনৈতিক চাপৰপৰা মুক্ত হৈ কাম কৰাৰ সুবিধাৰ কথা কৈ লগতে কয় —"বিষয়াসকলৰ বিভাগ-পৰিৱৰ্তন এনে দ্ৰুতগতিত কৰাত কিছু অসুবিধাৰ সৃষ্টি হ'ব পাৰে, আমোলাতন্ত্ৰৰ কাৰ্যপ্ৰণালী একে দিনাই সলনি কৰা টান।



OKDISCD

তদুপৰি কৰ্মক্ষম আৰু ন্যায়পৰায়ণ বিষয়াসকলক আন দুৰ্নীতিপৰায়ণ বিষয়াসকলৰ লগত সাঙুৰি পদ আৰু স্থানৰ সাল-সলনি কৰিলে এটা মানসিক হতাশাৰ বাতাবৰণ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে।"

চহৰ পৰিকল্পনা বিভাগৰ এজন মুৰব্বীৰ মতে যদিও এই সাল-সলনিৰ প্ৰয়োজন আছিল, আৰু যিকোনো নতুন চৰকাৰে পূৰ্বৰ প্ৰশাসন সংগঠনৰ এনে পৰিবৰ্তন অনাটো স্বাভাৱিক, তথাপি বৰ্তমান ক্ষেত্ৰত ই যেন "বৰ খৰতকীয়া হৈছে।" তাৰ ফলত দৈনন্দিন কাম-কাজত কিছু ব্যাঘাত হোৱাৰো সম্ভাৱনা আছে, কাৰণ সেই বিভাগবোৰৰ তলা-নলা বুজি ল'বলৈ যেতিয়া নতুন মুৰব্বীসকলৰে কিছু সময় লাগিব, গতিকে অনভিজ্ঞ আৰু প্ৰশাসনৰ ক্ষেত্ৰত নতুন মন্ত্ৰীসকলৰ কামৰ বুজ ল'বলৈ আৰু বেছিসময় লগা স্বাভাৱিক।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ এজন বিষয়াই কয় যে নতুন মন্ত্ৰীজনে পৰিষদৰ আৰু বিভাগৰ বিষয়ে বুজ ল'বলৈ মুকলিমনেৰে উচ্চপদস্থ বিষয়াসকলৰ লগত আলোচনা কৰিছে। পৰিষদৰ উচ্চপদত নিয়োগ আদিৰ বিষয়ে সিদ্ধান্ত ল'বলৈ অভিজ্ঞ আৰু আনকি অৱসৰপ্ৰাপ্ত বিষয়াৰো পৰামৰ্শ ল'বলৈও তেওঁ দ্বিধাবোধ কৰা নাই।

আন আন কেইটামান বিভাগৰ দৰে গৃহদপ্তৰৰ পুলিছ বিভাগতো ব্যাপক হাৰত পৰিবৰ্তন অনা হৈছে। স্বভাৱসিদ্ধ গোপনীয়তাৰ বাবে এই বিভাগৰ মুৰব্বীসকলে কোনো মতামত প্ৰকাশ কৰিব নোখোজে। তথাপি দুই এজন উচ্চ স্থানীয় বিষয়াৰ লগত কথা পাতি অনুমান হ'ল যে তেওঁলোকেও নতুন চৰকাৰৰ উদ্যম আৰু প্ৰশাসনিক সংস্কাৰৰ চেষ্টা প্ৰশংসনীয় বুলি ভাবে। আই. জি. পি. পদৰ অনা-অসমীয়া এজন বিষয়াই নতুন ডি. জি. পি. (প্ৰশাসন) নিয়োগত সন্তোষ প্ৰকাশ কৰি কয় যে কৰ্মক্ষম আৰু শৃংখলাপ্ৰিয় এনে অভিজ্ঞ বিষয়াৰ নিয়োগে নতুন মন্ত্ৰীসভাৰ মনোভাৱ প্ৰতিফলিত কৰিছে। গৃহদপ্তৰৰ মন্ত্ৰীজন যে businesslike তাত কোনো সন্দেহ নাই বুলি তেওঁলোকে কয়। অলপতে মুখ্যমন্ত্ৰীয়ে পুলিছ বিভাগ "টপ-হেভি" অৰ্থাৎ প্ৰয়োজনতকৈ বেছি সংখ্যক উচ্চপদ থকা বুলি কৰা মন্তব্য কেইবাজনো পুলিছ বিষয়াই "সচাঁ" বুলি স্বীকাৰ কৰে। এনে এজন আই. জি. পি. পদৰ বিষয়াই নিজেই কয়, "অস্বীকাৰ কৰাৰ উপায় নাই যে অসমৰ নিচিনা এখন সৰু ৰাজ্যত ইমান বেছি আই. জি. পি. বা ডি. জি. পিৰ প্ৰয়োজন প্ৰশ্নযোগ্য। ইয়াৰ দ্বাৰা প্ৰশাসনৰ কিবা সুবিধা হয় বুলি মই নাভাবোঁ। কিছুদিনৰ আগলৈকে মাত্ৰ এজনহে আই. জি. পি আছিল।"

অৱশ্যে বিভাগীয় বিষয়াৰ, বিশেষকৈ এছ. পি. পদ আদিৰ সাল-সলনি সম্পৰ্কে বিশেষ মন্তব্য কোনেও কৰিব নোখোজে। কিছু অধস্তন বিষয়াই মাত্ৰ কয়, "কাম-কাজতো ভালেই হ'ব যেন লাগিছে। নতুন তেজৰ আমদানিৰ বৰ প্ৰয়োজন হৈছিল। আগৰ দৰে শক্তিশালী ৰাজনৈতিক নেতাসকলৰ স্নেহভাজন হৈ, সুবিধামতে প'ষ্টিং লোৱাৰ দিন বোধহয় উকলি আহিছে।"

পৰিশেষত ক'ব পাৰি যে এক-গোট হৈ সহাঁৰি দিয়া ৰাইজেই নহয়, প্ৰশাসন ব্যৱস্থাৰ লগত জড়িত থকা-সকলেও ৰাজ্যখনত এটা শুভ পৰিবৰ্তন দেখাৰ আশা কৰিছে। অৱশ্যে যিমান আশা জনসাধাৰণে কৰিছে, সেইটো লক্ষ্যত একে দিনাই বা অতি সহজে উপনীত হোৱাটো অসম্ভৱ। দুৰ্নীতিপৰায়ণ বিষয়া বা একশ্ৰেণীৰ সুবিধাবাদী ব্যৱসায়ীয়ে যে "ভয় খাইছে", সেইটো পৰিবৰ্তিত ৰাজনৈতিক পৰিবেশৰ প্ৰথম লক্ষণ। গড়কাপ্তানী বিভাগৰে এজন বিষয়াই কোৱাৰ দৰে, "আগতকৈ কাম নিশ্চয় ভাল হ'ব। বিশেষকৈ দুৰ্নীতি বহুখিনি বন্ধ হ'ব বুলি আমি ভাবোঁ। কিন্তু ভুকুতে কলটো কোনেও পকাব নোৱাৰে। জনসাধাৰণৰ আশাও সেই বাবে অতিমাত্ৰা হোৱা উচিত নহয়। তদুপৰি নবীন মন্ত্ৰী আৰু বিধায়কসকল কৃতকাৰ্য হ'বলৈ হ'লে জনসাধাৰণ, ছাত্ৰ-সমাজ, সকলোৰে সহযোগিতাও লাগিব।" —ৰঞ্জিতা বিশ্বাস

এটা ৰাজনৈতিক দলৰ দীৰ্ঘকালীন শাসনৰ অন্তত (বিশেষকৈ যেতিয়া সেই শাসনকালৰ শেষ ছোৱা এটা প্ৰচণ্ড আন্দোলনে অধিকাৰ কৰিছিল) অইন এটা দল শাসনলৈ আহিলে "এইবাৰ কিছু ভাল কাম হ'ব" বুলি স্বাভাৱিকতেই জনসাধাৰণে আশা কৰে; বহু বিষয়ায়ো কৰিছে। বিষয়াসকলে এনে আশা প্ৰকাশ কৰাটো শুভ লক্ষণ; কাৰণ প্ৰকৃত কামৰ প্ৰায় সকলোখিনিয়েই তেওঁলোকে কৰিব লাগিব। "ঢোটো মাৰ যাওক, তাৰ পাছত চাওঁচোন, তোমালোকে কিমান কি কৰা!" —তেওঁলোকে এনেকুৱা এটা দৃষ্টিভংগীও গ্ৰহণ কৰিব পাৰিলেহেঁতেন। ৰঞ্জিতা বিশ্বাসৰ কথাখিনিত তেনেকুৱা দৃষ্টিভংগীৰ আভাস নথকাটো সুখৰ কথা। কিন্তু "এতিয়াই একো কব নোৱাৰি; দেখাততো ভালেই হৈছে, পাছলৈ কি হয় দেখা যাওকচোন।" —এনেকৈ কোৱা বা সদ্যহতে মুখ বন্ধ কৰি ৰাখিব খোজা বিষয়াৰ সংখ্যাই, সৰহ যেন লাগিছে। ইয়াৰ যথাযথ কাৰণো আছে। আনহাতে দিছপুৰৰ ব্যুটৰ বাঁহবোৰ কামি যোৱাত উদ্বিগ্ন হোৱা বিষয়াও নিশ্চয় আছে। পদবী আৰু কৰ্ম স্থান সলনি হোৱা সকলো বিষয়াই কথাবোৰ নিশ্চয় আনন্দেৰে গ্ৰহণ কৰা নাই। বিধান সভাত বিৰোধী পক্ষৰ সদস্যই—যথেমধে পদবী আৰু কৰ্মস্থান সলনি কৰাৰ বাবে বিষয়াসকলৰ মাজলৈ হতাশা আহিব পাৰে বুলি সকিয়াই দিছেই। কিন্তু আগৰ চৰকাৰৰ দিনত দুৰ্নীতিয়ে চৰম সীমা পাইছিল বুলি স্বীকাৰ কৰা বিধায়কো আছে। দুৰ্নীতিত লিপ্ত হৈ ৰাইজৰ আৰু ৰাজ্যখনৰ অপকাৰ কৰা বিষয়াসকলৰ শাস্তিৰ প্ৰক্ৰিয়া শুদ্ধভাৱে আৰম্ভ হোৱাটো বাঞ্ছনীয় আৰু প্ৰয়োজনীয়। কিন্তু লগে লগে, অতি গুৰুত্বপূৰ্ণ কামটো হৈছে বাকীসকলক, আনকি শাস্তি পোৱাৰ যোগ্যসকলকো সংভাৱে, সম্পূৰ্ণ সহযোগিতাৰে কাম কৰিবলৈ উদ্বুদ্ধ কৰাটো। এইটো মন্ত্ৰীসভা আৰু শাসনাধিষ্ঠ দলটোৰ বিধায়কসকলৰ এটা মহান দায়িত্ব, প্ৰতিদিনে পালন কৰিবলগীয়া কৰ্তব্য। —প্ৰতিনিধি



# কাজিৰঙাৰ অন্য এক ভয়াবহ তথ্যচিত্ৰ

মুকুট বৰুৱা

আজি কিছু দিনৰ আগেয়ে কাজিৰঙাৰ গঁড় বাহিৰৰ বনাঞ্চললৈ স্থানান্তৰিত কৰিব খোজা বিষয়টোক লৈ কাকতে-পত্ৰই এটা হৈ-চৈৰ সৃষ্টি হৈছিল। বাহিৰৰ বনাঞ্চল তথা আচহুৱা পৰিবেশত গঁড়ৰ বংশ বিলুপ্তিৰ আশংকা কৰিয়েই ৰাইজে তেনেদৰে হৈ-চৈ কৰিছিল। এই আবেগক সন্মান জনায়ো এই কথা মন কৰিব লাগিব যে গঁড়ৰ বংশ-বিলুপ্তিৰ তাতোকৈয়ো এক ভয়ানক প্ৰক্ৰিয়া আজি কাজিৰঙাৰ বুকুতে অব্যাহত। স্বদেশৰ ধূলিকণাকো ভাল পাওঁ বোলা বহু ব্যক্তি তথা কতৃত্বশীল সংগঠন কিন্তু বিষয়টোৰ প্ৰতি উদাসীন।

গঁড়ৰ বংশ বিলুপ্তিৰ এই আশংকাৰ মূলতে হ'ল কাজিৰঙাৰ বুকুত গঁড়ৰ অবাধ চোৰাং চিকাৰ। কাজিৰঙাৰ বুকুত কোন দিশৰপৰা কি হাৰত গঁড়ৰ চোৰাং চিকাৰ চলে, সেই বিষয়ে সঠিক ধাৰণা আমাৰ নাই। কিন্তু শোণিতপুৰ জিলাৰ বিশ্বনাথ ঘাটৰপৰা গমিৰিঘাটলৈকে এই অঞ্চলটোৰপৰা কাজিৰঙাৰ বকুত গঁড়ৰ চোৰাং চিকাৰৰ মাত্ৰা যিদৰে দিনক দিনে বৃদ্ধি পাইছে, সি সঁচাকৈয়ে উদ্বেগজনক। ৰাজ্যখনৰ আন্দোলনকালীন পৰিস্থিতিৰ সুযোগ লৈ যোৱা পাঁচটা বছৰত এই অঞ্চলৰপৰা অতি কমেও তিনিশটামান গঁড় নিধন কৰা হৈছে আৰু বৰ্তমানতো এক অবাধ গতিত এই কাৰ্য চলি আছে।

শোণিতপুৰ জিলাৰ প্ৰায় ৫০ কিল'মিটাৰ জোৰা উল্লিখিত অঞ্চলটো ব্ৰহ্মপুত্ৰৰ কাষেৰে কাজিৰঙাৰ সৈতে সংলগ্ন। উক্ত অঞ্চলটোৰপৰা গভীৰ নিশা ব্ৰহ্মপুত্ৰ পাৰ হৈ কাজিৰঙাত প্ৰৱেশ কৰা অতি সহজ। অঞ্চলটোত চোৰাং চিকাৰৰ মাত্ৰা বৃদ্ধি পোৱাৰ এয়েই মূল কাৰণ। কাজিৰঙা অভয়াৰণ্যত উত্তৰ পাৰৰ চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে আৰিমৰাত বন বিভাগৰ আঞ্চলিক কাৰ্যালয় আৰু চাৰিঘৰীয়াত বিট অফিছ আছে। ব্ৰহ্মপুত্ৰত পেট্ৰ'লিঙৰ কাম কৰিবৰ বাবে মেচিন নাও আৰু কেতবোৰ অস্থায়ী কেম্পৰ ব্যৱস্থা আছে। কিন্তু এই সকলো ব্যৱস্থা দিনৰ পোহৰতহে সক্ৰিয়। ৰাতিৰ অন্ধকাৰত আটাইবোৰ নিতাল মাৰে। সেই সুযোগ গ্ৰহণ কৰি ৰাতিৰ অন্ধকাৰত জাকে জাকে চোৰাং চিকাৰীয়ে কাজিৰঙাত প্ৰৱেশ কৰে।

সামগ্ৰিকভাৱে উল্লিখিত সমগ্ৰ অঞ্চলটোৰপৰাই কাজিৰঙাত চোৰাং চিকাৰ চলে যদিও উক্ত অঞ্চলৰ মাজমজিয়াত অৱস্থিত বিহালী মৌজাৰ বাংছালি অঞ্চলহে চোৰাং চিকাৰৰ ঘাই কেন্দ্ৰ বিন্দু। বৰ্তমানত বাংছালি অঞ্চলত গঁড়ৰ চোৰাং চিকাৰ এক ৰাজহুৱা বিধিসন্মত বৃত্তিত পৰিণত হৈছে আৰু বাংছালি অঞ্চল ক্ৰমাৎ দূৰদূৰণিৰ চোৰাং চিকাৰীৰ বাবেও এক নিৰ্ভৰযোগ্য আশ্ৰয় স্থলীত পৰিণত হৈছে।

কাজিৰঙাত চোৰাং চিকাৰৰ বিষয়টো কিম্বদন্তিৰ দৰেই প্ৰাচীন। কিন্তু ইয়াৰ আগেয়ে ই কাহানিও এক বিধিসন্মত আৰু ৰাজহুৱা বৃত্তি ৰূপে আত্মপ্ৰকাশ কৰা নাছিল, অথবা ইমান অবাধ, ব্যাপক আৰু মুক্ত ৰূপ ধাৰণ কৰা নাছিল।

কি বাৰিষা; কি খৰালি, বছৰৰ সকলো সময়তে চোৰাং চিকাৰীবিলাকে ১৪৪ ধাৰা জাৰি থকা অৱস্থাত সত্যাগ্ৰহ কৰিবলৈ সৰু সৰু দল বান্ধি যোৱাৰ দৰে, দলে দলে কাজিৰঙাত প্ৰৱেশ কৰে। চোৰাং চিকাৰীৰ ভাষাত তেওঁলোক 'সিপাৰত ৰঙালাওৰ গুটি' দিবলৈ যায়। একো একোটা দল চোৰাং চিকাৰীৰ ভাষাত একো একোটা পাৰ্টি (যেনে—দিলীপৰ পাৰ্টি, সোমেশ্বৰৰ পাৰ্টি ইত্যাদি)। এনেকুৱা একোটা পাৰ্টিত সাধাৰণতে সাতজনৰপৰা নজনলৈকে মানুহ থাকে। এই মানুহবিলাক সাধাৰণতে অভাৱী শ্ৰেণীৰ লোক। এওঁলোকক নাও আৰু ৰচদপাতিৰ যোগান ধৰিবৰ বাবে এক বিশেষ শ্ৰেণীৰ লোক (মহাজন জাতীয়) থাকে। আহিলা যোগানৰ জৰিয়তে এই লোকসকলো একোটা পাৰ্টিৰ সদস্যত পৰিণত হয়।

বিহালী মৌজাৰ দক্ষিণত ব্ৰহ্মপুত্ৰখন দুটা সুঁতিত বিভক্ত। উত্তৰ পাৰৰপৰা প্ৰথমৰ সুঁতিটো মৰাসুঁতি। মৰাসুঁতিৰ দক্ষিণত কেতবোৰ বৃহৎ বৃহৎ চাপৰি। এই বালিচাপৰিবিলাকৰ দক্ষিণে জীয়াসুঁতি আৰু জীয়াসুঁতিৰ দক্ষিণ পাৰেই কাজিৰঙা। কাজিৰঙাৰ বুকুত প্ৰৱেশ কৰা ক্ষেত্ৰত বাধা-নিষেধ আছে; কিন্তু মৰাসুঁতিৰ দক্ষিণত থকা বৃহৎ বৃহৎ বালিচাপৰিবিলাকলৈ অহা-যোৱা কৰাত কোনো ধৰণৰ বাধা-নিষেধ নাই। মানুহে এই চাপৰিবিলাকত গৰু-ম'হ পোহাৰ উপৰিও খেতি-বাতি কৰে। দিনৰ ভাগত চোৰাং চিকাৰীবিলাকে এই চাপৰিবিলাকতে খেনোৱে ম'হৰখীয়াৰ ভাৱত, খেনোৱে মাছ-মৰীয়াৰ ভাৱত আশ্ৰয় লৈ বন কৰ্মীসকলৰ গতিবিধি নিৰীক্ষণ কৰে আৰু ৰাতি নমাৰ লগে লগে কাজিৰঙাৰ বুকুলৈ দলে-দলে অনুপ্ৰৱেশ কৰে।

প্ৰতিটো দলৰে দুজনকৈ নাৱৰীয়া বাহিৰত থাকে। তেওঁলোকৰ প্ৰধান দায়িত্ব হ'ল— ৰাতিৰ এন্ধাৰত দলটোক নাৱেৰে কাজিৰঙাত নমাই থৈ আহি নিৰাপদ সময়ত নিৰাপদ পাৰলৈ কঢ়িয়াই অনা, আৰু যি সময়ত দলটো কাজিৰঙাত সোমাই থাকে সেই সময়ত নিৰাপদ পাৰত থাকি বনকৰ্মীসকলৰ



OKDISCD

গতি-বিধিৰ লগতে অস্থায়ী কেম্পবোৰৰ অৱস্থান লক্ষ্য কৰা। একোটা দল কোন সময়ত অৰণ্যৰপৰা ওলাই আহে তাৰ কোনো নিশ্চয়তা নাথাকে। গতিকে ওলাই অহাৰ সময়ত দলটোৰ নিৰাপত্তাৰ সকলো দায়িত্ব নাৱৰীয়া কেইজনৰ ওপৰত ন্যস্ত থাকে। চোৰাংচিকাৰীবিলাকে নাৱৰীয়া কেইজনৰ সৈতে সংযোগ স্থাপনৰ বাবে গোপন সংকেত ব্যৱহাৰ কৰে। বাহিৰৰ বালিত খাপ দি থকা নাৱৰীয়াই ওলাই অহাৰ সংকেত পোৱাৰ লগে লগে তত্তাতৈয়াকৈ দলটোক নিৰাপদ পাৰলৈ কঢ়িয়াই আনে।

অৰণ্যত প্ৰবেশ কৰা চিকাৰীবিলাকৰ প্ৰতিটো খোজেই বৰ বিপদজনক। চিকাৰীবিলাকে অৰণ্যৰ ভিতৰতো দিনৰ ভাগত নিৰ্দিষ্ট স্থানলৈ গতি কৰিব নোৱাৰে। তেনে কৰিলেই তেওঁলোক বনকৰ্মীৰ চকুত পৰাৰ সম্ভাৱনা থাকে। গতিকে অৰণ্যৰ ভিতৰতো চিকাৰীবিলাকে দিনৰ ভাগত বিৰ দি বাট নোপোৱা হাবিৰ মাজতে আত্মগোপন কৰি নিশা নমালৈকে অপেক্ষা কৰিব লগাত পৰে। চিকাৰীবিলাকৰ মতে এই প্ৰতীক্ষা বৰ বিৰক্তিকৰ। তেনে অৱস্থাত চিকাৰীবিলাকে আনকি ৰন্ধা-বঢ়াও কৰিব নোৱাৰে। অৰণ্যৰ মাজত দিনৰ ভাগত ধোঁৱা উৰিলে সি সহজে মানুহৰ চকুত পৰে। গতিকে তেওঁলোকে নামমাত্ৰ আহাৰ গ্ৰহণ কৰি অৰণ্যৰ ভিতৰতে দিনৰ দিনটো পৰি থাকে।

নিশাৰ আগমনে চোৰাং চিকাৰীবিলাকক মানুহৰপৰা মুক্ত কৰে, কিন্তু তেতিয়া প্ৰতিটো মুহূৰ্ততে হিংস্ৰক বন্যপ্ৰাণীৰ আক্ৰমণৰ শংকা কৰি চিকাৰীবিলাকে হাবিৰ মাজত বনৰীয়া জন্তুৱে অহা যোৱা কৰোঁতে সৃষ্টি হোৱা দণ্ডিবোৰ (বাট) ব্যৱহাৰ কৰিব নোৱাৰে। গতিকে তেওঁলোকে অটব্য অৰণ্য ফালি বাট উলিয়াই লক্ষ্য স্থানলৈ গতি কৰে। এনে কষ্টকৰ যাত্ৰাতো অন্ধকাৰত অৰণ্যত দিকভ্ৰান্ত হোৱাৰ সম্ভাৱনা থাকে। এনে অৱস্থাৰপৰা হাত সাৰিবলৈ চিকাৰীবিলাকে কাজিৰঙাৰ বিলবিলাকত ৰাতি চৰি ফুৰা এবিধ বিশেষ চৰাইৰ মাত আৰু আকাশৰ তৰাক অনুসৰণ কৰে।

গঁড় নিধনৰ বাবে চিকাৰীবিলাকে এক অভিনৱ পদ্ধতি গ্ৰহণ কৰে। গঁড়ে বিলত পানী খাবলৈ বা এঠাইৰপৰা আনঠাইলৈ যাবলৈ সাধাৰণতে একেটা দণ্ডিকে ব্যৱহাৰ কৰে। এই স্বভাৱেই সিহঁতৰ মৃত্যু মাতি আনে। অৰণ্যৰ দুৰ্গম অঞ্চলত প্ৰৱেশ কৰাৰ পাছত বনকৰ্মীসকলৰ জৰিয়তে সৃষ্টি হ'বপৰা সম্ভাব্য বিপদৰপৰা চিকাৰীবিলাক মুক্ত হয়। তেতিয়া আৰু সিহঁতৰ দিনৰ ভাগত চলাফুৰা কৰাত অসুবিধা নাথাকে। এনে দুৰ্গম অঞ্চলত প্ৰৱেশ কৰি চিকাৰীবিলাকে প্ৰথমতে গঁড় অহা যোৱা কৰা দণ্ডিবোৰ চিনাক্ত কৰে আৰু সুচল ঠাই বাছি লৈ দণ্ডিবোৰৰ ওপৰত কিছুমান গাঁত খান্দে। গাঁতবোৰ এনেকুৱা এটা জোখত খন্দা হয় যে গঁড়বিলাক এই গাঁতত পৰাৰ লগে লগে জন্তুটো সম্পূৰ্ণভাৱে গাঁতটোত সোমায়ো নপৰে অথবা আংশিকভাৱে সোমাই পৰাৰ পাছত ভৰিৰে খোপনি লৈ গাঁতৰপৰা ওলাই আহিবও নোৱাৰে। এই জোখমাখত অলপ ভুল হ'লেই গঁড়ক অসহায় অৱস্থাত পেলাব নোৱাৰি আৰু সামান্যভাৱে খোপনি ল'ব পাৰিলেই যিমান ডাঙৰ গাঁতেই নহওক কিয়, গঁড় ওলাই যাব পাৰে। গতিকে গাঁতৰ নিৰ্ভুল জোখমাখৰ বাবে প্ৰতিটো দলতে একোজন ওস্তাদ লোক থাকে আৰু দলটোত ওস্তাদৰ বিশেষ এক মৰ্যাদা থাকে।

তাৰ পাছত গাঁতৰ ভিতৰত বাঁহৰ কিছুমান জোঙাল শেল পুতি, ঘাঁহবন, মেটেকা আদি দি গাতবোৰ চিনিব নোৱৰা কৰি পেলোৱা হয়; আৰু চিকাৰীবিলাকে গাঁতৰ কাষৰে-পাজৰে ডাঠ হাবিৰ আশ্ৰয় লৈ চিকাৰৰ বাবে অপেক্ষা কৰে। কেতিয়াবা গাঁতৰ ভিতৰত থকা জোঙাল শেল বিলাকে বিদাৰি পেলোৱাৰ পাছত কিছুমান গঁড়ৰ থিতাতে মৃত্যু হয়। কিছুমান অসহায় অৱস্থাতে চটফটাই কেইবাদিনলৈ বাচি থাকে। গঁড় এবাৰ গাঁতত পৰি অসহায় অৱস্থাত পৰাৰ পাছত চিকাৰীবিলাকৰ বাবে আৰু দুঃচিন্তাৰ কাৰণ নাথাকে। অসহায় গঁড়ৰ পিঠিত উঠি জীৱিত অৱস্থাতে চিকাৰীবিলাকে কুঠাৰেৰে ঘপিয়াই খড়্গটো একৰাই লৈ আহিব পাৰে। এটা বা দুটা চিকাৰ পৰাৰ পাছত অৱশিষ্ট গাঁতবোৰ পুতি থৈ অহাৰ আৱশ্যকতা চিকাৰী বিলাকে অনুভৱ নকৰে। তেনেদৰে এৰি থৈ অহা গাঁতবোৰত পৰিও বহু গঁড়ৰ মৃত্যু ঘটে আৰু কিছুমান খড়্গ বনৰক্ষীসকলৰ ভাগ্যত মিলে।

আজি কিছুদিনৰ আগলৈকে চিকাৰীবিলাকে এবাৰ ৰঙালাওৰ গুটি দিবলৈ আৰু এবাৰ গুটি ছিঙিবলৈ মুঠতে দুবাৰ অহাযোৱা কৰিছিল। আজিকালি পৰাপক্ষত কোনো চিকাৰীয়ে গাঁত এৰি নাহে। কাজিৰঙাত ৰঙালাওৰ গুটি দিয়াৰ প্ৰকোপ ইমানে বৃদ্ধি পাইছে যে কেতিয়া কোন পাৰ্টিয়ে কাৰ গাঁতৰ ৰঙালাও ফাকতে ছিঙি লৈ আহে তাৰ কোনো নিশ্চয়তা নাথাকে। গতিকে মহ-ডাঁহ, জোক-জেলুকৰ হাতসাৰিবলৈ বাঁহৰ চুঙাত সযত্নে কঢ়িয়াই নিয়া কেৰাছিন তেল গাত সানি, জুইৰ অভাৱত শুকান চিৰা আৰু গুড় গলিয়াই গলিয়াই, ইকৰাণিৰ মাজত 'টুৱেণ্টি নাইন' খেলি চিকাৰীবিলাকে গঁড় গাতত পৰালৈ চোপলৈ বহি থাকে।

গাঁতৰ জৰিয়তে গঁড় নিধন কৰা পদ্ধতিটো যথেষ্ট কষ্টসাধ্য। সময়ৰো প্ৰয়োজন বেছি। গতিকে বৰ্তমানে গঁড় নিধনৰ বাবে চিকাৰীবিলাকে কিছু সহজ পদ্ধতিৰ পৰীক্ষা-নিৰীক্ষা চলোৱাৰ উমান পোৱা গৈছে। তাৰ ভিতৰত ডাঙৰ ডাঙৰ ৰচিৰে ফান্দ পাতি গঁড় নিধনৰ চেষ্টা চলোৱাটো এনে পৰীক্ষা নিৰীক্ষাৰে এটি উদাহৰণ।

শেহতীয়াকৈ কিছুমান চিকাৰীয়ে চোৰাং ৰাইফল সংগ্ৰহ কৰি কাজিৰঙাত গঁড় চিকাৰ কৰাত ধৰিছে। গঁড়ৰ বংশবিলুপ্তিৰ ক্ষেত্ৰত এই কামটোৱেই

২০ পৃষ্ঠাত চাওক



# অসমৰ উদ্যোগীকৰণঃ সমস্যা আৰু সম্ভাৱনা

ড° জয়ন্ত কুমাৰ দাস

### উদ্যোগীকৰণৰ প্ৰয়োজনীয়তা

যি কোনো এখন দেশ বা প্ৰদেশৰ অৰ্থনৈতিক বিকাশ ঘাইকৈ নিৰ্ভৰ কৰে সেই দেশ বা প্ৰদেশত অৱস্থিত প্ৰাকৃতিক সম্পদৰাজি, বিনিয়োগ কৰিব পৰা মূলধনৰ পৰিমাণ, সবল অৰ্থনৈতিক বুনিয়াদ, দক্ষ শ্ৰমিক, বজাৰৰ পৰিধি, চৰকাৰৰ তৎপৰতা আৰু এই আটাইবোৰক সদব্যৱহাৰ কৰিবলৈ স্থানীয় উদ্যোগীলোকৰ প্ৰচেষ্টা আৰু সফলতাৰ ওপৰত। উন্নত দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ খতিয়ান ললে দেখা যায় যে আৰম্ভণিতে এই দেশসমূহৰ অৰ্থনীতি ঘাইকৈ কৃষিৰ ওপৰতেই নিৰ্ভৰশীল আছিল, অৰ্থাৎ সৰহ সংখ্যক শ্ৰমিকেই কৃষিখণ্ডত আত্মনিয়োগ কৰিছিল। কিন্তু সময়ৰ সোঁতত তেওঁলোক ক্ৰমান্বয়ে কৃষিখণ্ডৰপৰা উদ্যোগখণ্ডলৈ আহিছে আৰু ইয়াৰ ফলত সেই দেশসমূহ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো অগ্ৰগতি লভিবলৈ সক্ষম হৈছে।

অসমৰ কৃষিখণ্ডৰ বৰ্তমান অৱস্থা মন কৰিলে দেখা যায় যে কৃষিৰ উপযোগী মাটিৰ তুলনাত জনসংখ্যাৰ পৰিমাণ যথেষ্ট বেছি। ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত, ১৯৭১ চনৰ পৰিসংখ্যা অনুসৰি, কৃষিৰ উপযোগী জনমূৰি মাটিৰ পৰিমাণ অসমৰ ০·১৯ হেক্টৰ সৰ্বভাৰতীয় গড় ০·৩২ হেক্টৰৰ তুলনাত যথেষ্ট কম। তদুপৰি প্ৰতি কৃষকৰ খেতি কৰা মাটিৰ আয়তনৰ পৰিমাণ গড় হিচাপত অসমত ১৯৭১ চনতেই পোৱা গৈছিল মাত্ৰ ০·৯ হেক্টৰ আৰু সেই একে সময়তেই এই ক্ষেত্ৰত সৰ্বভাৰতীয় গড় আছিল অসমৰ ঠিক দুগুণ, অৰ্থাৎ ১·৮০ হেক্টৰ। এনে পৰিসংখ্যাই কেৱল অসমৰ দ্ৰুত গতিত বৃদ্ধি পোৱা জনসংখ্যাৰ প্ৰবল হেঁচাৰ ফলত কৃষিখণ্ডত প্ৰচ্ছন্ন সংস্থানহীনতাৰ (ছদ্মবেশী নিবনুৱাৰ) সমস্যাটো গুৰুতৰ হৈ অহাৰ কথাকে আওপকীয়াকৈ সূচায়। এনে ধৰণৰ সংস্থানহীন লোকৰ সংখ্যা নিৰূপণ কৰাটো যদিও কঠিন কাৰ্য, তথাপি বিভিন্নজনে এই সংক্ৰান্তত নিৰ্ণয় কৰা সংখ্যা অনুসৰি ১৯৭১ চনতেই অসমৰ কৃষিখণ্ডত প্ৰায় ১২ লাখ প্ৰচ্ছন্ন সংস্থানহীন লোক আছিল বুলি জনা যায়। ১৯৮১ চনত অসমত লোকপিয়ল নোহোৱাত আমি শেহতীয়া অৱস্থাটো দেখুৱাব নোৱাৰিলো। কিন্তু উল্লিখিত পৰিসংখ্যাসমূহৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে এনে সমস্যা সমাধানৰ বাবে চৰকাৰে কৃষিখণ্ডত অধিক বিনিয়োগৰ জৰিয়তে আমূল পৰিবৰ্তন অনাৰ উপৰিও, কৃষিখণ্ডৰ অতিৰিক্ত শ্ৰমিকসকলৰ অন্ততঃ একাংশক উদ্যোগখণ্ডলৈ স্থানান্তৰ কৰিবই লাগিব। সেই দৃষ্টিকোণৰপৰা অসমৰ ক্ষিপ্ৰ উদ্যোগীকৰণৰ বিষয়টোৰ এক বিশেষ তাৎপৰ্য আছে।

তদুপৰি ১৯৭১ চনৰ লোকপিয়ল অনুসৰি অসমৰ সৰ্বমুঠ কৰ্মীৰ প্ৰায় ৭৭ শতাংশই কৃষিখণ্ডত, ১৮ শতাংশই বেহা-বেপাৰ, যাতায়াত-পৰিবহন তথা চাকৰিখণ্ডত আৰু কেৱল ৫ শতাংশইহে উদ্যোগখণ্ডত আত্মনিয়োগ কৰিছিল। ১৯৮৫ চনতো এই ছবিখনৰ বিশেষ সলনি হৈছে বুলি অনুমান নহয়। সেয়েহে, এই পৰিসংখ্যা যিকোনো এখন উন্নত দেশ বা প্ৰদেশৰ সৈতে তুলনা কৰিলেই এই কথা অতি স্পষ্ট হৈ পৰিব যে অসমৰ ভৱিষ্যত অৰ্থনৈতিক বিকাশৰ গতি ঘাইকৈ নিৰ্ধাৰণ কৰিব উদ্যোগ খণ্ডই; অৰ্থাৎ আমি 'নতুন অসম' এখন গঢ়িবলৈ উদ্যোগখণ্ডৰ ওপৰত গুৰুত্ব দিবই লাগিব। অদূৰ ভৱিষ্যতৰ এনে গুৰুত্বপূৰ্ণ দিশ সমূহলৈ লক্ষ্য ৰাখি এই প্ৰবন্ধত অসমৰ বৰ্তমান আৰু ভৱিষ্যতৰ উদ্যোগীকৰণৰ সমস্যা আৰু সম্ভাৱনা সম্পৰ্কে আলোচনা কৰিব খোজা হৈছে।

### অসমৰ প্ৰাকৃতিক সম্পদঃ সদব্যৱহাৰ নে অপব্যৱহাৰ?

প্ৰাকৃতিক সম্পদত অসমযে এখন চহকী ৰাজ্য, সেই কথা দোহৰা নিষ্প্ৰয়োজন। এনে সম্পদসমূহৰ যথোপযুক্ত উদঘাটন তথা সদব্যৱহাৰে ৰাজ্যখনক সমগ্ৰ দেশৰ ভিতৰতেই উদ্যোগ ক্ষেত্ৰত এখন আগশাৰীৰ আসন দিব পাৰে। কিন্তু দুৰ্ভাগ্যবশতঃ প্ৰাকৃতিক সম্পদৰাজিত চহকী হোৱা সত্ত্বেও উদ্যোগীকৰণৰ ক্ষেত্ৰত অসমখন এতিয়াও অনুন্নত ৰাজ্যৰ শাৰীতেই আছে। অসমত পোৱা খনিজাত সম্পদৰ ভিতৰত খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণশিল, ছিলমিনাইট, বোকাশিল, লোৰ আকৰ আদি উল্লেখনীয়। এনেবোৰ কেঁচামাল বস্তুতো আধুনিক উদ্যোগৰ বাবে প্ৰয়োজনীয় উপাদান। তেল, কয়লা আদি সম্পদৰ ভিত্তিত যোৱা শতিকাত বিদেশী পুঁজি আৰু উদ্যোগীৰ পৰিচালনাত যিবোৰ উদ্যোগ অসমত গঢ়ি উঠিছিল সেইবোৰে উদ্যোগীকৰণৰ বাট মোকলালেও, সামগ্ৰিক বিচাৰত এনেবোৰ চেষ্টাই স্থানীয় লোকৰ বিশেষ উপকাৰ সাধিব পৰা নাই, কাৰণ সম্পদৰ উদঘাটন-আহৰণ প্ৰথা বিশেষকৈ ঔপনিৱেশিক দৃষ্টি-ভংগীৰে পৰিচালিত হৈছিল। দুখৰ বিষয় যে স্বাধীনতাৰ তিনিদশকৰ পাছতো এনে দৃষ্টি-ভংগীৰ বিশেষ পৰিবৰ্তন হোৱা চকুত নপৰে। উদাহৰণস্বৰূপে আমি অসমৰ প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা কেইটামান উদ্যোগৰ বিষয়ে আলোচনা কৰিমহঁক।

### খাৰুৱা তেলঃ

১৯৭৮ চনৰ চৰকাৰী প্ৰতিবেদন অনুসৰি অসমত উদঘাটন কৰিবপৰা খাৰুৱা তেলৰ পৰিমাণ প্ৰায় ৮০ নিযুত টন বুলি অনুমান কৰা হৈছিল। বৰ্তমান বছৰি প্ৰায় ৫·৪০ নিযুত টন

খাৰুৱা তেল ক্ৰমান্বয়ে ডিগবৈ, গুৱাহাটী বঙাইগাঁও আৰু বাৰাউনি শোধনাগাৰত ব্যৱহাৰ কৰা হয়। এইখিনিতে মন কৰিবলগীয়া যে বাৰাউনি শোধনাগাৰৰ শোধন-ক্ষমতা (বছৰি ৩ নিযুত টন) অসমৰ আটাইকেইটা শোধনাগাৰৰ মুঠ শোধন-ক্ষমতাতকৈও অধিক। ৰুছিয়াৰ পৰা অহা তেল বিশেষজ্ঞই অৰ্থনৈতিক দৃষ্টিকোণৰপৰা বাৰাউনিৰ তেল শোধনাগাৰটো অসমৰ তেল পুঙৰ কাষতে স্থাপন কৰিবলৈ পৰামৰ্শ দিছিল; কিন্তু বিভিন্ন ৰাজনৈতিক কাৰণত বিশেষজ্ঞৰ পৰামৰ্শৰ বিপৰীতে শোধনাগৰটো বাৰাউনিতেই স্থাপন কৰা হ'ল। অসমবাসীয়ে সেই সময়ত এনে সিদ্ধান্তৰ প্ৰতিবাদ কৰিছিল আৰু ফলস্বৰূপে কেন্দ্ৰীয় চৰকাৰে সকৈ হলেও গুৱাহাটীত এটা শোধনাগাৰ পাতিবলৈ বাধ্য হৈছিল। বঙাইগাঁৱৰ তেল-শোধনাগাৰ প্ৰকল্পটোৰ বাবেও অসমবাসীয়ে সংগ্ৰাম কৰিবলগীয়া হৈছিল। স্বাধীনোত্তৰ কালছোৱাত অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত অসমবাসীয়ে সংগ্ৰামৰ আশ্ৰয় ল'বলগীয়া হোৱাটো আঞ্চলিক বৈষম্য দূৰীকৰণ তথা জাতীয় সংহতিৰ দৃষ্টিকোণৰ পৰাও নিশ্চয় তাৎপৰ্যপুৰ্ণ। অলপতে স্বাক্ষৰিত অসম চুক্তিত উল্লেখিত ব্যক্তিগত খণ্ডত আন এটা তেল শোধনাগাৰ স্থাপনৰ প্ৰস্তাৱটো এফালৰ পৰা নিশ্চয় আদৰণীয়; কিন্তু ব্যক্তিগত খণ্ডত এনে ধৰণৰ উদ্যোগ স্থাপনে অসমৰ অৰ্থনীতিত কিমানদূৰ সু-প্ৰভাৱ পেলাব পাৰিব আৰু তাৰ দ্বাৰা থলুৱা লোকৰ কিমান উপকাৰ হ'ব সি সন্দেহজনক। ইয়াৰ মূল কাৰণ হ'ল এই যে এনে ব্যক্তিগত খণ্ডৰপৰা হোৱা লাভাংশ যে পুনৰ অসমতে বিনিয়োগ কৰা হ'ব তাৰ সম্ভাৱনা ক্ষীণ; আৰু লগতে এনে খণ্ডত নিযুক্তিৰপৰা আৰম্ভ কৰি বিভিন্ন আনুষংগিক উদ্যোগ গঢ়ি তোলাৰ অন্যান্য দিশসমূহতো যে থলুৱা স্বাৰ্থক প্ৰকৃততে ৰক্ষণাবেক্ষণ দিয়া হ'ব তাৰো কোনো নিশ্চয়তা নাই। সেয়েহে এই প্ৰস্তাৱিত শোধনাগাৰটো ব্যক্তিগত খণ্ডৰপৰা ৰাজহুৱা খণ্ডলৈ পৰিবৰ্তন কৰাটো সমীচিন হ'ব।

ভাৰতৰ তেল উৎপাদন কৰা আন-খন প্ৰদেশ হ'ল গুজৰাট। অসম আৰু গুজৰাটে কেন্দ্ৰীয় চৰকাৰৰপৰা পোৱা তেলৰ ৰয়েলটি সংক্ৰান্তত চমুকৈ ইয়াকে কব পাৰি যে আন্তঃৰাষ্ট্ৰীয় মূল্যৰ তুলনাত বৰ্তমানে কেন্দ্ৰীয় চৰকাৰে ধাৰ্য কৰা প্ৰতি টনৰ (৬১ টকা) ৰয়েলটি নগণ্য; আৰু এই নিৰিখ বঢ়াবলৈ গুজৰাটৰ লগতে অসম চৰকাৰেও কেন্দ্ৰক প্ৰবল হেচাঁ দিয়াৰ যুক্তিযুক্ততা নিশ্চয় আছে। এনে বৰ্ধিত ৰাজহে অসমৰ উদ্যোগখণ্ডত মূলধন বিনিয়োগৰ পৰিমাণ যথেষ্ট বৃদ্ধি কৰিব পাৰিব আৰু উদ্যোগীকৰণৰ গতিও ক্ষিপ্ৰতৰ হ'ব।

---

**অসমত উদঘাটন কৰিব পৰা খাৰুৱা তেলৰ পৰিমাণ প্ৰায় ৮০ নিযুত টন বুলি অনুমান কৰা হৈছিল। বৰ্তমান বছৰি প্ৰায় ৫'৪০ নিযুত টন খাৰুৱা তেল ব্যৱহাৰ কৰা হয়।**

---

তেল উদ্যোগৰ সৈতে জড়িত আন এটা উল্লেখনীয় দিশ হল এই যে গুজৰাটে অতি কম সময়ৰ ভিতৰতে তেল উদ্যোগক আধাৰ কৰি বিভিন্ন ধৰণৰ ক্ষুদ্ৰ তথা মজলীয়া আনুষংগিক উদ্যোগ গঢ়ি গোটেই প্ৰদেশখনক উদ্যোগীকৰণৰ ক্ষেত্ৰত যথেষ্ট আগুৱাই নিছে। কিন্তু তাৰ তুলনাত অসমে বিশেষ একো কৰিব পৰা নাই। অৱশ্যে গুজৰাটক আদৰ্শ হিচাপে লৈ অসমেও এক কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব নিশ্চয় পাৰে। ইয়াৰ বাবে বঙাইগাঁৱত স্থাপিত হোৱা পেট্ৰোকেমিকেল কমপ্লেক্সক আধাৰ হিচাপে লৈ বিভিন্ন ধৰণৰ আনুষংগিক তথা সহযোগী উদ্যোগ গঢ়ি তুলিব পৰা যায়। ইতিমধ্যে এই বিষয়ে যথেষ্ট আলোচনা-বিলোচনা হৈছে আৰু স্থাপন কৰিবপৰা সম্ভাব্য উদ্যোগসমূহকো চিনাক্তকৰণ কৰা হৈছে। কিন্তু দুৰ্ভাগ্যবশতঃ এতিয়ালৈকে আমি এনে উদ্যোগস্থাপনৰ অগ্ৰগতিৰ ক্ষেত্ৰত এখন সন্তোষজনক ছবি দেখিবলৈ পোৱা নাই। সেয়েহে নবগঠিত অসম চৰকাৰৰ প্ৰথম পদক্ষেপ হব কি কাৰণতনো বঙাইগাঁৱত আনুষংগিক বা সহযোগী উদ্যোগ স্থাপনৰ ক্ষেত্ৰত এক স্থবিৰতাই দেখা দিছে সেই কাৰণসমূহ উদঘাটন কৰা আৰু তাৰ পাছত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা।

**প্ৰাকৃতিক গেছ:** বৰ্তমান অসমত ২৩,০০০ নিযুত কিউবিক মিটাৰতকৈও অধিক প্ৰাকৃতিক গেছৰ ভাণ্ডাৰ আছে বুলি অনুমান কৰা হৈছে। কিন্তু দুখৰ বিষয় যে যোৱা দহবছৰত আনুমানিক প্ৰায় ৬০০০ নিযুত কিউবিক মিটাৰতকৈও অধিক প্ৰাকৃতিক গেছ অবাবত জ্বলাই দিয়া হৈছে। অসম গেছ কোম্পানিয়ে কেৱল এক সীমিত পৰিমাণৰ গেছহে উজনি অসমৰ সৰু-ডাঙৰ বিভিন্ন উদ্যোগক যোগান ধৰিব পাৰিছে। অসমৰ প্ৰকৃতিক গেছৰ সদব্যৱহাৰৰ বাবে অৱশ্যে এতিয়া যথেষ্ট আলোচনা বিলোচনা হৈছে বুলি বিভিন্ন বাতৰিত প্ৰকাশ। নামৰূপ সাৰ নিগমৰ তৃতীয় সম্প্ৰসাৰণ, লাকুৱাৰ বিদ্যুৎ প্ৰকল্প ইত্যাদিত এই গেছ ব্যৱহাৰৰ ব্যৱস্থা লোৱা হৈছে। কিন্তু অবাবত নষ্ট হোৱা অসমৰ প্ৰাকৃতিক গেছৰ সম্পূৰ্ণ সদব্যৱহাৰ কিদৰে হ'ব আৰু সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত এই এই সংক্ৰান্তত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সেইখিনি কথা এতিয়াও বিশদভাৱে ৰাজহুৱাকৈ জনা নাযায়। সেয়েহে এই আঁচনিৰ সৈতে জড়িত অয়ল ইণ্ডিয়া আৰু অসম গেছ কোম্পানিৰ বিষয়াবৰ্গ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই অসমত প্ৰাকৃতিক গেছৰ সদব্যৱহাৰৰ আঁচনিখনৰ বিশদ বিৱৰণ ৰাজহুৱাকৈ প্ৰকাশ কৰা উচিত।



**কয়লা:** অসমৰ কয়লাখনিসমূহ ঘাইকৈ উজনি অসমৰ মাকুম, জয়পুৰ, মাৰ্ঘেৰিটা, লিডু আৰু কাৰবি আংলং জিলাৰ কোনো কোনো অঞ্চলত অৱস্থিত। উদ্যোগ আৰু ৰেল আদিৰ ইন্ধন হিচাপে ব্যাপকভাৱে ব্যৱহৃত এইবিধ সামগ্ৰীৰ উৎপাদনৰ পৰিমাণ ১৯৭০ চনত ৫২২ হাজাৰ টন আছিল। ১৯৭৮ চনত এই পৰিমাণ প্ৰায় ৬৫০ হাজাৰ টনলৈ বৃদ্ধি পায়। উল্লেখযোগ্য যে অসমৰ কয়লাৰ মান অতি উন্নত ধৰণৰ আৰু বিশেষজ্ঞৰ মতেও ইয়াৰ পৰা পেট্ৰ'লৰ দৰে আৱশ্যকীয় সামগ্ৰীও উৎপাদন কৰিব পাৰি। এই সংক্ৰান্তত ইতিমধ্যে যথেষ্ট গৱেষণা কৰা হৈছিল আৰু তেনে গৱেষণাৰ সফলতাৰ পাছতহে এই কথাষাৰ সাব্যস্ত কৰা হৈছে। কিন্তু দুখৰ বিষয় যে আমি অসমৰ কয়লাৰ মূল্যায়ণ ভাল দৰে কৰিব জনা নাই আৰু সেয়েহে নিম্ন মানৰ কয়লাৰ দৰে ব্যৱহাৰ কৰি এইবিধ মূল্যবান খনিজ সম্পদৰ অপব্যৱহাৰ কৰিছোহঁক। তদুপৰি কয়লাক কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি এই সম্পদৰ ওপৰত ভিত্তি কৰি অনেক আনুষংগিক ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিব পৰা যায়। অলপতে ক'ল ইণ্ডিয়াই আয়োজন কৰা আলোচনা চক্ৰ এখনত এই কথাষাৰ যথেষ্ট স্পষ্ট হৈ পৰিছে। এনেবোৰ উদ্যোগৰ বাস্তৱ ৰূপায়ণৰ বাবে নবগঠিত অসম চৰকাৰে অনতিপলমে এক বলিষ্ঠ পদক্ষেপ লোৱা উচিত আৰু এনে সফল পদক্ষেপে বিশেষকৈ উজনি অসমৰ উদ্যোগীকৰণৰ অৱস্থা যথেষ্ট পৰিমাণে উন্নত কৰিব পাৰিব।

**চুণশিল:** অসমৰ আন এবিধ খনিজ সম্পদ হ'ল চূণশিল। কাৰ্বি আংলং আৰু উত্তৰ কাছৰ জিলাত চূণশিলৰ ভাণ্ডাৰ আছে। এইবিধ সম্পদক উপাদান হিচাপে লৈয়েই বোকাজানৰ ছিমেণ্ট উদ্যোগ গঢ়ি উঠিছে। ছিমেণ্টৰ বৰ্ধিত চাহিদালৈ লক্ষ্য ৰাখি অসমত আৰু কেইবাটাও সৰু আকাৰৰ (অৰ্থাৎ দিনটো ১০-৩০ টন ক্ষমতাসম্পন্ন) ছিমেণ্ট উদ্যোগ অতি সহজে গঢ়ি তুলিব পাৰি। অৱশ্যে ইতিমধ্যে উত্তৰ-পূৱ পৰিষদে এই সংক্ৰান্তত যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি বাতৰিত প্ৰকাশ। উল্লেখযোগ্য যে অসমত ছিমেণ্ট তৈয়াৰ কৰিবলৈ উপযুক্ত চূণশিলৰ ভাণ্ডাৰৰ পৰিমাণ আছে প্ৰায় ৭৬ নিযুত টন।

**বনজ সম্পদ:** অসমৰ বনজ সম্পদৰ ক্ষেত্ৰত ৰাজ্যখনৰ বনাঞ্চলত নানা তৰহৰ মূল্যবান কাঠ, বাঁহ, বেত আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। বনজ সম্পদৰ ভিত্তিত ৰাজ্যখনত ৪০টা প্লাইউড উদ্যোগ আৰু ২৫৩ টা কাঠফলা কল চলি আছে। উল্লেখযোগ্য যে বনজ সম্পদৰ ভিত্তিত প্ৰতিষ্ঠা হোৱা সৰহ সংখ্যক উদ্যোগেই ব্যক্তিগত খণ্ডত স্থাপন কৰা হৈছে। ফলত এনে উদ্যোগীকৰণদ্বাৰা অসমৰ অৰ্থনীতি তথা থলুৱা জনসাধাৰণৰ বিশেষ উপকাৰ হোৱা নাই। অসম বিধান সভাই গঠন কৰি দিয়া নিয়োগ সমীক্ষা কমিটিৰ অষ্টম প্ৰতিবেদনত (মাৰ্চ, ১৯৭৯ চনত প্ৰকাশিত) উক্ত কথাষাৰৰ স্পষ্ট প্ৰমাণ পোৱা যায়। উদাহৰণস্বৰূপে উক্ত ৪০টা প্লাইউড উদ্যোগৰ ৩৬টাৰ মুঠ কৰ্মচাৰীৰ সংখ্যা আছিল ৬,৪৮৯ জন আৰু তাৰে ২,৮৮০ জন লোকেই (৪৪ শতাংশ) হ'ল অসমৰ বাহিৰৰ। তদুপৰি উচ্চপদস্থ বিষয়াসকল, যেনে— মেনেজাৰ, এছিষ্টেণ্ট মেনেজাৰ, চিফ একাউণ্টটেণ্ট, প্ৰডাকশ্যন মেনেজাৰ, ফেক্টৰি ইঞ্জিনিয়াৰ ইত্যাদিৰ মুঠ সংখ্যা হ'ল ৮৭ জন আৰু তাৰে ৬৬ জনেই (বা ৭৬ শতাংশ) হ'ল অসমৰ বাহিৰৰ। আচৰিত হ'বলগীয়া আৰু এটা বিষয় হ'ল—অসমৰ আৰু অসমৰ বাহিৰৰ বিষয়াসকলৰ মাজত দৰমহাৰ ক্ষেত্ৰত থকা বৈষম্যমূলক নীতিটো। এই উদ্যোগৰপৰা পোৱা ৰাজহৰ ক্ষেত্ৰতো অসম চৰকাৰ কি দৰে বঞ্চিত হৈ আহিছে সেই কথাও মনকৰিবলগীয়া। কেন্দ্ৰীয় চৰকাৰে এই উদ্যোগৰপৰা কেন্দ্ৰীয় আবকাৰী শুল্ক হিচাপে আহৰণ কৰে বছৰি প্ৰায় ৬ কোটি টকা; অথচ অসম চৰকাৰে বিক্ৰি কৰৰ বাবদ পায় কেৱল ৩৫ লাখ টকা। কিন্তু এই উদ্যোগপতিসকলে যদি প্লাইউড সামগ্ৰীসমূহ অসমতে কিনা-বেচা দেখুৱাই পাছত ভাৰতৰ বিভিন্ন প্ৰান্তত অৱস্থিত ডিপোসমূহলৈ পঠিওৱাৰ ব্যৱস্থা গ্ৰহণ কৰিলেহেঁতেন, তেন্তে অসম চৰকাৰে ওপৰঞ্চি বিক্ৰিকৰ হিচাপে বছৰি ২ কোটি টকা সংগ্ৰহ কৰিব পৰিলেহেঁতেন। সেয়েহে আমি উদ্যোগীকৰণৰ বাবেই কেৱল উদ্যোগ স্থাপনত গুৰুত্ব দিলে নহ'ব; কাৰণ অসমৰ অৰ্থনৈতিক বিকাশ তথা থলুৱা স্বাৰ্থক উপেক্ষা কৰিলে তেনে উদ্যোগীকৰণৰ উদ্দেশ্য সৰ্বাংগীনৰূপে সফল নহয়।

এইখিনিতে এই উদ্যোগৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত আন এটা দিশো চিন্তা কৰিবলগীয়া। ৰাষ্ট্ৰীয় বনাঞ্চল নীতি অনুযায়ী ৰাজ্যখনত অন্ততঃ এক তৃতীয়াংশ বনাঞ্চল থকা প্ৰয়োজন। কিন্তু অসমৰ ভৈয়াম অঞ্চলত বৰ্তমান কেৱল ২১ শতাংশ অঞ্চলতহে সংৰক্ষিত বনাঞ্চল আছে। যদি বৰ্তমানৰ অবাধ গতিত অসমৰ বনাঞ্চল ধ্বংস কৰা কাৰ্যত বাধা দিয়া নহয় আৰু ক্ষিপ্ৰগতিত আৱশ্যকীয় বনাঞ্চল বৃদ্ধিৰ ব্যৱস্থা লোৱা নহয়, তেন্তে অনতিপলমে অসমে হেৰুৱাই পেলাব প্ৰাকৃতিক ভাৰসাম্য আৰু অসমবাসী ৰাইজ সন্মুখীন হ'বলগীয়া হ'ব এক প্ৰাকৃতিক দুৰ্যোগৰ। সেয়েহে বনজ সম্পদৰ ভিত্তিত উদ্যোগীকৰণৰ ব্যৱস্থাত বিশেষ সাৱধানতা অবলম্বন কৰা অতি প্ৰয়োজনীয় হৈ পৰিছে।

**জলসম্পদ:** অসমৰ প্ৰাকৃতিক সম্পদৰ ভিতৰত ইয়াৰ জলসম্পদৰ কথাও উল্লেখ কৰা উচিত হ'ব; কাৰণ ক্ষিপ্ৰ উদ্যোগীকৰণৰ বাবে আটাইতকৈ আৱশ্যকীয় উপাদান হ'ল বিদ্যুৎ শক্তি। এই ক্ষেত্ৰত অসমৰ অৱস্থা সঁচাকৈয়ে বৰ সুবিধাজনক। কেৱল ব্ৰহ্মপুত্ৰ নদৰপৰাই ইমানেই জলবিদ্যুৎ উৎ-



OKDISCD

পাদন কৰিব পৰা যায় যে তাৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্যুৎ চাহিদা পূৰণ কৰাৰ উপৰিও পশ্চিম বংগ, বিহাৰ, চিকিম তথা উৰিষ্যা পৰ্যন্ত জলবিদ্যুৎ যোগান ধৰিব পৰা যাব। ইতিমধ্যে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে এই বিষয়ে সমীক্ষা চলাইছে আৰু বৰ্তমান ব্ৰহ্মপুত্ৰ নদক পৰিপুষ্ট কৰা শতকৰা ৪০ ভাগ জল প্ৰবাহ নিয়ন্ত্ৰণলৈ আনি জলবিদ্যুৎ উৎপাদন কৰিবলৈ উপনৈ কেইখনমানত প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাও গ্ৰহণ কৰিছে। এই কাৰ্য সফলতাৰে সমাপন কৰিব পাৰিলে অসমত বানপানীৰ প্ৰকোপ যথেষ্ট কমিব আৰু তাৰ লগতে আগতে উল্লেখ কৰা উদ্যোগীকৰণৰ বাবে অতি প্ৰয়োজনীয় উপাদান বিদ্যুৎ শক্তি অপৰ্যাপ্ত পৰিমাণে যোগান ধৰিব পৰা যাব। এনে প্ৰকল্পৰ বাস্তৱ ৰূপায়ণৰ বাবে এক বৃহৎ পৰিমাণৰ পুঁজিৰ আৱশ্যক আৰু ইয়াৰ বাবে অতিকৈ প্ৰয়োজনীয় হ'ব কেন্দ্ৰীয় চৰকাৰৰ সক্ৰিয় সহযোগিতাৰ।

ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অধীনত সোৱনশিৰি আৰু দিহং প্ৰকল্পৰ সফলতাৰ বহুখিনি নিৰ্ভৰ কৰিব অৰুণাচল প্ৰদেশৰ ৰাজনৈতিক সহযোগিতাৰ ওপৰতো। এই প্ৰকল্প সংক্ৰান্তত অৰুণাচল প্ৰদেশৰ ৰাজনৈতিক নেতাসকলৰ শংকাটো হ'ল,—প্ৰকল্প দুটা সম্পূৰ্ণ হ'লে ইয়াৰ বাবে প্ৰয়োজন হ'ব বাহিৰৰপৰা আমদানি কৰা অসংখ্য শ্ৰমিক তথা কৰ্মচাৰী বিষয়াৰ। এনে বৃহৎ সংখ্যক জন প্ৰব্ৰজনৰ ফলত অৰুণাচলৰ জনজাতীয় লোকসকল নিজ প্ৰদেশতে সংখ্যালঘু হোৱাৰ সম্ভাৱনাই দেখা দিব। ইয়াৰ ফলত তেওঁলোকৰ বৰ্তমান ৰাজনৈতিক দৃশ্যপটৰ যথেষ্ট পৰিৱৰ্তন ঘটাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। সেয়েহে তেওঁলোকে অৰুণাচলত এনে বৃহৎ জলবিদ্যুৎ প্ৰকল্প স্থাপনক আজিলৈকে সহজভাৱে ল'ব পৰা নাই। তেওঁলোকৰ এনে শংকাৰ কাৰণো নিশ্চয় আছে আৰু তাৰবাবে ভাৰত চৰকাৰেও যথোচিত ৰাজনৈতিক তথা সাংবিধানিক ব্যৱস্থা গ্ৰহণ কৰা উচিত। অন্যথা কেৱল অসম বা অৰুণাচল প্ৰদেশৰ বুলি নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভৱিষ্যত উদ্যোগীকৰণৰ গতি মন্থৰ হোৱাৰ সম্ভাৱনাই বেছি।

**চাহ উদ্যোগ:** অসমৰ চাহ উদ্যোগৰ ইতিহাস কিছু পুৰণি হ'লেও এষাৰ মনকৰিবলগীয়া কথা হ'ল এই যে অসমৰ আৰ্থ-সামাজিক বিকাশত চাহ উদ্যোগে আজি পৰ্যন্ত বিশেষ অৰিহনা যোগাবপৰা নাই। দুখৰ বিষয় যে বৃটিছসকলৰ ঔপনিবেশিক আহিৰ পৰিৱৰ্তন ভাৰতীয় মালিকসকলে চাহ বাগিচাৰ পৰিচালনাৰ দায়িত্ব লোৱাৰ পাছতো দেখা নগ'ল। যদিও গুৱাহাটীত কিছুবছৰ আগতে নিলাম কেন্দ্ৰ খোলা হ'ল, তথাপিতো সৰহ সংখ্যক চাহ কলিকতা বা বিদেশৰ নিলাম কেন্দ্ৰতেই বিক্ৰি কৰি থকা হৈছে। ফলত স্থানীয় নিয়োগ আৰু ৰাজহৰ ক্ষেত্ৰত অসমে যথেষ্ট লোকচান কৰিবলগীয়া হৈছে। অসমে কেৱল পশ্চিম বংগতেই লক্ষাধিক লোকৰ নিয়োগৰ সুবিধা হেৰুৱাইছে। অসমে চাহ উদ্যোগৰপৰা বছৰি কৰ আদি পায় মাত্ৰ ২৫ কোটি টকা আৰু তাৰ বিপৰীতে পশ্চিম বংগই সংগ্ৰহ কৰে ৪২ কোটি টকা! এতিয়াও চাহ উদ্যোগৰ বিভিন্ন মুখ্য কাৰ্যালয়সমূহ কলিকতাত অৱস্থিত আৰু এই কাৰ্যালয়সমূহ অসমলৈ স্থানান্তৰ নকৰালৈকে অসমে এই ক্ষেত্ৰত কেতিয়াও সুবিচাৰ নাপায়। গুৱাহাটীত শুকান বন্দৰৰ (dry port) ব্যৱস্থা ইতিমধ্যে হাতত লোৱাত কলিকতাৰপৰা কৰিবলগীয়া চাহৰ ৰপ্তানি কাৰ্য, জাহাজৰ বিভিন্ন ব্যৱস্থা আদি অসমৰপৰাই কৰিব পৰা যাব। সেইকাৰণে চাহ উদ্যোগৰ বিভিন্ন মুখ্য কাৰ্যালয়সমূহ অতি সোনকালে অসমলৈ স্থানান্তৰ কৰিবলৈ ৰাজনৈতিক হেঁচা প্ৰয়োগ কৰি অসমে নিজৰ প্ৰাপ্যখিনি আদায় কৰি লোৱাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও চাহ উদ্যোগৰ ওপৰত ভিত্তি কৰি ইতিমধ্যে যিমানখিনি আনুষংগিক উদ্যোগ অসমত গঢ়ি তুলিব পৰা গ'লহেঁতেন, সেই সম্পৰ্কেও আমি সজাগ হোৱা উচিত। এইক্ষেত্ৰত প্ৰথম পদক্ষেপ হিচাপে ইয়াত স্থাপন কৰিব পৰা তেনে ধৰণৰ সম্ভাব্য আনুষংগিক উদ্যোগসমূহ চিনাক্তকৰণ কৰাটো অতি আৱশ্যকীয় হৈ পৰিছে।

**অসমৰ উদ্যোগীকৰণৰ ভৱিষ্যত:** অসমৰ ক্ষিপ্ৰ উদ্যোগীকৰণৰ বাবে একাংশ বিশেষজ্ঞই সম্পদভিত্তিক উদ্যোগৰ উপৰিও বৃহৎ সংখ্যক চাহিদাভিত্তিক উদ্যোগ গঢ়ি তুলিব পৰা যায় বুলি মন্তব্য দিছে। এইখিনিতে উল্লেখনীয় ইতিমধ্যে উত্তৰ-পূব পৰিষদে এই সংক্ৰান্তত সমীক্ষা চলাইছে আৰু অসমত স্থাপিত হ'ব পৰা উদ্যোগসমূহো চিনাক্তকৰণ কৰিছে। অলপতে নেশ্যনেল প্ৰডাক্টিভিটি কাউন্সিলৰ সহায়ত এই পৰিষদে দুখন বিশদ প্ৰতিবেদন প্ৰকাশ কৰিছে। এইখিনিতে অসমৰ স্থানীয় সম্ভাৱনাপূৰ্ণ উদ্যোগীসকলে মনত ৰখা উচিত হ'ব যে অসমত ইতিমধ্যে স্থাপিত হোৱা, বিশেষকৈ ৰাজহুৱা খণ্ডৰ বৃহৎ উদ্যোগসমূহৰ ওপৰত ভিত্তি কৰি পোনতে আনুষংগিক উদ্যোগ (ancillary industry) স্থাপনতহে অধিক গুৰুত্ব দিয়া প্ৰয়োজন। কাৰণ আনুষংগিক উদ্যোগ স্থাপনৰ জৰিয়তে তেওঁলোকে অন্ততঃ এটা প্ৰধান সমস্যাৰপৰা হাত সাৰিব পাৰিব, সেইটো হৈছে বজাৰৰ প্ৰতিযোগিতাৰ সমস্যা। অৰ্থাৎ উৎপাদিত সামগ্ৰীসমূহ সহজতে বিক্ৰি কৰিবপৰা যাব কেৱল আনুষংগিক উদ্যোগ স্থাপনৰ জৰিয়তে। আনুষংগিক উদ্যোগৰ বিশেষত্ব এইখিনিতেই যে এনে উদ্যোগৰ মুঠ উৎপাদন ক্ষমতাৰ অন্ততঃ ৫০ শতাংশ নিজ নিজ বৃহৎ উদ্যোগসমূহত সহজতে বিক্ৰি কৰিব পৰা যাব আৰু ফলত বৰ্তমান বজাৰৰ তীব্ৰ প্ৰতিযোগিতাৰ সমস্যা বহুখিনি লাঘৱ হ'ব। উদাহৰণস্বৰূপে অসমৰ বনজ সম্পদৰ ওপৰত ভিত্তি কৰি ইতিমধ্যে জাগীৰোড, পঞ্চগ্ৰাম, যোগীঘোপা আৰু নগাঁৱলেগুৰি তুলিত কাগজ তৈয়াৰ কৰা উদ্যোগ গঢ়ি উঠিছে। এই উদ্যোগসমূহৰ ওপৰত ভিত্তি কৰি অসমত কেইবাটাও আনুষংগিক ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিব পৰা যায় (যেনে ফিটকিৰি, চুণ, কষ্টিক ক্ল'ৰিন, ৰেজিন ইত্যাদি)। হিন্দুস্থান কাগজ নিগমৰ সৌজন্যত জাগীৰোডত অনুষ্ঠিত এখন আলোচনা চক্ৰত এই বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছিল। সুখৰ বিষয় যে কম সংখ্যক হ'লেও কেইজনমান থলুৱা উদ্যোগী এইক্ষেত্ৰত আগবাঢ়ি অহা দেখা গৈছে।

অসমত কৃষি ভিত্তিক উদ্যোগ স্থাপনৰ সম্ভাৱনাও অতি উজ্জ্বল বুলিব পাৰি। ১৯৭২-৭৮ চনৰ সময়ছোৱাত দুই লাখ টনতকৈও অধিক ঘেহুঁৰপৰা উৎপাদন কৰিবলগীয়া সামগ্ৰীৰ বাবে যথেষ্ট সংখ্যক লাইচেন্স প্ৰদান কৰা হৈছিল। চেনি উদ্যোগৰ বাবে প্ৰদান কৰা চাৰিওখন লাইচেন্সৰ সদব্যৱহাৰ হ'লে অসমত বছৰি ৫০০০ টন চেনি উৎপাদন কৰিব পৰা যাব। কাছাৰত নিতৌ ১২৫০ টন কুঁহিয়াৰ ব্যৱহাৰ কৰিব পৰাকৈ এটা চেনি উদ্যোগে ইতিমধ্যে উৎপাদন আৰম্ভ কৰিছে। শিলঘাটৰ মৰাপাট কলৰ উপৰিও আৰু অন্ততঃ এটা মৰাপাট কল অসমত স্থাপন কৰিব পৰা যায়। এইক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ, বিশেষকৈ কলিকতাৰ উদ্যোগপতিসকলে দি অহা বাধা অতিক্ৰম কৰিব পাৰিলেহে সফলতা অৰ্জন কৰিব পৰা যাব।

অসমৰ এৰি, মুগা, পাট শিল্পক এক বিশেষ স্থান এতিয়াও আমি দিব পৰা নাই। এই বিষয়ে ইতিমধ্যে যথেষ্ট গৱেষণা কৰা হৈছে আৰু এনে শিল্প আৰ্থিকভাৱেও অতি লাভজনক বুলি প্ৰমাণিত হৈছে। কিন্তু থলুৱা উদ্যোগীৰ অভাৱত এই শিল্পৰ যথোপযুক্ত বিকাশ সম্ভৱপৰ হৈ উঠা নাই। ঠিক একেদৰেই কাঁহ-পিতল শিল্পৰ ভৱিষ্যত অন্ধকাৰময় হৈ আহিছে বুলিব পাৰি। যুগৰ পৰিৱৰ্তনৰ লগে লগে এনে শিল্পৰ সৈতে জড়িত লোকসকলক অন্যান্য জনপ্ৰিয় ধাতুৰপৰা তৈয়াৰ কৰিবপৰা সামগ্ৰী উৎপাদন কৰাৰ প্ৰশিক্ষণ দিয়াৰ যুক্তিযুক্ততাও এইখিনিতে দোহাৰিব পাৰি।

অসমৰ অন্যান্য ক্ষুদ্ৰ উদ্যোগলৈ মন কৰিলে দেখা যায় যে এনে উদ্যোগ ১৯৭২ চনত মুঠ ১৬৪৮ টাৰপৰা ১৯৭৮ চনত ৩৩০২ টালৈ বৃদ্ধি পায়। এই কালৰপৰা উদ্যোগীকৰণৰ ছবিখন যদিও উৎসাহজনক, তথাপিতো ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ সম্ভাৱনালৈ চাই এই সফলতাক 'যথেষ্ট বুলিব নোৱাৰি। তদুপৰি এনে বহু ক্ষুদ্ৰ উদ্যোগ ৰুগ্ন হৈ পৰাও দেখা গৈছে। এই ৰুগ্ন হৈ পৰা ক্ষুদ্ৰ উদ্যোগসমূহৰ প্ৰতিকাৰৰ ব্যৱস্থাও প্ৰয়োজনীয়।

**নৱগঠিত চৰকাৰৰ দায়িত্ব:** অসমৰ ক্ষিপ্ৰ উদ্যোগীকৰণৰ বাবে অসম গণ পৰিষদ চৰকাৰৰ কান্ধত এক গধুৰ দায়িত্ব আছে। অসমৰ মন্থৰ গতিৰ উদ্যোগীকৰণৰ বাবে ইয়াৰ দুৰ্বল অৰ্থনৈতিক বুনিয়াদ, থলুৱা উদ্যোগীৰ অভাৱ, ঋণৰ ক্ষেত্ৰত বেংকৰ হেমাহি তথা ভাৰত চৰকাৰৰ অমনোযোগী মনোভাৱৰ উপৰিও পূৰ্বৰ অসম চৰকাৰৰ উদাসীনতাও মন কৰিবলগীয়া। 'নতুন অসম' গঢ়িবলৈ হলে বৰ্তমানৰ চৰকাৰ এই ক্ষেত্ৰত অতি সক্ৰিয় হোৱা একান্ত আৱশ্যক। নতুন উদ্যোগ মন্ত্ৰীৰ জ্ঞাতাৰ্থে এই কথা উল্লেখ কৰা উচিত হ'ব যে আজি কিছুবছৰ আগতে অসম চৰকাৰৰ উদ্যোগ সঞ্চালকৰ পদবীত কেইবাজনো উচ্চপদস্থ চৰকাৰী বিষয়াক ইজনৰ পাছত সিজনকৈ অতি কম সময়ৰ বাবেহে দায়িত্ব দিয়া হৈছিল। তদুপৰি উদ্যোগবিভাগৰ সচিবৰ পদটোতো মুঠেই গুৰুত্ব আৰোপ কৰা হোৱা নাছিল, কাৰণ একেজন বিষয়াকেই কেইবাটাও শুল্ক বিভাগৰ সচিবৰ দায়িত্বৰ লগতে উদ্যোগ বিভাগটোও জাপি দিয়া হৈছিল। ফলত তেওঁলোকৰ কাৰ্যকালত বিভিন্ন উন্নয়নমুখী আঁচনিৰ বাস্তৱ ৰূপায়ণত যথেষ্ট বিজুটি ঘটিল। ঠিক একেদৰে অসম চৰকাৰে দুবছৰমান আগতে ঘোষণা কৰা 'নতুন উদ্যোগ নীতি'ৰ বাস্তৱ ৰূপায়ণৰ ক্ষেত্ৰতো যথেষ্ট অভিযোগ স্থানীয় উদ্যোগীসকলৰপৰা পোৱা গ'ল।

ইয়াৰ উপৰিও বৰ্তমানলৈকে অসম চৰকাৰৰ অধীনস্থ অসম ঔদ্যোগিক উন্নয়ন নিগম, অসম কৃষি উদ্যোগ উন্নয়ন নিগম, অসম বিত্তীয় নিগম, অসম ভৈয়াম তথা পাহাৰৰ ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম, উদ্যোগ সঞ্চালকালয়, জিলা-উদ্যোগ কেন্দ্ৰ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে নিয়াৰিকৈ অসমৰ উদ্যোগীকৰণৰ বাবে কোনো ধৰণৰ সমূহীয়া প্ৰচেষ্টা চলোৱা চকুত নপৰে। বৰঞ্চ বিভাগীয় সহযোগিতাৰ অভাৱহে ভুক্ত-ভোগীৰ বাবে তিক্ত অভিজ্ঞতাৰ কাৰণ হৈছে। অসমৰ ক্ষিপ্ৰ উদ্যোগীকৰণৰ বাবে এই সমূহ অনুষ্ঠান-প্ৰতিষ্ঠান, ভাৰতীয় ঔদ্যোগিক বিকাশ বেংক, ভাৰতীয় বিত্তীয় নিগম, ৰাষ্ট্ৰীয় ক্ষুদ্ৰ উদ্যোগ বিকাশ নিগম, উত্তৰ পূব পৰিষদ, যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰ আদি অনুষ্ঠানৰ এক সমূহীয়া সামাজিক দায়িত্ব আছে। সেয়েহে এই ক্ষেত্ৰত বৰ্তমান চৰকাৰৰ নীতি নিৰ্ধাৰকসকলে দকৈ চিন্তা কৰি সকলোবোৰ উদ্যোগীকৰণৰ সৈতে জড়িত অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ সামাজিক দায়বদ্ধতা স্পষ্ট কৰি দি, নিজ নিজ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাৰ উপৰিও সামূহিক দায়িত্বখিনিও নিয়াৰিকৈ পালন কৰি অসমৰ ক্ষিপ্ৰ উদ্যোগীকৰণৰ বাবে বাস্তৱমুখী কাৰ্যব্যৱস্থা অনতিপলমে গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া অতি আৱশ্যকীয় হৈ পৰিছে। এনে আনুষ্ঠানিক নীতি নিৰ্ধাৰণ কৰাৰ পূৰ্বে এই সংক্ৰান্তত উল্লিখিত সকলোবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানক সাঙোৰাৰ উপৰিও অসমৰ বিশ্ববিদ্যালয় কেইখনৰ অভিজ্ঞ অধ্যাপক, স্থানীয় অৰ্থনীতিবিদ বুদ্ধিজীৱী তথা উদ্যোগী লোকসকলকো সন্নিবিষ্ট কৰি এখন বিশদ আলোচনাচক্ৰৰ প্ৰয়োজনীয়তাও নুই কৰিব নোৱাৰি। নতুন চৰকাৰে ইচ্ছা কৰিলে তৎকালেই এনে পৰামৰ্শৰ কাৰ্যকৰী প্ৰয়োগ কৰিব পাৰে আৰু এই ক্ষেত্ৰত সফলতা অৰ্জন কৰিব পাৰিলে সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত (১৯৮৫-১৯৯০)

OKDISCD

অসমক উদ্যোগীকৰণৰ ক্ষেত্ৰত যথেষ্ট দূৰ আগুৱাই নিয়াটো বাস্তৱতো সম্ভৱপৰ কৰি তুলিব পাৰে।

**সামৰণি ঃ** সুখৰ বিষয় যে ভাৰত চৰকাৰেও আগন্তুক সপ্তম পৰিকল্পনাৰ কালছোৱাত অসমৰ ক্ষিপ্ৰ উদ্যোগীকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা দেখা গৈছে। সেই দৃষ্টিকোণৰ পৰা প্ৰাকৃতিক সম্পদত চহকী অসমৰ উদ্যোগীকৰণৰ ভৱিষ্যত ছবিখন উজ্জ্বল বুলিবই পাৰি। কিন্তু এনে উদ্যোগীকৰণ যদি পূৰ্বৰ তিক্ত অভিজ্ঞতাৰ পুনৰাবৃত্তি কৰি অসমৰ থলুৱা স্বাৰ্থ ৰক্ষাত ব্যৰ্থ হয়, নতুন অসমৰ সামগ্ৰিক প্ৰাকৃতিক পৰিৱেশ দূষিত কৰাত সহায়ক হয়, তেনেহলে তেনে ধৰণৰ অৰ্থনৈতিক বিকাশে অসমবাসী ৰাইজৰ অপকাৰহে কৰিব। সেয়েহে এই ক্ষেত্ৰত আমি অতি সাৱধানতাৰে আগবঢ়া উচিত। ইয়াৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে আমি কি দৰে বিভিন্ন সুযোগ সুবিধাসমূহ ভাল দৰে গ্ৰহণ কৰিব পাৰোঁ আৰু এই ক্ষেত্ৰত কিমান দূৰ সফলতাৰে আগবাঢ়ি যাব পাৰোঁ। আমি আটায়ে এতিয়াই মনত ৰখা উচিত হ'ব যে অসমৰ ভৱিষ্যত উদ্যোগীকৰণৰ সা-সুবিধাখিনি যিসকলে সফলতাৰে গ্ৰহণ কৰিব পাৰিব, তেওঁলোকৰ হাতত্তেই অসমৰ ভৱিষ্যত অৰ্থনৈতিক ক্ষমতা অৰ্পিত হ'ব। আমাৰ দেশৰ বৰ্তমান আৰ্থ সামাজিক গাঁথনিত অৰ্থনৈতিক ক্ষমতাৰ সৈতে থকা ৰাজনৈতিক ক্ষমতাৰ সম্বন্ধ সৰ্বজনবিদিত। এই ফালৰ পৰাও স্থানীয় যুৱকে অসমৰ উদ্যোগীকৰণত আগভাগ লোৱা একান্ত প্ৰয়োজন। অৱশ্যে এইখিনিতে থলুৱা সম্ভাৱনাপূৰ্ণ উদ্যোগীৰ অভাৱো বাৰুকৈয়ে পৰিলক্ষিত হৈছে। তাৰ উপৰিও স্থানীয় যুৱকৰ মূলধনৰ অভাৱ, কাৰিকৰী দিশৰ সীমিত জ্ঞান, দক্ষ শ্ৰমিকৰ অভাৱ, বজাৰৰ প্ৰতিযোগিতা, উদ্যোগ পৰিচালনাৰ অনভিজ্ঞতা ইত্যাদি বিভিন্ন সমস্যা ৰাজিয়ে জুমুৰি দি ধৰাটোও স্বাভাৱিক। কিন্তু লগতে আমি এইষাৰো মনত ৰখা উচিত হ'ব যে এনেবোৰ সমস্যা বা নানান বাধা-বিঘিনি অতিক্ৰম কৰিব পৰাজনকহে 'প্ৰকৃত উদ্যোগী' বুলিব পাৰি। আমাৰ দৃঢ় বিশ্বাস যে অসমৰ উঠি অহা যুৱকসকলে যদি সচাঁ অৰ্থত নিজকে 'প্ৰকৃত উদ্যোগী' বুলি পৰিচয় দিব পাৰে আৰু নতুন চৰকাৰেও উল্লিখিত দিশসমূহত সফলতাৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰে, তেন্তে অসমৰ উদ্যোগীকৰণৰ ভৱিষ্যত উজ্জ্বল হ'বই।●

১৪ পৃষ্ঠাৰ পিছৰ পৰা

আটাইতকৈ ধ্বংসাত্মক কাৰ্য হিচাপে দেখা দিছে। সাধাৰণ বাৰ ব'ৰ বন্দুকৰ দ্বাৰা সঠিক ঠাইত গুলী কৰিব নোৱাৰিলে গঁড়ৰ দৰে শক্তিশালী জীৱক বধ কৰা অসম্ভৱ। সেয়েহে এচাম চিকাৰীয়ে চোৰাং ৰাইফল সংগ্ৰহ কৰি গঁড় চিকাৰত ধৰিছে। ৰাইফলৰ দ্বাৰ কম সময়ৰ ভিতৰতে অৰ্থাৎ ৰাতিটোৰ ভিতৰতে গঁড় নিধন কৰি নিৰাপদ পাৰলৈ উলটি আহিব পৰাত এই চিকাৰে কিছু বিশিষ্ট শ্ৰেণীৰ চিকাৰীকো আকৃষ্ট কৰিছে। চোৰাংচিকাৰৰ লগতে চোৰাং ৰাইফলৰ সংখ্যাও অঞ্চলটোত বাঢ়িছে। ৰাইফল সংগ্ৰহ কৰা, সংৰক্ষণ কৰা, গুলী আদি সংগ্ৰহ কৰাত থকা জটিলতাবোৰৰ বাবে, হাতদীঘল চিকাৰীৰ বাদে সাধাৰণ শ্ৰেণীৰ চিকাৰীৰ বাবে কোৰ-কুঠাৰেই এতিয়াও সকলোতকৈ জনপ্ৰিয় আহিলা।

বৰ্তমান বজাৰত এক কিল'গ্ৰাম ওজনৰ খড়্গৰ মূল্য মাঠি হাজাৰ টকা। প্ৰতিটো খড়্গৰ ওজন অনুপাতেই দাম নিৰ্ধাৰণ কৰা হয়। গঁড়ৰ খড়্গবোৰ কিনিলোৱাৰ বাবে দূৰদূৰণিৰ এচাম এজেণ্ট আছে। এজেণ্ট আৰু চোৰাংচিকাৰীৰ মাজত ব্যৱসায় নিৰ্দিষ্ট কৰিবৰ বাবে স্থানীয় একশ্ৰেণীৰ দালাল থাকে। দালালবিলাকে খড়্গ বিক্ৰি কৰাৰ বিনিময়ত দুয়োপক্ষৰপৰাই কমিছন সংগ্ৰহ কৰে। উল্লিখিত অঞ্চলত চোৰাংচিকাৰৰ বিষয়ে বাটে-ঘাটে চৰ্চা কৰা হয়, —ব্যৱসায়ৰ ক্ষেত্ৰত কিন্তু যথেষ্ট গোপনীয়তাৰ আশ্ৰয় লোৱা হয়। যিহেতু খড়্গৰ ব্যৱসায়ৰ সৈতে সমাজৰ একশ্ৰেণী বিশিষ্ট ব্যক্তিও বিশেষভাৱে জড়িত, সেয়েহে এই গোপনীয়তা অপৰিহাৰ্য।

ঠিক এইভাৱেই পুলিছ কৰ্তৃপক্ষৰ পৰা আৰম্ভ কৰি সমূহ সচেতন ব্যক্তি, সংগঠন তথা সংগ্ৰামী যুৱমানসৰ সমুখতে কাজিৰঙাৰ এই অমূল্য সম্পদটিৰ এক ভয়ানক ধ্বংসযজ্ঞ অঞ্চলটোত চলি আছে। বিষয়টোৰ প্ৰতি পুলিছ কৰ্তৃপক্ষৰ নিৰৱতাত আচৰিত হ'ব লগীয়া একো নাই। এজেণ্টৰ পৰা আৰম্ভ কৰি চোৰাং চিকাৰীলৈকে সকলোৰে পুলিছ কৰ্তৃপক্ষৰ সৈতে অবৈধ সম্পৰ্ক আছে বুলি এটা কথা অঞ্চলটোত ইতিমধ্যে সদৰি হৈ গৈছে। যোৱা ফেব্ৰুৱাৰী মাহত ৰাংছালি দলনী গাঁৱৰ জনৈক দালালৰ ঘৰ পুলিছে ঘেৰাও কৰি খড়্গৰ ব্যৱসায়ৰ লগত জড়িত থকাৰ স্পষ্ট প্ৰমাণ পোৱাৰ পাছতো দালালজনক আটক নকৰাৰ ঘটনাই এই সন্দেহক আৰু ঘনীভূত কৰি তুলিছে। তদুপৰি অঞ্চলটোৰ বাটে-ঘাটে যিদৰে অহৰহ চোৰাংচিকাৰৰ ৰহস্যসমূহ চৰ্চা কৰা হয়, তালৈ চাই সেইবিলাক কথা পুলিছ কৰ্তৃপক্ষই নাজানে বুলি বিশ্বাসেই নহয়।

বিষয়টোৰ প্ৰতি ব্যক্তিগতভাৱে কোনোবাই কিবা কৰাৰ প্ৰশ্নই নুঠে। তেনে কিবা কোনোবাই কৰিলে চোৰাং চিকাৰীৰ দ্বাৰা আক্ৰান্ত হোৱাৰ সম্ভাৱনাই অধিক। পিছে এই ক্ষেত্ৰত সমাজৰ কৰ্তৃত্বশীল সংগঠনসমূহৰ ভূমিকাহে আটাইতকৈ হতাশজনক। এচাম জংগীমানুহৰ সমৰ্থনৰপৰা বঞ্চিত হোৱাৰ আশংকাতেই বৰ্তমানে সংগ্ৰামী যুৱমানসৰ পৰা আৰম্ভ কৰি সকলোৱে এই বিষয়ে নিৰৱতা অৱলম্বন কৰি আছে। গতিকেই স্বাভাৱিকতে প্ৰশ্ন হয়— কাজিৰঙাৰ এই দুৰ্লভ, নিৰীহ জন্তুটোৰ ভৱিষ্যত কি ?●





# বিজ্ঞান, বৈজ্ঞানিক মানসিকতা আৰু আমি

প্ৰকাশ ডেকা

"নহয় মামা, মই আজি যাবই লাগিব।"

"তই আজি কোনোমতে যাব নোৱাৰ। বৃহস্পতিবাৰে ভাটিবেলা 'যাত্ৰা নাস্তি'। বাটত কিবা হ'লে তাই মোকেহে দোষ দিব।"

এনে ধৰণৰ অভিজ্ঞতা আমাৰ সকলোৰে কম-বেছি পৰিমাণে আছে। পিছে কথাটো হ'ল— সপ্তাহটোৰ সাতোটা বাৰৰ ভিতৰত বৃহস্পতিবাৰটোও এটা। যি কোনো এটা দুৰ্ঘটনা যদি এটা সপ্তাহত ঘটে, তেন্তে সি সপ্তাহটোৰ যি কোনো এটা বাৰত ঘটাৰ সম্ভাৱ্যতা (probability) হ'ল ⅐। এনে ক্ষেত্ৰত বৃহস্পতিবাৰৰ ভাটিবেলাটোৰ গাত কিছুমান অলৌকিক কাৰণত যাত্ৰা নাস্তি'ৰ অপবাদ সনাটো বৈজ্ঞানিক মনোভাৱাপন্ন ব্যক্তিয়ে সমৰ্থন কৰিব নোৱাৰে।

নোপোৱাক পাবলৈ, নজনাক জানিবলৈ ক্ৰমাগতভাৱে মানুহে কৰি অহা অহৰহ প্ৰচেষ্টাৰ পদ্ধতিগত শ্ৰুতি হৈছে বিজ্ঞান। 'বিজ্ঞান' বুলিলে অত্যন্ত জটিল, গণিতেৰে ভৰা কিছুমান তত্ত্ব অথবা অত্যাধুনিক যন্ত্ৰপাতিৰে ভৰা কিছুমান বিজ্ঞানাগাৰৰ ছবি মনলৈ আহে যদিও 'বৈজ্ঞানিক' শব্দটোৰ **অৰ্থ অতি ব্যাপক আৰু গভীৰ। পৰীক্ষা, পৰ্যবেক্ষণ আৰু অনুসিদ্ধান্ত**— এই তিনিটা **মূল দিশৰ প্ৰতি লক্ষ্য** ৰাখি গৃহীত যি কোনো সিদ্ধান্তকেই বৈজ্ঞানিক ভিত্তিসম্পন্ন বুলি কব পাৰি। সাম্প্ৰতিক বিজ্ঞানৰ অপ্ৰতিহত অগ্ৰগতিয়ে এই কথা নিঃসন্দেহে প্ৰমাণ কৰিছে যে সমগ্ৰ প্ৰাকৃতিক বিজ্ঞান বৈজ্ঞানিক যুক্তিবাদৰ ওপৰত প্ৰতিষ্ঠিত। যি বিজ্ঞান সন্মত সিহে সত্য। গতিকে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি যি আন্দোলনেই গঢ়ি উঠক কিয়,— কুসংস্কাৰ বিৰোধী বৈজ্ঞানিক আন্দোলন এটি তাৰ সৈতে সংযুক্ত হৈ নাথাকিলে সেই আন্দোলনে কেতিয়াও পৰিপূৰ্ণতা তথা স্বয়ং সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে। প্ৰগতিৰ অন্তৰায় এই কুসংস্কাৰসমূহ আঁতৰাই পেলায়ো আমি আমাৰ সংস্কৃতি, পৰম্পৰা আদি ৰক্ষা কৰিব পাৰোঁ।

অন্ধবিশ্বাস বুলিলে আমি কি বুজো ? অন্ধবিশ্বাস হ'ল কোনো এখন সমাজৰ বা এটা সম্প্ৰদায়ৰ প্ৰচলিত কিছুমান বিশ্বাস-পৰম্পৰা,— যিবোৰ বিশ্বাসৰ যুক্তিযুক্ততাৰ প্ৰশ্ন নোতোলাকৈ সিহঁতক পুৰুষানুক্ৰমে মানি অহা হয়। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে অন্ধবিশ্বাসবোৰৰ আটাইবোৰেই বিজ্ঞান সন্মত অথবা অবিজ্ঞান সন্মত। এই বিশ্বাসবোৰ মাত্ৰ এজন লোকৰ এটা সময়ৰ অভিজ্ঞতাৰ অনুসিদ্ধান্ত নহয়। আমাৰ পূৰ্ব পুৰুষসকলে বহু যুগৰ সঞ্চিত কিছুমান সঁচা অভিজ্ঞতাৰ ভিত্তিত কিছুমান কাম বা নিয়ম ক্ষতিকাৰক বা প্ৰয়োজনীয় বুলি ঘোষণা কৰে আৰু সেইবোৰেই পুৰুষাণুক্ৰমে বিশ্বাস হিচাপে চলি আহে। সেইবোৰৰ কাৰণ হিচাপে হয়তো তেওঁলোকে কিছুমান অলৌকিক শক্তিৰ অস্তিত্ব কল্পনা কৰিছিল। গতিকে বিশ্বাসবোৰৰ মাজত বিজ্ঞান থাকিব পাৰে ; মাত্ৰ তাৰ বাখ্যাহে অবিজ্ঞান সন্মত। যেনে ধৰক, আমাৰ জনবিশ্বাস মতে, 'আই' অহাৰ ফলত বসন্ত ৰোগ হয় আৰু সেয়ে ৰোগীক ঈশ্বৰৰ দৰে সেৱা-সৎকাৰ কৰি, তেওঁৰ ওচৰলৈ অপৰিষ্কাৰ বাহিৰা মানুহৰ আগমন নিষিদ্ধ কৰা হয়। এই বিশ্বাসটোৰপৰা কিন্তু ৰোগী তথা বাহিৰা মানুহ উভয়েই উপকৃত হয়। কাৰণ আমি জানো যে তাইৰাছৰ আক্ৰমণত বসন্তৰোগ হয় আৰু অসুস্থ পৰিৱেশত ই ভয়ংকৰ ৰূপ লব পাৰে। সেইদৰে 'সূৰ্য গ্ৰহণ চাব নাপায়' বুলি আমাৰ বিশ্বাস এটা আছে। এই বিশ্বাসটোৰ ধৰ্মীয় ব্যাখ্যা যিয়েই নহওক কিয়, ইয়াৰদ্বাৰা আমাৰ চকুহাল 'অতি বেঙুনী ৰশ্মি'ৰপৰা ৰক্ষা পৰে। কাৰণ সূৰ্য গ্ৰহণৰ সময়ত সূৰ্যৰ প্ৰখৰতা ভালেখিনি কমি যোৱাৰ ফলত আমি স্বাভাৱিক অৱস্থাতকৈ বহু বেছি সময় সূৰ্যৰ ফালে চাই থাকিব পাৰোঁ। ফলত অতি বেঙুনী ৰশ্মিৰদ্বাৰা আমাৰ চকুৰ ৰেটিনাৰ ভয়াবহ তথা স্থায়ী ক্ষতি হ'ব পাৰে।

আমি দুটা সাধাৰণ অন্ধবিশ্বাসৰ কথা ক'লো। আনহাতে আমাৰ দৈনন্দিন সমাজ-জীৱনত ধৰ্ম, ভূত-প্ৰেত, আৰু অলৌকিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰা আদি সম্পৰ্কত আমাৰ মানসিকতা, কুসংস্কাৰ আৰু অন্ধবিশ্বাসেৰে ইমান ভয়াবহভাৱে আক্ৰান্ত যে, আমি সন্মুখীন হোৱা সমস্যা সমূহৰ বৈজ্ঞানিক সমাধানৰ পথত আগবঢ়াৰ সময়ত আমি সততে বিভ্ৰান্ত হওঁ। এই বিভ্ৰান্তিৰ সুযোগ লয় কিন্তু সমাজৰ এক শ্ৰেণীৰ শাসক তথা শোষক লোকে।

সামাজিক বিৱৰ্তনৰ মাজেদি আগবঢ়া আদিম মানুহে বানপানী, বজ্ৰপাত, অগ্নি, বৃষ্টি, শিলাবৃষ্টি, জন্ম-মৃত্যু আদি প্ৰাকৃতিক ঘটনাৰাশিৰ বা দুৰ্যোগসমূহৰ উৎপত্তিৰ কাৰণ সমূহ নাজানিছিল। ফলস্বৰূপে এইবোৰৰ আগত তেওঁলোকে নিজকে অসহায় অনুভৱ কৰিছিল আৰু এইবোৰলৈ সততে ভয় কৰি চলিছিল। লাহে লাহে মানুহে এইবোৰৰ উৎপত্তিৰ কাৰণ কিছুমান দেৱতা বা অপদেৱতাৰ অদৃশ্য কাৰ্যকলাপ বুলি ব্যাখ্যা কৰিবলৈ ললে। কালক্ৰমে এই 'অলৌকিক শক্তি' সমূহৰ সন্তুষ্টিৰ কাৰণে নানা ৰকমৰ পূজা-পাতল আৰু আচাৰ-অনুষ্ঠান আৰম্ভ হয়। এনেকি ডাঙৰ শিল বা পৰ্বত আদিকো মানুহে পূজা কৰিছিল। বিৱৰ্তনৰ মাজেদি সিয়েই 'আদিম ধৰ্ম'ৰ ৰূপ লয়। আকৌ



OKDISCD

বিভিন্ন সময়ত বিভিন্ন পৰিবেশত ৰূপ সলাই সিয়েই বিভিন্ন ধৰ্মত বিভক্ত হয়। সেই মূল অদৃশ্য শক্তিৰ নাম আল্লা, ঈশ্বৰ, গড যিয়েই নহওক কিয়, প্ৰত্যেক ধৰ্মৰেই মূল কিন্তু একেই আৰু প্ৰত্যেক ধৰ্ময়েই ক্ষমা, দয়া, মৰম আদি নৈতিক গুণসমূহৰ উৎকৰ্ষ সাধনত গুৰুত্ব দিয়ে। কিন্তু আমি আজি একবিংশ শতাব্দীৰ দুৱাৰডলিতো যেন 'ধৰ্মীয় সহিষ্ণুতা' মনে প্ৰাণে গ্ৰহণ কৰিব পৰা নাই। মধ্যযুগত ইউৰোপত 'ধৰ্মযুদ্ধ'ৰ নামত সাধাৰণ মানুহে ৰক্তপাত ঘটাইছিল। আজি ভাৰতবৰ্ষতো প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হত্যাকাৰীজন শিখধৰ্মী হোৱা কাৰণে শিখসকলৰ ওপৰতেই অত্যাচাৰ চলোৱা হ'ল। আজিও ভাৰতত উচ্চ সম্প্ৰদায়ৰ কুঁৱাত হৰিজনৰ ল'ৰাই পানী খালে তাক কোবোৱা হয়। এই অৱস্থাৰ সুযোগ লয় বিভাজন আৰু শাসন নীতি অনুসৰণ কৰা শাসক বৰ্গই।

যুগে যুগে শাসক তথা শোষক শ্ৰেণীৰ লোকসকলে ধৰ্মক হাতিয়াৰ হিচাপে লৈ সাধাৰণ মানুহ তথা সত্যান্বেষী বিজ্ঞানীক প্ৰতাৰণা কৰি আহিছে। প্ৰাচীন তথা মধ্যযুগত ধৰ্মযাজক বা পুৰোহিত আৰু ৰজাসকলে নিজকে 'ঈশ্বৰৰ প্ৰতিনিধি' বুলি জাহিৰ কৰিছিল আৰু সাধাৰণ প্ৰজাৰ ওপৰত অবাধ ক্ষমতা চলাইছিল। 'পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰে'— এই সত্য উত্থাপন কৰিবলৈ গৈ "পবিত্ৰ বাইবেল'ৰ বিৰোধিতা কৰা বাবে সত্যান্বেষী ক'পাৰ নিকাছ বা গেলিলিয়ে কিদৰে পুৰোহিততন্ত্ৰৰ অত্যাচাৰৰ বলি হ'বলগীয়া হৈছিল, সেই কথা আমি জানো। আজি হয়তো 'পুৰোহিততন্ত্ৰ' নাই; কিন্তু বিভিন্ন ৰূপত সি আজিও আমাৰ সমাজত বিদ্যমান। শাসকশ্ৰেণীৰ বুলেটে যেতিয়া বিক্ষোভকাৰী জনতাৰ বুকু ভেদি যায় অথবা জমিদাৰ এজনে খেতিয়ক এজনৰ অন্নবস্ত্ৰ-বাসস্থান কাঢ়ি নিয়ে, আমি তেতিয়াও 'নেদেখাজনে সকলোৰে এদিন বিচাৰ কৰিব', বুলি হাত-সাবটি বহি নাথাকোঁনে? অথবা আমাক ভুৰুকোৱা হয় আমাৰ দাৰিদ্ৰ্য আৰু সিহঁতৰ সম্পদ পূৰ্বজন্মৰ কৰ্মফল মাথোন। বাস্তৱত কিন্তু সেই বিচাৰ কোনোদিনে হৈ নুঠে।

কুসংস্কাৰৰ বশৱৰ্তী হৈ মানুহে মানুহৰ জীৱন বিপদাপন্ন কৰিব পাৰে। অলপতে নলবাৰীৰ ওচৰৰ এখন গাঁৱলৈ এই সম্পৰ্কীয় কামত যাওঁতে এঘৰত মানুহৰ জুম দেখি ওচৰলৈ গৈ দেখিলো বেজ এজনে 'বীৰা'ই ধৰা ছোৱালী এজনীক জৰা-ফুকা কৰিব (মৰিয়াব) লাগিছে। ছোৱালীজনী ওৰফে বীৰা আৰু বেজৰ কথোপকথন এনে ধৰণৰ:

"আই ঐ, বোপাই ঐ, মৰিলো ঐ।"

"ক'ত মৰিবি? ওলাই গলিনে? গলিনে?" (বেতৰ কোব)

"আই ঐ! যাম ঐ। যাম ঐ।"

"মোৰ অনুমান ঠিকেই, আহঁত গছৰজনীয়েই হ'ব।"

গৃহস্থৰপৰা গম লৈ বুজিলো, যোৱা ৰাতি ছোৱালীজনীয়ে আহঁত গছ এজোপাৰ তলেদি আহি ঘৰ পোৱাৰ পাছতে তাই মূৰ্চা যায় আৰু তাইৰ মুখেদি ফেনৰ নিচিনা কিবা ওলায়। ধাৰণা হ'ল— ছোৱালীজনী হিষ্টিৰিয়া ৰোগাক্ৰান্ত। আহঁত গছৰ তলেদি অহাটো কাকতালীয় সংযোগহে। গৃহস্থক ভালদৰে বুজোৱাত অৱশেষত ডাক্তৰৰ পৰামৰ্শ লবলৈ তেওঁ সন্মত হ'ল। আমাৰ গাঁৱে-ভুঁয়ে এইদৰে বহুতো হিষ্টিৰিয়া আক্ৰান্ত ৰোগী, বিশেষকৈ ৰোগিনীক বীৰা খেদাৰ নামত গৰম লোহাৰ স্পৰ্শ দিয়া আদি নানা প্ৰকাৰ অত্যাচাৰ কৰা হয়। অৱশ্যে ই শ্বকথেৰাপিৰ কাম কৰে কাৰণে কাচিৎ দুই এজন ৰোগী আৰোগ্য হ'ব পাৰে। কিন্তু সেই বুলি এই পদ্ধতি মুঠেই বিজ্ঞানসন্মত নহয়।

এনে ধৰণৰ অজস্ৰ ঘটনা নিতৌ ঘটিব লাগিছে। আচলতে ভূত-প্ৰেত, ইহজন্ম-পৰজন্ম আদি বিশ্বাসসমূহৰ মূলতে হ'ল 'আত্মা অবিনশ্বৰ' বুলি লোৱা ধাৰণাটো। 'আত্মা' বুলি কলে এতিয়াও আমাৰ সাবিত্ৰী-সত্যবান নাটকত দেখুওৱা 'উল্কা পিণ্ড'হেন সত্যবানৰ জীৱটোলৈ মনত পৰে। কিন্তু বিজ্ঞানে কয়, বাস্তৱত এনে ধৰণৰ আত্মাৰ অস্তিত্ব সম্ভৱ নহয়। পৃথিৱীখন যেতিয়া চেঁচা হ'বলৈ ধৰিলে, বাষ্পবোৰ ঘণীভূত হৈ পানী হ'ল, ঠিক তেনে সময়তে কাৰ্বন-হাইড্ৰ'জেন-নাইট্ৰ'জেন ইত্যাদি মৌল এতিয়াও সম্পূৰ্ণভাৱে অনাৱিষ্কৃত এক ৰাসায়নিক প্ৰক্ৰিয়াৰ সহায়ত মিলিত হৈ এটি জীৱন্ত কোষৰ সৃষ্টি কৰে। এই জীৱন্ত কোষটো বা কোষবোৰেই, ডাৰউইনৰ তত্ত্ব অনুসৰি, বিবৰ্তনৰ মাজেদি আগবাঢ়ি আজিৰ বিভিন্ন প্ৰাণী আৰু উদ্ভিদৰ ৰূপ পাইছেহি। আকৌ উপযুক্ত পুং আৰু স্ত্ৰী জনন কোষৰ মিলনত যি ভ্ৰূণৰ সৃষ্টি হয়, সি বিভাজিত হৈ হৈ এটা পূৰ্ণাংগ মানৱ শিশুৰ জন্ম দিয়ে। এই শিশুৱে জননকোষৰ যি ক্ৰ'ম'ছমৰ সহায়ত পিতৃ-মাতৃৰ কিছু কিছু গুণ কঢ়িয়ায়, সেই ক্ৰ'ম'ছম কিন্তু মূলতঃ কাৰ্বন-নাইট্ৰ'জেন আদিৰ দ্বাৰা গঠিত ডাই-অক্সি-ৰিব নিউক্লিক এছিডহে। জন্মসূত্ৰে ভাৰতীয় বিজ্ঞানী ড° হৰগোবিন্দ খোৰানাই পৰীক্ষাগাৰত কৃত্ৰিমভাৱে জিন সংশ্লেষিত কৰিছে। যি কোনো ৰাসায়নিক প্ৰক্ৰিয়া যি দৰে অনন্ত কাললৈ চলি নাথাকে, একেদৰেই জীৱিত কোষবোৰৰো এটা সময়ত মৃত্যু হয়।

অনেকলোকে অলৌকিক কিবা দেখা সম্পৰ্কত যি দাবী কৰে, তাৰ কাৰণ হিচাপে শিক্ষা মনোবিজ্ঞানৰ মতে তিনি ধৰণৰ মানসিক ৰোগ হ'ব পাৰে; ভ্ৰমাত্মক অনুভূতি (illusion), মতিভ্ৰম (hallucination) আৰু ভ্ৰান্ত অন্ধ বিশ্বাস (delusion)। 'কবৰত ভূত থাকে—এই ভ্ৰান্ত অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ কবৰৰ ওচৰৰ বগা বং দিয়া গছৰ মূঢ়া এটাকে ভ্ৰমাত্মক অনু-



ভূতিৰ কাৰণে ভূত বুলি ভবাটো মতিভ্ৰম (অস্তিত্বহীন কিহবাত বিশ্বাস) মাথোন। এই ক্ষেত্ৰত আন এটা উল্লেখযোগ্য কথা হ'ল যাদুকৰসকলেও নানাধৰণৰ আচৰিত ঘটনা আমাক দেখুৱায়, কিন্তু সেইবোৰ হাতৰ কৌশলহে মাত্ৰ; তেওঁলোকে ইয়াক অলৌকিক বুলি দাবীও নকৰে। এইখিনিতে যাদুকৰসকলৰ আমাৰ সমাজত সময়ে সময়ে আবিৰ্ভাব হোৱা অৱতাৰ (?) সকলৰ লগত তফাৎ।

অনন্ত মহাকাশলৈ সম্প্ৰসাৰিত আধুনিক জ্যোতিৰ্বিজ্ঞানৰ পূৰ্বসূৰী আছিল জ্যোতিষ শাস্ত্ৰ। প্ৰাচীন, ভাৰতীয়, মিছৰীয়, বেবিলনীয় আদি সভ্যতাৰ উন্মেষ ঘটাৰ সময়ত পণ্ডিতসকলে পৃথিৱী, চন্দ্ৰ, সূৰ্য আৰু গ্ৰহ-নক্ষত্ৰৰ গতিবিধি পৰ্যবেক্ষণ কৰি ভালেমান মূল্যবান তথ্য আহৰণ কৰিছিল। আনকি তেওঁলোকে বছৰ-মাহ-দিন আদিও গণনা কৰি উলিয়াইছিল। অতি স্বাভাৱিকভাৱেই কিন্তু প্ৰকৃতি সম্পৰ্কে তেওঁলোকৰ জ্ঞানৰ সীমাবদ্ধতা এই বিজ্ঞানসমূহৰ লগত সংমিশ্ৰিত হৈছিল। উদাহৰণ স্বৰূপে, প্ৰতিবাৰ মিছৰত বানপানী হোৱাৰ সময়ত ছিৰিয়াছ নামৰ এটি উজ্জ্বল নক্ষত্ৰৰ আবিৰ্ভাব হৈছিল। কিন্তু মিছৰীয়সকলৰ ব্যাখ্যা আছিল ছিৰিয়াছ নক্ষত্ৰৰ আবিৰ্ভাবৰ কাৰণেহে বানপানী হৈছিল। এনেধৰণে পৃথিৱীৰ প্ৰাকৃতিক ঘটনাৱলী মানুহৰ জীৱনধাৰা ইত্যাদি কেৱল গ্ৰহ-নক্ষত্ৰৰ দ্বাৰা পৰিচালিত হোৱা বুলি তেওঁলোকে ব্যাখ্যা কৰিছিল। এইদৰে ক্ৰমাগতভাৱে জ্যোতিষ শাস্ত্ৰৰ সৃষ্টি হয়। বিশ্বৰ প্ৰতিটো গ্ৰহ-নক্ষত্ৰৰ মাজতেই আকৰ্ষণ আছে,—যাক মহাকৰ্ষণ বল বুলি কোৱা হয়। গতিকে পৃথিৱীৰ ওপৰতো অন্যান্য গ্ৰহ-নক্ষত্ৰ আৰু চন্দ্ৰ-সূৰ্যৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। চন্দ্ৰৰ আকৰ্ষণৰ কাৰণে জোৱাৰ-ভাটা হোৱাৰ কথাও আমি জানো; কিন্তু চন্দ্ৰ-সূৰ্যৰ বাহিৰে বাকীবোৰ গ্ৰহ-নক্ষত্ৰ ইমান দূৰৈত যে সেইবোৰৰ প্ৰভাৱে পৃথিৱী তথা মানুহৰ গতিবিধি জ্যোতিষত থকা ধৰণে নিয়ন্ত্ৰণ কৰাটো অসম্ভৱ। আকৌ সেই প্ৰভাৱ বিবেচনা কৰিলেও সিহঁতৰ তথা চন্দ্ৰ-সূৰ্যৰ প্ৰভাৱে এটা অঞ্চলৰ পৃথিৱী আৰু মানুহৰ ওপৰত এটা অতি সাধাৰণ ক্ৰিয়াৰ (general effect) সৃষ্টি কৰিব পাৰে। প্ৰত্যেক মানুহৰ মানসিক তথা শাৰীৰিক অৱস্থা অনুসৰি প্ৰতিক্ৰিয়াৰ মাত্ৰা কিছু কম-বেছি হ'ব পাৰে। কিন্তু এই প্ৰতিক্ৰিয়া সাধাৰণ লোকে ভবা ধৰণৰ নহয়। ধৰক মই, পিনা আৰু জোছেফ ৰাতিপুৱা একেলগে বহি কথা পাতি আছোঁ; আজি দিনটোৰ ভিতৰত জ্যোতিষৰ বাণী অনুসৰি মোৰ কুম্ভৰাশি কাৰণে মোৰ মৃত্যু হ'ব, বা পিনাৰ কন্যা ৰাশিত জন্ম কাৰণে তাইৰ উত্তৰ-পশ্চিম দিশত বিয়াৰ ল'ৰা ঠিক হ'ব, কিম্বা মকৰ ৰাশিৰ জোছেফৰ চাকৰি মিলিব ইত্যাদি। গ্ৰহ-নক্ষত্ৰৰ এনেধৰণৰ যিবোৰ প্ৰভাৱ বৰ্ণনা কৰা হয়, সেইবোৰ অতি নিম্ন স্তৰৰ কিছুমান পৰিসংখ্যা মাথোন। কাকতালীয়ভাৱে যিখিনি মিলে, সেইখিনিক লৈ আমি ইচ্ছা বা অনিচ্ছাকৃতভাৱে হৈ-চৈ লগাওঁ; আনহাতে নিমিলাখিনি সম্পৰ্কে মৌনতা অৱলম্বন কৰোঁ। আকৌ হাতৰ ৰেখাবোৰৰ লগত গ্ৰহৰ আৰু মানুহৰ চৰিত্ৰ বা জীৱনযাত্ৰাৰ সম্বন্ধ থকা বুলি কোৱা হয়। এই ৰেখাবোৰক আকৌ হৃদয়-ৰেখা, বিদ্যা ৰেখা, আয়ুস ৰেখা আদি বিভিন্ন নাম দিয়া হয়। কিন্তু বাস্তৱিকতে মাতৃগৰ্ভত থাকোঁতে শিশুৱে হাত মুঠি মাৰি থাকে কাৰণে এই ৰেখাবোৰৰ সৃষ্টি হয়। হৃদৰোগ আদিৰ লগত হাতৰ ছাপৰ বক্ৰতাৰ কিছু সম্বন্ধ পোৱা গৈছে যদিও এইবোৰৰ লগত ভৱিষ্যতৰ ঘটনা-দুৰ্ঘটনা, বিয়া-বাৰু, ল'ৰা-ছোৱালী আদিৰ সম্বন্ধ অনাটো অসম্ভৱ।

যদি আমি ভৱিষ্যত জীৱনৰ বিপদবিঘিনি, সমস্যা আদিৰ কথা আগধৰি গণনা কৰিবই পাৰোঁ, তেনেহ'লে ৰাহু-শনিৰ প্ৰভাৱ কটোৱা কিছুমান গ্ৰহৰত্ন বা মাদুলি (?) পিন্ধি প্ৰত্যেকেই দেখোন জীৱনটো চিৰসুখময় কৰি তুলিব পাৰোঁ। নিউয়ৰ্কৰ The Humanist (35th issue, '75) আৰু লণ্ডনৰ New Humanist (91st issue, '75) আলোচনী দুখনৰ যোগেদি ১৮ জন নোবেল বটা বিজয়ী আৰু ১৮৬ জন বিশ্ববৰেণ্য বিজ্ঞানীয়ে মন্তব্য দিয়ে যে, জন্মমুহূৰ্তৰ গ্ৰহ-নক্ষত্ৰৰ আকৰ্ষণ বলে জাতকৰ ভৱিষ্যত নিয়ন্ত্ৰণ কৰাটো যুক্তিহীন কথা। আমাৰ ভৱিষ্যত আমাৰ নিজৰ ওপৰত নিৰ্ভৰ কৰিছে; কোনো গ্ৰহ-নক্ষত্ৰৰ ওপৰত নহয়।

নাগৰিকৰ মাজত বিৰাট অসমতা এখন অবিজ্ঞানসন্মত সমাজৰ পৰিচায়ক। পুৰুষ আৰু নাৰীৰ স্বাধীনতাৰ বেলিকাও এই কথা প্ৰয়োজ্য। আমাৰ পুৰণি ধৰ্ম শাস্ত্ৰসমূহত বহুক্ষেত্ৰত নাৰী স্বাধীনতাক অৱজ্ঞা কৰি অহা হৈছে। পাশ্চাত্য দেশসমূহত কিন্তু নাৰীয়ে পুৰুষৰ সৈতে সমানে আনকি উৎপাদন ব্যৱস্থাতো অংশগ্ৰহণ কৰা দেখা গৈছে। "নাৰী স্বাধীনতা" মানে ক্লাবলৈ গৈ মদখোৱা বা দিনৰ দিনটো মহিলা সমিতিত খোৱা-লোৱাৰ আড্ডা মৰাটো বুজোৱা হোৱা নাই। যদিও ভাৰতৰ বৰ্তমান উচ্ছৃংখল সমাজ ব্যৱস্থাত নাৰীৰ নিৰাপত্তা অতি বিপন্ন (বাতৰি কাকতসমূহ নাৰী ধৰ্ষণ, গৃহিণীহত্যা আদি বাতৰিৰে পৰিপূৰ্ণ), তথাপি তেওঁলোকে সমাজত গঢ় লোৱা বা সমাজে গঢ় দিয়া নীচাত্মিকা মানসিকতা ত্যাগ কৰি সমাজলৈ ওলাই অহাটো বাঞ্ছনীয়। সমাজেও যৌতুক বৰ্জন, বিধৱা বিবাহ আদিক স্বাগতম জনোৱা উচিত।

এইদৰেই আমি সামাজিক জীৱ হিচাপে বসবাস কৰি আহিছোঁ। আমাৰ সমাজজীৱনৰ কুসংস্কাৰ আৰু অন্ধ বিশ্বাসেৰে আক্ৰান্ত এটা মানসিকতা কোনো বৈজ্ঞানিক বিশ্লেষণ নকৰাকৈ পুৰুষাণুক্ৰমে আদান-প্ৰদান কৰি গৌৰৱ বোধ কৰি আহিছোঁ। আমাৰ পদাৰ্থ বিজ্ঞানৰ বা চিকিৎসা বিজ্ঞানৰ ডাঙৰ

৫৩ পৃষ্ঠাত চাওক



OKDISCD

# ছিগাৰেট ধূমপান আৰু লাং কেন্সাৰ

প্ৰতাপ কুমাৰ বৰা

দেশত বৰ্তমান হৃদ ৰোগৰ সংখ্যাই সৰ্বোচ্চ সীমা চুইছে। ইয়াৰ পিছৰে স্থান অধিকাৰ কৰিছে কৰ্কট ৰোগে আৰু ইয়াৰে শীৰ্ষস্থান লাভ কৰিছে লাং কেন্সাৰে। এনে সংবাদ যিমানেই হৃদয় বিদাৰক হৈছে, ধূমপানে সিমানেই ভয়াল ৰূপ ধাৰণ কৰিছে। অসমৰ কোমল বয়সীয়া ল'ৰাবোৰো বিড়ি-ছিগাৰেট খোৱা দেখা গৈছে। ধূমপান কৰা নাৰী-যুৱতীৰ সংখ্যা ভাৰতত যথেষ্ট নহলেও অন্যান্য দেশত এই সংখ্যায়ো গা কৰি উঠিছে।

গৱেষকসকল কৰ্কট ৰোগৰ নিৰাময়ৰ বাবে উঠি পৰি লাগিলেও ৯০ শতাংশ লোকেই বৰ্তমান মৃত্যুৰ গৰাহত পৰিছে। বাকী ১০ শতাংশ ৰোগীকো আনকি চিকিৎসাতকৈ প্ৰতিৰোধ ব্যৱস্থাৰেহে আৰোগ্য কৰা দেখা গৈছে।

ভাস্কো ডা গামাই আমেৰিকা আবিষ্কাৰ কৰা কালতে আমেৰিকাৰ কোনো কোনো বাসিন্দাই এবিধ গছৰ পাত শুকুৱাই বিড়িৰ দৰে মেৰিয়াই ধোঁৱা উলিয়াই খোৱা দেখা পাইছিল আৰু তাৰ পাছৰে পৰাই আমেৰিকা, ইউৰোপ, চীন আদি নানা দেশলৈ এই ধূমপান ক্ৰমাৎ বিয়পিবলৈ ধৰিলে। টবেক' (tobacoo) বা ধপাত গছেই ধূমপানৰ ঘাই উৎস। বিজ্ঞানৰ ভাষাত এই গছ জোপাৰ নাম Nicotiana tabacum। Nicotiana rustica নামৰ আন এডাল গছৰপৰাও কম পৰিমাণে ধূমপানৰ দ্ৰব্য প্ৰস্তুত কৰা হয়। ইয়াত ঘাইকৈ নিকটিন (Nicotene), এলকেলয়ড(alkaloid) ৰাসায়নিক পদাৰ্থই পৰ্যাপ্ত পৰিমাণে থাকে। পৃথিৱীৰ প্ৰায় ১০০খনমান দেশেই বৰ্তমান এই গছৰ খেতি কৰে আৰু ইয়াকে কেন্দ্ৰ কৰি স্থাপন কৰা ভালেমান শিল্প-উদ্যোগে নানা ধৰণৰ শোধন প্ৰক্ৰিয়াৰে ভিন ভিন বিড়ি-ছিগাৰেট প্ৰস্তুত কৰে।

ধূমপান শৰীৰৰ বাবে অনিষ্টকৰ বুলি কোৱা বিতৰ্কিত কথাষাৰ নতুন নহয়; ধপাতৰ জন্ম সময়ৰ সমানে পুৰণি। ১৬০৪ চনত ইংলণ্ডৰ ৰজা প্ৰথম জেমছে প্ৰথমে চৰকাৰীভাৱে প্ৰকাশ্যে ধপাত ধ্বংসৰ বাবে সজোৰে আহ্বান জনাইছিল। ১৮৫৯ চনত ফ্ৰান্সৰ এখন হস্পিটেলৰ ৬৮ জন কৰ্কট ৰোগীৰ এটা সমীক্ষাত কোৱা হৈছিল যে তেওঁলোকৰ প্ৰতিজনেই নিয়মিত ধূমপানকাৰী। জিভা, মুখ, টেঁটু আৰু ক্লোমৰ কেন্সাৰৰপৰা জীয়াতু ভোগাৰ উপৰিও তেওঁলোকৰ ৬৬ জনেই ওঁঠৰ কেন্সাৰৰ দ্বাৰাও আক্ৰান্ত হৈছিল। প্ৰথম আৰু দ্বিতীয় বিশ্ব মহাযুদ্ধৰ বিভীষিকাৰ পাছতে বিশ্বৰ ভালেমান স্বাস্থ্য প্ৰতিষ্ঠানে ধূমপানৰ ভয়াবহতাৰ ভালেমান তথ্য আহৰণ কৰে আৰু এখন প্ৰতিবেদনৰ যোগেদি ধূমপানে জনপ্ৰিয়তা লাভ কৰা দেশসমূহত 'লাং কেন্সাৰ'ৰ হাৰ উৰ্দ্ধমুখী বুলি প্ৰকাশ কৰাৰ লগতে ধূমপানৰ প্ৰতি বিশ্ববাসীক সতৰ্ক কৰি দিয়ে।



শ্বাসক্ৰিয়াৰ গতি

১৯৫৪ চনত মাৰ্কিন কৰ্কট সমিতি আৰু বৃটিছ চিকিৎসা-গৱেষণা সভাই তিনি বছৰীয়া ব্যৱধানত চলোৱা নিজ নিজ পৰীক্ষা-নিৰীক্ষাৰ বলত কৈছিল যে ধূমপান নকৰা লোকতকৈ ধূমপান কৰা লোকৰ ক্ষেত্ৰত কৰ্কট ৰোগৰ সংখ্যা বহু বেছি। ১৯৬২ চনত লণ্ডনৰ চিকিৎসকৰ ৰয়েল কলেজৰ (Royal College of Physicians) এটি দলে ৰোগ আৰু ধপাতৰ মাজত থকা সম্পৰ্কৰ বুজ লয় আৰু ছিগাৰেট ধূমপান দৈহিক ৰুগ্নতাৰ কাৰণ বুলি দৃঢ়মত পোষণ কৰে। বৃটিছ চৰকাৰে সেই সময়ত ভালেমান জনশিক্ষা কেন্দ্ৰ মুকলি কৰি জনসাধাৰণক ধূমপানৰ পৰা বিৰত থাকিবলৈ বহলাই ব্যাখ্যা কৰিছিল। ১৯৬৩ চনত মাৰ্কিন কৰ্কট সমিতিৰ আন এক প্ৰতিবেদনে বৰ্ধিত হাৰৰ ছিগাৰেট ধূমপানে কৰ্কত ৰোগীৰ সংখ্যা বঢ়াব লাগিছে বুলি ঘোষণা কৰিলে। আশ্চৰ্যৰ বিষয় যে চিকিৎসা-বিভাগীয় প্ৰতিবেদন আৰু চৰকাৰ ঘোষিত সতৰ্কমূলক বাণী-ব্যৱস্থাৱলীৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰত ছিগাৰেট খোৱাৰ সংখ্যা জনমূৰি ১৯৬৫ চনত ৪,২৫৮টা আৰু ১৯৭০ চনত ৪,০০০টা হৈছিল। ১৯৬৪ চনৰ আৰম্ভতে মাৰ্কিন চিকিৎসা-ছাৰ্জন-প্ৰধানে গঠন কৰি দিয়া এখন বিশেষ কৰ্কট অনুসন্ধান সমিতিৰ দুবছৰীয়া পৰীক্ষা-পৰ্যবেক্ষণে এক তথ্য ভিত্তিক চিত্ৰ দাঙি ধৰি সবাকে শংকিত কৰি তুলিলে: ১৯৫০-৬০ৰ দশকত 'লাং কেন্সাৰ'ত মৃত্যু হোৱা মাৰ্কিন যুৱকৰ ৭০ শতাংশৰে সেই ৰোগ ছিগাৰেট ধূমপানৰ ফলত সৃষ্টি হৈছিল। ছিগাৰেট ধূমপান শৰীৰৰ বাবে ক্ষতিকাৰক বুলি কোৱাৰ লগতে সমিতিয়ে ইয়াৰ দ্ৰুত নিয়ন্ত্ৰণৰ বাবেও পৰামৰ্শ আগবঢ়াইছিল। তদুপৰি কৰ'নেৰি ধমনী-ৰোগ, টেঁটু আৰু শ্বাসনলীৰ কৰ্কট ৰোগ আদিৰ লগতো ছিগাৰেট ধূমপান জড়িত বুলি প্ৰকাশ কৰিছিল। এটা পৰোক্ষ ব্যৱস্থাৰূপে ১৯৬৬ চনৰ পৰা মাৰ্কিন যুক্তৰাষ্ট্ৰত ছিগাৰেটৰ পেকেটৰ ওপৰত ছিগাৰেট ধূমপান দেহৰ বাবে অপকাৰী বুলি ছপা কৰা হৈছে। ১৯৭১ চনৰ আৰম্ভণিৰেপৰা মাৰ্কিন চৰকাৰে টেলিভিশ্যনৰ যোগেদি ছিগাৰেটৰ প্ৰচাৰ নিষিদ্ধ কৰি দি তাৰ বিপৰীতে ধূমপানৰ ভয়াবহতা আৰু ধূমপান ত্যাগৰ প্ৰতি মানুহক সচেষ্ট কৰিবলৈ লৈছে।

বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) সঞ্চালক-প্ৰধান ড° হল্ ফডন মেহলাৰে অলপতে 'Smoking is probably the largest single preventable cause of ill health in the world' বুলি মন্তব্য প্ৰকাশ কৰিছে। সংস্থাৰ আন এক সমীক্ষাই অহা দশকটোৰ ভিতৰতে ধূমপানৰ ব্যাপকতাই 'লাং কেন্সাৰ'ক আৰু অধিক ভয়াল ৰূপ ধাৰণ কৰাত উদগনি যোগাব পাৰে বুলি ঠাৱৰ কৰিছে আৰু ইয়াৰ অত্যধিক প্ৰচাৰ ব্যৱস্থাকে দোষাৰোপ কৰিছে

চীনত লাং কেন্সাৰত ভোগা সংখ্যা কম; কাৰণ সেই দেশত ছিগাৰেটে বিশেষ জনপ্ৰিয়তা লভিব পৰা নাই। বিভাগীয় পৰিসংখ্যা অনুযায়ী জনা গৈছে যে আমেৰিকা, ইংলণ্ড আদিতকৈ এছিয়া মহাদেশত বৰ্তমান কৰ্কট ৰোগৰ মাত্ৰা উৰ্দ্ধমুখী; আৰু ভয়াবহ কথা হ'ল যে এছিয়াৰ ভিতৰত ভাৰতে 'লাং কেন্সাৰ'ত উচ্চ স্থান দখল কৰিছে। ইয়াৰ লগে লগে অসমৰ চিত্ৰয়ো সবাকে চিন্তিত কৰিছে।

ভাৰতীয় চিকিৎসা গৱেষণা অনুষ্ঠানৰ (Indian Institute of Medical Research) মতে স্বাধীনোত্তৰ কালত ভাৰতত ছিগাৰেট উৎপাদন আৰু ধূমপানৰ সংখ্যা বহু বাঢ়িছে। ভাৰতৰ বহু ৰাজ্যতকৈ অসম এই ক্ষেত্ৰতৰ দ্ৰুতগতিৰে আগুৱাইছে। বিড়ি-ছিগাৰেটৰ পৰা সম্পূৰ্ণ বিৰত থকা লোকৰ ক্ষেত্ৰত 'কেন্সাৰে' দেখা নিদিয়া নহয়; কিন্তু কৈশোৰৰ পৰা বাৰ্ধক্যলৈকে একেৰাহে ধূমপান কৰা লোকৰ ক্ষেত্ৰত 'লাং কেন্সাৰ'ৰ মাত্ৰা বৰ বেছি।

উন্নয়নশীল আৰু টবেক' উৎপাদনকাৰী দেশসমূহতে ধূমপানৰ প্ৰাদুৰ্ভাৱ আটাইতকৈ বেছি। আমাৰ অসম তথা ভাৰতবৰ্ষত মধ্যবিত্ত শ্ৰেণীৰ তুলনাত আঢ্যৱন্ত আৰু শ্ৰমিক বনিকৰ মাজত ধূমপানৰ মাত্ৰা অত্যধিক। বহু লোকেই ক্ৰোধ, সাময়িক উত্তেজনা, বিৰাগ, আৰু নৈৰাশ্য নাশ কৰিবলৈকো বেছিকৈ ছিগাৰেট খায়। এনে অভ্যাস ৰুগ্নতাৰ ঘাই উত্তেজক।


আন্তঃৰাষ্ট্ৰীয় কৰ্কট গৱেষণা সংস্থা আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ যুটীয়া পৰীক্ষা-গৱেষণাই প্ৰকাশ কৰিছে যে প্ৰতি বছৰে ৯০০,০০০ লোক কৰ্কট ৰোগৰ দ্বাৰা আক্ৰান্ত হয়। ৬০-৭৫ শতাংশ 'লাং কেন্সাৰ' একমাত্ৰ ছিগাৰেট ধূমপানৰ ফলত হোৱা দেখা গৈছে।

অনিয়মিত বা কেতিয়াবাহে ধূমপান কৰা লোকে মুখৰ ভিতৰতে ধোঁৱাখিনি ৰাখি এৰি দিয়ে। এনে ধূমপানত হেনো ছিগাৰেটৰ প্ৰকৃত ৰসপান কৰা নহয়। গতিকে নিয়মীয়া ধূমপানকাৰীয়ে নাকেদি ধোঁৱা নিৰ্গত কৰি তৃপ্তি লাভ কৰে। এনে কাৰ্যৰ ফলত শ্বাসনল, হাঁওফাঁও আদিত সৃষ্টি হোৱা চাপে ছিগাৰেটত থকা নিকটিন এলকেলয়ড আদিৰ অংশবিশেষক হাঁওফাঁওত প্ৰৱেশ কৰাত সহায় কৰে। নিয়মিতভাৱে আৰু অতিশয় ছিগাৰেট খোৱা লোকৰ ক্ষেত্ৰত এনে ৰাসায়নিক পদাৰ্থই তেওঁলোকৰ হাঁওফাঁওত স্থিতি লভিব পাৰিলে হাঁওফাঁওৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ কোষক ক্ৰমাৎ দুৰ্বল কৰিবলৈ আৰম্ভ কৰে। অতিশয় দুৰ্বল হৈ পৰা কোষবোৰে লাহে লাহে কাৰ্যকাল হেৰুৱাই অৱশেষত মৃত্যুমুখত পৰে আৰু এনে অৱস্থায়েই হাঁওফাঁওৰ কেন্সাৰৰ আৰম্ভণিয়ে গা কৰি উঠাত বৰঙনি যোগায়। তদুপৰি হাঁওফাঁওৰ পৰা কাৰ্বন মনক্সাইড তেজৰ লগত মিহলি হৈ আমাৰ দেহৰ প্ৰান্তে প্ৰান্তে বিয়পি থকা ৰক্তনলীৰ ভেদ্যতা (permeability) আৰু ৰক্ত কলেষ্টেৰলৰ অৱনতি ঘটায়। মানৱ দেহ ৰুগ্ন-ভগ্ন হোৱাৰ ই ডাঙৰ কাৰণ। ইয়াৰ লগতে দেহত প্ৰৱেশ কৰা নাইট্ৰজেন ডাই-অক্সাইডে আমাৰ দৈহিক কোষৰ কোষাৱৰণ গঠন কৰাত সহায় কৰা স্নেহ-এছিডৰ অণুবোৰৰ ক্ষয় হবলৈ আৰম্ভ কৰায়। জাপানৰ টকিওত থকা ৰাষ্ট্ৰীয় কৰ্কট গৱেষণা কেন্দ্ৰৰ গৱেষকসকলে কৈছে যে ছিগাৰেট ধূমপানে মানুহৰ কোষত থকা সূক্ষ্মাতিসূক্ষ্ম DNA (জিন) অণু ধ্বংস কৰিব পাৰে। ভাবিলেই গা শিয়ৰি উঠে যে এবাৰৰ এটা ছিগাৰেটেই DNA (Deoxy Ribonucleic acid) অণুৰ ১০,০০০ সৰ্পিল সজ্জা খণ্ড-বিখণ্ড কৰিব পাৰে। এনে ধৰণৰ বৃহদাকাৰ বিখণ্ডীকৰণে কৰ্কট ৰোগৰ আৰম্ভণি ঘটায়। (Science Age, June 1985)

পিছে লাং কেন্সাৰৰ ঘটনা বঢ়াৰ লগে লগে ছিগাৰেট ধূমপানৰ সংখ্যাও বাঢ়িছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ১৯১৫ চনত প্ৰতিদিনে প্ৰতিজনৰ বাবে গড়ে এটাকৈ ছিগাৰেট বিক্ৰি হৈছিল; ১৯৪৫ চনত সেই সংখ্যা ১০ টালৈ আৰু ১৯৭৫ চনত ২৫ টালৈ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে দিনে ১০—১২ টা ছিগাৰেট খোৱা সময়তে আন আন দেশৰ তুলনাত 'লাং কেন্সাৰ'ত ভোগা মাৰ্কিন ৰোগীৰ সংখ্যা উৰ্দ্ধগামী আছিল। ভাৰতৰ ভিতৰত পঞ্জাবতেই আটাইতকৈ কম ছিগাৰেট বিক্ৰি হয়।

আজিকালি প্ৰায়বোৰ ছিগাৰেটেই ফিল্টাৰযুক্ত হৈছে; এনে ছিগাৰেটৰ ভয়াবহতা আন ছিগাৰেটতকৈ কম। ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমি (National Academy of Sciences) আৰু ৰাষ্ট্ৰীয় গৱেষণা সভাই (National Research Council) ছিগাৰেটজনিত লাং কেন্সাৰৰ প্ৰাদুৰ্ভাৱলৈ লক্ষ্য ৰাখি ছিগাৰেটত থকা 'টাৰ'জাতীয় পদাৰ্থৰ

OKDISCD



মাৰ্কিন যুক্তৰাষ্ট্ৰত কেন্সাৰ ৰোগীৰ মৃত্যুৰ হাৰ (৬৫ বছৰ বয়সৰ তলৰ)

মাত্ৰা কমাই ৰাখিবলৈ ছিগাৰেট উৎপাদনকাৰীসকললৈ পৰামৰ্শ আগবঢ়াইছে।

কৰ্কট গৱেষণা কেন্দ্ৰৰ সমীক্ষা আৰু অতীত ইতিহাসলৈ চালে দেখা যায় যে গ্ৰামাঞ্চলতকৈ চহৰাঞ্চলত লাং কেন্সাৰৰ সংখ্যা বেছি। ছিগাৰেট ধূমপান প্ৰথমাৱস্থাত ঘাইকৈ চহৰৰ ডেকাসকলৰ মাজতে আৰম্ভ আছিল। লাহে লাহে ই গ্ৰামাঞ্চললৈকো বিয়পি পৰিছে, আৰু বৰ্তমানে সকৰপৰা বৃদ্ধলৈ সকলোকে সাঙুৰি লৈছে। কম উপাৰ্জনৰ কিছুমান লোকে বজাৰৰপৰা কলা, ডাঠ চাধা কিনি আনি, কাটি গুড়ি কৰি, কাগজৰে মেৰিয়াই ধূমপান কৰা দেখা যায়। ই বৰ অপকাৰী অভ্যাস।

যোৱা ১৫ বছৰৰ ছিগাৰেটৰ মূল্য আৰু ধূমপানৰ মাত্ৰা সম্পৰ্কীয় নানান তথ্যই এনে আভাস দিছে যে ছিগাৰেটৰ মূল্য ১০ শতাংশ বঢ়াৰ ফলত ধূমপানৰ মাত্ৰা ৫ শতাংশ কমিছে। চিকিৎসা গৱেষকসকলে ঠাৱৰ কৰিছে যে এনে মাত্ৰা স্থায়ী হ'লে প্ৰতি নিযুত ধূমপান কৰা লোকৰ ভিতৰত ১০,০০০ লোক কেন্সাৰজনিত মৃত্যুৰ হাত সাৰিব পাৰিব।

ধূমপানৰ পাদুৰ্ভাৱে বৃটেইনক অতিকৈ সংকিত কৰি তুলিছে। লণ্ডনৰ পৰা প্ৰকাশিত এখন বাৰ্তালো-

২৮ পৃষ্ঠাত চাওক



# "ধাবা লাইন হোটেল হোটেল হাইৱে"

নাৰায়ণ বৰপুজাৰী

শ্ৰীবদন বৰুৱাৰ উক্ত নামৰ (প্ৰান্তিক, ১।১১।৮৫) প্ৰবন্ধটো পঢ়ি বৰ ভাল পালোঁ। তেখেতক ধন্যবাদ জনাইছোঁ। প্ৰবন্ধটো পঢ়ি থাকোঁতে অতীতৰ কিছুমান সুৰদি সোঁৱৰণে মোক জুমুৰি দি ধৰিলেহি। তাকেহে এইখিনিতে পাঠকসকলক নিবেদিব খুজিছোঁ। বৰুৱা ডাঙৰীয়াই ধাবা লাইন হোটলৰ বিষয়ে লিখা কথাখিনিত অতিৰঞ্জন ধনিষ্ঠামানো নাই। এই ধৰণৰ লাইন হোটেলত খোৱা-বোৱা কৰাৰ অভিজ্ঞতা লভিবলৈ ময়ো সুযোগ এটা পাইছিলোঁ।

১৯৭৩ চনৰ ১ মাৰ্চৰপৰা ২১ মাৰ্চলৈ সম্পূৰ্ণ তিনি সপ্তাহ কাল বাংগালোৰৰপৰা ডিগবৈলৈ ট্ৰাক এখনত ভ্ৰমণ কৰাৰ সৌভাগ্য মোৰ হৈছিল। সেই সময়ত অসম তেল কোম্পানিয়ে বাংগালোৰৰপৰা ১৯০১-এ-১৬কে ছিৰিজৰ ডাটা প্ৰছেছিং মেছিন (কম্পিউটাৰ) এটা কিনিছিল। সৰবৰাহ কৰিছিল আই. ছি. এল অৰ্থাৎ ইণ্টাৰনেশ্যনেল কম্পিউটাৰ (ইণ্ডিয়া) প্ৰাইভেট লিমিটেডে—তেওঁলোকৰ বাংগালোৰৰ কাৰখানাৰপৰা। মেছিনটোৰ বিভিন্ন অংশসমূহকলৈ সম্পূৰ্ণ গোটটোৰ ওজন আছিল বাৰ টন। সেইবোৰ বতাহ, পানী, জলীয় ভাপ আদি সোমাব নোৱৰাকৈ ভাগে ভাগে দুই তিনি খলপীয়া বাকছত নিকপকপীয়াকৈ 'পেক' কৰি অনা হৈছিল। পৰিবহনৰ বাবে লোৱা হৈছিল টাটা কোম্পানি নিৰ্মিত দুখন বিৰাটকায়, সৰব-ন ট্ৰাক। বোম্বাইৰ ৰেখি ৰ'ড লাইন প্ৰাইভেট লিমিটেডে এম. এইচ. টি-৬৪২৫ আৰু এম. এইচ. টি-৬৪২৯ নম্বৰৰ ট্ৰাক দুখনৰ যোগান ধৰিছিল। প্ৰতিখনতে ছয় টনকৈ কম্পিউটাৰী বোজা লদা হৈছিল। ট্ৰাকত বিক্ৰেতা আৰু ক্ৰেতা কোম্পানিৰ দুজন তদাৰকী আমোলা (attending officer) থকাৰ প্ৰয়োজন হোৱাত অসম তেল কোম্পানিৰ দামৰপৰা মই ৬৪২৯ নম্বৰী ট্ৰাকখনৰ দায়িত্ব লৈছিলোঁ। আনখনৰ দায়িত্ব লৈছিল আই. ছি. এলৰ মি. ডি. ছি. জনে। মোৰ ট্ৰাকখনৰ চালক আছিল এজন শিখ ভদ্ৰলোক, চৰ্দাৰ মহিন্দ্ৰ সিং আৰু জনৰ খনৰ আছিল এজন মাংগালোৰ নিবাসী কৰ্ণাটকী, শ্ৰীৰামদাস। দুয়োখনতে সহকাৰী লিটিকায়ো দুজনকৈ আছিল।

মাৰ্চৰ এক তাৰিখে আমি যাত্ৰা কৰিলোঁ। বাংগালোৰৰপৰা বোম্বাইৰ মাজেৰে আমি এটা আওপকীয়া পথ লব লগা হৈছিল। অন্ধ্ৰৰ মাজেৰে পোনাই আহিব পৰাহেঁতেন অন্ততঃ চাৰি দিনমানৰ ভ্ৰমণকাল কম লাগিলহেঁতেন। কিন্তু সেই সময়ত অন্ধ্ৰত সম্ভৱ হিন্দী ভাষাৰ বিপক্ষে এটা আন্দোলন চলি আছিল আৰু তাৰ ফলত অনেক ট্ৰাক-বাছে আহুকাল পাইছিল। সেয়ে আমি অন্ধ্ৰক এৰাই আহিছিলোঁ।

আহ! মোৰবাবে সেয়া আছিল এক বিচিত্ৰ অভিজ্ঞতা। কথাবোৰ মনলৈ আহিলেই সকলো সময়তে মোৰ শৰীৰ-মন ৰোমাঞ্চিত হয়। বাংগালোৰপৰা ডিগবৈলৈ—ভাৰতবৰ্ষৰ কত নগৰ-চহৰ, গাঁও-ভূঁই, পথাৰ-সমাৰ, জান-জুৰি, নদ-নদী, পৰ্বত-পাহাৰ, হাবি-জংগল, হাট-বজাৰ, দোকান-পোহাৰ, কল-কাৰখানা, পথ-সেতু, স্কুল-কলেজ, নৰ-নাৰী আদি দেখিলোঁ সেই ভ্ৰমণত! সিসবৰ মধুৰ স্মৃতি মোৰ মনৰ মণিকোঠাত খুন্দ খাই আছে। সেই যাত্ৰাত অতিক্ৰম কৰা ভাৰতৰ ৰাষ্ট্ৰীয় পথসমূহৰ (National highways) নাম এই লিখাত উল্লেখ কৰাটো সম্ভৱ নহলেও আমি দুই অহা প্ৰধান প্ৰধান নগৰ-চহৰ কিছুমানৰ নাম এইখিনিতে মোৰ মনলৈ আহিছে। সেইবোৰ হল: (১) কৰ্ণাটকৰ-নলমংগলা তমকুৰ, কৰ, চিত্ৰদুৰ্গ, দলখিৰি, দাভনগেড়ে, হৰিহৰ, ৰাণীবেন্নুৰ, হনুমান মোটে, হাভেৰি, হুবলী, ধাৰোৱাৰ, বেলগাঁও, সংকেশ্বৰ, নিজানি; (২) মহাৰাষ্ট্ৰৰ— কাগল, কোলাপুৰ, কাৰাড, চাত্তাৰা, কান্দালা, পুণা, পিমগিৰি, তালেগাঁও, কামছেট, খোপেলি, খোপেলি-ফাটা, লোনৱালা, বোম্বাই, থানা, বিম্বৰী, নাচিক, ওজাৰ, পিপলগাঁও, চান্দৱাৰ, মালেগাঁও, ধুলীয়া, জলগাঁও, মালেকপুৰ, নাহুৰা, খামগাঁও, বালাপুৰ, আকোলা, অমৰাৱতী, তালেগাঁও, তিৰছা, নাগপুৰ, ভান্দাৰা সাকেলি, দেওৰি, নখা; (৩) মধ্যপ্ৰদেশৰ—চণ্ডীদোগ্ৰী, মতিলাল নেহৰু নগৰ, ভিলাই, ৰায়পুৰ, ৰিথোৰা, সাংকৰা, বাহনা, চৰাইপালি, চিংঘোড়া পাতোলা, ছোৰেলা; (৪) উৰিষ্যাৰ— বৰগড়, আট্টাবিৰা, হিৰাকুদ উত্তৰ, হিৰাকুদ দক্ষিণ, সম্বলপুৰ, ৰামপুৰ, আংগুল, মেড়মন্দলি, ধেনাকানাল, গোবিন্দপুৰ, ৰাধাকিশোৰপুৰ, আঠগাঁও, চৌদুৱাৰ, মেৰগুন্দি, কাপিলাছ ৰ'ড, চন্দ্ৰিকাখোল, বুৰ্ক্ষিবাজাৰ, ভদ্ৰক, বালাচোৰ, বাৰিপদ (৫) বিহাৰৰ— বাৰিপদৰ পাছত বিহাৰ ৰাজ্যৰ তেৰ মাইল পথৰবাবে ট্ৰাকৰ প্ৰবেশ পাৰমিট লোৱা নাছিল বাবে চালকসকলে নিশা দুই বজাত চোৰাংকৈ পথছোৱা অতিক্ৰম কৰিছিল। মই তেতিয়া ট্ৰাকৰ বাংকত শুই আছিলোঁ। (৬) পশ্চিম বংগৰ—বালিভামা, কালাইকুণ্ডা, ৰূপনাৰায়ণপুৰ (খড়গ পুৰৰ দাঁতি), কৃষ্ণনগৰ, ধামাতোৰ, পাশকুড়া, কোলাঘাট, বাগানন, উলুবেৰিয়া, আমতা, যাদুবেৰিয়া, একসৰা, বালিঘাট, বালিব্ৰিজ, দক্ষিণেশ্বৰ, বেলঘড়িয়া, সোদপুৰ, মধ্যমগ্ৰাম, বাৰাসত, সন্তোষপুৰ, আমদাঙা, উলুদাঙা, ৰাণাঘাট, শান্তিপুৰ, কৃষ্ণনগৰ, বেথুৱাডহাৰ, পলাশী, বহৰমপুৰ, বেলদাঙা, বিন্দুগ্ৰাম. ফাৰাক্কা, জালালপুৰ, মালদহ, গাণ্ডোৱা, ৰায়গঞ্জ, ধানখোলা, পুৰ্ণিয়া, ৰামপুৰ; (৭) বিহাৰৰ— কিষাণগঞ্জ,

(৮) পশ্চিম বংগৰ ইছলামপুৰ, ৰামগঞ্জ, চৈয়দাবাদ, বাগডোগ্ৰা, শিলিগুৰি, মোহিতনগৰ (জলপাইগুৰিৰ দাঁতি), ধূপগুৰি, ফালকাটা, কোচবিহাৰ, ভেলাকাপা ; (৯) অসমৰ— বক্সিৰহাট, গোলোকগঞ্জ, গৌৰীপুৰ, বগৰিবাড়ী, চাপৰ, বইটামাৰী, উত্তৰ শালমৰা, সৰভোগ, বৰপেটাৰ'ড. হাউলী, ভবানীপুৰ, পাঠশালা, পাটাছাৰকুছি, বৰমা, নলবাৰী, ঘগ্ৰাপাৰ, ৰঙিয়া, পুঠিমাৰী, বাইহাটা, চাংসাৰী, গুৱাহাটী, খানাপাৰা, জোৰাবাট, পানবাৰী, সোণাপুৰ, ক্ষেত্ৰী, জাগীৰোড, ধৰমতুল, ৰহা, বেবেজিয়া, হয়বৰগাঁও, নগাঁও, চামগুৰি, জখলাবন্ধা, বুঢ়াপাহাৰ, বাগৰি, কাজিৰঙা, বোকাখাট, চৰাইবাহী, কমাৰগাঁও, ডেৰগাঁও, যোৰহাট, টীয়ক, জাঁজী, গৌৰীসাগৰ, শিৱসাগৰ, ডিমৌ, মৰাণ, খোৱাং, ডিব্ৰুগড়, চাউলখোৱা, লাহোৱাল, ডিকম, হাতীআলি, চাবুৱা, পানীতোলা, তিনিচুকীয়া, মাকুম, টিংৰাই, বগাপানী ইত্যাদি ।

সেই ভ্ৰমণৰপৰা মই বিশেষকৈ (১) ভাৰতীয় গ্ৰাম্য জন-জীৱন, (২) ৰাষ্ট্ৰীয় পথসমূহৰ দাঁতিয়ে দাঁতিয়ে থকা ধাবা লাইন হোটেলসমূহৰ অপূৰ্ব জনসেৱাৰ নিদৰ্শন আৰু (৩) মকৰাজালৰদৰে গোটেই ভাৰতবৰ্ষ জুৰি থকা পথ-পৰিবহনৰ ট্ৰাক চালকসকলৰ জীৱন দৰ্শনৰ বিষয়ে সম্যক জ্ঞান লভি পৰম উপকৃত হৈছিলোঁ। আমাৰ ভ্ৰমণ-পথত আমি অতিকমেও চাৰিহাজাৰ ধাবা লাইন-হোটেল অতিক্ৰম কৰিছিলোঁ আৰু তাৰ ভিতৰত অন্ততঃ চাৰি শ হোটেলত খোৱা-বোৱা, বিশ্ৰাম আদি কৰিছিলোঁ। অসম আৰু পশ্চিম বংগৰ কিছুমান হোটেলৰ বাহিৰে আনবোৰত মই এটা বিশেষত্ব লক্ষ্য কৰিছিলোঁ। গ্ৰাহকসকলে ট্ৰাকৰপৰা নামিয়েই হোটেলৰ সন্মুখত শাৰী শাৰীকৈ পাৰি থোৱা ৰচি কিম্বা ফিটাৰ চাৰপাইবোৰত বহেহি। তৎকালে হোটেলৰ পৰিচাৰকসকলে এক লিটাৰমান ধৰা একোটা আইনাৰ গিলাছত একোগিলাছ ফটফটীয়া নিৰ্মল চেঁচা পানী গ্ৰাহকক যোগান ধৰে। তাকে পি গ্ৰাহকসকলে চাৰপাইত দীঘল দিয়ে। পোন্ধৰ-কুৰি-মিনিটমান বিশ্ৰাম কৰাৰ পাছতহে তেওঁলোকে খোৱা-বোৱা সম্পৰ্কে হোটেলৰ মালিকৰ লগত আলোচনা কৰি ফাই-ফৰমাছ দিয়ে। খাদ্যৰ প্ৰস্তুতি, পৰিবেশন আৰু মূল্যৰ বিষয়ে শ্ৰীবৰুৱা দেৱে তেখেতৰ প্ৰবন্ধত বৰ্ণাইছেই। মুঠতে যেয়ে যি ধৰণে খাব খোজে ঠিক তেনেধৰণে চকুৰ আগতে প্ৰস্তুত কৰি দহ-পোন্ধৰ মিনিটমানৰ ভিতৰতে গ্ৰাহকক দিবপৰা ব্যৱস্থা ধাবা লাইন-হোটেলবোৰত আছে। সেই তিনি সপ্তাহ কাল মই নিৰ্ভেজাল নিৰামিষ আহাৰ খাইছিলোঁ। দুপৰীয়া আধা লিটাৰ দৈ আৰু নিশা আধা লিটাৰ এৰাঁ গাখীৰ মোৰ খাদ্য তালিকাৰ নিৰ্দিষ্ট পদ আছিল। নিয়মিতভাৱে গা-ধোৱাৰ বাহিৰে পথত মোৰ আন কোনো অসুবিধা বা অসুখ-বিসুখ হোৱা নাছিল। মই মনে-প্ৰাণে ভ্ৰমণটো উপভোগ কৰিছিলোঁ।

এতিয়া প্ৰশ্ন হ'ল— ৰাষ্ট্ৰীয় পথৰ দাঁতিৰ এই হোটেলবোৰক শ্ৰীবৰুৱা দেৱে "ধাবা লাইন হোটেল" নাম দিলে কিয় ? সুদীৰ্ঘ পথ অতিক্ৰমি মই কিন্তু কোনো ঠাইতে হোটেলবোৰক এই নামেৰে মতা শুনা নিলোঁ। ●

২৬ পৃষ্ঠাৰ পিছৰ খৰা

চনীয়ে বৃটেইনত প্ৰতি বছৰে ১০০,০০০ ধূমপান কৰা লোকৰ মৃত্যু ঘটাৰ করুণ সংবাদ দিছে। ইয়াতোকৈ ভয়াবহ সংবাদ হ'ল যে ধূমপান কৰা বহু লোকৰ সতি-সন্ততিৰ গাতো নিকটিনৰ প্ৰভাৱ দেখা গৈছে। এক সমীক্ষাৰপৰা জনা গৈছে যে অতিমাত্ৰা ধূমপান কৰা বহু লোকে বৃটেইনত আত্মহত্যা, পথ দুৰ্ঘটনা বা লাং কেন্সাৰৰ জৰিয়তে অকাল মৃত্যুক সাবটি লব লগা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ছিগাৰেট ধূমপানৰ ফলত হোৱা লাং কেন্সাৰত ভুগি অকাল-মৃত্যু বৰণ কৰাৰ পৰিসংখ্যা এনে ধৰণৰ :

| | | |
|---|---|---|
| ১৯৪০ চন | — | ৫,৩০৩ জন |
| ১৯৪৫ ,, | — | ৭,৯৭৮ ,, |
| ১৯৫০ ,, | — | ১৩,৫৯৮ ,, |
| ১৯৫৫ ,, | — | ১৯,০০১ ,, |
| ১৯৬১ ,, | — | ২৫,১৮৮ ,, |

মাৰ্কিন Cancer Journal for Clinicians নামৰ মুখপত্ৰ এখনে প্ৰকাশ কৰিছে যে ১৯৮৫ চনত জন্ম গ্ৰহণ কৰা প্ৰতি তিনিটা মাৰ্কিন শিশুৰ এটাৰ জীৱনৰ কোনোবা কালত কেন্সাৰত আক্ৰান্ত হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। ১৯৭০ চনতে গঠিত হোৱা মাৰ্কিন কৰ্কট সমিতিয়ে চলোৱা পৰীক্ষাৰ পাছৰেপৰা কৰ্কটজনিত মৃত্যুৰ হাৰে এক বিভীষিকাৰ সৃষ্টি কৰিছে। চলিত বছৰতে ৪৬১.০০০ জন মাৰ্কিন নাগৰিকে কেন্সাৰত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰাৰ সম্ভাৱনাও মুখপত্ৰখনে প্ৰকাশ কৰিছে। (New Scientist, লণ্ডন, ৪।৪।১৯৮৫)

বিশ্ব স্বাস্থ্য সংস্থাই ২০০০ চনৰ সময়ত প্ৰতি বছৰে ৮ নিযুত বিশ্ববাসীয়ে কৰ্কট ৰোগত প্ৰাণ হেৰুৱাব বুলি ইংগিত দিছে।

কেন্সাৰৰ দৰে এনে ভয়াবহ ৰোগ নিৰাময়ৰ বাবে এতিয়ালৈকে যিখিনি চিকিৎসা ব্যৱস্থাৰ উদ্ভাৱন হৈছে, সেইখিনিও দেশৰ মাত্ৰ ছকুৰিখনমান চিকিৎসালয়তহে আছে। যোৱা জুলাই মাহত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে কেন্সাৰ বীমা ব্যৱস্থা এটা উদ্বোধন কৰি কেন্সাৰ ৰোগৰ চিকিৎসা অধিক ফলপ্ৰদ কৰাৰ আশা প্ৰকাশ কৰিছে। এনে ব্যৱস্থা আশাব্যঞ্জক হলেও কেন্সাৰ চিনাক্ত আৰু নিৰ্মূলৰ প্ৰতি অধিক মনোযোগ দিয়া আৱশ্যক। ছিগাৰেট বিক্ৰি আৰু উৎপাদন এক নিয়ন্ত্ৰিত ব্যৱস্থালৈ আনি ৰাইজক বিশেষকৈ যুৱক সম্প্ৰদায়ক ইয়াৰ ভয়াবহতা আৰু কুপ্ৰভাৱৰ প্ৰতি সজাগ কৰা দৰকাৰ। কোনো লোকেই ছিগাৰেট ধূমপানক অভ্যাসত পৰিণত নকৰক— ইয়াৰ বাবে অভিযান চলোৱাটো প্ৰয়োজনীয় হৈছে। ●





# আমাৰ শৰীৰ আৰু গ্ৰীষ্মকাল

সুভাষ ডেকা

আমাৰ দেশত শীতকালত শীত-প্ৰবাহৰ ফলত আৰু গ্ৰীষ্মকালত অতিপাত্ৰ গৰমৰ ফলত বহু লোকৰ মৃত্যু হোৱা বাতৰিও শুনিবলৈ পোৱা যায়। কৰ্কটক্ৰান্তি সোঁমাজেৰে পাৰ হৈ যোৱা বাবে আমাৰ দেশ প্ৰধানতঃ গ্ৰীষ্মপ্ৰধান। গ্ৰীষ্মপ্ৰধান হ'লেও দেশৰ সকলো অঞ্চলত গৰমৰ তীব্ৰতা সমান নহয়। ইয়াৰ প্ৰধান কাৰণ হৈছে জলবায়ুৰ ভিন্নতা। কিছুমান অঞ্চলত গোটেই ঋতুজুৰি বৰষুণ হৈ থকাৰ বাবে গৰমৰ মাত্ৰা অত্যধিক নহয়। এই অঞ্চলৰ জলবায়ু প্ৰধানকৈ আৰ্দ্ৰ বা সেমেকা ;— যেনে আমাৰ অসম আৰু দাঁতিকাষৰীয়া ৰাজ্যসমূহ। অধিকাংশ সময়তে আকাশ মেঘাচ্ছন্ন হৈ থকা বাবে এনেকুৱা ঠাইবোৰত গৰমৰ মাত্ৰা তীব্ৰ নহয়। আনহাতে কিছুমান অঞ্চল শুকান হোৱা বাবে তাত তীব্ৰ গৰম অনুভূত হয়।

আমাৰ শৰীৰে দুই ধৰণে উত্তাপ লাভ কৰে। শৰীৰৰ নিজস্ব জৈৱিক প্ৰক্ৰিয়াৰ বাবে তাপৰ সৃষ্টি হোৱাৰ উপৰিও বহিৰ্ভাগত উৎপত্তি হোৱা তাপো শৰীৰে গ্ৰহণ কৰে। গতিকে কোনো শ্ৰম নকৰি অপেক্ষাকৃত শীতল পৰিৱেশত এনেয়ে বহি থাকিলেও শৰীৰত তাপৰ সৃষ্টি হ'ব। আনহাতে গৰমকালি প্ৰখৰ ৰ'দত থিয় দি থকা এজন লোকৰ শৰীৰত নিজস্ব উত্তাপৰ উপৰিও বহিৰ্ভাগৰ উত্তাপ যোগহৈ অধিক উত্তাপৰ সৃষ্টি হয়। প্ৰখৰ ৰ'দত থিয় হৈ থকা লোক এজনৰ শৰীৰত প্ৰতি ঘণ্টাত ৩০০ৰপৰা ৪০০ কিল'-কেলৰি তাপ যোগ হয়। সাধাৰণ কাম যেনে শিলভঙা, খৰিফলা, পাতল বস্তু কঢ়িওৱা ইত্যাদি কামবোৰত শৰীৰৰ নিজস্ব উত্তাপৰ বাবে প্ৰায় ৩৫০ কিল'কেলৰি উত্তাপৰ যোগ হয়। মুঠতে শৰীৰে প্ৰতি ঘণ্টাত প্ৰায় ৭৫০ অৰপৰা ৮০০ কিল'কেলৰিলৈকে তাপ লাভ কৰে। ঘৰৰ ভিতৰত মকৰাজাল আঁতৰোৱা, জোতা ব্ৰাছ কৰা ইত্যাদি সাধাৰণ কামবোৰতো শৰীৰত অধিক তাপৰ যোগ হয়। গৰম বস্তু খালেও অধিক উত্তাপৰ যোগ হয়। উত্তাপৰ মাত্ৰা অধিক হ'লে শৰীৰ ঘামিবলৈ আৰম্ভ কৰে। ঘমা প্ৰক্ৰিয়াটো শৰীৰৰ 'প্ৰতিৰোধ' বা স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ এটি ব্যৱস্থাহে মাথোন। যোগ হোৱা অধিক উত্তাপ পানীৰ মাধ্যমেৰে উলিয়াই দি শৰীৰে নিজকে শীতল কৰে।

প্ৰাপ্তবয়স্ক লোক এজনৰ গোটেই শৰীৰ জুৰি প্ৰায় ৩ নিযুত "ঘৰ্ম-গোট" থাকে। প্ৰতিটো গোটেই পেশী আৰু গ্ৰন্থিৰ সমষ্টি। আটাইবোৰ গ্ৰন্থিয়েই একেলগে প্ৰতি ঘণ্টাত তিনি লিটাৰকৈ শৰীৰৰপৰা ঘাম উলিয়াই দিব পাৰে (অৱশ্যে এটা নিৰ্দিষ্ট সময়ৰ বাবেহে)। কিন্তু চূড়ান্ত প্ৰতিকূল অৱস্থাত শৰীৰে আঠঘণ্টাত দহ লিটাৰকৈ ঘাম উলিয়াই দিব পাৰে। শৰীৰৰপৰা ওলোৱা প্ৰতি লিটাৰ ঘামৰ বাষ্পীভৱনে ৫৪০ কেলৰি তাপ শৰীৰৰপৰা নাইকিয়া কৰে।

বহিৰ্ভাগৰ উত্তাপৰ হ্ৰাস-বৃদ্ধি শৰীৰে অনুভৱ কৰে ছালৰ মাধ্যমেৰে। পোনপটিয়াকৈ গ্ৰহণ কৰা তাপৰ বাবে ছাল উত্তপ্ত হৈ পৰে। ছালৰ তলত থকা ৰক্তবাহী ধমনীসমূহে অধিক ৰক্ত প্ৰবাহৰ সুচল কৰে। তাপৰ মাত্ৰা অত্যধিক পৰিমাণে বাঢ়ি গলে তেজ উত্তপ্ত হৈ পৰে। ছালৰ স্নায়ুৰ সংকেত আৰু উত্তপ্ত ৰক্তপ্ৰবাহে মগজুৰ ঠিক তলতে থকা দেহৰ উত্তাপ নিয়ন্ত্ৰক 'হাইপ'থেলামাছ' নামৰ অংশটোকো সক্ৰিয় কৰি তোলে। যেতিয়াই স্নায়ুৰ যোগেৰে তাপৰ আধিক্য গম পায়, তেতিয়াই ই ঘৰ্ম গ্ৰন্থিসমূহক ৰক্তৰপৰা পানী নিষ্কাশন কৰিবলৈ নিৰ্দেশ দিয়ে। গ্ৰন্থিসমূহে ৰক্তৰপৰা পানী নিষ্কাশন কৰি ছালৰ বহিৰ্ভাগলৈ উলিয়াই দি দেহৰ উত্তাপ নিয়ন্ত্ৰণ কৰে। এই পানীকে আমি ঘাম বুলি কওঁ। তেজৰপৰা পানী ওলাই যোৱাৰ বাবে স্বাভাৱিকতে তেজ ডাঠ বা ঘনহৈ পৰে। তেজৰ নিৰ্দিষ্ট তৰলতা বজাই ৰাখিবলৈ শৰীৰৰ পানীৰ প্ৰয়োজন হৈ পৰে, আৰু তেতিয়াই আমাৰ পানী খোৱাৰ প্ৰবৃত্তি জাগে, আৰু তাকে আমি পিয়াহ লগা বুলি কওঁ।

শৰীৰৰ অন্তৰ্ভাগত উত্তাপ বৃদ্ধি হ'লে নাইবা শৰীৰত নতুনকৈ অতিৰিক্ত তাপৰ যোগ হ'লে দুই ধৰণে শৰীৰে তাপ উলিয়াই দিয়াৰ ব্যৱস্থা কৰে ;— প্ৰধানকৈ অধিক পৰিমাণৰ ৰক্ত সঞ্চালন কৰি আৰু মাংসপেশীৰ মাজেৰে সঞ্চালন কৰি বা পৰিবাহিত কৰি। ৰক্ত নিষ্কাশিত পানীয়ে তাপ শোষণ কৰি ঘামৰ ৰূপত শৰীৰৰপৰা ছালৰ মাধ্যমেৰে উলিয়াই দিয়ে। সুস্বাস্থ্যৰ এজন লোকে অত্যধিক উত্তাপত প্ৰতি ঘণ্টাত ১'৫ লিটাৰকৈ ঘাম উলিয়াই দিব পাৰে কিন্তু ঘামৰ পৰিমাণ ইয়াৰ অধিক হলেই, অৰ্থাৎ অতিৰিক্ত উত্তাপৰ যোগ হলেই ঘৰ্ম-গ্ৰন্থিসমূহ ভাগৰি পৰে আৰু ঘৰ্ম নিষ্কাশনো ব্যাহত হৈ পৰে। এনেকুৱা এটা অৱস্থাই শৰীৰক বিপদজনক অৱস্থালৈ লৈ যোৱাৰ আশংকা থাকে।

মাংসপেশীৰ মাজেৰে পৰিবাহিত কৰি শৰীৰে তাপৰ কিছু অংশ বিকিৰণ কৰে। কিন্তু শৰীৰত চৰ্বি বেছি হ'লে, অৰ্থাৎ শৰীৰ মেদবহুল হ'লে তাপৰ পৰিবহন বাধাগ্ৰস্ত হয়। সেই বাবেই মেদবহুল শৰীৰৰ লোকসকলে গৰমত কষ্ট অনুভৱ কৰে বা অধিক গৰম অনুভৱ কৰে।

প্ৰতিজন লোকৰ গৰম সহ্য কৰিবপৰা ক্ষমতা একে নহয়। মন কৰিবলগীয়া যে 'গৰম' সংজ্ঞাটো প্ৰতিজন লোকৰ ক্ষেত্ৰত বেলেগ-বেলেগ। জহকালি তীক্ষ্ণ ৰ'দত কাম কৰা বনুৱা এজনৰ বাবে আৰু ১২ ঘণ্টাই শীত তাপ নিয়ন্ত্ৰিত কোঠাত থকা লোক এজনৰ গৰম অনুভৱৰ মাত্ৰা একে



OKDISCD

নহয়। আন কিছুমান বিষয়ৰ ওপৰতো সহ্যৰ মাত্ৰা নিৰ্ভৰ কৰে,— যেনে লিংগ, শৰীৰৰ ওজন, বয়স, শৰীৰৰ গঠন, স্বাস্থ্য আৰু পৰিবেশ। পুৰুষতকৈ মহিলা সকলৰ গৰম সহ্য কৰাৰ ক্ষমতা কম। মহিলাসকলৰ শৰীৰত পুৰুষতকৈ প্ৰতি একক অংশত অধিক ঘৰ্মগোট থকা সত্ত্বেও তেওঁলোক-সকল কম পৰিমাণে ঘামে। ইয়াৰ মূলতেই হ'ল মহিলাসকলৰ শৰীৰ স্বাভাৱিকতেই মেদপ্ৰধান। তদুপৰি হৰম'নৰ ক্ৰিয়াকলাপো জগৰীয়া। কাৰণ ঘৰ্ম নিষ্কাশন বা ঘমা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰধানকৈ পুং-হৰম'ন-টেষ্টোষ্টেৰনে মুখ্য ভূমিকা গ্ৰহণ কৰে। বয়স বাঢ়ি অহাৰ লগে লগে শৰীৰৰ ঘৰ্ম নিষ্কাশন পদ্ধতি কিছুপৰিমাণে মন্থৰ হৈ পৰে। সেইবাবে বয়সস্থ লোক-সকলৰ গৰম অনুভৱৰ মাত্ৰা অধিক। সমীক্ষাৰপৰা দেখা গৈছে যে ভাৰতীয় লোক এজনৰ বাবে সহ্য কৰিব পৰা বা আৰামদায়ক উষ্ণতা সাধাৰণতে ২৩° ছেলছিয়াছৰপৰা ৩০° ছেলছিয়াছৰ ভিতৰত। ইয়াৰ ক্ৰমাগত বৃদ্ধিয়ে লোক এজনৰ শাৰীৰিক কাৰ্যক্ষমতা আৰু মানসিক দক্ষতাত বিপৰীত মুখী প্ৰভাৱ পেলায়।

সাজ-পাৰ আদিয়েও গৰম অনুভৱৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰে। ৰঙৰ বাহিৰেও পিন্ধা কাপোৰৰ ঘাম শোষণ ক্ষমতাৰ ওপৰতো গৰমৰ মাত্ৰা নিৰ্ভৰ-শীল। কপাহী কাপোৰে কৃত্ৰিম সূতাৰ কাপোৰতকৈ অধিক ঘাম শুহি লব পাৰে। কাপোৰ পৰিধানৰ কথাটো বিশেষভাৱে মনকৰিবলগীয়াহে পৰে আৰ্দ্ৰ জলবায়ুৰ ক্ষেত্ৰত। কাপোৰে ঘাম ভালদৰে শুহি লব নোৱাৰিলে ছালত কিছুমান প্ৰতিক্ৰিয়াই দেখা দিয়ে। কাপোৰৰ বিশেষকৈ ছিন-থেটিক কাপোৰৰ শৰীৰৰ লগত হোৱা ঘৰ্ষণৰ বাবে আৰু সি ঘাম শুহি লব নোৱৰা বাবে ছাল ৰঙা পৰা, পোৰণি উঠা, ঘামচি ওলোৱা, ইত্যাদি প্ৰতি-ক্ৰিয়াবোৰ দেখা দিয়ে। তাৰ ফল স্বৰূপে জহকালিৰ দিনকেইটা অশান্তি-দায়ক হৈ উঠে। ঘৰ্ম গ্ৰন্থি বন্ধ হৈ গলে ঘাম ছালৰ অন্তৰ্ভাগলৈ সোমাই যায়। মন কৰিবলগীয়া কথা হ'ল— দুই ধৰণৰ ঘৰ্ম গ্ৰন্থিৰ— এপ'ক্ৰাইন আৰু একক্ৰাইনৰ ভিতৰত একক্ৰাইন গ্ৰন্থিসমূহেই ঘামচিৰ বাবে দায়ী। এপ'ক্ৰাইন গ্ৰন্থিসমূহ শৰীৰৰ বিশেষ কিছুমান ঠাইতহে দেখা যায়; আন-হাতে একক্ৰাইন গ্ৰন্থিসমূহ গোটেই শৰীৰ জুৰি বিস্তৃত। তথাপি শৰীৰৰ সকলো ঠাইতে ঘামচি ওলোৱা দেখা নাযায়। হাতৰ তলুৱা আৰু ভৰিৰ তলুৱাত অধিক পৰিমাণে ঘৰ্ম গ্ৰন্থি থকা সত্ত্বেও ঘামচি দেখা নাযায়। আনহাতে হাতৰ ওপৰভাগ, কপাল আদিত প্ৰতি বৰ্গ ছেন্টিমিটাৰত দুশৰ ওপৰ ঘৰ্ম গ্ৰন্থি আছে আৰু শৰীৰৰ এই অংশবোৰতেই প্ৰধানকৈ ঘামচি ওলোৱা দেখা যায়। ঘামচিয়ে অসহ্য খজুৱতি বা পিৰপিৰণিৰ উপৰিও কেতিয়াবা অন্যান্য উপসৰ্গৰ সৃষ্টি কৰে। আমাৰ সাধাৰণ বিশ্বাসৰ দৰে পাউডাৰে প্ৰকৃততে ঘামচি নাইকিয়া নকৰে; খজুৱতিৰ অনুভূতিটোহে নোহোৱা কৰে। গ্ৰীষ্মকালত আন এটা মাৰাত্মক প্ৰতিক্ৰিয়া হ'ল-ৰৌদ্ৰাঘাত (sun stroke)। শৰীৰত যোগ হোৱা উত্তাপৰ মাত্ৰা নিয়ন্ত্ৰণৰ বাহিৰ হৈ গলে লোকজন অচেতন হৈ পৰে। ৰৌদ্ৰাঘাতৰ ই প্ৰধান লক্ষণ। শীতল পৰিবেশলৈ লৈ গৈ শৰীৰ যিমান সোনকালে পাৰি শীতল কৰা বা সাধাৰণ উষ্ণতালৈ অনাটোৱেই ৰৌদ্ৰাঘাতৰপৰা অব্যাহতি পোৱাৰ প্ৰধান ব্যৱস্থা।

শৰীৰত পানীৰ পৰিমাণ সততে কমি গৈ থকাৰ বাবে জহকালি নানান উপসৰ্গ আৰু অসুখে দেখা দিয়ে। পেটৰ অসুখ, চকুৰ অসুখ, মূৰ-কামোৰণি ইত্যাদি সততে দেখা যায়। আমাৰ বহুতৰে বিশ্বাস আছে যে গৰম চাহ বা কফিয়ে শৰীৰ শীতল কৰে। প্ৰকৃততে বিশ্বাসটোৰ সত্যতা নাই। কাৰণ গৰম চাহে শৰীৰৰ অন্ত-ৰ্ভাগত উষ্ণতা বঢ়াই দিয়ে; তাৰ ফলত শৰীৰে অধিক ঘামৰ যোগেৰে উত্তাপখিনি উলিয়াই দিবলৈ চেষ্টা কৰে। বতাহত ঘাম শুকাই যোৱাৰ বাবেহে শৰীৰ খন্তেকৰ বাবে হলেও শীতলপৰা যেন অনুমান হয়। ইয়াৰ ফলত ঘৰ্মগ্ৰন্থিবোৰৰ ওপৰত অধিক হেঁচা পৰে আৰু সেইবোৰৰ কাৰ্যক্ষমতা ব্যাহত হৈ পৰে। সেয়ে গৰম চাহ বা বস্তু খোৱাতকৈ শীতল পানী বা পানীয় খোৱাহে যুগুত। একলিটাৰ শীতল পানীয়ে শৰীৰৰ পৰা ৩০ কেলৰিলৈকে তাপ নাইকিয়া কৰিব পাৰে। অতিপাত গৰমত মাংস, কণী, ঘিউ, মাখন আদি অধিক মাংসসাৰযুক্ত খাদ্য পৰিহাৰ কৰিব লাগে বুলি কোৱা শুনা যায়। শৰীৰৰ জৈৱিক প্ৰক্ৰিয়াৰ বাবে শৰীৰত তাপ উৎপন্ন হয়। প্ৰ'টিন বা মাংসসাৰ হজম কৰাবলৈ যাওঁতে স্বাভাৱিকতেই শৰীৰত জৈৱিক ক্ৰিয়াৰ ফলত তাপৰ উৎপত্তি হব। কিন্তু খাদ্যৰ গুণাগুণৰ ফালৰপৰা লক্ষ্য কৰি এইবোৰ খাদ্য সম্পূৰ্ণ পৰিহাৰ কৰাটো উচিত নহয়। মাত্ৰ মন কৰাটো প্ৰয়োজন যে খাদ্যৰ তালিকাত যাতে অধিক জুলীয়া আহাৰ থাকে।

এনেকুৱা ধৰণে সৰু সৰু কথালৈ লক্ষ্য কৰি জহকালটোত আমি নিশ্চয় অশান্তিৰ পৰিমাণ কিছু হলেও কমাব পাৰোঁ। ●


পুলক লাহিড়ীৰ

**ক্ৰিকেটৰ সাঁথৰ**

মূল্য—৬·০০ টকা

ক্ৰিকেটৰ বিভিন্ন প্ৰশ্ন আৰু ইয়াৰ উত্তৰ লগতে ব্ৰেডমেন, গাভাস্কাৰ, ছ'বাৰ্ছ, কপিলদেৱ, লিলি, গ্ৰেগচেপেল আৰু আজাহাৰউদ্দীনৰ ৰেকৰ্ড আৰু চমুজীৱনী।

প্ৰকাশক:

***এলবিএছ পাব্লিকেশ্যন***

জি. এন. বৰদলৈ ৰ'ড

আমবাৰী : গুৱাহাটী-১




চোচল্লিছ

# জীৱনৰ দীঘ আৰু বাণি

মহেশ্বৰ নেওগ



## দিহিঙে-দিপাঙে মেলে-মিটিঙে

ছাত্ৰসকলৰ মাজত সেই দিনবোৰ মুকলিকৈ গৈছিল। ফিয়াট গাড়ীখন গৃহস্থালিৰ কামত— বজাৰ-সমাৰ কৰাৰে পৰা মেলে-মিটিঙে ঘূৰালৈকে— ঘাই সাৰথি হৈছিল। পুৱাতে খৰ-খেদাকৈ এমুঠি খাই (কেতিয়াবা নেখাই) ডিপাৰ্ট-মেণ্টলৈ যাওঁ। কেতিয়াবা পুৱা ন-দহ বজাৰপৰা বিয়লি পাঁচ বজালৈকে চকি-খনত (এইখনেই 'জৱাহৰলাল নেহৰু চকি' নেকি? —কোনো কোনোৱে সোধে) বহিয়ে থাকোঁ কথা পাতি, লেখা-পঢ়া কাম কৰি। মাথোন ক্লাছ কৰা আৰু বিশ্ববিদ্যালয়ৰ এশ-এখন সভাত যোগ দিওঁতে এই বৈঠকৰ বিৰাম পৰে। মোক লগ পাবলৈ বিচৰা-সকলে, গৱেষণাৰ কাম কৰি থকা ছাত্ৰসকলেও তাতেই মোক পায়। ঘৰত ('বিশ্ববিদ্যালয় টোলৰ ছয় নম্বৰী বহা') প্ৰায় খোৱা শোৱাৰ সময়খিনিহে যায়। 'ঘৰ-বাৰী' বোলা নাই, কাৰণ বাৰী বুলিবলৈ যি বহল চৌহদ আছিল, তাৰ ভিতৰত শাক-পাচলি, ফুল একো নাছিল। ৰখীয়া নথকা ঘৰত কেতিয়াবা সেইবোৰ কৰিলেও কাৰ গৰুৱে টকালি থৈ যায়, তাৰ ইয়ত্তা নাই। কিন্তু সেই গৰু-গাইবোৰে 'গ্ৰাছ-ম'ৱাৰ'ৰ দৰে মোৰ অযত্ন-পালিত 'লন'খন নিকাকৈ ৰাখে আনৰ ঈৰ্ষা হোৱাকৈ। মই মাথোন গোবৰ আৰু সৰি পৰি থকা দ'ম দ'ম গছ-পাতবোৰ আঁতৰাই ৰাখিব লাগে। সেই উদ্দেশ্য আগত ৰাখি মই জমাদাৰৰপৰা এডাল থিয় ঝাড়ু কিনি লৈছিলোঁ। সেই সম্পত্তিটিৰ কিন্তু বৰ খ্যাতি হৈছিল আৰু বহুতে তাক সক্ৰিয় দেখা পাবলৈ বাঞ্ছা কৰিছিল। এদিন শেহ নিশা বাহিৰত পোহৰ দেখি উঠি গৈ সেই ৰৰবাঢ়নীডাল লৈ কামত লাগিলো। এনেতে বিশ্ববিদ্যালয় টোলৰ নিশা পহৰা দিয়া চ'কিদাৰ দুজন আহি মোৰ পছুলিত থিয় হ'লহি আৰু মোক খবৰ দিলে, তেতিয়া নিশা দুই বাজিছে মাথোন। দিন যেন সেই জোনাকত মোৰ পুৱাৰ ভ্ৰম হোৱা বুজি পাই ভিতৰলৈ সোমাই টোপনি আনিবৰ বৃথা যত্ন কৰিলো। মোৰ থিয়-বাঢ়নীডালৰ উপৰিও মোৰ পুথি-প্ৰকা-শক বিচিত্ৰনাৰায়ণ দত্ত বৰুৱাই মৰমত দিয়া কাশ্মীৰী কাঠৰ লাখুটি এডাল আছিল; তাৰেও খুচি খুচি সৰা পাত-বোৰ নিকাইছিলো। ওচৰ-চুবুৰীয়া ডঃ অনিলকুমাৰ শৰ্মাই কৈছিল, 'ছাৰ, আপোনাৰ ৰকিং ষ্টিক্‌ডালে দেখোন ৰকিং ষ্টিকৰ কামত লাগিছে।' মোৰ ঘৰৰ আগৰ বাৰীৰ কঁঠাল, আমলখি, কঠনা, গুলঁচ, শেৱালি গছৰ জোপোহা-বোৰে ঘৰৰ আগফালখনত এটা সৌন্দ-ৰ্যৰ-সম্ভ্ৰমৰ আৱৰণ দিছিল। ডঃ হিতেন্দ্ৰ কুমাৰ বৰুৱাই এদিন গছ কেইজোপালৈ ঘূৰি ঘূৰি চাই মোৰ ঘৰলৈ সোমাই আহোঁতে কৈছিল, "নেওগ, আপোনাক গছ কেইজোপাই protection দি ৰাখিছে।" সঁচাকৈয়ে, "বাৰীৰে আগতে কঁঠাল-গছ দুজুপি, সেহিসে সোদৰৰ ভাই।" মানুহে কিন্তু তেনে ইক'লজিও সলনি কৰিয়ে ভাল পায়।

১৯৭০ৰ মেই মাহৰ প্ৰথম ভাগৰ-পৰা জুনৰ শেহলৈকে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে মোক পূব ইউৰোপৰ তিনিখন দেশত ভ্ৰমণ কৰিবলৈ পঠি-য়ালে, উদ্দেশ্য—"to establish contacts, to lecture on Indian art and culture, and to exchange cultural experience" কৰা-লৰিকৈ সাজু হৈ বিদেশ-পৰ্যটনলৈ ওলাই গ'লো। ঘৰত থৈ গ'লো দুজন ছাত্ৰক— বিশ্বকিংকৰ গোস্বামী আৰু ভৱানীপ্ৰসাদ অধিকাৰীক। তেওঁলোকে মোৰ লাম-লাকটু বস্তু-বাহানি আপডাল-প্ৰতিপাল কৰি ঘৰ আটোমটোকাৰিকৈ ৰাখিলে প্ৰায় দুমাহে খৰলি খাই। মোৰ লেক-চাৰৰ বিষয়বোৰ মন্ত্ৰালয়ে নিৰূপণ কৰি দিওঁতে মোৰ যাবৰ সময়েই হৈছিল। যেতিয়া দিলে, তেতিয়া হাতত সময় ৰৈছিল তেনেই তাকৰ। গতিকে আকাশবাণীৰ অৰুণ শৰ্মাৰপৰা কিছু গীতৰ ৰেকৰ্ড ললো। জাজীৰপৰা দুদিন-মানলৈ গুৱাহাটীলৈ অহা পুৰণি ছাত্ৰ (এতিয়া অধ্যাপক) বৃষ্ণকান্ত সন্দিকৈ আৰু তেওঁৰ ককায়েক ক'লামণি সন্দিকৈ আদিৰ দলৰ বিহুনাম, হুঁচৰি আদি আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰী কেইটিমানৰ-পৰাই কিছু লোকগীত টেপত তুলি ল'লো। তাৰেই যি পাৰিলো বিল্লা ফতে কৰি ঘৰলৈ ঘূৰি আহিলো। ল'ৰা-ছোৱালীইঁতে যেনেকৈ মই যাওঁতে বৰঝাৰত আগ বঢ়াই থৈছিল, তেনেকৈ তাৰপৰা আগ বঢ়াই আনিলে। সেই পৰ্বৰ পাছত তেওঁলোকে বিশেষকৈ ছাত্ৰী কেইগৰাকীমানে প্ৰস্তাৱ কৰিলে যে মোৰ জন্মদিন পালন কৰিব লাগে। মই ক'লো, "মোৰ জন্মদিন নায়েই দেখোন, কেনেকৈ তাক পালিবা? —আৱিষ্কাৰ কৰিলেহে হ'ব।" শেহত মনত পৰাত ক'লো, ২১ ভাদত মোৰ জন্ম হ'বপায়। সেইবাৰ ২১ ভাদ আগত-প্ৰায়— ৭ ছেপ্টেম্বৰতে পৰে। গতিকে তেওঁলোকে আৱিষ্কাৰ কৰিলে, নিৰ্ণয় কৰিলে ৭ ছেপ্টেম্বৰেই মোৰ জন্মদিন। তেওঁলোকেই কেক্‌, মিঠাই, ফুল পাত গোটাই আনি জন্মদিনটোক জন্ম দিলে। মই তেওঁলোকক ধন্যবাদ দি লিখিলোঁ 'জন্মদিন আৱিষ্কাৰ'—



OKDISCD

'এইটি কৰিলা ভাল, / সাদৰী মইনাহঁত, / এইটি কৰিলা ভাল; / জীৱনৰ যাৰ শুকান বালিত / ধূলিৰ বাহিৰে নাছিল একো চিন, / আৱিষ্কাৰ আজি কৰিলা তাৰেই এটা জন্মদিন।' তেতিয়াৰপৰা সাত ছেপ্টেম্বৰ ঘূৰি ঘূৰি আহি আছে নমস্যসকলৰ আশীৰ্বাদ আৰু স্নেহাস্পদসকলৰ ওলগ-উছাহ লৈ। ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে সংস্কৃতত অনুষ্টুপ ছন্দত পঠিয়ায় প্ৰশস্তি; সেয়া আপোনালোকক আগতে উপহাৰ দিছোৱেই। সাহিত্য অকাদমীৰ ডঃ শুভেন্দুশেখৰ মুখোপাধ্যায়ে বঙলাত, মোৰ ছাত্ৰ-ছাত্ৰীসকলে (আনিছ, নিৰ্মলপ্ৰভা, ভবানী আদি) অসমীয়াত কবিতাৰে আদৰ জনায়। গুৱাহাটীৰ বন্ধুসকলৰ বাহিৰেও অনেকজন আদৰণীয় লোকে সেইদিনা মোৰ ঘৰত পদধূলা দিয়েহি— বোম্বাইৰ বেদৰ পণ্ডিত ফাদাৰ এডল্‌ফ এষ্টেলাৰৰপৰা আমাৰ মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহদেৱলৈকে।

অষ্টম দশকৰ কালছোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ক কেন্দ্ৰ কৰি চমকপ্ৰদভাৱে student power বা যুৱশক্তিৰ অভ্যুত্থান ঘটে। শ্ৰেণীত ছাত্ৰসকলৰ উপস্থিতিৰ আৱশ্যিকতাৰ মাত্ৰা (১৯৭১) আৰু উচ্চ-শিক্ষাত আঞ্চলিক ভাষাক মাধ্যম-ৰূপে গ্ৰহণ কৰা (১৯৭২) আদি প্ৰশ্ন লৈ ছাত্ৰসকলৰ অনশন আৰু বিক্ষোভ-প্ৰদৰ্শন আৰু পুলিচৰ লাঠি-চালনা (১৯৭৪) আদিয়ে বিশ্ববিদ্যালয়ৰ ভিতৰত এক অশান্ত পৰিৱেশ সৃষ্টি কৰে। এনে এক পৰিস্থিতিত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই আসন ত্যাগ কৰি গুচি যাব লগীয়াও হয় (১৯৭৪)। তাৰ আগতে এবাৰ আচাৰ্যৰ এটি মন্তব্যত বিক্ষুব্ধ হৈ ছাত্ৰসকলে কোৰ্ট সভাক ঘেৰাও কৰি আচাৰ্যৰপৰা ক্ষমাপ্ৰাৰ্থনা দাবী কৰে। বস্তুত পৰলৈ এক থমথমীয়া অৱস্থাৰ সৃষ্টি হয়। মই তেতিয়া আচাৰ্যক ক'লো, আমি শিক্ষকসকল আৰু তেওঁ গোট খাই বাহিৰত ৰৈ থকা ছাত্ৰসকলক লগ পালেগৈ তেওঁলোকৰ মনৰ চাগৈ কুমাৰি আঁতৰিব। কিন্তু আচাৰ্যই সেই কথা সহজভাৱে নলৈ ক'লে, "ডাঙৰীয়া, তোমালোকৰ আমনি লাগিছে যদি যোৱাগৈ। মই অকলে ইয়াত থাকিম।" অইন প্ৰকাৰে কথাটোৰ জানিবা এটা মীমাংসা হৈ যোৱাত আমি সিদিনালৈ ঘৰা-ঘূৰি গ'লো। পিছত মুখ্যমন্ত্ৰী-শিক্ষামন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীৰপৰা জানিব পাৰিলো, মোৰ ওপৰত আচাৰ্য বৰ নাৰাজ। কেইদিনমান পিছতে শিৱসাগৰত অসম সংগীত নাটক একাডেমিৰ সভাত আচাৰ্য (বি. কে. নেহৰু) সভাপতি-ৰূপে উপস্থিত থাকিবৰ কথা। ভাবিলো, সেই সভালৈ যাওঁতেই তেওঁক কথাটো বুজাই ক'ম। পিছে তেওঁ সভালৈ নাহিল, আৰু মইহে সভাপতিৰ কাম চলালো। তাৰপৰা গুৱাহাটীলৈ ঘূৰি আহি তেওঁলৈ এখন চিঠি লিখিলো। তাত ক'লো, ছাত্ৰছাত্ৰীসকল আমাৰে ল'ৰা-ছোৱালী। তেওঁলোকৰ কিবা কথাত মন বেয়া হ'লে যদি আমি আঁতৰি থাকোঁ, তেওঁলোকৰ মন আৰু বেয়া হ'ব আৰু আমাৰ পৰাজয় হোৱা বুলিও ভাবিব। সেই গতিকেহে সিদিনা ছাত্ৰসকলৰ মাজলৈ আগ বাঢ়ি গৈ কথা হোৱাৰ পৰামৰ্শ দিছিলো। সেয়া যদি ভুল ধাৰণা বুলি প্ৰমাণিত হয়, মই ক্ষমা বিচাৰিবলৈ সাজু। মোৰ এই চিঠিৰ তেওঁ এটি ভাল উত্তৰ পঠিয়ালে এইদৰে:

Governor — Raj Bhavan
Assam — Shillong

September 12, 1972

Dear Dr Neog,

Thank you for your letter of August 12, 1972, which was waiting for me when I got back from a long stay in New Delhi a few days ago.

I am much indebted to you for your taking the trouble to explain to me the incident at the meeting of the Gauhati University Court and removing the misunderstanding from my mind about your intentions. There is absolutely no need for you to apologise—there was nothing personal about the matter. And I remember well your kind (though undeserved) words of praise with which you welcomed me and which you repeat.

It is true that the events of the day caused me enormous distress. This was not because I was personally subjected to a gherao; that, as you might have noticed, did not bother me at all. What caused me pain was the vast chasm between the Universities in which I had been educated and the one over which I was presiding. That chasm did not augur well for the future of our country.

With warm personal regards,

Yours sincerely,
B. K. Nehru

প্ৰফেছৰ হেৰল্ড লাস্কিৰ ছাত্ৰ নেহৰুৱে প্ৰাচীন লণ্ডন স্কুল অৱ ইকনমিক্‌ছৰ ছবি আজিৰ শিক্ষা-মহলত ক'ত পাব! এতিয়া নতুন দিনে ভুমুকি মাৰিছেহি। উল্লেখ কৰিব লগীয়া যে বিশ্ববিদ্যালয়ৰ কোৰ্ট সভাত ৭২ৰ জানুৱাৰীৰপৰা ছাত্ৰ-সদস্য ভৰ্তি হয়। ক'ব লাগিব, ৰাজ্যপাল নেহৰুৱে পাছলৈ মোৰে বিশেষ সম্ভাৰ ৰাখিছিল। ৭৪ৰ লোকতন্ত্ৰ দিৱসৰ দিনা মই পদ্মশ্ৰী সম্মান পোৱাৰ খবৰ পাই লণ্ডনৰপৰাই (তেতিয়া তেওঁ তাত ভাৰতৰ হাই কমিছনাৰ) এখনি মনোমোহা চিঠি দিছিল। ১৯৮০ত চণ্ডীগড়-দিল্লীৰ পথত তেওঁক শেহবাৰ লগ পাওঁতে তেওঁ ছাত্ৰসকলৰ বিদেশী-বিৰোধী আন্দোলনৰ কথাত কৈছিল, "ছাত্ৰসকলৰ আদৰ্শৰ প্ৰতি মোৰ সহানুভূতি আছে।"

অসম সাহিত্য-সভাৰ কোমল হাত 'এৰাওঁ এৰাওঁ বুলি এৰাব পৰা নাছিলো।' ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাত নিৰ্মাণ সমিতি ভাঙি দিয়া গ'ল, হয়; কিন্তু তাৰ ঠাইত পত্তা ভৱন অৱৰক্ষণ সমিতিৰ লগত জড়িত হৈ থাকিব লগীয়া হ'ল। সভাৰ ডিব্ৰুগড় আৰু তেজপুৰ বাৰ্ষিক সন্মিলনে মোক উপ-সভাপতি নিৰ্বাচন কৰি দিয়াত লক্ষ্মীনাথ বেজবৰুৱা (১৯৬৯), চন্দ্ৰকুমাৰ আগৰৱালা (১৯৬৭) পদ্মনাথ গোহাঞিবৰুৱাৰ (১৯৭১) দৰে আমাৰ বৰেণ্যসকলৰ জন্মশতবাৰ্ষিকীত ভালকৈয়ে লিপ্ত হৈ পৰিব লগীয়া হৈছিল। বেজবৰুৱাৰ উছৰত পত্ৰ-সংকলন "পত্ৰলেখা", ছবিৰ এলবাম "চিত্ৰলেখা", ডায়েৰিৰ দুটা সংকলন "বেজবৰুৱাৰ দিনলেখা"ৰ উপৰিও বেজবৰুৱাৰ ইংৰাজী লেখাৰ সংকলন The Religion of Love and Devotion সম্পাদন কৰি উলিয়াব লগা হৈছিল। গোহাঞিবৰুৱা শতবাৰ্ষিকী বেজবৰুৱা শতবাৰ্ষিকীৰ আহিত বিশ্ববিদ্যালয়ৰপৰা আহল-বহলকৈ সংগঠন কৰি উদ্‌যাপন কৰা হৈছিল। ৭৪ত সভাৰ সভাপতি হৈ (লগতে বিশ্ববিদ্যালয়ৰ কলাগুৰু আৰু পদ্মশ্ৰী-সম্মানধাৰী হৈ ল'ৰাহঁতৰ ভাষাত 'ত্ৰিমুকুট লাভ কৰি') এবছৰ সভাৰ কাম কৰাৰ পিছত ৭৬ত হিতেশ্বৰ বৰবৰুৱাৰ শতবাৰ্ষিকী পালন কৰাটি এটি সুখৰ স্মৃতি। সেই উছৱ-প্ৰসঙ্গত ৪৮-৪৯ চনতে মই বৰবৰুৱাৰ "মালচ" আৰু "চকুলো" এখন পাতনিৰে প্ৰকাশ কৰা কথা লৈ উমানাথ গোহাঞি, ভুবনচন্দ্ৰ সন্দিকৈ আদিয়ে সকলোৱে পাহৰি যোৱা বৰবৰুৱাক উদ্ধাৰ কৰা বুলি শলাগিছিল। পাছৰ বছৰত সভাৰ হীৰক জয়ন্তী উদ্‌যাপিত হওঁতে অসমীয়া সাহিত্য-সমালোচনাৰ ইতিহাস সম্পৰ্কে হীৰক জয়ন্তী বক্তৃতা দিব লগীয়া হৈছিল, যদিও বক্তৃতাটো পুথি আকাৰে দি এতিয়াও উলিয়াব পৰা নাই। সভাৰ মঙ্গলদৈ অধিৱেশনৰ সভাপতিৰ অভিভাষণ পঢ়োতাত বিশেষকৈ সাংস্কৃতিক ঐক্যবোধৰ ওপৰত আৰু সাংস্কৃতিক উদগতিৰ বাবে আৰ্থিক উন্নতিৰ আৱশ্যকতাত আৰোপ কৰা গুৰুত্বৰ কথা লৈ মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহই নতুন দিল্লীৰ উচ্চ মহলত আলোচনা কৰোঁতে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে বোলে বিশেষ উৎসাহ প্ৰদৰ্শন কৰাত মুখ্যমন্ত্ৰীয়ে মোক বিশেষভাৱে কৈছিল প্ৰধান মন্ত্ৰীক লগ ধৰিবলৈ। সিংহদেৱৰ পৰামৰ্শমতে অভিভাষণখনৰ ইংৰাজী সংস্কৰণৰ কপি এটা লৈ তেওঁক দিল্লীলৈ যাওঁতে দেখা কৰিছিলো। কথা কিন্তু সিমানতে অন্ত।

চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় তাঙৰণ ওলাই যোৱাৰ পিছত কৃষ্ণকান্ত সন্দিকৈদেৱে তৃতীয় সংস্কৰণৰ কাম পুনৰ সাহিত্য-সভাক ল'বলৈ পৰামৰ্শ দিয়ে। সভাই কিন্তু সেই উদ্দেশ্যে যিখন আহল-বহল সমিতি পাতি দিলে, তাৰপৰা কাৰ্যৰ নিৰ্দেশত খেলি-মেলিহে হ'ব বুলি সন্দিকৈয়ে পুনৰ কাৰ্যটি বিশ্ববিদ্যালয়ক দিয়া উচিত বুলি ভাবিলে আৰু সেইমতে ভৱিষ্যতলৈ যাতে অভিধানখন বিশ্ববিদ্যালয়ে প্ৰকাশ কৰি থাকিব পাৰে, সেই উদ্দেশ্যে এটি পুঁজি নতুনকৈ দান কৰিলে। কিন্তু কৰ্মীৰ অভাৱত কামৰ গতি বৰ মন্দ হ'ল আৰু ছপাতো ৭৭ৰে পৰা সময় বৰ বেছিকৈ লাগিছে। ৰোমানিয়া ভ্ৰমণৰ সময়ত দেখিছিলো, এক বৃহৎ গৃহত (Institutul de Linguistica al Academiei R. S. Romania) এদল পণ্ডিতে পুৰণি গ্ৰন্থৰপৰা শব্দ বছা আদি কাম কৰিছে, অথচ যোৱা এশ বছৰে L আখৰটো পৰ্যন্তহে তেওঁলোকৰ Dictionarul limbii romana বা Academical Dictionaryৰ কাম আগ বাঢ়িছে। অৱশ্যে সেয়া হ'ল অতি উচ্চ পৰ্যায়ৰ উচ্চাকাংক্ষী কাৰ্য। কিন্তু আমাৰ সৰু অভিধানখনেই আমাৰ বাবে কৰ্মশক্তিৰ অভাৱত নুলৰ কান-মৰিত পহুৰ পিৰাৰ ভাৱৰ দৰে হৈ পৰিছে। চন্দ্ৰকান্তৰ কামৰ বাহিৰেও অসম প্ৰকাশন পৰিষদৰ "আধুনিক অসমীয়া অভিধান"ৰ কামৰ লগত প্ৰথমৰপৰা জড়িত আছিলো আৰু ১৯৬৬ চনত কলিকতা বিশ্ববিদ্যালয়ে স্থিৰ কৰা নিয়মাৱলীৰ ধাৰাত আমাৰ ভাষাৰ বৰ্ণবিন্যাস সৰল কৰাৰ যত্ন কৰিছিলো; কিন্তু সেই কাম শেহলৈকে টানি নিব নোৱাৰিলো। কেন্দ্ৰীয় সঙ্গীত নাটক অকাদমীয়ে এখন ভাৰতীয় সঙ্গীতৰ অভিধান প্ৰস্তুত কৰাৰ আঁচনি লৈ অসমৰ বস্তুখিনি মোক লিখি উলিয়াবলৈ দিছিল। উলিয়াই দিছিলোও। কিন্তু আন কামৰ দৰে অকাদমীৰ সেই অভিধানৰ কামো (Companion to Indian Music) আধৰুৱা হৈ ক'ৰবাতে ৰৈ গ'ল। ১৯৬৩ চনৰপৰা অসম চৰকাৰৰ শাসকীয় ভাষা প্ৰয়োগ সমিতিৰ পৰিভাষা তৈয়াৰ কৰা বিশেষজ্ঞ সমিতিৰ লগত সদস্যৰূপে আৰু উপসভাপতিৰূপে জড়িত হৈ পৰিছিলো। ৬৫তে পাঁচ হেজাৰৰ অধিক পাৰিভাষিকৰ সমিতিৰ এক সঙ্কলন (ইংৰাজী-অসমীয়া) প্ৰকাশ পাইছিল। সেই সঙ্কলনৰ বিপৰীতমুখে অসমীয়া-ইংৰাজী এখন সংকলন আৰু দুহেজাৰমান পাৰিভাষিকৰ (ইংৰাজী-অসমীয়া) এক প্ৰকাশনো ছপা হৈ ওলাইছে। বৰ্তমানেও সমিতিৰ সভাপতিৰূপে কামটোৰ লগত মোৰ সমন্ধ চলি আছে। কিন্তু এইবোৰ কামত চৰকাৰৰ ঘৰৰ উৎসাহ-উদ্দীপনাৰ অভাৱ হ'লে বেচৰকাৰীসকলৰ অবৈতনিক কামে উৎসাহ নাপায়। গুৱাহাটী-ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যমৰূপে স্বীকৃত হোৱাত বিজ্ঞান-দৰ্শন আদিৰ নতুন পৰিভাষা প্ৰস্তুত কৰাৰ আৱশ্যকতা হয়। সেইবেলা পৰিভাষা-সমিতিৰ কামত লাগিব লগীয়া হৈছিল। আনফালে কেন্দ্ৰীয় চৰকাৰৰ পৰিভাষা আয়োগৰ (টেক্‌নিকেল টাৰ্মিনলজি কমিশ্যন) আহ্বানত তেওঁলোকৰ নাটক আৰু মঞ্চৰ পৰিভাষা তৈয়াৰ কৰা অধিৱেশনত

OKDISCD

যোগ দিছিলোগৈ। তেতিয়া এটা কথা দেখিছিলো যে হিন্দী ভাষা এফালে আৰু আনফালে পূৰ ভাৰতীয় অসমীয়া আৰু বঙলা ভাষাৰ মাজত এটা সুৰৰ নে ছন্দৰ পাৰ্থক্য আছে। অসমীয়া আৰু বঙলাত প্ৰচলিত মঞ্চৰ footlightঅৰ প্ৰতিৰূপ 'পাদ-প্ৰদীপ' শব্দটো হিন্দীৱালাসকলৰ কাণত কৰ্কশ হৈ বাজিছিল; তেওঁলোকে তাক বৰদাস্ত নকৰি 'পাদ-দীপ'হে গ্ৰহণ কৰিলে---যিটো আমাৰ কাৰণে খোঁকজা লগা বিধৰ! সি যি হওক, চাৰিওফালৰ অভিধান আৰু পৰিভাষা-প্ৰণয়নৰ আহ্বানবোৰে মোৰ মনত 'শব্দ আৰু আৰু শব্দ'ৰ ধ্বনি-প্ৰতিধ্বনিৰ ('words, words, words') কোলাহল তুলিছিল।

অভিধানৰ লগৰ আৰু এবিধ বস্তুৰ লগত হাট-বাট কৰিব লগীয়া হয় যেতিয়া অসম প্ৰকাশন পৰিষদে বিশ্বকোষ-প্ৰণয়নৰ আঁচনি তৰি লয়। এই কামটি সাহিত্য-সভাই কৰিব নে গুৱাহাটী বিশ্ববিদ্যালয়ে কৰিব, সেই লৈ বহুত জল্পনা-কল্পনা, টনা-আঁজোৰা চলিছিল। কিন্তু কামটোৰ বাবে পুঁজি যেতিয়া চৰকাৰৰপৰাই আহিব, চৰকাৰে শেহতত প্ৰকাশন পৰিষদৰ যোগেই কামটো কৰোৱা ভাল দেখিলে হ'বপায় আৰু পৰিষদৰ আঁচনিতে ধনৰ টোপোলাটি থ'লে। কিন্তু বিশ্বকোষ-প্ৰণেতা মূল কেন্দ্ৰীয় এজন মানুহে পূৰ্বতে ঠিক কৰি নোলোৱা বাবেই হওক বা আন কৰ্মপন্থাৰ অভাৱতে হওক, প্ৰকৃত কাম আৰম্ভ হোৱাতে বহুত কাল লাগি গ'ল। কামটো কিছুমান (সাহিত্য, বুৰঞ্জী, বিজ্ঞান আদি) ভাগত ভগাই একোজন সম্পাদকক একোটা ভাগৰ বিস্তৃত আঁচনি কৰিবলৈ দিয়া হৈছিল। মোৰ ভাগত পৰিছিল কলা বিভাগ (সংগীত, নৃত্য, চিত্ৰকলা আদি ললিত কলা)। আনবোৰ বিভাগত যেনেকৈ স্থানীয় লোককে লেখকৰ তালিকাত ধৰি (তেওঁলোকৰ লেখা কৰ্তৃত্বসম্পন্ন হ'বনে নহয়, সেইটোও বোধ হয় নাভাবি) আঁচনি কৰা হৈছিল, মোৰ বিভাগত সেইটো নকৰি ভাৰতৰ বছা বছা কলা-সমালোচকক লেখক-ৰূপে ধৰি একোজন অনুবাদক লগে লগে দিয়া হৈছিল। কিন্তু শেহত সেই পৰিকল্পিত অনুবাদকসকলকে অনভিজ্ঞ হোৱা সত্তেও লেখক-ৰূপে বৰণ কৰা হ'ল। সেই সময়তে মই (আৰু আন সম্পাদকসকলো লগতে) সম্পাদকৰ তালিকাৰপৰা সৰি পৰিলো। তথাপি আশা কৰিছো, "অসমীয়া বিশ্বকোষ প্ৰকৃত জ্ঞানকোষ হৈয়ে ওলাব।

বিশ্ববিদ্যালয় এখনৰ গৱেষণা-পত্ৰিকা এখনেই হওক বা অধিকেই হওক, সিহে বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক ৰূপৰ প্ৰকৃত মানদণ্ডৰ দৰে বাহিৰৰ বিদ্যা-জগতলৈ ওলাই যায়। আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰথম বছৰবোৰত তেনে পত্ৰিকা (The Journal of the University of Gauhati) এখনেই আছিল, কিন্তু তাকে পৰিপাটিকৈ সাৰ্থককৈ উলিয়াবৰ কাৰণে স্বয়ং উপাচাৰ্য সন্দিকৈয়ে কিমান যত্ন লৈছিল, সেই সময়ৰ সম্পাদনা সমিতিৰ সচিব ড° প্ৰফুল্লদত্ত গোস্বামীয়ে সাক্ষ্য দিব। সন্দিকৈয়ে ভাৰতৰ বিশ্ববিদ্যালয়বোৰ আৰু পৃথিৱীৰ অন্যত্ৰৰ শিৰকুটা বিদ্যা-কেন্দ্ৰৰ পত্ৰিকাৰ লগত আমাৰ আলোচনীখনৰ বিনিময়ৰ ব্যৱস্থাও ঠিক কৰি দিছিল। মই ১৯৫৮ চনত পত্ৰিকাখনৰ দায়িত্ব লোৱাৰ পাছৰপৰা দেখিলো, পত্ৰিকাখন উপাচাৰ্যৰ সেই মৰমৰপৰা বঞ্চিত হ'বলৈ ধৰিলে। ছপা পত্ৰিকাখন আন-সকলৰ হাতত তুলি দিলেও শলগা-গুলুগা একো নকৰিছিল বা লুটিয়াই নাচাইছিল। ডক্টৰ সূৰ্যকুমাৰ ভূঞা ছাৰে কিন্তু দুই-এটি সমুচিত পৰামৰ্শ দিছিল। ১৯৭৪লৈকে মই আলোচনীখনৰ সম্পাদক আৰু সম্পাদনা সমিতিৰ সচিব থকাৰ পাছত ৭৫ৰপৰা ভবেন বৰুৱাক সম্পাদক কৰি মই মুখ্য সম্পাদক আৰু সমিতিৰ সভাপতি হৈছিলো। কিন্তু জাৰ্ণেলখন চাৰিওফালৰপৰা ইমান অনাদৰত পৰিছিল যে মই দুবছৰ দুবছৰকৈ জোৰাই ছপোৱা দুটা খণ্ড প্ৰকাশ কৰাতে সান্ত্বনা লভিছিলো। তাৰো শেহৰ খণ্ডটোৰ মুখ মই বিশ্ববিদ্যালয় এৰাৰ দুবছৰমানৰ পাছতহে দেখা পাইছিলো।

বিশ্ববিদ্যালয়ৰ বিভিন্ন কৰ্তৃত্বশীল অনুষ্ঠানবোৰৰ (authorities) সদস্য-ৰূপে থকাৰ মই সুযোগ পাইছিলো। ১৯৫১ৰেপৰা কোৰ্ট সভাত বহিছিলো। অৱশ্যে প্ৰথম ছোৱাত ৰং চোৱাৰ বাহিৰে যোগদানৰ আন ফল নফলিছিল। একাডেমিক কাউন্সিলত প্ৰৱেশ কৰাৰ পিছত বিশেষকৈ ৬৪-৬৫ৰেপৰা বিভাগীয় প্ৰধান-ৰূপে বিশ্ববিদ্যালয়ত বিদ্যা-ব্যৱস্থাৰ বিষয়ে চিন্তা কৰিব লাগিছিল। সেই কাউন্সিলৰপৰা নিৰ্বাচিত সদস্য-ৰূপে কাৰ্যপৰিষদত এছোৱা মাথোন কাম কৰিছিলো আৰু সেই অভিজ্ঞতাই মোৰ বাবে যথেষ্ট হ'ল বুলি ভাৱিছিলো। সেই প্ৰসংগত প্ৰশাসনীয় পুনৰ্গঠনৰ বাবে গঢ়ি দিয়া উপসমিতিত অলপ আগ ভাগ লৈ কাম কৰিছিলো। এহেলৈ অধিৱেশনবোৰত আলোচনা আৰু কথা পতাত যোগ দিয়াৰ বাহিৰে মোৰ লেখৰ কিবা কাম হৈছিল বুলি মনে নধৰে। বিভাগীয় কামখিনিত কিন্তু যিমান পাৰি চকু দিছিলো; বিভাগীয় পাঠ্য সমিতি (Committee of Courses and Studies) আৰু পৰামৰ্শ সমিতিৰ (Departmental Advisory Body) কামখিনি নিয়াৰিকৈ কৰিবৰ যত্ন কৰিছিলো আৰু বিশ্ববিদ্যালয়ৰ আঞ্চলিক ভাষাত পাঠ্য-পুথি প্ৰস্তুতি সমিতি আৰু তাৰ উপ-সমিতিবোৰত উৎসাহেৰে যোগ দিছিলো। সেই সমিতিৰ কাৰণে "স্নাতকৰ কথাবন্ধ" আৰু "ব্ৰজবুলি-গীতি-গুচ্ছ" নামে দুখন কিতাপ সংকলন সম্পাদন কৰি দিছিলো। ১৯৭৪ৰপৰা তিনি বছৰ কাল কলাগুৰু (Dean of the Faculty of Arts) হৈ থকাত কেইটামান নিৰূপিত কাম কৰিবলৈ সক্ষম হৈছিলো। সংগীতৰ বি.এ. কোৰ্চৰ বাবে কি কৰিছিলো, আগতে আপোনালোকক কৈ আহিছো। বিশ্ববিদ্যালয়ে ফাৰ্চী (পাৰ্ছিয়ান) ভাষাৰ এম্.এ. শ্ৰেণী খুলিবলৈ ঠিক কৰি বিদ্যা-পৰিষদত যি পাঠ্যক্ৰম উত্থাপন কৰিছিল সেইখন কলাগুৰু-ৰূপে মোৰ যোগেদিহে যাব লাগিছিল; কিন্তু সভাসূত্ৰত দেখিলো, সেইখন কলিকতা বিশ্ববিদ্যালয়ৰ পুৰণি পাঠ্যক্ৰমৰ অনুকৰণ মাত্ৰ; তদুপৰি অসমৰ লগত সম্বন্ধ থকা মধ্য যুগৰ ফাৰ্চী বুৰঞ্জী (chronicle) এখনো তাত থকা ভাল হ'লহেঁতেন। মোৰ আপত্তিত বিদ্যা-পৰিষদে পাঠ্যক্ৰমখন স্থগিত ৰাখি মোকে সেইখন ঠিক-ঠাক কৰিবলৈ দিলে। মই দিল্লীলৈ যাওঁতে দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ এছ্.এ.এইচ্. আবিদি আৰু ডক্টৰ এন্.এ. আন্সাৰিৰে আলোচনা কৰি পাঠ্যক্ৰমখনৰ চূড়ান্ত ৰূপ দি লওঁ আৰু ড° আবিদিৰ পৰামৰ্শমতে ইৰাণৰ সাংস্কৃতিক ৰাজ-প্ৰতিনিধি অধ্যাপক মজতাবাইকো লগ ধৰি (৩১ জানুৱাৰী ১৯৭৬) সেই সম্পৰ্কে তেওঁৰে কথা পাতোঁ। প্ৰফেছৰ মজতাবায়ে গুৱাহাটী বিশ্ববিদ্যালয়ত ফাৰ্চী বিভাগ হ'লে গ্ৰন্থাগাৰৰ বাবে ইৰাণৰপৰা বুজন সংখ্যাৰ গ্ৰন্থ দি সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বিশ্ববিদ্যালয়ৰ বিদ্যা-পৰিষদে এই সকলো কথাৰ অভিলেখ ৰাখে কাৰ্যবিৱৰণিত। কিন্তু মই গুৱাহাটী এৰাৰ (১৯৭৮), পাছত ইৰাণ ৰাজ-দূতাবাসৰপৰা সুবিধাখিনি উলিয়াই ল'লেনে নাই, গম নাপাওঁ অথন। কলাগুৰু আৰু অসমীয়া বিভাগীয় প্ৰধান-ৰূপে আৰু এটি কাম আগগুৰি মাৰি কৰিছিলো—অসমীয়া পাঠ্যক্ৰমত পাঠ-সমীক্ষাৰ (Textual Criticism) এখন ঐচ্ছিক গৱেষণা-পত্ৰ সংযোগ কৰা। এই সময়তে বিভিন্ন স্মাৰক বক্তৃতাৱলীৰ বাবে ডক্টৰ (শ্ৰীমতী) কপিলা বাৎস্যায়ন (১৯৭৬), ড° ভি. ৰাঘৱন (মাদ্ৰাজ) (১৯৭০) আৰু ফাদাৰ এডলফ এষ্টেলাৰক (বোম্বাই) (১৯৭৬) নিমন্ত্ৰণ কৰি আনিছিলো। উল্লেখযোগ্য যে এই কালছোৱাতে বাহিৰৰ অনেকজন প্ৰাচ্যতাত্ত্বিক পণ্ডিত আৰু ভাৰতীয় সংস্কৃতি-প্ৰেমী গুৱাহাটীলৈ আহিছিল—লণ্ডনৰ অধ্যাপক ডি কডিংটন (১৯৬৯), আমেৰিকাৰ যুক্তৰাজ্যৰ নাটক আৰু অভিনয়ৰ অধ্যাপক ফালি ৰিচমণ্ড (১৯৭০, এওঁ দেশলৈ ঘূৰি গৈ অসমৰ ভাওনাৰ বিষয়ে এটা প্ৰবন্ধ লেখিছিল), ইটালীৰ শ্ৰীমতী ছিলোনে (১৯৭৬), কানাডাৰ টৰণ্টো বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক ড° এ. কে. ৱাৰ্ডাৰ (১৯৭৭) আদি।

বিশ্ববিদ্যালয়ৰ আৰম্ভণিতে শিক্ষকসকলৰ সমূহীয়া স্বাৰ্থৰ চিন্তা কৰোঁতে বিশেষ অনুষ্ঠান গঠন কৰা হোৱা নাছিল, যদিও তেনে চিন্তা লৈ আমি কৰ্তৃপক্ষৰ কাষ চাপিবৰ আৱশ্যক হৈছিল আৰু চাপিছিলোও। সময়ত বিশ্ববিদ্যালয় শিক্ষক-সংস্থাৰ জন্ম হ'ল; কিন্তু প্ৰথম অৱস্থাত মই তাত সক্ৰিয় অংশ গ্ৰহণ কৰিব পৰা নাছিলো। সাহিত্য-সভাই মোৰ সকলো সময় শুহি লৈছিল। ৬৫ৰেপৰা কিন্তু সস্থাৰ (GUTA) দায়িত্ব ল'ব লগীয়া হ'ল সহকৰ্মীসকলৰ কথাত। পোনতে দুবছৰ ক্ৰমে ড° জগদীশচন্দ্ৰ মেধি আৰু ড° হিতেন্দ্ৰকুমাৰ বৰুৱাক সভাপতি কৰি মই উপ-সভাপতি আছিলো নামত; কামত কিন্তু ময়ে সস্থা চলাব লাগিছিল; সভাপতি দুজনে মোৰ সকলো কাৰ্যতে 'হয়' দি গৈছিল। তাৰ পাছৰ দুবছৰ মূল সভাপতিৰ বাব ল'ব লগীয়া হৈছিল। তেতিয়া সস্থাটো মাথোন নিজৰ হক দাবী কৰা সঙ্ঘ নহৈ সি সাংস্কৃতিক দিশ এটাৰো উদ্‌গম কৰে, সেই চিন্তা কৰি অধ্যাপক এ.এল্. বাশ্বাম, দীনেশচন্দ্ৰ সৰকাৰ আদি গুৱাহাটীলৈ আহোঁতে সিসকলৰপৰা প্ৰাচ্যজ্ঞানৰ বক্তৃতা শুনিছিলো; মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহ, মহেন্দ্ৰমোহন চৌধুৰী, কেন্দ্ৰীয় মন্ত্ৰী বিপিনপাল দাস আদিক নিমন্ত্ৰণ কৰি ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে বক্তৃতা শুনিছিলো আৰু আমাৰ ভিতৰত নব্য ধাৰাৰ শিক্ষাৰ বিষয়ে আলোচনা-সত্ৰ (এপ্ৰিল ১৯৭৩) পাতি আলোচনাৰ কথাখিনি কিতাপ আকাৰে ধৰি ৰাখিছিলো, আৰু গুৱাহাটীৰ সঙ্গীত সত্ৰৰ (এই সত্ৰীয়া নৃত্য-গীতৰ অনুষ্ঠান আমি কেইটামান গোট খাই গুৱাহাটীত পাতিছিলো; কিন্তু কৰ্মীৰ অভাৱ বা আলস্যত এই আৱশ্যকীয় শিক্ষানুষ্ঠানটিৰ কল-ঢোপ কল-ঢোপ কৰা অৱস্থা) প্ৰদৰ্শনৰ সহায় লৈ নিজে সত্ৰীয়া নৃত্যৰ বিষয়ে বক্তৃতা কৰিছিলো। মোৰ সতীৰ্থ-সহকৰ্মীসকলেও লগ পালে পিছে তেওঁলোকে সভাপতিৰূপে মোৰ প্ৰথম কাৰ্যকালৰ খণ্ডৰ বাৰ্ষিক অধিৱেশনৰ সভাপতিৰ অভিভাষণখনৰ কথাহে হাঁহিৰে সোঁৱৰে। মই তাত কোনো বিশেষ অনুষ্ঠান (body) বা ব্যক্তিৰ নাম নোলোৱাকৈ বিশ্ববিদ্যালয়ৰ (বৰং, বিশ্ববিদ্যালয়বোৰৰ) মূল ৰোগৰ কথা কৈছিলো। এডমাণ্ড বাৰ্কৰ বক্তৃতা মনত পেলাই কৈছিলো, A great institution and a small mind go ill together. কৈছিলো, বিশ্ববিদ্যালয়ত (বিশ্ববিদ্যালয়বোৰত) an academic understanding at the top is the most crying need of the hour; এনে এনে কথা। মোৰ বক্তৃতাৰ শেহত অপ্ৰত্যাশিতভাৱে সভা-ঘৰত দীঘলীয়া হাত-চাপৰি পৰিল। কিন্তু সিদিনাৰ মুখ্য অতিথিৰ মুখৰ ফালে দৃষ্টি কৰি হাত-চাপৰিৰ ৰোলটো হঠাৎ বন্ধ হৈ গ'ল। ল'ব নালাগিছিল যদিও অতিথিয়ে মোৰ বক্তব্যবোৰত অপৰাধ ল'লে, আৰু পূৰ্ণাঙ্গ অভিভাষণ নিদি বিদায়হে ল'লে। সদস্যসকলে একবাক্যে সৰ্বসম্মতিক্ৰমে মোক আৰু এক কাৰ্যকালৰ বাবে সস্থাৰ সভাপতি পাতিলে!

১৯১৭তে প্ৰতিষ্ঠাপিত কামৰূপ অনুসন্ধান সমিতিৰ আদি-বুৰঞ্জী গৌৰৱপূৰ্ণ— পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদ, মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, অধ্যাপক সূৰ্যকুমাৰ ভূঞা আদিৰে জড়িত। তৃতীয় দশকৰ অন্তৰ ফালে কনকলাল বৰুৱাই সমিতিৰে সম্পৰ্ক স্থাপন কৰি আৰু সমিতিৰ পত্ৰিকাখন (Journal of Assam Research Society) এহতীয়াকৈ চলাই সমিতিৰ

OKDISCD

যোগ দিছিলোগৈ। তেতিয়া এটা কথা দেখিছিলো যে হিন্দী ভাষা এফালে আৰু আনফালে পূব ভাৰতীয় অসমীয়া আৰু বঙলা ভাষাৰ মাজত এটা সুৰৰ নে ছন্দৰ পাৰ্থক্য আছে। অসমীয়া আৰু বঙলাত প্ৰচলিত মঞ্চৰ footlightৰ প্ৰতিৰূপ 'পাদ-প্ৰদীপ' শব্দটো হিন্দীৱালাসকলৰ কাণত কৰ্কশ হৈ বাজিছিল; তেওঁলোকে তাক বৰদাস্ত নকৰি 'পাদ-দীপ'হে গ্ৰহণ কৰিলে---যিটো আমাৰ কাৰণে খোঁকজা লগা বিধৰ! সি যি হওক, চাৰিওফালৰ অভিধান আৰু পৰিভাষা-প্ৰণয়নৰ আহ্বানবোৰে মোৰ মনত 'শব্দ আৰু আৰু শব্দ'ৰ ধ্বনি-প্ৰতিধ্বনিৰ ('words, words, words') কোলাহল তুলিছিল।

অভিধানৰ লগৰ আৰু এবিধ বস্তুৰ লগত হাট-বাট কৰিব লগীয়া হয় যেতিয়া অসম প্ৰকাশন পৰিষদে বিশ্বকোষ-প্ৰণয়নৰ আঁচনি তৰি লয়। এই কামটি সাহিত্য-সভাই কৰিব নে গুৱাহাটী বিশ্ববিদ্যালয়ে কৰিব, সেই লৈ বহুত জল্পনা-কল্পনা, টনা-আঁজোৰা চলিছিল। কিন্তু কামটোৰ বাবে পুঁজি যেতিয়া চৰকাৰৰপৰাই আহিব, চৰকাৰে শেহত্ত প্ৰকাশন পৰিষদৰ যোগেই কামটো কৰোৱা ভাল দেখিলে হ'বপায় আৰু পৰিষদৰ আঁচনিতে ধনৰ টোপোলাটি থ'লে। কিন্তু বিশ্বকোষ-প্ৰণেতা মূল কেন্দ্ৰীয় এজন মানুহে পূৰ্বতে ঠিক কৰি নোলোৱা বাবেই হওক বা আন কৰ্মপন্থাৰ অভাৱতে হওক, প্ৰকৃত কাম আৰম্ভ হোৱাতে বহুত কাল লাগি গ'ল। কামটো কিছুমান (সাহিত্য, বুৰঞ্জী, বিজ্ঞান আদি) ভাগত ভগাই একোজন সম্পাদকক একোটা ভাগৰ বিস্তৃত আঁচনি কৰিবলৈ দিয়া হৈছিল। মোৰ ভাগত পৰিছিল কলা বিভাগ (সংগীত, নৃত্য, চিত্ৰকলা আদি ললিত কলা)। আনবোৰ বিভাগত যেনেকৈ স্থানীয় লোকক লেখকৰ তালিকাত ধৰি (তেওঁলোকৰ লেখা কৰ্তৃত্বসম্পন্ন হ'বনে নহয়, সেইটোও বোধ হয় নাভাবি) আঁচনি কৰা হৈছিল, মোৰ বিভাগত সেইটো নকৰি ভাৰতৰ বছা বছা কলা সমালোচকক লেখক-ৰূপে ধৰি একোজন অনুবাদক লগে লগে দিয়া হৈছিল। কিন্তু শেহত সেই পৰিকল্পিত অনুবাদকসকলকে অনভিজ্ঞ হোৱা সত্ত্বেও লেখক-ৰূপে বৰণ কৰা হ'ল। সেই সময়তে মই (আৰু আন সম্পাদকসকলো লগতে) সম্পাদকৰ তালিকাৰপৰা সৰি পৰিলো। তথাপি আশা কৰিছোঁ, "অসমীয়া বিশ্বকোষ' প্ৰকৃত জ্ঞানকোষ হৈয়ে ওলাব।

বিশ্ববিদ্যালয় এখনৰ গৱেষণা-পত্ৰিকা এখনেই হওক বা অধিকেই হওক, সিহে বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক ৰূপৰ প্ৰকৃত মানদণ্ডৰ দৰে বাহিৰৰ বিদ্যা-জগতলৈ ওলাই যায়। আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰথম বছৰবোৰত তেনে পত্ৰিকা (The Journal of the University of Gauhati) এখনেই আছিল, কিন্তু তাকে পৰিপাটিকৈ সাৰ্থককৈ উলিয়াবৰ কাৰণে স্বয়ং উপাচাৰ্য সন্দিকৈয়ে কিমান যত্ন লৈছিল, সেই সময়ৰ সম্পাদনা সমিতিৰ সচিব ড' প্ৰফুল্লদত্ত গোস্বামীয়ে সাক্ষ্য দিব। সন্দিকৈয়ে ভাৰতৰ বিশ্ববিদ্যালয়বোৰ আৰু পৃথিৱীৰ অন্যত্ৰৰ শিৰফুটা বিদ্যা-কেন্দ্ৰৰ পত্ৰিকাৰ লগত আমাৰ আলোচনীখনৰ বিনিময়ৰ ব্যৱস্থাও ঠিক কৰি দিছিল। মই ১৯৫৮ চনত পত্ৰিকাখনৰ দায়িত্ব লোৱাৰ পাছৰপৰা দেখিলো, পত্ৰিকাখন উপাচাৰ্যৰ সেই মৰমৰপৰা বঞ্চিত হ'বলৈ ধৰিলে। ছপা পত্ৰিকাখন আনসকলৰ হাতত তুলি দিলেও শংগা-শুমুগা একো নকৰিছিল বা লুটিয়াই নাচাইছিল। ডক্টৰ সূৰ্যকুমাৰ ভূঞা ছাৰে কিন্তু দুই-এটি সমুচিত পৰামৰ্শ দিছিল। ১৯৭৪লৈকে মই আলোচনীখনৰ সম্পাদক আৰু সম্পাদনা সমিতিৰ সচিব থকাৰ পাছত ৭৫ৰপৰা ভবেন বৰুৱাক সম্পাদক কৰি মই মুখ্য সম্পাদক আৰু সমিতিৰ সভাপতি হৈছিলো। কিন্তু জাৰ্ণেলখন চাৰিওফালৰপৰা ইমান অনাদৰত পৰিছিল যে মই দুবছৰ দুবছৰকৈ জোৰাই ছপোৱা দুটা খণ্ড প্ৰকাশ কৰাতে সান্ত্বনা লভিছিলো। তাৰো শেহৰ খণ্ডটোৰ মুখ মই বিশ্ববিদ্যালয় এৰাৰ দুবছৰমানৰ পাছতহে দেখা পাইছিলো।

বিশ্ববিদ্যালয়ৰ বিভিন্ন কৰ্তৃত্বশীল অনুষ্ঠানবোৰৰ (authorities) সদস্য-ৰূপে থকাৰ মই সুযোগ পাইছিলো। ১৯৫১ৰপৰা কোৰ্ট সভাত বহিছিলো। অৱশ্যে প্ৰথম ছোৱাত ৰং চোৱাৰ বাহিৰে যোগদানৰ আন ফল নফলিছিল। একাডেমিক কাউন্সিলত প্ৰৱেশ কৰাৰ পিছত বিশেষকৈ ৬৪-৬৫ৰপৰা বিভাগীয় প্ৰধান-ৰূপে বিশ্ববিদ্যালয়ত বিদ্যা-ব্যৱস্থাৰ বিষয়ে চিন্তা কৰিব লাগিছিল। সেই কাউন্সিলৰপৰা নিৰ্বাচিত সদস্য-ৰূপে কাৰ্যপৰিষদত এছোৱা মাথোন কাম কৰিছিলো আৰু সেই অভিজ্ঞতাই মোৰ বাবে যথেষ্ট হ'ল বুলি ভাৱিছিলো। সেই প্ৰসংগত প্ৰশাসনীয় পুনৰ্গঠনৰ বাবে গঢ়ি দিয়া উপসমিতিত অলপ আগ ভাগ লৈ কাম কৰিছিলো। এহেলৈ অধিৱেশনবোৰত আলোচনা আৰু কথা পতাত যোগ দিয়াৰ বাহিৰে মোৰ লেখৰ কিবা কাম হৈছিল বুলি মনে নধৰে। বিভাগীয় কামখিনিত কিন্তু যিমান পাৰি চকু দিছিলো; বিভাগীয় পাঠ্য সমিতি (Committee of Courses and Studies) আৰু পৰামৰ্শ সমিতিৰ (Departmental Advisory Body) কামখিনি নিয়াৰিকৈ কৰিবৰ যত্ন কৰিছিলো আৰু বিশ্ববিদ্যালয়ৰ আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰস্তুতি সমিতি আৰু তাৰ উপসমিতিবোৰত উৎসাহেৰে যোগ দিছিলো। সেই সমিতিৰ কাৰণে "স্নাতকৰ কথাবন্ধ" আৰু "ব্ৰজবুলি-গীতি-গুচ্ছ" নামে দুখন কিতাপ সংকলন সম্পাদন কৰি দিছিলো। ১৯৭৪ৰপৰা তিনি বছৰ কাল কলাগুৰু (Dean of the Faculty of Arts) হৈ থকাত কেইটামান নিৰূপিত কাম কৰিবলৈ সক্ষম হৈছিলো। সংগীতৰ বি.এ. কোৰ্চৰ বাবে কি কৰিছিলো, আগতে আপোনালোকক কৈ আহিছো। বিশ্ববিদ্যালয়ে ফাৰ্চী (পাৰ্ছিয়ান) ভাষাৰ এম্.এ. শ্ৰেণী খুলিবলৈ ঠিক কৰি বিদ্যা-পৰিষদত যি পাঠ্যক্ৰম উত্থাপন কৰিছিল সেইখন কলাগুৰু-ৰূপে মোৰ যোগেদিহে যাব লাগিছিল; কিন্তু সভাস্থলত দেখিলো, সেইখন কলিকতা বিশ্ববিদ্যালয়ৰ পুৰণি পাঠ্যক্ৰমৰ অনুকৰণ মাত্ৰ; তদুপৰি অসমৰ লগত সম্বন্ধ থকা মধ্য যুগৰ ফাৰ্চী বুৰঞ্জী (chronicle) এখনো তাত থকা ভাল হ'লহেঁতেন। মোৰ আপত্তিত বিদ্যা-পৰিষদে পাঠ্যক্ৰমখন স্থগিত ৰাখি মোকে সেইখন ঠিক-ঠাক কৰিবলৈ দিলে। মই দিল্লীলৈ যাওঁতে দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ এছ.এ.এইচ. আবিদি আৰু ডক্টৰ এন.এ. আন্সাৰিৰে আলোচনা কৰি পাঠ্যক্ৰমখনৰ চূড়ান্ত ৰূপ দি লওঁ আৰু ড° আবিদিৰ পৰামৰ্শমতে ইৰাণৰ সাংস্কৃতিক ৰাজ-প্ৰতিনিধি অধ্যাপক মজতাবাইকো লগ ধৰি (৩১ জানুৱাৰী ১৯৭৬) সেই সম্পৰ্কে তেওঁৰে কথা পাতোঁ। প্ৰফেছৰ মজতাবায়ে গুৱাহাটী বিশ্ববিদ্যালয়ত ফাৰ্চী বিভাগ হ'লে গ্ৰন্থাগাৰৰ বাবে ইৰাণৰপৰা বুজন সংখ্যাৰ গ্ৰন্থ দি সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বিশ্ববিদ্যালয়ৰ বিদ্যা-পৰিষদে এই সকলো কথাৰ অভিলেখ ৰাখে কাৰ্যবিৱৰণিত। কিন্তু মই গুৱাহাটী এৰাৰ (১৯৭৮) পাছত ইৰাণ ৰাজদূতাবাসৰপৰা সুবিধাখিনি উলিয়াই ল'লেনে নাই, গম নাপাওঁ অথন। কলাগুৰু আৰু অসমীয়া বিভাগীয় প্ৰধান-ৰূপে আৰু এটি কাম আগগুৰি মাৰি কৰিছিলো—অসমীয়া পাঠ্যক্ৰমত পাঠ-সমীক্ষাৰ (Textual Criticism) এখন ঐচ্ছিক গৱেষণা-পত্ৰ সংযোগ কৰা। এই সময়তে বিভিন্ন স্মাৰক বক্তৃতালীৰ বাবে ডক্টৰ (শ্ৰীমতী) কপিলা বাৎস্যায়ন (১৯৭৬), ড° ভি. ৰাঘৱন (মাদ্ৰাজ) (১৯৭০) আৰু ফাদাৰ এডলফ এষ্টেলাৰক (বোম্বাই) (১৯৭৬) নিমন্ত্ৰণ কৰি আনিছিলো। উল্লেখযোগ্য যে এই কালছোৱাতে বাহিৰৰ অনেকজন প্ৰাচ্যতাত্ত্বিক পণ্ডিত আৰু ভাৰতীয় সংস্কৃতি-প্ৰেমী গুৱাহাটীলৈ আহিছিল— লণ্ডনৰ অধ্যাপক ভি কড্ৰিংটন (১৯৬৯); আমেৰিকাৰ যুক্তৰাজ্যৰ নাটক আৰু অভিনয়ৰ অধ্যাপক ফাৰ্লি ৰিচ্মণ্ড্ (১৯৭০, এওঁ দেশলৈ ঘূৰি গৈ অসমৰ ভাওনাৰ বিষয়ে এটা প্ৰবন্ধ লেখিছিল), ইটালীৰ শ্ৰীমতী ছিলোনে (১৯৭৬), কানাডাৰ টৰণ্টো বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক ড° এ. কে. ৱাৰ্ডাৰ (১৯৭৭) আদি।

বিশ্ববিদ্যালয়ৰ আৰম্ভণিতে শিক্ষকসকলৰ সমূহীয়া স্বাৰ্থৰ চিন্তা কৰোঁতে বিশেষ অনুষ্ঠান গঠন কৰা হোৱা নাছিল, যদিও তেনে চিন্তা লৈ আমি কৰ্তৃপক্ষৰ কাষ চাপিবৰ আৱশ্যক হৈছিল আৰু চাপিছিলোও। সময়ত বিশ্ববিদ্যালয় শিক্ষক-সন্থাৰ জন্ম হ'ল; কিন্তু প্ৰথম অৱস্থাত মই তাত সক্ৰিয় অংশ গ্ৰহণ কৰিব পৰা নাছিলো। সাহিত্য-সভাই মোৰ সকলো সময় শুহি লৈছিল। ৬৫ৰপৰা কিন্তু সন্থাৰ (GUTA) দায়িত্ব ল'ব লগীয়া হ'ল সহকৰ্মীসকলৰ কথাত। পোনতে দুবছৰ ক্ৰমে ড° জগদীশচন্দ্ৰ মেধি আৰু ড° হিতেন্দ্ৰকুমাৰ বৰুৱাক সভাপতি কৰি মই উপ-সভাপতি আছিলো নামত; কামত কিন্তু ময়ে সন্থা চলাব লাগিছিল; সভাপতি দুজনে মোৰ সকলো কাৰ্যতে 'হয়' দি গৈছিল। তাৰ পাছৰ দুবছৰ মূল সভাপতিৰ বাব ল'ব লগীয়া হৈছিল। তেতিয়া সন্থাটো মাথোন নিজৰ হক দাবী কৰা সঙ্ঘ নহৈ সি সাংস্কৃতিক দিশ এটাৰো উদ্গম কৰে, সেই চিন্তা কৰি অধ্যাপক এ.এল্. বাশ্বাম, দীনেশচন্দ্ৰ সৰকাৰ আদি গুৱাহাটীলৈ আহোঁতে সিসকলৰপৰা প্ৰাচ্যজ্ঞানৰ বক্তৃতা শুনিছিলো; মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহ, মহেন্দ্ৰমোহন চৌধুৰী, কেন্দ্ৰীয় মন্ত্ৰী বিপিনপাল দাস আদিক নিমন্ত্ৰণ কৰি ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে বক্তৃতা শুনিছিলো আৰু আমাৰ ভিতৰত নব্য ধাৰাৰ শিক্ষাৰ বিষয়ে আলোচনা-সত্ৰ (এপ্ৰিল ১৯৭৩) পাতি আলোচনাৰ কথাখিনি কিতাপ আকাৰে ধৰি ৰাখিছিলো, আৰু গুৱাহাটীৰ সঙ্গীত সত্ৰৰ (এই সত্ৰীয়া নৃত্য-গীতৰ অনুষ্ঠান আমি কেইজনমান গোট খাই গুৱাহাটীত পাতিছিলো; কিন্তু কৰ্মীৰ অভাৱ বা আলস্যত এই আৱশ্যকীয় শিক্ষানুষ্ঠানটিৰ কল-ঢোপ কল-ঢোপ কৰা অৱস্থা) প্ৰদৰ্শনৰ সহায় লৈ নিজে সত্ৰীয়া নৃত্যৰ বিষয়ে বক্তৃতা কৰিছিলো। মোৰ সতীৰ্থ-সহকৰ্মীসকলেও লগ পালে পিছে তেওঁলোকে সভাপতিৰূপে মোৰ প্ৰথম কাৰ্যকালৰ খণ্ডৰ বাৰ্ষিক অধিৱেশনৰ সভাপতিৰ অভিভাষণখনৰ কথাহে হাঁহিৰে সোঁৱৰে। মই তাত কোনো বিশেষ অনুষ্ঠান (body) বা ব্যক্তিৰ নাম নোলোৱাকৈ বিশ্ববিদ্যালয়ৰ (বৰং, বিশ্ববিদ্যালয়বোৰৰ) মূল ৰোগৰ কথা কৈছিলো। এডমাণ্ড বাৰ্কৰ বক্তৃতা মনত পেলাই কৈছিলো, A great institution and a small mind go ill together. কৈছিলো, বিশ্ববিদ্যালয়ত (বিশ্ববিদ্যালয়বোৰত) an academic understanding at the top is the most crying need of the hour; এনে এনে কথা। মোৰ বক্তৃতাৰ শেহত অপ্ৰত্যাশিতভাৱে সভা-ঘৰত দীঘলীয়া হাত-চাপৰি পৰিল। কিন্তু সিদিনাৰ মুখ্য অতিথিৰ মুখৰ ফালে দৃষ্টি কৰি হাত-চাপৰিৰ ৰোলটো হঠাৎ বন্ধ হৈ গ'ল। ল'ব নালাগিছিল যদিও অতিথিয়ে মোৰ বক্তব্যবোৰত অপৰাধ ল'লে, আৰু পূৰ্ণাঙ্গ অভিভাষণ নিদি বিদায়হে ল'লে। সদস্যসকলে একবাক্যে সৰ্বসম্মতিক্ৰমে মোক আৰু এক কাৰ্যকালৰ বাবে সন্থাৰ সভাপতি পাতিলে!

১৯১৭তে প্ৰতিষ্ঠাপিত কামৰূপ অনুসন্ধান সমিতিৰ আদি-বুৰঞ্জী গৌৰৱপূৰ্ণ— পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদ, মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, অধ্যাপক সূৰ্যকুমাৰ ভূঞা আদিৰে জড়িত। তৃতীয় দশকৰ অন্তৰ ফালে কনকলাল বৰুৱাই সমিতিৰে সম্পৰ্ক স্থাপন কৰি আৰু সমিতিৰ পত্ৰিকাখন (Journal of Assam Research Society) এহতীয়াকৈ চলাই সমিতিৰ

OKDISCD

জীৱনৰ দ্বিতীয় এটি গৌৰৱপূৰ্ণ স্তৰ নিৰ্মাণ কৰে। বৰুৱাদেৱৰ কামৰূপৰ প্ৰাচীন বুৰঞ্জীখনি আৰু অসম যাদুঘৰ (ৰাজ্যিক সংগ্ৰহালয়) একপ্ৰকাৰে কামৰূপ অনুসন্ধান সমিতিৰ উদ্যমৰ উপফল (by-product)। কিন্তু দ্বিতীয় মহাসমৰৰ আৰম্ভৰপৰা সমিতি কিছু ম্লান পৰিবলৈ ধৰে। গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ হোৱাত আমি যেতিয়া অলপ-অচৰপ গৱেষণাৰ কাম হাতত ল'বলৈ ধৰিলো, তেতিয়া সমিতিৰ জিম্মাত থকা সাঁচিপতীয়া পুথি আদি পোৱাত অলপ আহুকাল পাইছিলো। ডঃ কাকতি ছাৰৰ পৰামৰ্শত সেই দেখি সমিতিখনকে পুনঃসংগঠন কৰা হ'ল। আমিও তাৰ ভিতৰত সোমাই পৰিলো। তাত মোৰ এটা বিষয়-বাব হ'ল ধনভঁৰালী, যদিও ধনভঁৰালটো আছিল তেনেই শুকান, আৰু সমিতিৰ অংশকালীন চতুৰ্থ শ্ৰেণীৰ কৰ্মীৰ দৰমহা দিয়া আৰু সমিতিৰ জীৰ্ণ ঘৰটোৰ ভগা-ফুটা বঁটাৰ বাবে মাথোন অনুষ্টুপীয়া খৰচৰ কাম হৈছিল। আন দুই-এটা সৰু-সুৰা কামৰ ভিতৰত প্ৰতিষ্ঠাপক-সভাপতি-ৰূপে দুজনমান বন্ধু লগ লাগি পূব গুৱাহাটীত গুৱাহাটী কলেজ নাম দি এখন কলেজ কৰাটো এটা। ৬৯ৰ একেবাৰেই আৰম্ভতে বায়নৰ পঢ়াশালি নাম দি সত্ৰীয়া সংগীত-নৃত্যৰ এখন পঢ়াশালি আৰম্ভ কৰা হৈছিল। পাছত তাৰ নামান্তৰ হ'ল সংগীত-সত্ৰ। কিন্তু আজিও তাৰ 'ডলাৰ বগৰী-প্ৰায় ক'তো থান-থিতি নাই।' মাথোন জীউটো লৈ সি জীয়াই আছে। উপযুক্ত কৰ্মীৰ অভাৱত মনেৰে ভবা আদৰ্শত তাক গঢ়ি তুলিব পৰা নাই। নতুন দিল্লীত আন আন ৰাজ্যৰ অনুষ্ঠানৰ দৰে মোৰ পুৰণি ছাত্ৰ আৰু অসমৰ প্ৰাক্তন মন্ত্ৰী যোগেন্দ্ৰনাথ শইকীয়াই শংকৰদেৱ সংস্কৃতি কেন্দ্ৰ এটি খুলিবৰ চিন্তা কৰি মোকো তালৈকে টানিছিল (১৯৭৫)। কিন্তু সেই গুণী পুৰুষজনৰ অকাল বিয়োগৰ লগে লগে সেই আঁচনিও মিটাল মাৰিলে।

গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত অসম চৰকাৰৰ স্বতন্ত্ৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ প্ৰতিষ্ঠিত হোৱাত তাৰ লগত জড়িত হৈ পৰিছিলো। বিশেষকৈ বিভাগীয় সঞ্চালক-ৰূপ পোনতে বন্ধু সত্যপ্ৰসাদ বৰুৱা আৰু পাছত বিশেষ স্নেহাস্পদ ৰুদ্ৰ বৰুৱাই মোক তেওঁলোকৰ বিভিন্ন অনুষ্ঠানলৈ বেয়াকৈ টানিছিল। প্ৰথমজনৰ আমোলত বৰগীতৰ (১৩ আগষ্ট ৭২) আৰু সত্ৰীয়া নৃত্যৰ বিষয়ে (৮ জানুৱাৰী ৭৪) বিভাগৰ কল্যাণত দুটা সপ্ৰদৰ্শন একাডেমিক বক্তৃতা-আলোচনা কৰিছিলো। কৰি নিজৰে ভাল লাগিছিল আৰু জনা-বুজাসকলেও তাক সজ বুলিছিল। এদিন আকৌ ৰুদ্ৰই ফোনত ক'লে, "আজি আপোনালোকক আমি ৰাজধানীলৈ নিমন্ত্ৰণ কৰিছো। আপুনি পিছে আহিব নালাগে। আপোনাৰ গাড়ী গেৰেজত ভৰাই ঘৰতে বহি থাকিব। মই গৈছো।" তেওঁ আহিল আৰু মোক চৰকাৰী গাড়ীত তুলি লৈ গ'ল; কিয়, সেইটো হ'লে নক'লে। ৰাজধানী পাই মোক বুজালে যে নতুন জনতা ভৱনত আজি সেইখন প্ৰথম সভা (উদ্বোধনী সভা বুবুলিলে) বহিব; মই তাৰ সভাপতি হ'ব লাগিব; কোনো কাৰ্যসূচী নাই, মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহদেৱে তেওঁৰ বক্তব্যেৰে সভা আৰম্ভ কৰি দিব, পিছৰখিনি মই চলাই লৈ যাব লাগে। আলোচনা যি হ'ল, সি ঘাইকৈ সাহিত্যিকৰ সামাজিক দায়বদ্ধতাক কেন্দ্ৰ কৰিয়ে হ'ল। গীত-আবৃত্তি আদিও হ'ল। এবাৰ আকৌ মাঘ-বিহুৰ বতৰতে ৰুদ্ৰ বৰুৱাই লৈ গ'ল তেজপুৰলৈ, তাত আগৰৱালা বংশৰ ঘৰ "পকী" সেইদিনা চৰকাৰে এক উছৱত আনুষ্ঠানিকভাৱে অধিগ্ৰহণ কৰিলে; তাৰ সভাত মই সভাপতিগিৰি কৰিলো। সাংস্কৃতিক সঞ্চালকালয়ে বাহিৰৰ ওড়িষী, যক্ষগান আদিৰ দলৰ নৃত্য-প্ৰদৰ্শন আৰু আমাৰ পুতলা-নাচ, লোক-নৃত্য আদিৰ উছৰৰ সুন্দৰ আয়োজন কৰিছিল আৰু এবাৰ মণিপুৰলৈ আমাৰ নৃত্যৰ এটি দল লৈ গৈছিল আৰু মই দলৰ সহায়ত আমাৰ নৃত্যৰ বিষয়ে বক্তৃতা কৰিছিলোগৈ। মণিপুৰ কলা একাডেমিৰ নিমন্ত্ৰণত আন এক উপলক্ষ্যত মণিপুৰী শৈলীৰ বেলেৰ উছৱ আৰু আলোচনা-সত্ৰ উদ্বোধন কৰিছিলোগৈ। ভাৰত চৰকাৰৰ সাংস্কৃতিক দপ্তৰে এবাৰ (মাৰ্চ ১৯৭৬) বুলগাৰিয়াৰপৰা অহা এটা নৰ্তক-দলৰ নৃত্য-প্ৰদৰ্শনৰ আয়োজন কৰিবলৈ অনুৰোধ কৰে। তেওঁলোকৰ নাচ অতি নিপুণ আৰু অতি কলাসুলভ আছিল আৰু সেই উপলক্ষ্যটি সকলো দৰ্শকে প্ৰাণভৰি উপভোগ কৰিছিল। ইতিপূৰ্বে ভাৰত চৰকাৰৰ প্ৰতিনিধি-ৰূপে মই ৰাষ্ট্ৰীয় সংগীত নাটক অকাদমীৰ সাধাৰণ পৰিষদৰ আৰু সি সূত্ৰে কাৰ্যপালিকাৰ সদস্য আছিলো। ৬৯ৰ জুনত প্ৰাচ্যতত্ত্বৰ পণ্ডিত ডক্টৰ আৰ. এন্. দাণ্ডেকাৰৰ নিমন্ত্ৰণত পুণালৈ গৈছিলো পুণা বিশ্ববিদ্যালয়ে আয়োজন কৰা প্ৰাকৃত ভাষা-সাহিত্যৰ ছেমিনাৰত যোগ দিবলৈ। তাতে এটা অধিৱেশনত সভাপতি হৈছিলো আৰু ডক্টৰ বেণীমাধৱ বৰুৱা আৰু মোৰ ককাইদেউ ডিম্বেশ্বৰ নেওগৰ ধাৰাত 'কামৰূপী প্ৰাকৃত'ৰ অস্তিত্বৰ স্বীকৃতি দাবী কৰিছিলো। অসমখন ভাঙি পাৰ্বত্য ৰাজ্য এখন হ'ব লাগেনে, সেই প্ৰশ্নৰ বিচাৰ কৰিবলৈ অহা পাটাস্কাৰ আয়োগৰ বি. ভি. পাটাস্কাৰ তেতিয়া পুণা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। তেওঁক সাক্ষাৎ কৰিবলৈ যাওঁতে তেওঁ প্ৰথম প্ৰশ্ন কৰিছিল, "মোৰ প্ৰতিৱেদনত মইতো অসমত পাৰ্বত্য ৰাজ্য হোৱা অনুচিত-অকাৰণ বুলি কৈছিলো। তোমালোকে পাৰ্বত্য ৰাজ্য সাজিলা কিয়?" মই মাথোন ক'লো, "'ভাৰত-ভাগ্য-বিধাতা'সকলে যি বিধান কৰে, সেয়াহে বিধাতাৰ বিধান। আপোনাৰ কিন্তু কথায়োযে আমাক ৰাখিব নোৱাৰিলে!" অসম একাংক নাট সম্মিলনৰ বছৰেকীয়া অধিৱেশনৰ সভাপতি-ৰূপে (অক্টোবৰ ১৯৬৭),



পাটিয়ালাত শংকৰদেৱৰ তিথিত (অক্টোবৰ ১৯৭৫) আৰু গুৱাহাটী-কলিকতা ভুৱনেশ্বৰত পূব ভাৰতৰ সাংস্কৃতিক ঐক্যৰ সম্মিলনত আৰু আমাৰ নগাঁৱৰ কুঁজীডাহত নাট-সম্মিলন (ফেব্ৰুৱাৰী-মাৰ্চ ১৯৭১) আদি মেলে-মিটিঙে ঘূৰাটো মোৰ যেন 'মৰিলেও নেৰয় ধনঞ্জয় বায়ু।' ৭৪ৰ মেই মাহত সত্য সাই বাবাৰ বাংগালোৰৰ কেন্দ্ৰত আমাৰ ধৰ্মৰ বিষয়ে বক্তৃতা দিবৰো সুযোগ হৈছিল।

ইউনিয়ন পাবলিক ছাৰ্ভিছ কমিছনৰ পৰীক্ষাৰ বহী চোৱা আৰু ইণ্টাৰ্ভিউ (personality test) লোৱাৰ কামত সময়ে সময়ে লাগিবগৈ লগীয়া হৈছিল। মাজতে এবাৰ কমিছনে ঘোষণা কৰিলে যে আই. এ. এছ্ আদি লোক-সেৱাৰ বাবে হোৱা পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ সৰহভাগেই সেই পৰীক্ষাৰ প্ৰকৃত মানৰ ওচৰকে নাচাপে; গতিকে সেইবোৰ সেৱাৰ বাবে পতা প্ৰতিযোগিতামূলক পৰীক্ষাটো দুটা খণ্ডত পতা হ'ব, যাতে প্ৰথম বাছনিতে অবাৎচন্দসকলক চালিজাৰি আঁতৰাই পেলাব পাৰি। মই সেই সময়ত কমিছনৰ প্ৰাথমিক পৰীক্ষাৰ পাঠ্যক্ৰম যুগুত কৰাত লাগি দিব লগীয়া হৈছিল। ১৯৪৪ চনতে এটি অতি সম্ভ্ৰান্ত পৰিয়ালৰ এগৰাকী বিজ্ঞ লোক শান্তিপ্ৰসাদ জৈনে ভাৰতীয় জ্ঞানপীঠ নামে 'এটি গৱেষণা আৰু সাংস্কৃতিক অনুষ্ঠান' প্ৰতিষ্ঠা কৰে সংস্কৃত, প্ৰাকৃত, তামিল, কন্নড় আদি ভাষাৰ প্ৰাচীন পুথি প্ৰকাশ কৰিবৰ কাৰণে। জ্ঞানপীঠে ১৯৬১ৰপৰা ভাৰতীয় আধুনিক ভাষা-সমূহক প্ৰেৰণা যোগাবলৈ এক লাখ টকাৰ এটি বছৰেকীয়া বঁটা দিবলৈ সিদ্ধান্ত কৰে। এই উদ্দেশ্যে যিখন এঘাৰজনীয়া গ্ৰন্থ-নিৰ্বাচন সমিতি গঠিত হয়, সেইখনিত ৭৬ৰপৰা এটি কাৰ্য-কাল মোক সদস্য কৰা হৈছিল। সমিতিৰ সভাপতি অধ্যাপক ভি. কে. গোকক, সদস্য ডঃ নীহাৰৰঞ্জন ৰায় আদিৰ সংগত বহি সমস্ত ভাৰতীয় সাহিত্যৰ দিক্-চক্ৰৱাল অধ্যয়ন কৰাৰ সুযোগ ঘটিল।

আমাৰ নিজৰ ঘৰুৱা সাহিত্য-সংস্কৃতিৰ জগতখনলৈও এই কালছোৱাত যি পাৰোঁ অৰিহণা যোগাবৰ বাবে যত্ন নকৰাকৈ নাছিলো। মোৰ ডক্টৰেটৰ থিছিছখন Sankaradeva and His Times : Early History of the Vaisnava Faith and Movement in Assam গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬৬ত প্ৰকাশ কৰে। ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়, ডঃ বাসুদেৱ শৰণ অগ্ৰৱাল, অধ্যাপক নীলকণ্ঠ শাস্ত্ৰী, ডঃ সুশীল কুমাৰ দে, ডঃ দীনেশচন্দ্ৰ সৰকাৰ আদি পণ্ডিতসকলে সমালোচনাত আশিষহে বৰ্ষণ কৰিলে। পোনতে Journal of the University of Gauhati ৰ পাতত উলিয়াই পিছত কিতাপ আকাৰে উলিয়ালো দুখনমান পুথি— Bilvamangala : Krisnastotra (এইখন আগতে ১৯৬২তে ওলায়); Assamese Drama and Theatre (৬২ৰ এপ্ৰিলতে National School of Drama and Asian Theatre Centreঅৰ বক্তৃতাৱলী), ১৯৭৫; The Harismriti-sudhankura of Raghunandana (of Gauda), ১৯৭৭। নতুন দিল্লীৰ সাহিত্য অকাদেমীয়ে সিসকলৰ Makers of Indian Literature ছিৰিজত আনন্দৰাম ঢেকিয়াল ফুকনৰ বিষয়ে এখন কিতাপ লেখিবলৈ দিছিল। সেইখন লেখাৰ সময়তে ঢেকিয়াল ফুকনৰ ছদ্মনামত প্ৰকাশিত A Few Remarks on Assamese Language and on Vernacular Education in Assam আৰু তেওঁ মফাট মিল্‌ছ ছাহাবৰ ওচৰত দাখিল কৰা প্ৰশাসন-সম্পৰ্কীয় Memorandumখন একেলগ কৰি অসম সাহিত্য-সভাক এখন কিতাপ লেখি দিলো Anandaram Dhekiyal Phukan : Plea for Assam and the Assamese, ১৯৭৬। সাহিত্য অকাদমীয়ে MIL ছিৰিজৰ বাবেই Baptist Writers of Assam নামে আৰু এখন পুথি লেখিবলৈ দিছিল; কিন্তু সেই ছিৰিজত লেখকৰ এটা থুলৰ বিষয়ে কিতাপ কৰা নিয়ম হোৱা নাই বাবে পাছত সেই অৰ্ডাৰ পৰিৱৰ্তন কৰি পেলালে। এই সময়ৰ মোৰ দুখন ৰাইজৰ সমাদৃত কিতাপ "প্ৰাচ্য-শাসনাৱলী" আৰু "সত্ৰীয়া নৃত্য" (এইখনৰ স্বতন্ত্ৰ ৰূপতকৈও কেশৱ চাংকাকতীৰে যুটীয়াকৈ প্ৰস্তুত কৰা "সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল"খনহে এতিয়া পাঠকৰ পৰিচিত) ১৯৭৪। মই এপিগ্ৰাফিষ্ট বা ৰাজ-শাসনবিদ নহওঁ। কিন্তু ১৯৬৪ চনত কামাখ্যা-ধামত এখন সভাত যোগ দিবলৈ যাওঁতে তাৰ প্ৰদৰ্শনীত মাধৱদেৱ নামে এজন অজ্ঞাত কামৰূপ-ৰাজৰ এখন বিৰল প্ৰকৃতিৰ অনুশাসন পাই তাৰ অধ্যয়নত লাগোঁ। তাৰ পাঠ গুৱাহাটী বিশ্ববিদ্যালয়ৰ জাৰ্নেলত আৰু হোশিয়াৰপুৰৰ Vishveshvaranand Research Journalঅত প্ৰকাশ কৰোঁ। তদুপৰি প্ৰসিদ্ধ এপিগ্ৰাফিষ্ট ডক্টৰ দীনেশচন্দ্ৰ সৰকাৰেও মোৰ পাঠৰ ভিত্তিত তেওঁৰ পৰিকল্পিত পাঠ Journal of Ancient Indian Historyত উলিয়ায়। অসমৰ নিপুণ এপিগ্ৰাফিষ্ট প্ৰেমধৰ চৌধুৰীদেৱে আকৌ ডিব্ৰুগড়ৰ ওচৰৰ লেপেটকটা চাহবাগিচাৰ মাটিৰ তলত পোৱা ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনৰ তামৰ ফলি এখন (প্ৰাচ্যশাসনাৱলী, ফলি সংখ্যা ১৫) মোলৈ পাঠ-উদ্ধাৰৰ বাবে পঠিয়ায়। এই সময়তে এইদৰে মোৰ শাসন-অধ্যয়নত ৰাপ বহে আৰু কামৰূপ অনুসন্ধান সমিতিয়ে এখন বহী কৰি সংৰক্ষণ কৰা ফলি আদিৰ পাঠবোৰ আৰু অসমৰ পুৰণি আলোচনীত প্ৰকাশিত তেনে পাঠবোৰ (যদিও সিবোৰ সমীক্ষা-ভিত্তিক নাছিল) সংগ্ৰহ কৰিবলৈ লাগি যাওঁ। তাৰে ফল (ফলশ্ৰুতি নহয়) "প্ৰাচ্য-শাসনাৱলী", যিখনৰ উদ্বোধনৰ বেলা (৮ জানুৱাৰী ১৯৭৪) কঠোৰ সমালোচনা কৰি ডক্টৰ সৰকাৰে মোক ভাৰতীয় এপিগ্ৰাফিষ্ট-



OKDISCD

সকলৰ মাজত চতুৰ্থ স্থানত (কেনেকৈ তেওঁহে জানে, মই হ'লে কোনো থানৰে অভিলাষী নহয়) ধৰিছিল। একেদিনাই ৰাজ্যপাল লালনপ্ৰসাদ সিংহই পাত মুকলি কৰা আনখন পুথি "সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল"খন আকৌ আন্ধাৰ 'গলি'য়েদি আহিব লগীয়া হৈছিল; এজনে তাৰ সোঁৱৰণী চাই কৈছিল বোলে, সেইখন ওলালে তৰ্ক-বিতৰ্ক-সংগ্ৰামৰ অন্ত নহ'ব, কোনেও সেই-খন হাতেৰে নুছুব। পিছে ৮ জানুৱাৰীত ওলোৱা কিতাপ জানুৱাৰীৰ ভিতৰতে থপিয়া-থপিকৈ কিনে তাই শেষ কৰিলে আৰু প্ৰকাশক প্ৰকাশন পৰিষদে ২৮ মাৰ্চত দ্বিতীয় সংস্কৰণ যুগুত কৰিবলৈ ঠিক কৰি মোলৈ চিঠি দিলে। অসমৰ মানুহে কিতাপ নপঢ়ে, কিতাপ নিকিনে, আৰু ভাল বস্তু একণ পালে নাক কোঁচায়, এনে কেতিয়াও নহয়। কিতাপ লেখা আৰু কিতাপ সমালোচনা কৰাসকলৰ শুভবুদ্ধি থাকিলেই হয়।

[আগলৈ]


প্ৰকাশ পালে

অসমা- কেশৰী অম্বিকাগিৰী ৰায়-চৌধুৰীৰ জীৱন আধাৰিত অসামান্য উপন্যাস

উল্কাৰ পোহৰ

লেখক—কুমুদ গোস্বামী

ৰূমী ৰূপক এণ্টাৰ প্ৰাইজ

নতুন বজাৰ : নগাঁও



প্ৰকাশ পালে! প্ৰকাশ পালে!!




শ্ৰীমদ্ভগৱদ্গীতা'ৰ অসংখ্য অনুবাদৰ এক অনন্য ব্যতিক্ৰম—মূলৰ প্ৰতিটো শ্লোকৰ স্বতন্ত্ৰ্য অসমীয়া কবিতা ভাঙনি। সংস্কৃত শ্লোকবোৰৰ যেনেকৈ আপোনা আপুনি মুখস্থ হৈ পৰে, অসমীয়া স্তৱক সমূহো তেনেকৈ শব্দ সংগীতৰ স্বচ্ছন্দ গতিৰে আপোনা আপুনি আবৃত্তিৰ উপকৰণ হৈ পৰিছে। লগত আছে প্ৰায় ৫০ পৃষ্ঠা জোৰা পাণ্ডিত্যপূৰ্ণ তথ্যবহুল এখন ভূমিকা আৰু প্ৰায় ৬০ পৃষ্ঠা জোৰা এখন বেঙুনি—টীকা ভাষ্য নহয়, য'ত আছে দেশ-বিদেশৰ সমান্তৰাল কবিতা পংক্তিৰ উধৃতি আৰু ভাব বস্তুৰ ওপৰত নতুন ধৰণৰ আলোকপাত। তদুপৰি আছে, মূল সংস্কৃত গ্ৰন্থৰ সংযোজন।

দ্বিতীয় মহাযুদ্ধৰ পটভূমিত মানৱীয় দ্বন্দ আৰু প্ৰেমৰ ভিত্তিত ৰচিত ক্লাচিকধৰ্মী এখনি সুবৃহৎ উপন্যাস।

চৈয়দ আব্দুল মালিক

ৰাতিৰ কবিতা

ধ্ৰুৱজ্যোতি বৰা

লোহা



অসমৰ লোহাশিল্প আৰু লো কাৰিগৰ সকলৰ জীৱনৰ পটভূমিত অসম ইতিহাসৰ সৰ্বপ্ৰথম গণ অভ্যুথানৰ উত্তৰকালৰ এক অজ্ঞাত অধ্যায়ৰ কৰুণ আৰু মৰ্মস্পৰ্শী কাহিনীৰ এক নতুন সুৱীয়া উপন্যাস।

জুয়ে পোৰা সোণ

চিদানন্দ শইকীয়া



জীৱন-ভিত্তিক উপন্যাস অসমীয়াত নায়েই বুলি ক'লে বঢ়াই কোৱা নহয়। স্বাধীনতাৰ অক্লান্ত সংগ্ৰামী, অসমৰ প্ৰথম প্ৰগতিবাদী কবি অসমৰ অবিভক্ত ভাৰতৰ কমিউনিষ্ট পাৰ্টি'ৰ অন্যতম প্ৰতিষ্ঠাতা, এজন মহান বিপ্লৱীৰ জীৱনৰ আধাৰত ৰচিত এখনি অসামান্য উপন্যাস।

ৰত্নাকৰ

নতুন আঙ্গিকত নৰকান্ত বৰুৱাই ৰচনা কৰিছে ৰাৱণ আৰু সম্ৰাটৰ পৰিপূৰক কাব্য।

সদ্য প্ৰকাশিত অন্যান্য কিতাপসমূহ

১। কেৱল প্ৰেমেৰেই যদি (উপন্যাস) : মালিক—৭.০০
২। মৌ ভিমৰুৰ কোঁহ (উপন্যাস) : মালিক—৭.০০
৩। ভোগদৈ বালিৰ জোনাক (উপন্যাস) : প্ৰফুল্ল চন্দ্ৰ বৰা—৭.০০
৪। অ-পদাৰ্থ (বিজ্ঞান ভিত্তিক উপন্যাস) : নৰকান্ত বৰুৱা ৭.০০
৫। দিন প্ৰতিদিন (উপন্যাস) : নিৰুপমা বৰগোহাঞি—৭.০০
৬। দলিল (কবিতা) : জেদি দত্ত—৬.০০
৭। প্ৰেম চন্দৰ শ্ৰেষ্ঠ গল্প : ইন্দিৰা দত্ত—১২.০০

অন্যান্য কিতাপসমূহ

১। শিকলি (উপন্যাস) : পোলেম বৰকটকী—১৪.০০
২। ক্লান্ত পথীৰ কাকলি (উপন্যাস) : দুলাল বৰদলৈ—৫.৫০
৩। নৰজাতক : চিদানন্দ শইকীয়া—৬.০০
৪। সাহিত্য উপক্ৰমণিকা : ড° মহেন্দ্ৰ বৰা—২২.০০
৫। ভাৰতীয় ভাষাৰ পৰিচয় : ড° নগেন ঠাকুৰ—১০.০০
৬। অম্বেষা : ড° শিৱনাথ বৰ্মন—১২.০০
৭। ৰাজনীতিজ্ঞ : কীৰ্তিচন্দ্ৰ বৰবৰুৱা—৮.০০

ষ্টুডেণ্টচ্ ষ্ট'ৰচ

কলেজ হোষ্টেল ৰোড, গুৱাহাটী-৭৮১০০১








# এনাজৰী

যোগেশ দাস

## পাঁচ

দুদিনমান ধৰি পলাশ দত্ত জ্বৰত পৰি আছে। গেৰেজৰ কাম মকবুল-হঁতেই চলাই আছে। কাণ হাজৰিকা আৰু অনিল মহন্ত আছেই। গাড়ী দৌৰাবলৈ বেন্দাংতো আছেই। কিবা টেবলেট এটা আনিবলৈ হ'লেও বেন্দা-ঙেই গেৰেজৰপৰা কিবা এখন লৈ ওলাই যায়। প্ৰকৃতপক্ষে দত্তই ফাৰ্মে-ছিৰপৰা তাৰ হতুৱাই কিবাকিবি ঔষধ অনায়েই খাই আছে। পিছে ঔষধে কাম দিয়া নাই। সুশীলাৰ চিন্তা হৈছে। দত্তই গেৰেজৰপৰা ইটো-সিটোক ঘৰলৈ মতাই আমি দিহা-পোহা দি আছে। আজিও অলপ আগতে তেনেকৈ মক-বুল ওলাই গ'ল। মকবুল যোৱালৈহে সুশীলা বৈ আছিল।

ধুমুহাৰ দৰে ককাইদেৰেকৰ ওচৰলৈ আহি সুশীলাই অভিমানেৰে কবলৈ ধৰিলে, "এনেকৈ থাকিলেতো নহ'ব ককাইদেউ। আজিও জ্বৰতো এৰা নাই —তিন দিনেই হ'ল। নিজে বাছি বাছি টেবলেট সোপা খাই থাকিলেই নহ'ব। ডাক্তৰ মাতোঁ বুলি কলোঁ, তুমি খং কৰিলা। তুমি নকলে মই ডা° বৰাক খবৰ দিবও নোৱাৰোঁ। নহলে মই চুভী বাইদেউলৈকে খবৰ দি পঠাওঁ; —মোক তুমি একো এটা কৰিবলৈকে নিদিয়া ?"

জ্বৰৰ কষ্টৰ মাজতো দত্তই সামান্য হাঁহিলে। সুশীলাক ওচৰলৈ মাতিলে। তেওঁ অহাত বিছনাতে বহিবলৈ দিলে।

দত্তৰ কোঠাটো প্ৰায় উকা। বিছনা-খন অৱশ্যে আহল বহল। আন আচ-বাব বৰ বেছি একো নাই। দুটা ডাঙৰ ডাঙৰ কাঠৰ পুৰণা আলমাৰি— তাৰে এটাত পুৰণা কাগজপত্ৰ, যন্ত্ৰপাতি, কাপোৰকানি, কিতাপ, হিয়াৰ সৰু-কালৰ ফ্ৰক, পেনী, পুতলা আদি কি যে নাই! ইটো এটা ওৱাৰ্ডৰ। ছিলি-ঙৰ সোঁমাজতে এটা ৪০ ৱাটৰ বাল্ব। বিছনাৰ ওচৰতে এখন সৰু মেজতো এটা টেবুল লেম্প। বেৰবোৰত ছবি বা কেলেণ্ডাৰ একো নাই। কোঠাটো আন্ধাৰেই বুলিব পাৰি। দত্তই টেবুল-লেম্প জ্বলায়েই পঢ়ে— বিছনাতে শুই শুই। সুশীলাই অৱশ্যে নিজ হাতেৰে যিমান পাৰে এই কোঠাটো পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰাখে। মাত্ৰ ককায়েকৰ অনুমতি নথকা কাৰণে ইয়াক বৰ্তমান-তকৈ উন্নত, উজ্জ্বল আৰু উৎফুল্ল কৰি তুলিব পৰা নাই।

সুশীলা আহি বিছনাতে বহিলত তেওঁৰ কান্ধত অৱশ হাত এখন থৈ দত্তই কলে, "চুড়ীক নামাতিবি পাগলী। ডাক্তৰ মতাৰ কথা বাৰু ভাবি চাওঁ। আজিৰ দিনটো বাট চা। মোৰ জ্বৰ বেমাৰ কিবা নহবইনে? মানুহৰ শৰীৰহে? আৰু এনেকুৱা জ্বৰ-চৰ চোন মোৰ হৈয়ে থাকে। আগে-পিছে পিল-চিল কিবা এটা গিলি গেৰেজলৈ ওলাই যাওঁ— গধূলিৰ পিনে চব ঠিক হৈ যায়। এই বাৰো ভাল হৈ যাব। তই চিন্তা নকৰিবি— তোৰ আৰু' চিন্তাটো বেছি!"

—"কথা বেচিকৈ নকবাচোন", সুশী-লাই দত্তৰ চুলি কেইডালমান কপালৰ পৰা আঁতৰাই দি কলে,— "তেনেকৈ যে কৈছা, মোৰ বাহিৰে তোমাৰ চিন্তা কৰিবলৈ আৰু কোন আছে?"

দত্তই কৰুণ হাঁহি এটা মাৰি কলে, "অৱশ্যে হয়। ঈশ্বৰে কিজানি জানি-শুনিয়েই তোক মোৰ ভনী কৰি পঠাই দিছিল। তোৰ ভাল কৰিব পাৰিছোঁ নে নাই নাজানো আই, কিন্তু নিজৰ ক্ষুদ্ৰ বিবেকেৰে যি পাৰোঁ কৰিছোঁ। ভাগ্যে জোচেফৰ নিচিনা মানুহৰ লগৰ মানুহ এটাক পাইছিলোঁ— ফাদাৰেও মোক বৰ মৰম কৰিছিল— জোচেফ আজি নাই— নহলে—"

"ককাইদেউ," সুশীলাই আকৌ বাধা দিলে,— "সেইবোৰ আজি কেলৈ? জোচেফক বচাবলৈ তুমিতো কমখিনি কৰা নাছিলা। —তাৰ কাৰণে মই চিৰজীৱন কৃতজ্ঞ, —কিন্তু অকল সেয়ে নহয়, তুমি সকৰেপৰাই মোৰ এজন সঁচা দাদা— কিন্তু আজিনো সেইবোৰ উলিয়াব লাগে কেলৈ? তুমি কথা

কমকৈ কলেই ভাল।"

কিন্তু পলাশ দত্তই শুনিলে। জোচেফ এণ্টনিৰ প্ৰসংগ ওলাইছে যেতিয়া তেওঁ পুৰণা কথা উলিয়াবলৈ বেছি ইচ্ছাহে কৰিলে। তেওঁৰ অনুমান হ'ল— যদিও সুশীলাই আজি সেই-বোৰ নালাগে বুলি বাধা দিছে তথাপি তেওঁও যেন পুৰণা কথাবোৰ শুনিবলৈ বেয়া পোৱা নাই। সেই বাবে দত্তই দুই-এটা ঘটনাৰ স্মৃতি ৰোমন্থন কৰি আৰু সৰহভাগ সময় মনে মনেই পুৰণা কথাবোৰ কল্পনা কৰি অতীতলৈ উভতি চালে। ওচৰতে বহি থাকি সুশীলায়ো দুই-এটা প্ৰসংগ মনত পেলাই দি সহায়হে কৰিলে। দুয়োৰে অতীত ৰোমন্থনৰ ফল স্বৰূপে এই শুকান, আন্ধাৰ, নিষ্প্ৰাণ কোঠাটো অন্য এখন জগতলৈ ৰূপান্তৰিত হৈ গ'ল।

জোচেফ এণ্টনি মিছন হাই স্কুলৰ হেডমাষ্টৰ হবৰ বৰ বেছি দিন হোৱা নাছিল। এনেতে এদিন জীপত উঠি ক'ৰবালৈ যাওঁতে দুৰ্ঘটনাত পৰি তেওঁ বৰ বেয়াকৈ আহত হ'ল। জীপখন জোচেফেই চলাইছিল। আগফালৰপৰা অহা ট্ৰাক এখনে খুন্দা মাৰি দিয়াত জীপখন দলঙৰ পকা খুটাত লাগি উফৰি তলত পৰিলগৈ। জোচেফ আৰু আন জন আৰোহী খুন্দা-খুন্দলি খাই বহুত দূৰত পৰিলগৈ। আধা মৰা অৱস্থাত দুইজনকে তুলি নি অলপ আঁতৰতে থকা মিলিটেৰি হস্পিটেললৈ লৈ যোৱা হ'ল।

খবৰ পাই গাড়ী লৈ পলাশ দত্ত হস্পিটেল পালেগৈ। সুশীলা আগতে গৈ পাইছিল; —দত্তক পাই বুকুত সোমাই "ককাইদেউ মই মৰিলোঁ" বুলি হুৰাওৱাৰে কান্দিবলৈ ধৰিলে। অকমানি আগনেছে মাকৰ আঁচলত ধৰি মা মাকৈ কান্দি আছিল। কেচুৱা আলবাৰ্টক কোনোবা ছিষ্টাৰ এজনীয়ে আঁতৰত লৈ আছিল।

দত্তই অনেক দৌৰাদৌৰি কৰিলে। মিলিটেৰি হস্পিটেলখনৰ বিখ্যাত ছাৰ্জন কৰ্ণেল দুৰাইস্বামীক লগ ধৰি কাতৰ মিনতি জনালে যেন কৰ্ণেলে নিজেই কেছটো চায়, যেন দৰকাৰ পৰিলে কৰ্ণেলেই অপৰেশ্যনো কৰে। ডাঃ দুৰাই-স্বামীক দত্তই আগৰেপৰা জানে; —ব্যৱসায়ক সম্পৰ্কত বছৰাৰেই দেখা-দেখি কথাবতৰা হৈছে। কৰ্ণেলে আশ্বাস দিলে যে তেওঁৰ হাতত থকা ক্ষমতাৰে তেওঁ সকলো চেষ্টা কৰিব। কিন্তু কেছটো বৰ ভাল নহয়। তাতে জোচেফৰ গ্ৰুপৰ তেজ দুষ্প্ৰাপ্য, অথচ আজি তেজ নহলেই নচলে। দত্তই গাড়ী দৌৰালে। চহৰৰ হস্পিটেলবিলাক ঘূৰিলে। গ্ৰুপৰ মানুহ বিচাৰিলে।

কিন্তু সকলো চেষ্টা ব্যৰ্থ হ'ল। জোচেফক বচাব পৰা নগ'ল। জ্ঞান ফিৰাই নোপোৱাকৈয়ে তেওঁ মাজ নিশা শেষ নিশ্বাস পেলালে। ইজন আহত মানুহ কিন্তু আচৰিত ৰকমে বাচি গ'ল। শেষ খবৰটো পাই দত্তই কপাল ভুকুৱাই কৈ পেলালে, "হে ঈশ্বৰ! ইজন নেবাছক বুলি নকওঁ; কিন্তু জোচেফকনো বচাই নিদিলা কিয়?"

পলাশ দত্তই সুশীলাহঁতক চম্ভালিব লগা হ'ল। মিছন কম্পাউণ্ডৰ একাষতে এটা সৰু কোৱাৰ্টাৰত এণ্টনি পৰিয়ালৰ ঘৰ। সুশীলাহঁতক তেওঁ তালৈকে লৈ গ'ল। তেওঁও ৰাতিটো তাতে থাকিল। সুশীলাক এৰি আহিব নোৱাৰিলে। মৃতকক সমাধিস্থ কৰাৰ সকলো আয়ো-জন মিছন আৰু স্কুলৰ সহকৰ্মীসকলেই কৰিলে। মিছনৰে দুগৰাকী বিদেশী ভিক্ষুণীয়ে (তেওঁলোক স্কুলৰ শিক্ষয়িত্ৰীও) আগনেছ আৰু আলবাৰ্টৰ ভাৰ লৈছিল। নহলে দত্তই তিনিওকে চম্ভালা টানেই হ'লহেঁতেন। কিন্তু কথাপি তেওঁ সুশী-লাক সান্ত্বনা দিবলৈ কথাকে বিচাৰি পোৱা নাছিল।

বিছনাত উবুৰি খাই পৰি সুশীলাই বৈ বৈ কান্দিলে। দত্তই এবাৰ তেওঁৰ ওচৰতে বহি থাকি, এবাৰ বাহিৰৰ কোঠাটোলৈ বা একেবাৰে বাহিৰলৈ ওলাই গৈ ছিগাৰেট খাই খাই ৰাতিটো কটাই দিলে।

কন্দাৰ মাজতে একোবাৰ সুশীলা শান্ত হৈ পৰে। হয়তো ভাগৰতে। নাইবা অন্যমনস্ক হৈ পৰি। নহলে ভৱিষ্যতৰ কথা চিন্তা কৰি। একোবাৰ দত্তই ওচৰতে বহি সান্ত্বনা দিবলৈ চেষ্টা কৰে, "জোচেফটো বৰ ভাল মানুহ আছিল অ'। কেৰালাৰ মানুহ— অস-মৰ লগত কেৰালাৰ বহুত বিষয়ত মিল দেখি বৰ বং পাইছিল। নানান বস্তু, কাপোৰ-চাপোৰ, তিৰোতা মানুহ আদিৰ তুলনা কৰি ভাল পাইছিল। কি সলসলীয়াকৈ অসমীয়া শিকি লৈছিল —মোৰ মুখতো ইমান সুন্দৰ অসমীয়া নোলায়। কাৰ হতুৱাই জানো বাইবেলৰ বিষয় লৈ কিছুমান অসমীয়া গান লিখাই লৈছিল নহয়— সুৰ দি ৰেকৰ্ড কৰো-ৱাৰ কথা ভাবিছিল। বেচেৰাই কামটো কৰি যাবলৈ নাপালে। তই অসমীয়া ছোৱালী—তোৰ প্ৰতি তাৰ মৰমটো প্ৰথমৰে পৰা হৈছিল অ'— মই মন কৰিছিলোঁ। বোধকৰোঁ সেই কাৰণেই... ... ...।"

সুশীলাৰ কান্দোন আকৌ উথলি উঠাত দত্তই কথা বন্ধ কৰি দিয়ে। অপৰাধবোধত ভোগে যে হয়তো এনেকুৱা কথা আজিৰ দিনত কোৱা উচিত নহয়।

একোবাৰ কান্দোন বন্ধ কৰি সুশীলাই নিজেই কবলৈ ধৰে, "ময়েই দুৰ্ভগীয়া ককাইদেউ। মোৰ ওপৰত নিশ্চয় ঈশ্বৰৰ অভিশাপ আছে। নহলে তোমালোকৰ নিচিনা ভাল মানুহৰ সংগ লাভ কৰিও কিয় মোৰ সুখ নহ'ল? বামুনৰ ঘৰৰ বিধবা— তাতে বদনামী— হক মিছা বদনাম— তথাপি সৰুৰেপৰা পাই অহা কাৰণে তুমি উদ্ধাৰ কৰিলা। মিছনত আশ্ৰয় পালোঁ—সংসাৰখন দেখিলোঁ—ইয়াতে জোচেফকো পালোঁ। কিন্তু মই কাকো সুখ দিব নোৱাৰিলোঁ। নিশ্চয় মোৰ জীৱনটোৱেই অভিশপ্ত।"

"তেনেকৈ কিয় কৈছ?" দত্তই বাধা দিয়ে, "সেইবিলাক মানুহে মানুহৰ মনত সুমুৱাই দিয়া কিছুমান ভুল ধাৰণা। এক্সিডেণ্ট হোৱাটোনো কি আচৰিত কথা? আৰু চা তোৰ জীৱনৰ আগৰ ছোৱা কিছুমান মানু-হৰেই সৃষ্টি নহয় জানো? এইবিলাক পৃথিৱীত হৈয়ে আছে। আমি মাত্ৰ তাৰ আচল অৰ্থটো উলিয়াই লব লাগে। জোচেফ সুখী নাছিল বুলি কোনে কয়? মই ভালদৰেই জানো তোক পাই সি খুব সন্তুষ্ট হৈছিল।"

সুশীলাই আকৌ ৰাউচি জুৰি কান্দিবলৈ আৰম্ভ কৰিলে। দত্ত গতিকে আকৌ মমে মনে থাকিল। কান্দি কান্দি ভাগৰি পৰিলত এসময়ত সুশীলা নিৰৱ হৈ গৈছিল। তেওঁ সেই ভাজেই টোপনি গৈছিল। ৰাতি পুৱাবলৈ তেতিয়া এঘণ্টামানহে আছিলগৈ।

দত্ত বাহিৰলৈ ওলাই আহিল— একেবাৰে বাৰান্দালৈ। তেতিয়াও পুহৰি হোৱা নাই। তেওঁ বেতৰ চকি এখনতে বহি পৰিল। তেওঁৰ মনটো গভীৰ হৈ গৈছিল। দুখতেই নে কিহৰ বাবে তেওঁ কব পৰা নাছিল। কিন্তু জীৱন-মৰণৰ ৰহস্যই তেওঁক চিন্তান্বিত কৰি তুলিছিল। কি আছে এই ৰহস্যৰ মাজত? কি ইয়াৰ তাৎপৰ্য? মানুহতো মৰিবই। আফ্ৰিকাৰ অৰণ্যত হেনো হাতীয়ে সময় হলে মৃত্যু বৰণ কৰিবলৈ একোঠাইলৈ গুচি যায়। তেনেহলে মৃত্যুত কিয় এই দুখ? মৃত্যু হ'লে বোলে স্বৰ্গলাভ হয়। স্বৰ্গৰ নিচিনা ঠাই আৰু নাই। তথাপি মানুহে কিয় আপোনজন স্বৰ্গলৈ গলে বেজাৰ পায়? আচলতে জীয়া মানুহ খুব স্বাৰ্থপৰ কাৰণে? সি নিজৰ সুখ-দুখৰ কথাহে চিন্তা কৰে কাৰণেই কোনোবা মৰমৰ জন নোহোৱা হলে বেজাৰ পায়? নিস্তব্ধ নিশালৈ চাই চাই ছিগাৰেট হুপি হুপি, ইয়াৰ ওৰ এটা উলিয়া-বলৈ দত্তই বৃথা চেষ্টা কৰিলে।

এবাৰ দুৱাৰত এটা শব্দ হ'ল। দত্তই মূৰ দাঙি চাই দেখে দুৱাৰ মুখত সুশীলা। অবিন্যস্ত চুলি, সেঁতমোচ খোৱা কাপোৰ-কানি— সকলোখিনি পাতল আন্ধাৰতো ধৰিব পাৰি। নিশ্চয় সাৰ পাই তেওঁক নেদেখি বিচাৰি আহিছে।

"ৰাতি পুৱাব আৰু," দত্তই কলে, "তই নহলে অলপ শুয়েই লগৈ সুশীলা।"

"তুমি?" মাতটো ভালেখিনি শান্ত।

"মোৰ আৰু টোপনি নাহিব। কোনো দিনে মনলৈ নহা বহুত কথা আজি আহিছে অ'। জীৱন সম্বন্ধে। সেইবোৰ প্ৰশ্নৰ একো উত্তৰ উলিয়াব নোৱাৰিলেও তাকে ভাবি থাকিবৰ মন গৈছে।

"ময়ো নোশোওঁ। তোমাৰেই যদি টোপনি নাহে তেন্তে মোৰনো কেনেকৈ আহিব?"

এবাৰ চকিতে সুশীলালৈ চাই, কিবা ভাবি, দত্তই কলে, "মই তোক একো সান্ত্বনা দিব পৰা নাই সুশীলা। মই আচলতে সান্ত্বনা দিবই নাজানো অ'। এনেকুৱা পৰিস্থিতিৰ মুখামুখি হৈয়ো পোৱা নাই নহয়। মা ঢুকাওঁতে মই অবুজ শিশু। দেউতাৰ সময়তো মই ৰাইফলৰ গুলীয়াগুলীৰ মাজত সোমাই আছিলোঁ; —চাৰি দিনৰ পাছতহে মোলৈ খবৰটো যায়। দৰা-চলতে মোক কোনেও এই ধৰণে এৰি যোৱা নাই। সেই বাবে এইবিলাক বিষয়ত বৰ অসহায় হৈ পৰোঁ।"

সুশীলা আগুৱাই আহিল। তেওঁ দত্তৰ সমুখতে পকী মজিয়াত আঠুকাঢ়ি কোলাতে মূৰ গুজি দি দুহাতেৰে কঁকা-লত সাৱটি ধৰিলে। তেওঁ নাকান্দিলে; কিন্তু কান্দোনৰ সুৰতে কবলৈ ধৰিলে, "মোতকৈ তুমি কম দুখ পোৱা নাই ককাইদেউ। ইয়াতকৈ বেছি সান্ত্বনা মোক আৰু কোনেও দিব নোৱাৰিলে-হেঁতেন। মোক এই দুখৰ দিনত এষাৰ মাত দিবলৈ এই পৃথিৱীত আপোনজন কোনো নায়ো। তথাপি তোমাৰ বাহিৰে মোক আন কোনেও সান্ত্বনা নিদিলেও হ'ব। তুমি মোক ইয়াৰপৰা লৈ যোৱা। জোচেফৰ অবিহনে মোৰ আৰু ইয়াত থাকিবৰ অকণো ইচ্ছা নাই।"

সুশীলাৰ মূৰে পিঠিয়ে হাত বুলাই বুলাই পলাশ দত্তই কলে, "তহঁতে একো চিন্তা নকৰিবি। মই তহঁতক উটি-ভাঁহি যাবলৈ নিদিওঁ। তোৰ আজিৰ অৱস্থাৰ লগত মোৰো সম্বন্ধ আছে, তই জানই। কাইলৈ ইহঁতৰ লগত আলোচনা কৰি চাওঁ। হাজাৰ হক ফাদাৰ কাৰভেলোৰ অনুমতি লবই লাগিব। ফাদাৰে অনুমতি নিদি-য়াকৈ নাথাকে। মই তেখেতক জানো।"

ৰাতিপুৱা বগা হলোচোলা পিন্ধা বুঢ়া ফাদাৰ কাৰভেলো খৰখোজে পেলাই আহিল। তেখেত এই মিছনৰ মুৰব্বী। ইয়াতে তেখেত আজি চল্লিছ বছৰ ধৰি আছে। হাইস্কুলখন, সৰু ডিস্পে-ন্সেৰি এখন, মজলীয়া গীৰ্জাটো, এখন টেকনিকেল স্কুল আৰু ভালেখিনি মাটি-বাৰী ফাদাৰ কাৰভেলোৱে পৰিচালনা কৰে। অৱশ্যে প্ৰত্যেক বিভাগতে বেলেগ বেলেগ ভাৰপ্ৰাপ্ত বিষয়া আছে। সদৌ মিছন আৰু বাহিৰৰ সমাজতো ফাদাৰ কাৰভেলো এগৰাকী সন্মানিত ব্যক্তি। মেলে-মিটিঙে নিমন্ত্ৰণ পালেই গৈ অংশ গ্ৰহণ কৰে কাৰণে বহুতেই তেখেতক চিনি পায়। সুশীলাক আনি এই মিছনত থবৰ দিন ধৰি পলাশ দত্তৰ লগতো ফাদাৰ কাৰ-ভেলোৰ ভাল সম্বন্ধ হৈ আহিছে। মিছনৰ গাড়ী কিখন সদায় দত্তৰ গেৰেজলৈকে মেৰামতিৰ কাৰণে যায়।

ৰাতি জোচেফ এণ্টনিক সমাধিস্থ কৰা অনুষ্ঠানত ফাদাৰ কাৰভেলোৱেই পৌৰোহিত্য কৰে।

পুৱা আহি ফাদাৰে অকমানি আলাবাৰ্টক কোলাত লৈ খেলালে। আগনেছক কোলাত বহুৱাই লৈ মৰম আৰু আদৰ কৰিলে। সুশীলাক নানান কথাৰে সান্ত্বনা দিলে— মূৰত হাত এখন থৈ কলে যে এনেকুৱা সময়ত কেতিয়াও অকলশৰীয়া বোধ কৰিব নালাগে; আমি আছোঁ, এইয়া দত্ত আছে, সকলোৰে ওপৰত ঈশ্বৰ আছে। ভৱিষ্যতৰ কাৰণে তুমি একো ভাবিব নালাগে। চিন্তাৰ কোনো কাৰণেই নাই। আগতেও তুমি ইয়াত আছিলা, নিজৰ ভাতমুঠি মোকোলাই খাইছিলা, এতিয়াও মিছনে তোমাক তেনে কিবা এটা সুবিধা নিশ্চয় কৰি দিব। জোচেফৰ অভাৱ নিশ্চয় কোনেও পূৰ কৰিব নোৱাৰে। কিন্তু তোমাক সহায়

কৰিবলৈ আন কোনো নাই বুলি কেতিয়াও নাভাবিবা। আমি সকলো ঠিক কৰি দিম।

সুশীলাই আকৌ কান্দিলে। ফাদাৰৰ কথাত একো উত্তৰ নিদিলে। কিন্তু তেখেতৰ আন্তৰিকতাই তেওঁৰ অন্তৰ স্পৰ্শ কৰিলে। এই ফাদাৰেই এদিন তেওঁক ইয়াত আশ্ৰয় দিছিল। তেখেতৰ স্নেহ সেই তেতিয়াৰ দৰেই হৈ আছে। তেখেত ওলাই গ'লত সুশীলাই তাকেই ভাবিবলৈ ধৰিলে।

ফাদাৰ কাৰভেলোৰ লগত পলাশ দত্তও ওলাই গ'ল। দুয়ো ফাদাৰৰ অফিছতে বহিলগৈ। তেখেতক দুই এটা নিয়মীয়া কাম কৰি লবলৈ সময় দি শেষত দত্তই আৰম্ভ কৰিলে, "ফাদাৰ, সুশীলা এণ্টনি সম্বন্ধে কিছু কথা খোলাখুলিকৈ আপোনাক কবলৈ মই আপোনাৰ পিছে পিছে এইখিনি পালোঁহি। আপোনাৰ নিশ্চয় মনত আছে যে তাইক মোৰ কাজিন হিচাপে ময়েই ইয়াত এদিন থৈ গৈছিলোঁহি। আপোনালোকে দয়া কৰি বিশেষ প্ৰশ্ন নকৰি তাইক তুলি লৈছিল। তাইৰ উটি-বুৰি ফুৰা জীৱনৰ এটা ভাল পাৰ লাগিছিল। কিন্তু কালি যি হৈ গ'ল— মানে জোচেফ নথকা কাৰণে— সেই সকলোবোৰ ওলট-পালট হৈ গ'ল। তাইক এতিয়া মই মোৰ লগত লৈ যাব খোজোঁ। তাই নিজেও তাকেই বিচাৰিছে। মই কিয় তাইৰ দায়িত্ব লব খুজিছোঁ আপোনাক কওঁ বুলিছোঁ। কাৰণ আপোনালোকক সকলো কথা আগতে কোৱা নাছিলোঁ। অৱশ্যে, ফাদাৰ, ঠিক জানিব যে আপোনাক মই প্ৰৱঞ্চনা কৰা নাই। তেতিয়া হয়তো সকলো কথা কোৱা নহ'ল, এইখিনিয়েই মোৰ দোষ। আজি সুশীলাক লৈ যাবলৈ ওলাই সেইখিনিও খুলি কবৰ মন গৈছে।"

ফাদাৰে ক'লে, "কোৱা বাছা। মোৰ আগত সকলো কথা খুলি ক'ব পাৰা। আগতে নোকোৱা বাবে সুশীলাৰ প্ৰতি মৰম কমি যাব বুলি নাভাবিবা। তাই মোৰ নিজৰে জীৱ নিচিনা।"

"আপোনাৰ মহত্ব আৰু উদাৰতা মোৰ ভালদৰে জনা আছে ফাদাৰ। শুনক, মই সকলো কথা ভাঙি-পাতি কওঁ।" এই বুলি দত্তই ক'বলৈ ধৰিলেঃ

সুশীলা দেৱী আছিল দৰিদ্ৰ ঘৰৰ ব্ৰাহ্মণ কন্যা। তেওঁৰ বিয়াও হৈছিল অন্য এঘৰ দৰিদ্ৰ ব্ৰাহ্মণ পৰিয়ালত। এই বিয়া যে কন্যাদায়গ্ৰস্ত পিতৃ-মাতৃৰ নিৰুপায় ব্যৱস্থা তাত সন্দেহ নাই। এনেকৈয়ে সামাজিকতাৰ কাৰণে শ-শ নিৰ্দোষ নিষ্পাপ ব্ৰাহ্মণ কন্যাৰ জীৱনটোহঁত একোটা যান্ত্ৰিক নিয়মত পৰিণত হৈ গৈছে, য'ৰ পৰা উদ্ধাৰ পোৱাৰ কোনো উপায় নাই, উদ্ধাৰৰ কথা কল্পনা কৰাও দুৰ্ভাগিনীহঁতৰ কাৰণে পাপ। আকস্মিক যোগাযোগ হ'লেও সুশীলাৰ পৈত্ৰিক আৰু শহুৰকুল দুয়ো ঘৰৰে সৈতে পলাশ দত্তৰ ভাল পৰিচয় আছিল। সুশীলাৰ ককায়েক শিৱনাথৰ লগত পলুৱে পঢ়িছিল। সুশীলাৰ বিয়া যাৰ লগত হৈছিল সেই আনন্দেশ্বৰৰ লগতো তেওঁৰ ঘনিষ্ঠ পৰিচয় আছিল। কাৰণ ঘৰখন যজমানী বৃত্তিৰে চলা দুখীয়া পৰিয়ালৰ আছিল, যি পৰিয়ালৰ লোকে পলুহঁতৰ ঘৰতো মাজে মাজে পূজা-পাতল কৰি দিছিলগৈ। বিশেষকৈ পলুৰ মাক থাকোঁতে দুবাৰমান তেওঁলোকৰ ঘৰলৈ আহি সত্যনাৰায়ণৰ পূজা কৰা ৰিণিকি ৰিণিকি মনত পৰে—বোধহয় কেতিয়াবা ডাঙৰ জনা পুৰোহিত নন্দেশ্বৰ শৰ্মা আৰু কেতিয়াবা তেওঁৰ ল'ৰা আনন্দেশ্বৰ আহে—পলুৰ ভালকৈয়ে মনত আছে যে মাকৰ মৃত্যুৰ পাছতো দেউতাক বিকাশ দত্তই এবাৰ পত্নীৰ স্মৃতিতে এভাগ পূজা পাতিছিল আৰু পূজা ভাগ কৰিবলৈ আহিছিল ডেকা আনন্দেশ্বৰ শৰ্মা। সেই আনন্দেশ্বৰলৈকে সুশীলাক এদিন বিয়া দিয়াত দুয়োখন ঘৰৰ লগত পলুৰ সম্বন্ধ ঘনিষ্ঠ হৈছিল। শিৱনাথৰ সহপাঠী হিচাপেতো স্কুলত পঢ়া দিনবোৰত পলু প্ৰায় সদায়েই তেওঁলোকৰ ঘৰখনলৈ গৈছিল;—অলপ আওহতীয়া হাবি-তলীয়া অঞ্চলৰ সাধাৰণ খেৰী ঘৰবাৰীৰ প্ৰতি আকৰ্ষণৰ অন্যতম কাৰণ ওচৰে-পাজৰে বনৰীয়া গছৰ গুটি পাৰি খাব পৰাত।

সুশীলাৰ যেতিয়া বিয়া হয় তেতিয়া শিৱনাথ অৱশ্যে অনুপস্থিত। তেওঁ তেতিয়া নিৰুদ্দেশ। দাৰিদ্ৰ্যৰ হেঁচাত তেওঁ বহুত দিনৰ পৰাই অতিষ্ঠ হৈ পৰিছিল। পেট ভৰাই খাবলৈ নোপোৱাটোও সহ্যকৰ, কিন্তু মাহৰ পাছত মাহ ধৰি স্কুলৰ মাছুল দিব নোৱৰাটো লজ্জাকৰ, বিশেষকৈ মাজে মাজে নাম কটা যোৱাত শিৱনাথে লগৰ বন্ধুবিলাকৰ আগত মুখ উলিয়াব নোৱৰা হৈছিল। কিতাপ-পত্ৰৰ কামটো তেওঁ পলুৰ নিচিনা সহৃদয় সহপাঠীৰ সহায়তে চলাই গৈছিল। সেই বাবে শেষত এদিন শিৱনাথে মনে মনে ঘৰ এৰি গুচি গৈছিল। ঘৰত থকাতকৈ বহল বিশ্বত হেৰাই যোৱাই ভাল। ছমাহমানৰ মূৰত গম পোৱা গ'ল যে শিৱনাথ ডিগবৈত আছেগৈ। তাতে বনুৱা ৰূপে ৰিফাইনেৰিৰ কিবা এটা বিভাগত সোমাইছে। কিন্তু তেওঁ আৰু কোনো দিনে ঘৰৰ লগত যোগাযোগ নকৰিলে। ঘৰৰ লগত হেনো শিৱনাথে সম্বন্ধ ছিঙি পেলালে।

শান্তি বিয়াৰ কেই মাহমান পাছতে সুশীলা বিধবা হ'ল। আনন্দেশ্বৰৰ সামান্য অসুখহে হৈছিল। কিন্তু তাতেই এদিন তেওঁ চকু মুদিলে। ওচৰ-পাজৰৰ মানুহৰ মতে ভাল চিকিৎসাৰ অভাৱতে ডেকা ল'ৰাটো মৰিল। হয়তো কথাটো মিছাও নহয়। কিয়নো পেটে-ভাতে খাই থকা ঘৰখনে ভাল চিকিৎসা কৰোৱাও সম্ভৱ নাছিল। তথাপি বিকাশ দত্তৰ নিচিনা দুই-এজন সহৃদয় পৰিচিত লোকৰ ওচৰ চপা হ'লে তেওঁলোকে নিশ্চয় কিবা ভাল ব্যৱস্থা কৰি দিব পাৰিলেহেঁতেন। কিন্তু সেইটো কৰা নহ'ল বা কৰিব পৰাৰ আগতেই আনন্দেশ্বৰ পাৰ হৈ গ'ল। খবৰটো পাই বিকাশ দত্তই পুতেকক লৈ খবৰ লৈ আহিছিলগৈ। অলপ টকাও দি আহিছিল। তেতিয়াৰেপৰা বেছ কিছু



দিনলৈকে পলাশে মাজে-সময়ে গৈ খা-খবৰ লৈ থকা কৰিছিল। তেওঁ শিৱনাথক লগ পাবলৈ যোৱাৰ দিনৰেপৰা সৰু ছোৱালী সুশীলাক তই-তই কৰি মাতিছিল। তাইক নিজৰ ভনীয়েক যেন দেখিছিল। বিয়াৰ পাছতো আৰু বিধবা হোৱাতো তেওঁ তাইৰ খবৰ লবলৈ গৈ সেইদৰেই তই-তই কৰিয়েই মাতবোল কৰিছিল। তাইক পাৰিলে টকা পইচাও দি আহিছিল। ঘৰখনত নন্দেশ্বৰ শৰ্মা বুঢ়া আৰু আনন্দেশ্বৰৰ মাকৰ বাহিৰে আন কোনো নাই যদিও ভাতমুঠিৰে নাটনি হৈছিল। যজমানিৰ কাম সম্পূৰ্ণ আনন্দেশ্বৰেই চলাইছিল। নন্দেশ্বৰ শৰ্মাই এনেও কাম কৰিব নোৱৰা হৈ আহিছিল। তেওঁ আকৌ ৰাহিৰলৈ ওলাবলৈ বাধ্য হৈছিল।

কিন্তু লাহে লাহে এই অৱস্থাতো বাধা পৰিবলৈ ধৰিলে— অন্য এক দিশৰপৰা। শহুৰেক-শাহুৱেকে সুশীলাক দেখিব নোৱৰা হৈ আহিল। কথাই কথাই পুতেকৰ মূৰ খাবলৈ আহিছিল বুলি ক'বলৈ ধৰিলে। আনকি খোৱামুঠিতো হাত টানি ধৰা হ'লত সুশীলাৰ চিন্তা হ'ল। তাই বুজিলে যে কাৰোবাৰ মূৰ খোৱা অন্ধবিশ্বাসটো বাৰু বুজিব পাৰি; কিন্তু ভাতকিটাও দিবলৈ টান পোৱাটো অসহ্যকৰ হৈ উঠিল। আচলতে খুৱাব-পিন্ধাব নোৱৰাতে যে এই ধৰণৰ ব্যৱহাৰ হ'বলৈ ধৰিছে তাই অনুমান কৰি ল লে।

ডাঙৰ কথা হ'ল এয়ে যে নিজৰ মাক-বাঁপেকেও তাইক লৈ যোৱাত উৎসাহ নেদেখুৱালে। নিশ্চয় খুৱাব-পিন্ধাব লাগিব বুলিয়ে। বিয়া দিয়া ছোৱালী, শহুৰেকৰ ঘৰত যেনেকৈ থায় খাওক, আমাৰ কি? এনে যুক্তি —অন্ততঃ কথা-বতৰা হৈ পলাশে তাকেই বুজিব পাৰিছিল।

অৱশ্যে এইবিলাক কথা পলাশৰ স্কুলীয়া কালৰ নহয়। বহুত পাছৰ। তেওঁ কলেজত পঢ়ি থকা দিনৰ বুলিব পাৰি। শোভনাৰ লগত তেওঁৰ ঘনিষ্ঠতা সত্ত্বেও আৰু তাকে কেন্দ্ৰ কৰি জীৱনৰ ওপৰেদি বহুত ধুমুহা পাৰ হৈ যোৱা সত্ত্বেও পলাশে দেউতাকৰ কথা মতে সুশীলাৰ খা-খবৰ লৈ আছিল। আনন্দেশ্বৰৰ লগত তাইৰ বিয়াখন তেনে এদিনতে হৈ গৈছিল। তাৰ তিনি বছৰমান আগতেই শিৱনাথ নিৰুদ্দেশ হৈছিল আৰু সুশীলাই ডাঙৰ হৈ পঢ়া-শুনাও কৰি আছিল—হাইস্কুল পৰ্যন্ত পাইছিলগৈ, তেনে সময়তে সম্বন্ধ অহাত তাইৰ বিয়াখন হৈ গৈছিল। সেইবোৰ কথা যুদ্ধখন লগাৰ আগৰে।

যুদ্ধৰ শেষত পলাশ দত্ত যেতিয়া উলটি আহিল তেতিয়া ইয়াত বহুত পৰিবৰ্তন হৈ গৈছে। বিকাশ দত্তৰ মৃত্যু হৈছিল। চুভীৰ নগাঁৱৰপৰা মনে মনে বিয়া হৈ গৈছিল। পলাশে পুৰণা কথাবোৰ পাহৰিবৰ মনেৰে ঘৰে-মাটিয়ে সম্পত্তি বেচি দি নতুনকৈ এটা গেৰেজ খুলি ব্যৱসায় আৰম্ভ কৰি দিলে। প্ৰথমে গেৰেজটো সৰুকৈ আৰম্ভ কৰিছিল—তাকো এতিয়াৰ ঠাইত নহয়, বজাৰৰ ফালেহে। পুৰণা কোনো মানুহৰ লগতে তেওঁ সম্বন্ধ ৰখা নাছিল। মগজু খটাই, দুই হাত চলাই, লগত দুটা মানুহ লৈ কেৱল অসুৰৰ দৰে কাম কৰি গৈছিল।

সুশীলাই যে কেনেকৈ তেওঁৰ ঘৰটো বিচাৰি উলিয়াব পাৰিলে তেওঁ ক'ব নোৱাৰে। আনকি প্ৰথমে তাইক তেওঁ চিনিবও পৰা নাছিল। এজনী ক্ষীণাই-শুকাই যোৱা গৰ্ভৱতী তিৰোতা বৰষুণত তিতি-বুৰি তেওঁৰ ভাড়াঘৰৰ দুৱাৰত আহি উপস্থিত হৈছিল। কেনেকৈ চিনি পাব?

গৰ্ভধাৰণেই সুশীলাৰ দুৰ্দশা চৰম কৰি পেলাইছিল। মাতৃত্বৰ চিন ফুটি উঠা দিন ধৰি তাইৰ ওপৰত অন্য প্ৰকাৰৰ অত্যাচাৰ আৰম্ভ হ'বলৈ ধৰিলে। শহুৰেক-শাহুৱেকে মত প্ৰকাশ কৰিলে যে এই সন্তান তেওঁলোকৰ ল'ৰাৰ নহয়। বাঁৰী বোৱাৰীয়েকে নিশ্চয় কাৰোবাৰ লগত অবৈধ সম্পৰ্ক ৰক্ষা কৰি চলিছে। সংসাৰৰ আওভাও সুশীলাই তেতিয়াও ভালদৰে পোৱাই নাছিল। তাই মাত্ৰ ক'লে যে সেইবিলাক মিছা। তেওঁলোকৰ আকাশ দেখা ঘৰখনলৈ কিমান মানুহ আহে সকলোৱে দেখি আছে আৰু সুশীলায়েইবা কেতিয়া ঘৰৰ বাহিৰলৈ যায়? তাই বদনামেই যদি কৰিছে তেন্তে বুঢ়া-বুঢ়ীয়ে দোষীক আঙুলিয়াই দিয়ক। তাইৰ গৰ্ভস্থ সন্তান আনন্দেশ্বৰেই। তাই নিৰ্দোষ। কিন্তু বুঢ়া-বুঢ়ীয়ে কথাটো মানি নল'লে। পলাশৰ ধাৰণা হৈছিল তেখেতসকল বোৱাৰীয়েকক বিদায় দিব পাৰিলেই ৰক্ষা পৰে।

আচৰিত কথা যে নিজৰ মাক-বাপেকেও সুশীলাৰ কথাটো মানি ল'ব নোৱাৰিলে। অথবা, পলাশৰ ধাৰণা, চতুৰ্থ প্ৰাণী এটাৰ সৈতে (মানে নাতি-নীয়েক) খুৱাব-পিন্ধাব লগা হ'ব বুলি গা এৰা দিবলৈ চেষ্টা কৰিলে। মানুহৰ দেহা লৈ এনেকুৱা পাষণ্ডও যে আমাৰ মাজত থাকিব পাৰে, ভাবিবলৈকে টান লাগে—দত্তৰ কঠোৰ মন্তব্য।

ইফালে সুশীলাৰ শৰীৰৰ অৱস্থা দিনক দিনে বেয়া হৈ আহিছিল। তথাপি শাহুৱেকে অত্যাচাৰ কৰিবলৈ এৰা নাছিল। তাই কি কৰিব ভাবিব পৰা নাছিল। ঈশ্বৰে নবছালে আৰু কোনেও বছাব নোৱাৰে। পলুদাৰ খবৰ তাই শুনিছিল। কিন্তু নিজে বিচাৰি যাবৰ কোনো উপায় নাছিল। যিহে বদনাম উলিয়াই দিছে; তাৰ পাছত ঘৰৰ বাহিৰ হৈ এজন ডেকাক বিচাৰি যায়েইবা কেনেকৈ? তাতে পুৰণা ঘৰ-বাৰী বেচি পলুদাই বেলেগ ঠাইত গেৰেজ খুলিছে বুলি শুনিছিলহে, দেখা নাছিল। তথাপি মোটামুটিকৈ ঠাই ডোখৰৰ খবৰ আৰু তাৰপৰা লৈ এদিন ৰাতি তাই ঘৰৰপৰা ওলাল। শৰীৰ অৱশ, কিন্তু উপায় নাই। সন্তানটোৰ জন্ম হোৱালৈকে বুঢ়া-বুঢ়ীয়ে তাইক জীয়াই থাকিবলৈ নিদিব যেন পালে।

বাৰিষা কাল। বাটতে বৰষুণে পালে। ৰিক্সা এখন লৈ যাবলৈকো হাতত এটাও পইচা নাছিল। তিতি-বুৰিয়েই নিজে জনা মতে পলুদাক বিচাৰি আগুৱাই গৈ থাকিল। ভাগ্য



OKDISCD

ভাল আছিল যে তেনে দুৰ্যোগৰ নিশা হ'লেও তাই ঠিকমতেই দত্তৰ ভাড়াঘৰটো বিচাৰি উলিয়াবলৈ সক্ষম হৈছিল।

ঠিক সক্ষম হোৱা নাছিল— মাত্ৰ নতুনকৈ আৰম্ভ কৰা অকমাণি মটৰ মেৰামতিৰ গেৰেজটো কোনোবাই দেখুৱাই দিছিল। তাৰ ওচৰতে পলুদা ক'ৰবাত থাকে, এই কথা সুশীলাই জানিব পাৰিছিল। গতিকে গেৰেজৰ অনতিদূৰত থকা সৰু ঘৰ এটাৰ বাৰান্দালৈ তাই উঠি গ'ল। তাতে এজনী তিৰোতা মানুহে বৰষুণলৈ চাই চাই কাৰোবালৈ বাট চাই আছিল। বাৰান্দাত উঠিয়েই তাই সুধিলে, "বাইদেউ, মই বিপদত পৰি আহিছোঁ। ইয়াতে ক'ৰবাত পলাশ দত্ত থাকে—আপুনি পলুদাৰ ঘৰটো জানেনে ?"

তিৰোতা গৰাকীয়ে লাইটটো জ্বলাই দি সুশীলাক ভালকৈ চাবলৈ চেষ্টা কৰিলে। তেওঁ "ইয়ে আল্লা" বুলি উচপ খাই উঠিল— নিশ্চয় ডাঙৰ বিপদতে পৰিছে ছোৱালীজনী, নহ'লে দেহাৰ এইটো অৱস্থাত কেতিয়াও এনেকৈ নাহিলহেঁতেন। তেওঁ তাইক ক'লে, "দত্ত ইয়াতে থাকে। আহা। সোমাই আহা। দত্ত পিছফালে থাকে।" এই বুলি মানুহ গৰাকীয়ে তাইক বাট দেখুৱাই ঘৰৰ ভিতৰেদিয়ে লৈ গ'ল। ভিতৰপিনে চোতালৰ এমূৰে থকা আন এটা ঘৰত পলাশ দত্তই থাকিবলৈ লৈছে। "দত্ত" বুলি মানুহ গৰাকীয়ে মাত দিয়াত ভিতৰৰপৰা পৰ্দা দাঙি চালে পলাশে—তেওঁ একো বুজিব নোৱাৰিলে—তিতি-বুৰি অহা গৰ্ভৱতী তিৰোতাজনী যে সুশীলা হ'ব পাৰে তেওঁৰ মনত নেখেলালেই।

চেনেহী বেগম নামৰ ঘৰৰ গৰাকিনী তিৰোতা গৰাকীয়ে ক'লে, "তোমাকে বিচাৰি আহিছে দত্ত।"

"মোক ? কোননো ?"

অলপ ভিতৰ সোমাই গৈ সুশীলাই কঁপি কঁপি ক'লে, "মই সুশীলা ককাইদেউ। মোক ৰাখক। নহ'লে মই মৰিম। মোক মানুহেই খালে। এতিয়া তুমি নাৰাখিলে মই নিজে নিজেই মৰিম।" এই বুলি অজ্ঞান হৈ তেওঁ তাতে পৰি গ'ল— ভাগ্যে তৎপৰ চেনেহী বেগমে সাউৎকৰে ধৰি ৰাখিলে বুলিহে। তেতিয়ালৈ পলাশে সুশীলাৰ চিন ধৰিব পাৰিছিল। তেওঁ চক খাই উঠিল। চেনেহী বাইটিৰ লগত ধৰাধৰিকৈ তেওঁ অচেতন সুশীলাক দাঙি নি সমুখৰ কোঠাটোতে থকা বিছনাখনতে শুৱাই দিলে। পলাশক অলপ বিচলিত হোৱা দেখি চেনেহী বেগমে সুশীলাৰ শুশ্ৰূষাৰ ভাৰ ললে। তেওঁ ঘৰলৈ দৌৰিল।

পলাশে কি কৰিব লাগিব একো বুজিব নোৱাৰিলে। তেওঁ মাত্ৰ বিচনী এখন আনি ধামধুম বিচিবলৈ ধৰিলে। বৰষুণত তিতি গালে-মুখে লিপিটখাই ধৰা চুলিবোৰ আঁতৰাই দিলে। সুশীলা-সুশীলাকৈ ঘনাই মাতিবলৈ ধৰিলে— আৰু ঘনাই বাইটিৰ কাৰণে দুৱাৰলৈ চাবলৈ ধৰিলে।

চেনেহী বেগমে বোৱাৰীয়েক, এযোৰ শুকান কাপোৰ আৰু এক কেটলি গৰমপানী লৈ অলপ পাছতে উভতি আহিল। ইতিমধ্যে কিবা ভাবি দত্তয়ো পানী এমগ আৰু প্ৰকাণ্ড টাৱেল এখন ভিতৰৰপৰা আনি ঠিক সেই সময়তে ৰ'লহি। বাইটিয়ে পানী-গামোছা নিজে লৈ ক'লে, "দত্ত তুমি অলপ সিটো কমলৈ যোৱা। সময় হ'লে মই মাতিম। তাৰ আগতে ওলাই নাহিবা। একো চিন্তা নাই; মই আছোঁ।"

দত্ত নিজৰ বেডৰুমলৈ সোমাই গ'ল।

বাইটিয়ে অচেতন সুশীলাৰ চকুৱে-মুখে পানী মাৰি দি ক্ষন্তেক ৰ'ল। তাৰ পাছত টাৱেলখনেৰে তাইৰ জিপজিপীয়া মূৰটোৰ পানী টুকিবলৈ ধৰিলে আৰু বোৱাৰীয়েকক নিৰ্দেশ দিলে যিমান পাৰে আলফুলকৈ শুকান কাপোৰযোৰ সলাই দিবলৈ। বোৱাৰীয়েকে বাহিৰৰ দুৱাৰখন বন্ধ কৰি লৈ কাপোৰ যোৰ সলাই দিলে— নিজৰ ভুল ধৰিব পাৰি তেওঁ একে দৌৰে গৈ ব্লাউজ এটাও লৈ আহিলগৈ— সুশীলাৰ গাৰ অৱস্থা দেখিয়েই তেওঁলোকে বুজিলে বেচেৰীৰ কি হৈছে।

গৰম কাপোৰ এখন আনিবলৈ বাইটি ভিতৰলৈ গ'ল। দত্তই ৰুমটোৰ সোঁমাজতে থিয় হৈ একেথিৰে এইটো কোঠাৰ পিনেই চাই আছিল। বাইটিয়ে বিছনাৰ ওপৰৰপৰা বেডকভাৰখন একে টানে আঁতৰাই তলত জাপি থোৱা মিলিটেৰী কম্বল এখন পাই তাকে হাতত তুলি ল'লে। দত্তই তেওঁৰ কামবোৰ একান্তমনে চাই আছিল। বাইটিয়ে ক'লে, "ভনীয়েৰাৰ গাত লেঠা। এডভান্সেই। কিহবাৰ দুখত ছোৱালীজনীৰ শৰীৰ বৰ দুৰ্বল। গাখীৰ আছে যদি অলপ গৰম কৰি লৈ আহাচোন।"

তেওঁ কম্বলখন নি সুশীলাৰ গাত জাপি দিলেগৈ। বোৱাৰীয়েকে আকৌ ঘৰলৈ গৈ মিঠাতেল অলপ গৰম কৰি আনিছিল— শাহুৱেকে হাতৰ তলুৱাত সেই তেল লৈ সুশীলাৰ ভৰিপতাত আৰু হাত দুখনৰ তলুৱাত মালিচ কৰিবলৈ ধৰিলে। বোৱাৰীয়েকে সুশীলাৰ ভিজা কাপোৰ কেইডোখৰ দাঙি নি দত্তৰ ভিতৰপিনে থকা বাথৰুমত থুকুচি থুকুচি ধুই পেলালে আৰু পাছত এই সমুখৰ কোঠাটোলৈকে আনি ৰচি এডালত মেলি দিলে।

ইতিমধ্যে সুশীলাই গা লৰালে। তাইৰ গালৈ তাপো আহিল। বাইটিয়ে দত্তক আহিবলৈ ক'লে। দত্ত আহি দেখে বাইটিয়ে সুশীলাৰ পেটৰ ওপৰত কাণ থৈ কিবা শুনিবলৈ চেষ্টা কৰিছে। তেওঁ একো বুজিব নোৱাৰি বোৱাৰীজনীলৈ চালে। গাভৰু বোৱাৰীজনীয়ে লাজতে তলমূৰ কৰিলে। বাইটিয়ে যেতিয়া মূৰটো দাঙিলে তেতিয়া তেওঁৰ মুখখন বৰ গম্ভীৰ। কিন্তু গাখীৰ এগিলাছ লৈ থকা পলাশ দত্তক দেখি তেওঁ নিজকে চম্ভালি সামান্য হাঁহিলে। গাখীৰখিনি দত্তৰ হাতৰপৰা লৈ ক'লে, "চিন্তা নাই। এতিয়াই চকু মেলি চাব। মাইকী মানুহৰ এইবিলাক আছেই।"

সচাঁই সুশীলাই জ্ঞান ঘূৰাই পালে। তাই প্ৰথমে একো ধৰিব নোৱাৰি চাৰিওফালে চাবলৈ ধৰিলে। শাহুৱেক-বোৱাৰীয়েকক চিনি নাপালে। কোঠাটো চিনি নাপালে। কিন্তু পলাশৰ ওপৰত চকুপৰা মাত্ৰকে তেওঁ উৎফুল্ল হৈ উঠিল। "ককাইদেউ!" বুলি তাই উঠিব খুজিলে— বাইটিয়ে তৎক্ষণাৎ ধৰি পেলালে, উঠিবলৈ নিদিলে। দত্তই আগুৱাই আহি মূৰ হলাই ক'লে, "একো চিন্তা নকৰিবি সুশীলা; তই মোৰ ঘৰৰ ভিতৰত। তোৰ গা বেয়া। এইয়া বাইটি, আৰু এইয়া, এইয়া তেখেতৰ বোৱাৰীয়েক— তোৰ বৌৱেৰ হ'ব। এখেতসকলে তোৰ ভাৰ লৈছে যেতিয়া তোৰ একো চিন্তা নাই। গাখীৰখিনি খাচোন, গাত বল পাবি।"

চেনেহী বেগমে সুশীলাক গাখীৰ গিলাছ লাহে লাহে খুৱাই দিলে। তাৰ পাছত অৱশ হৈ তাই আকৌ ঢলি পৰিল। কিন্তু কিছু সময়ৰ পাছতে তাই চকু মেলি সকলোলৈকে চাই শান্ত হাঁহি এটা মাৰিলে। তাৰ পাছত লাহে লাহে কথা কৈ নিজৰ দুখৰ কাহিনী বৰ্ণনা কৰিলে। বাইটিয়ে সকলো সময়তে তাইৰ মূৰত হাত বুলাই থাকিল।

কথাবোৰ শুনি বাকী তিনিওটি প্ৰাণী স্তব্ধ হৈ গ'ল। বিশেষকৈ সুশীলাই যেতিয়া ক'লে যে শাহুৱেকে তাইৰ ওপৰত মাৰপিটো কৰিছিল আৰু কেইদিনমানৰ আগতে মাত্ৰ পিৰালিৰপৰা গঁতা মাৰি চোতাললৈ পেলায়ো দিছিল, তেতিয়া তেওঁলোক তিনিওৰে ভয়ানক খং উঠিছিল।

শেষত বাইটিয়ে ক'লে, "দত্ত, এওঁক দুটামান ভাত খুওৱাৰ বন্দবস্ত কৰা। সুশীলা আমি মছলমান মানুহ— আমাৰ পাগৰপৰা খাব নালাগে; —দত্তয়েই যি পাৰে কিবা দুটামান ৰান্ধি খুৱাওক। কাইলৈৰপৰা কিবা বেলেগ বন্দবস্ত কৰিব লাগিব।"

সুশীলাই তেতিয়া একো নামাতিলে। কিন্তু যেতিয়া দত্তই তপত ভাত একাঁহী ডাঙৰকৈ এচামোচ মাখনেৰে আৰু এটা সিজোৱা হাঁহৰ কণীৰে আনি দিলেহি, তেতিয়া তাই ওচৰতে মুঢ়া এটা পাৰি বহি থকা চেনেহী বেগমলৈ চাই ক'লে, "বাইটি এই সংসাৰত মানুহ বিচাৰি হায়ৰাণ হৈছোঁ। মোক হিন্দু-মুছলমানৰ বাছবিচাৰ নালাগে। তেজমঙহৰ আপোন মানুহেই শত্ৰু হৈ গ'ল যেতিয়া সেইবিলাক বিচাৰ কৰি মই মূৰ্খ হ'ব নোৱাৰোঁ। আজি আপোনালোক—সৌ বৌদেৱো— মোৰ কাৰণে স্বৰ্গৰ পৰী হৈ আহিছে। কাইলৈকে যদি এনেকৈয়ে থাকোঁ আপোনালোকৰ পাগৰপৰা এসাজ খাবলৈ পালে মই ধন্য হ'ম।"

আনন্দতে মুখ বহলকৈ হাঁহি পলাশ দত্তই ধামধুম মূৰ দুপিয়াবলৈ ধৰিলে।

ৰাতিটো ভিতৰৰ কোঠাত দত্তৰ বহল বিছনাখনতে বাইটিয়ে সুশীলাক লৈ শুলে। দত্তই ইটো কোঠাত শুলে। বোৱাৰীয়েক ঘৰলৈ গ'লগৈ।

ইয়াৰ মাজতে দত্তই চেনেহী বেগমক মনে মনে সুধিছিল, ডাক্তৰ বা লেডি ডাক্তৰ অনা ভাল হ'ব নেকি ? বাইটিয়ে চিন্তা কৰি চাই ক'লে, "দৰকাৰ হ'লে এতিয়া ধাই-মিডৱাইফৰেই হ'ব দত্ত। লাগিলে মই ক'ম। ৰাতিপুৱালৈ বাৰু যি মন যায় কৰিবা। হস্পিটেললৈকে নিয়া ভাল হ'ব যেন লাগিছে। মই অৱশ্যে খাটাংকৈ একো নকওঁ। তথাপি নিয়াই ভাল হ'ব যেন লাগিছে।"

ৰাতিৰ ভিতৰত আৰু একো অঘটন নহ'ল। সুশীলাই খুব নিশ্চিন্ত মনেই শুলে। চেনেহী বেগম আৰু পলাশ দত্ত দুয়ো কিন্তু প্ৰায় উজাগৰেই ৰাতিটো কটালে। দুয়োৰে মনলৈ নানান দুশ্চিন্তা আহিছিল।

ৰাতিপুৱা সুশীলাই উঠি লাহে ধীৰে গৰম পানীৰে গা ধুলে যদিও শৰীৰটো তিমান ভাল পোৱা যেন নাপালে। সেই বাবে ন বজামানত গাড়ী এখন আনি পলাশে তাইক চিভিল হস্পিটেললৈ লৈ গ'ল। লগত চেনেহী বেগমো গ'ল। হস্পিটেলত তাইক ভৰ্তি কৰি দিহে দত্তই স্বস্তিৰ নিশ্বাস পেলালে। তেওঁ বাইটিক ঘৰত থৈ গ'লহি আৰু তেওঁলোকৰ ঘৰতে ভাত এমুঠি খাই গেৰেজৰ কামৰ দিহাপোহা দি আকৌ হস্পিটেল পালেগৈ।

দিনটোৱেই সুশীলাই বিষত ছটফটাই থাকিল। কেইবাবাৰো লেবাৰ ৰুমলৈ নি নি তাইক ওভতাই অনা হ'ল। দুপৰীয়া বাইটি আহি ওলোৱাত কৈ মেলি ভিতৰলৈ গৈ মাত দি আহিব পাৰিলে। দত্তই অলপ সান্ত্বনা পালে। গধূলি আঠ বজামানত সুশীলাৰ মৃত ল'ৰা এটিৰ জন্ম হ'ল। কেইবাঘণ্টাও যমৰ লগত টনা-আজোৰা কৰিহে ডাক্তৰসকলে তাইৰ জীৱনটো কোনোমতে ৰক্ষা কৰিলে।

গতিকে সুশীলা হস্পিটেলতে বেছ কিছুদিনলৈ থাকিব লগা হ'ল। তেওঁৰ খবৰ লবলৈ আহি থাকিল দত্ত, বাইটি আৰু বোৱাৰীয়েকজনী। তিৰোতা দুজনীয়ে ঘৰৰপৰা ভাল ভাল খোৱা বস্তুও লৈ আহি থাকিল। গাখীৰৰ বটল, ফলমূল, ঔষধ আদি দত্তই যোগায়ে আছিল। সুশীলাৰ স্বাস্থ্য তেনেই পৰি গৈছিল। সেই বাবে তাই হস্পিটেলতে বেছ কিছু দিনলৈ থকাটোকে দত্তই কামনা কৰিছিল। নহ'লে এই কম বয়সীয়া বিধবা ছোৱালীজনীক তেওঁ ক'ত নি থব ?

সুশীলাক ছিভিল হস্পিটেলৰপৰা ৰিলিজ কৰি দিয়ে মানে পলাশ দত্তই তাইৰ ভৱিষ্যত সম্বন্ধে ভালদৰে চিন্তা কৰিলে। তেনে অৱস্থাতে এদিন তেওঁ ফাদাৰ কাৰভেলোৰ ওচৰ পাইছিলগৈ। এদিন ফাদাৰৰ গাড়ী এখন বাটৰপৰা ভগা অৱস্থাত নি মেৰামতি কৰি নিজে মিছনলৈ গৈ দি অহাত তেওঁ ফাদাৰৰ বৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল। তেতিয়াৰপৰা মিছনৰ গাড়ী ভাল কৰাব লাগিলেই দত্তৰ গেৰেজলৈ পঠিওৱা হয়। আনকি দত্তৰ গেৰেজে ঠিকনা সলাই এতিয়া আহল-বহল ঠাইলৈ অহা সত্ত্বেও মিছনৰ মানুহে নতুন ঠাইখন বিচাৰি উলিয়ায়ো দত্তকেই কাম দি আহিছে। সুশীলাৰ কাৰণে আশ্ৰয় বিচাৰি এতিয়া





OKDISCD

দত্ত ফাদাৰ কাৰভেলোৰ ওচৰ চাপিল।

ফাদাৰক সেই সময়ত পলাশ দত্তই জনাইছিল যে যিজনী ছোৱালীৰ কথা কৈছে তাই দৰিদ্ৰ ব্ৰাহ্মণৰ বিধবা। ক'তো আশ্ৰয় নাই। যদি মিছনতে কিবা উপায় দি ৰখা হয় তেন্তে বৰ ভাল হয়। তেওঁৰ এক ধৰণৰ কাজিনেই হয়।

"ছোৱালীজনীৰ শিক্ষা কিমান?" ফাদাৰে সুধিছিল।

"ছেভেন কি এইটলৈকে পঢ়িছিল মাত্ৰ—এনেতে স্বামীৰ ঘৰলৈ যাব লগা হ'ল।" সুশীলাৰ মুখে যি শুনিছিল তাৰ পৰাই তেওঁ উক্ত ধৰণে সমিধান দিলে। "আৰু বেছি পঢ়িব নোৱাৰিলে। এতিয়া তেনেই নিৰাশ্ৰয়।"

ফাদাৰ কাৰভেলোৱে কলে যে মিছনৰ ৰাতিপুৱা চলা কিণ্ডাৰগাৰ্টেন এখন আছে— হাই স্কুলখনৰ লগতে। তাতে এগৰাকী শিক্ষয়িত্ৰী কৰি দিব পৰা হ'ব। সুশীলা দেৱীয়ে ইচ্ছা কৰিলে দিনৰ বেলা হাই স্কুলতে পঢ়িবও পাৰিব। থকা-খোৱাৰ ব্যৱস্থা কৰি দিয়া হ'ব। পলাশে তাকেই সিদ্ধান্ত হিচাপে লৈ আনন্দ মনেৰে গুচি আহিল।

সুশীলাই বিছনা এৰি অলপ অলপ বাহিৰত খোজ কাঢ়ি ফুৰিবলৈ অনুমতি পাইছিল। তাইৰ মুখলৈ ৰং অকণো ঘূৰি আহিছিল। তাইৰ ৰিলিজৰ কথাও ওলাইছিল। এদিন আবেলি দেখা কৰিবলৈ আহি বাহিৰৰ ধাঁহনিতে দুয়ো ইফাল-সিফাল কৰোঁতে দত্তই কথাটো উলিয়ালে, "তোৰ থকাৰ এটা উপায় চিন্তা কৰিছোঁ সুশীলা। তই কেনে পাৰ কৰি।"

"কোৱা ককাইদেউ। তুমি যি ব্যৱস্থা কৰিবা মই তাকেই মানি লম।"

দত্তই লাহে-ধীৰে কলে, "মই ককায়েৰটো হৈ ঘৰত ঠাই নিদিলোঁ বুলি বেয়া নাপাবতো? তই বয়সত বৰ বেছি আগবঢ়া নাই। ……কিয় তোক মোৰ ঘৰত ৰাখিব পৰা নাই কথাটো বুজিছতো?"

"বুজিছোঁ। বয়স কম হলেও মই সংসাৰত বহুত দেখিলোঁ ককাইদেউ। তুমি কোৱা। তুমি মোক য'লৈকে যাবলৈ কোৱা মই তালৈকে যাম। মাত্ৰ এটা অনুৰোধ—"

"ক।"

"মোক তুমি যেন নেৰা। তোমাক যেন মই সদায়েই ককাইদেউ হিচাপে পাই থাকোঁ।"

"নেৰোঁ নেৰোঁ। তই এই বিষয়ত নিশ্চিন্ত থাক। মোৰনো সংসাৰত আৰু কোন আছে? কোনো নাই। এতিয়া নিজৰ বুলিবলৈ ভনী এজনী পালোঁ। তোৰো কোনো নাই। তই এটা ককায়েৰ পালি বুলি ধৰ।"

তাৰ পাছত দত্তই সুশীলাৰ আগত মিছনত আশ্ৰয় পোৱাৰ কথাটো জনালে। কথাটো শুনি তাই কলে, "ককাইদেউ, শিক্ষয়িত্ৰী কিয়, তাত মই চাকৰণী হৈ থাকিবলৈও প্ৰস্তুত। চাকৰি এটা কৰি থকাটোতো মোৰ কাৰণে সন্মানৰ কথা।"

কেইদিনমান পাছত পলাশ দত্ত আৰু চেনেহী বেগমে গাড়ী এখনেৰে সুশীলাক ভালেখিনি কাপোৰ-কানি আৰু অন্যান্য বয়বস্তুৰে সৈতে নি মিছনত গতাই থৈ আহিলগৈ।

[পাছলৈ, বহুত পাছলৈ, সুশীলাই জানিব পাৰিছিল যে এই চেনেহী বেগমেই, এই বাইটি জনীয়েই হৈছে মকবুলৰ ঘৈণীয়েকৰ সমন্ধীয়া বায়েক। তেওঁ বয়সীয়া অৱস্থাত বাঁৰী হয়। পলাশ দত্তৰ লগত চিনাকি থকা কাৰণে মকবুলে গাৱঁৰ ছোৱালী ভনীয়েক জনীকে ঠিক কৰি দিছিল। সুশীলা, দত্তহঁত এতিয়াও বাইটিৰ ঘৰলৈ গৈ থাকে। এতিয়া লপৰ-থপৰ বুঢ়ী হৈছে। কিন্তু সেই একে ভাজেই অত্যন্ত মৰমীয়াল হৈয়ে আছে।]

সুশীলাই মিছনৰ চাকৰিত যোগ দিলে আৰু ফাদাৰৰ উৎসাহত হাই স্কুলতো নাম লগাই ললে। তাইক থাকিবলৈ দিছিল আন দুগৰাকী ইটালীয় ভিক্ষুণীৰ সৈতে এটা সৰু ঘৰত। তেওঁলোকৰ লগত পৰি তাই ইংৰাজী ভালকৈ শিকিব পাৰিলে। এদিন তাই স্বেচ্ছাই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিলে। এদিন প্ৰবেশিকাও পাছ কৰিলে।

ইতিমধ্যে হাই স্কুললৈ নতুনকৈ সহকাৰী শিক্ষক হৈ অহা জোচেফ এণ্টনিৰ লগত তাইৰ ভাল পৰিচয়ো হৈছিল। ডেকা জোচেফে তাইৰ ওচৰত অসমীয়া শিকিবলৈ লৈছিল। যদিও জোচেফৰ অসমীয়া শিকাৰ আগ্ৰহটো এটা নিচা আছিল, তথাপি সুশীলায়ো যে তেওঁক আকৰ্ষণ কৰিছিল সেইটোও সঁচা। কিন্তু মিছনৰ ভিতৰত তেওঁ কোনো দিনে নিয়ম-বিৰুদ্ধ আচৰণ নকৰিছিল, অশালীন ব্যৱহাৰ নেদেখুৱাইছিল। স্কুল ছুটীৰ পাছত এমখা ফাইনেল পৰীক্ষাৰ্থীক তেওঁ বিশেষভাৱে ইংৰাজী পঢ়ুৱাইছিল আৰু তাতেই সুশীলাকো ৰাখি তাইৰ পৰা অসমীয়াৰ পাঠ লৈছিল।

ধৰ্মান্তৰ গ্ৰহণৰ আগতে সুশীলাই দত্তৰ পৰা সন্মতি লৈছিল। দত্তই আপত্তি নকৰিলে। যিটো প্ৰতিষ্ঠানে এই অসহায় বিধৱা ছোৱালীজনীক আশ্ৰয় দিলে, সংস্থান দিলে আৰু দিলে নতুন পোহৰ, সেই প্ৰতিষ্ঠানৰ প্ৰতি কৃতজ্ঞ হৈ যদি সুশীলাই তেওঁলোকৰ ধৰ্মকে আকোঁৱালি লয় তেন্তে তাত আপত্তি কৰিবলৈ কি আছে?

(আগলৈ)

প্ৰকাশ পালে

লক্ষ্মীকান্ত মহন্তৰ

ইয়োহান ভলফ্‌গাং গ্যেটে

(জীৱন আৰু কৰ্মৰ চমু আলেখ্য)

পৰিবেশক

ক্ৰিতাপ আৰু ক্ৰিতাপ

এ· টি· ৰ'ড

দেৰগাঁও





# …দেৱতায়ো নাজানে

সোণাৰাম বৰুৱা

"ছাৰ গুৱাহাটীলৈ যায় নেকি?"

অন্নপূৰ্ণা হোটেলত নিশা আঠ বজাত জুপুকা মাৰি বহি আছিলোঁ। মূৰ তুলি চালোঁ। সমুখত এজনী সুন্দৰী যুৱতী থিয় হৈ আছে।

"অঞ্জনা! তুমি?"

"হয় ছাৰ, ময়ো গুৱাহাটীলৈ যাওঁ। কাউণ্টাৰত খবৰ লৈ জানিব পাৰিলোঁ মোৰ ওচৰৰ ছিটটোৱেই আপোনাৰ। মোৰ আঠ নম্বৰ আৰু আপোনাৰ ন নম্বৰ চিট; কিন্তু সাত নম্বৰ আৰু আঠ নম্বৰ ছিটতহে একেলগে বহিব পৰা ব্যৱস্থা আছে। সাত নম্বৰত অচিনাকি মানুহ এজন পৰিছে। আপুনি ন নম্বৰ ছিটৰপৰা সাত নম্বৰ ছিটলৈ আহিলে মোৰ সুবিধা হয় ছাৰ। গুৱাহাটীলৈ মই অকলে ওলাইছোঁ। অচিনাকি মানুহজনৰ লগত…"

"কিন্তু মানুহজন জানো সন্মত হ'ব?"

"মই তেখেতক সন্মত কৰাম।"

অঞ্জনাই মোৰ ওচৰৰপৰা গৈ অলপ দূৰত বহি থকা ডেকা এজনৰ লগত কথা পাতিলে। ডেকাৰ পিন্ধনত দামী ছুট। মুখত ফেন্সকাট ডাঢ়ি।

অঞ্জনা। অঞ্চলটোত চিনাকি নাম। আমি দুয়ো একেটা মৌজাৰে মানুহ। এবাৰ বহাগী বিদায় উৎসৱত নিৰ্দিষ্ট বক্তা হৈ সিহঁতৰ গাঁৱলৈ গৈছিলোঁ। অঞ্জনা অভ্যৰ্থনা সমিতিৰ সহ সম্পাদিকা আছিল। সেই সূত্ৰেই তাইৰ লগত চিনাকি। তাইৰ দৈহিক উচ্চতা, এহাল ধুনীয়া চকু, নিতম্বলৈকে বৈ পৰা একোচা ঘন ক'লা চুলি আৰু জলফাইৰ দৰে গাৰ মসৃন ৰঙে যি কোনো মানুহক সহজে আকৰ্ষণ কৰে। তাইক মই বহুত দিন লগ পোৱা নাছিলোঁ। কিন্তু আনৰ মুখত ও,ইৰ চৰিত্ৰৰ বিষয়ে দুই এটা কথা শুনিছিলোঁ। এবাৰ স্থানীয় বৰমূৰীয়া এজনৰ লগত ৰাতি ডাক বঙলাত এৰাতি কটোৱাৰ কথাও এজনে মোক কৈছিল। সেইবাবে তাইৰ নিচিনা এজনী ছোৱালীক নৈশ বাছ যাত্ৰাত অকলে লগ পাই আচৰিত নহ'লো; কিন্তু ৰাতি অকলশৰে গুৱাহাটীলৈ যাবলৈ সাহ কৰা ছোৱালী জনীয়ে মোৰ কাষৰ ছিটত কিয় আশ্ৰয় বিচাৰিলে সেই মুহূৰ্তত তাৰ একো কাৰণ বিচাৰি নাপালোঁ।

ইতিমধ্যে যাত্ৰাৰ সময় হ'ল। আমি আটায়ে টালি-টোপোলালৈ গাড়ীত উঠিলোঁ। মোৰ ন নম্বৰ ছিটটোত অঞ্জনাই কথা পতা ডেকা জন নিৰ্বিকাৰভাৱে বহি আছে। দহ নম্বৰ ছিটত বুঢ়া মানুহ এজন বহিছে। মই বাধ্য ল'বাৰ দৰে অঞ্জনাৰ কাষৰ ছিটটোতে বহি পৰিলোঁ। অঞ্জনাৰ গাৰপৰা অহা এটা মধুৰ সুবাসে মোৰ দেহমন আছন্ন কৰি তুলিলে। অন্নপূৰ্ণা হোটেলৰ চকীখনত বহি থাকোঁতে মই বৰ অকলশৰীয়া অনুভৱ কৰিছিলোঁ। মোৰ ঘৰত পৰিয়াল আছে। মই আহিবৰ সময়ত সিহঁতে মোক নঙলামুখলৈকে আগবঢ়াই থৈ গৈছে। হোটেলত মোৰ চৌপাশে ৰং বিৰঙৰ সাজ পাৰ পিন্ধি অলেখ মানুহ ঘূৰি ফুৰিছে। অথচ ইমান মানুহৰ মাজতো মই অকলশৰীয়া অনুভৱ কৰিছিলোঁ।

যাত্ৰা আৰম্ভ হোৱাৰ লগে লগে মই অঞ্জনাক ইটো-সিটো কথা সুধিলোঁ। তাই গুৱাহাটীত চাকৰি এটাৰ ইণ্টাৰভিউ দিবলৈ অহাৰ কথা ক'লে। গাড়ীৰ ভিতৰত হিন্দী গানৰ কেছেট বাজি উঠিল। নিৰ্ম ৰাতিৰ এন্ধাৰ ফালি আমাৰ বাছখন এটা দৈত্যৰ দৰে আগবাঢ়িল। বাছখনৰ আটাইবোৰ যাত্ৰীয়েই লাহে লাহে টোপনিৰ কোলাত আশ্ৰয় ললে। মোৰ নিজৰ ছিটটোত বহা ডেকাজন নিচিন্তমনে শুই আছে। তেওঁৰ কাষৰ বুঢ়াজনে কাহিছে। কিমান দূৰ পালেহি কব নোৱাৰোঁ। খিৰিকিৰ পৰ্দা দাঙি বাহিৰলৈ চালোঁ। কৃষ্ণ পক্ষৰ একাদশীৰ জোনটো আকাশত ওলমি আছে। কুঁৱলীৰ ওপৰত জোনাকে পৰি এখন মায়া জালৰ সৃষ্টি হৈছে। মই সাৰে আছোঁ আৰু সাৰে আছে মোৰ গাত গা লগাই এটি পাৰ ভাঙিব খোজা সোণালী যৌৱন। অঞ্জনা, যাৰ নাম উচ্চাৰণ কৰিলে অঞ্চলটোৰ সৌন্দৰ্যপিয়াসী ডেকা ল'ৰাবোৰৰ মনত উখল-মাখল লাগে। যাৰ এটি কটাক্ষৰ কাৰণে বহুতৰ নিশা টোপনি নাহে সেইজনী অঞ্জনা নিশাৰ অন্ধকাৰত মোৰ গাত গা লগাই বহি আছে। তাইৰ গাৰ উত্তাপ মই অনুভৱ কৰিছোঁ। চুলিৰ মধুৰ নিৰ্বাস মোৰ নাকত লাগিছেহি। তাইৰ বুকুৰ ঘন ঘন নিশ্বাস মোৰ কাণত পৰিছেহি। ভিতৰি ভিতৰি মই মানুহটো উত্তেজিত হৈ পৰিছোঁ। মই মনতে ভাবিলোঁ: এই নিজম নিশাটোও তোমাৰ লাহি আঙুলি কেইটা মোৰ হাতৰ মুঠিত কিছু সময়ৰ কাৰণে লৈ থাকিবলৈ দিলে মহাভাৰতখন অশুচি নহয় অঞ্জনা। তুমিও অশুচি নোহোৱা। তুমি, তুমি হৈয়ে থাকিবা। তুমি মাথোন মহাকালৰ এই বিশেষ ক্ষণটো মোক একান্ত ভাৱে নিজাববীয়াকৈ পাবলৈ দিয়া। কলেজত তুমিও এদিন দেৱকান্তৰ কবিতা পঢ়িছিলা। হওক পাপ, ক্ষতি নাই, মই পাম স্বৰ্গ তাতে তুমি ৰবা তুমি।' মই দেৱতা নহওঁ অঞ্জনা, দুৰ্বল মানুহ মই। তুমিও যে নিয়ৰত তিতা শেৱালিৰ দৰে পবিত্ৰ নোহোৱা তাকো জানো। কেৱল তোমাকেই নহয়, মোৰ চৌপাশৰ ভদ্ৰ মানুহবোৰৰ মই এনে কিছুমান সঁচা কাহিনী জানো যিবোৰ ক'বলৈ গ'লে সমাজৰপৰা বহিষ্কাৰ হোৱাৰ সম্ভাৱনা আছে। সেই শালীনতাৰ সীমা চেৰাই নাযাওঁ অঞ্জনা! কেৱল তোমাৰ হাতখন মোৰ হাতৰ মুঠিত দিয়া।

হঠাৎ মোৰ কি হৈ গ'ল ক'ব নোৱাৰোঁ। মোৰ মাথোন, তাইৰ বিষয়ে শুনা কথাবোৰ প্ৰমাণ কৰি চাবৰ মন গ'ল। তাইক এবাৰ টুকুৰিয়াই চাবৰ মন গ'ল। অঞ্জনাৰ হাতখন এবাৰ চুই চাবৰ বাবে মোৰ দুৰ্বাৰ কামনা উপ-

জিল। এন্ধাৰতে অঞ্জনাৰ সোঁহাতখন মোৰ হাতৰ মাজলৈ টানি আনিলো। অঞ্জনাই লগে লগে হাতখন দ্বিধাহীন-ভাৱে এচাৰ মাৰি এৰুৱাই দিলে। মই এন্ধাৰতে অনুভৱ কৰিলো অঞ্জনা যেন বৰ গহীন হৈ পৰিল। পৃথিৱীখন যেন মোৰ ভৰিৰ তলৰপৰা এৰাই গ'ল। মই অন্ধকাৰ অতল গহ্বৰলৈ খহি পৰিলো। মই যেন এজন বেলেগ মানুহ হৈ পৰিলো। মোৰ জীৱনৰ সকলো সাধনা, নিষ্ঠা আৰু একাগ্ৰতাৰে গঢ়ি তোলা সোণালী সৌধটো মোৰ ক্ষণিকৰ দুৰ্বলতাৰ বাবে নিমিষতে ধুলিস্যাৎ হৈ গ'ল। এজনী অতি নগণ্য সাধাৰণ ছোৱালীৰ কাষত আজি মই বেয়া ধৰণে পৰাজিত হৈ গলো। ধুমুহা শিলাবৃষ্টিত ডেউকা ভগা আহত পক্ষীৰ দৰে বহি থাকি মই কেতিয়া টোপনি গলো কব নোৱাৰোঁ।

বাছৰ এটা ডাঙৰ জোকাৰণিত হঠাতে সাৰ পাই গলো। "পল্টন বজাৰ পালোহি"— এজন যাত্ৰীয়ে ক'লে। বাহিৰৰ পৃথিৱীখন ঘন কুঁৱলী আৰু অন্ধকাৰে আবৰি আছে। মোৰ সোঁহাতৰ শূন্য আসনকেইখনলৈ ঘূৰি চোৱাত দহ নম্বৰ ছিটৰ বুঢ়াজনে তপৰাই মাত লগালে,— "এওঁলোক দিছপুৰতে নামি গ'ল।" মই বুঢ়াৰ মুখৰপৰা দৃষ্টি ঘূৰাই আনিলো।

### সম্পাদকৰ কোঠালিত

বন্ধু : ভূতপূৰ্ব প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক হত্যা কৰাৰ বাবে সতৱন্ত সিঙক মৃত্যুদণ্ড বিহা হৈছে। অইন দুটা অপৰাধৰ বাবে তেওঁক দহ বছৰৰ কাৰাদণ্ডও দিয়া হৈছে। এই খবৰ শুনি অমৃতসৰৰ স্বৰ্ণ-মন্দিৰত বাবা যোগিন্দৰ সিঙে কৈছে— 'আজি শিখসকলৰ বাবে এটা ক'লা দিন'। এই বিলাকৰ সাৰমৰ্ম কি জানা? সাৰমৰ্ম হ'ল,— সতৱন্ত সিঙক ফাঁচী দিয়াৰ পাছতো তেওঁ অন্ততঃ দহ বছৰ জীয়াই থাকিব।

অসম সাহিত্য সভাৰ
বিষ্ণুৰাভা বঁটাৰে সন্মানিত
হীৰেন ভট্টাচাৰ্যৰ নিৰ্বাচিত কবিতা
সুগন্ধি পখিলা
মূল্য—২০'০০ টকা
পৰিবেশক/প্ৰকাশিকা গুৱাহাটী-১

প্ৰকাশ পালে প্ৰকাশ পালে
প্ৰিতাম পাব্লিকেশ্যনৰ প্ৰথম নিবেদন......
শ্ৰীতৰুণ দাসৰ—
শোণিতপুৰ জিলাৰ ইতিহাসত এভুমুকি
(প্ৰথম খণ্ড)
পকাবন্ধা, ৰয়েল চাইজ, মূল্য ১৮'০০ টকা
শোণিতপুৰ জিলাৰ পুৰাতাত্ত্বিক তথ্যৰ সমলৰে সমৃদ্ধ এই গ্ৰন্থখনিৰ শুভ-উন্মোচন যোৱা ১৩ জানুৱাৰী তাৰিখে
অসমৰ মাননীয় শিক্ষা মন্ত্ৰী শ্ৰীযুত বৃন্দাবন গোস্বামীদেৱে কৰে।
গ্ৰন্থখনিৰ ব্যৱসায়িক অনুসন্ধানৰ বাবে
অনুগ্ৰহ কৰি যোগাযোগ কৰক :
প্ৰিতাম পাব্লিকেশ্যন
ফোন-৮৫১
কলিবাৰী, তেজপুৰ-৭৮৪০০১





## মানসত এক ব্ৰহ্মমুহূৰ্ত


ড° নিৰ্মলপ্ৰভা বৰদলৈ

সেই শব্দটোৱে
সেই সুশুনা শব্দটোৱে
মোক তিয়াই পেলালে,
নেদেখা গভীৰতাত
মই বুৰ গলো
শব্দটোৱে মোক ইপাৰ সিপাৰ কৰিলে
চেতন-অৱচেতনৰ।
সেই বিশালতাই
সেই মৰ্মবাণীয়ে।

শব্দটোত আছেনেকি
ভাষাৰ সিপাৰৰ এক আকুলতা
এক অনন্ততা
এক প্ৰচণ্ড যৌৱন
উভাল খাই পৰা শিপা
ৰোপণ কৰাৰ আহ্বান?
অ: কি অটল সেই মৰ্মবাণী!
কি অপৰূপ সেই তিৰবিৰাই
বিয়পি যোৱাৰ ছন্দ
আকাশ জুৰি তিৰবিৰাই!!
সুদূৰ ধিয়াই তিৰবিৰাই!!!

শিলত মই আঁঠু কাঢ়িলো,— আমাৰ হৈ।
পানীত হাত তিয়াই মই উচুপি উচুপি কলো:
"হে বিশাল, হে অনুপম, হে সৌন্দৰ্য
আমাক ৰোপণ কৰা সূক্ষ্মতাত।"





## ৰাস-যাত্ৰা

যজ্ঞেশ্বৰ শৰ্মা


আমি, তোমালোক, তেওঁবিলাক।
বৰজনীয়ে ক'লে— মোৰ মাটিৰ চাকিত তেল নাই।
দৰা আহিছে, ঢোলৰ মাত শুনো।
মাজুজনীয়ে মাতিলে, মোৰ চাকি ধিমিক ধামাক, দুমাওঁ দুমাওঁ।
দৰা আহিছে; গায়নৰ ঘেতা শুনিছো।
সৰুজনীয়ে চিঞৰিছে, মোৰ চাকি নুমাল।
দৰা আহিছে; শংখ বজাইছে; উৰুলি এজোকা দিয়া বামেহৰি।
দুৰ্যোৰ ৰজনী।
ৰতনপুৰৰ ৰাজকুঁৱৰী গৰখীয়াত বিয়া সোমাল। প্ৰজাপতয়ে।
ধলপুৱা কুকুৰাই নৌ ডাক দিওঁতেই দৰা-কন্যা ওলাই যাব।
সাৰপালে উঠিবা।
আমি, তোমালোক, তেওঁবিলাক।



OKDISCD

# মোৰ মৃত্যুত মই

ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী



আকৌ এজন মানুহৰ প্ৰাণ আজি উৰি গ'ল অসীমলৈ। হাজাৰ-হাজাৰ মানুহৰ মিশ্ৰিত কোলাহলেৰে ভৰপূৰ গুৱাহাটী মহানগৰীৰ কোনোবা এজন অচিনাকি মানুহৰ কণ্ঠস্বৰ চিৰদিনৰ বাবে স্তব্ধ কৰি দিলে মৃত্যুৰ শীতল পৰশে। মৃত্যুৰ আকস্মিকতাৰপৰা বহুত দিন আগতে হেৰাই গ'ল করুণতাৰ ছাঁয়া। অচিনাকি মানুহৰ আকস্মিক মৃত্যু এতিয়া আৰু চাঞ্চল্যকৰ খবৰ নহয়; যেন সুষম দৈনন্দিনতাত খন্তেকৰ বাবে আঘাত কৰিব খোজা এটা বিন্দুমাত্ৰ বিৰক্তিকৰ ঘটনা।

বেছি মানুহ নাই। মাত্ৰ আঠ-দহজন মানুহে সাঙি কৰি বগা কাপোৰেৰে ঢকা মৰাশ এটা লৈ গৈ আছে। শিলপুখুৰীৰপৰা সোঁফালে যাওঁতেই মই গম পালো— অলপ পাছতে নৱগ্ৰহত একুৰা জুই জ্বলি উঠিব। কুণ্ডলী পকাই-পকাই ডাঠ ধোঁৱাৰ ৰূপত এটা প্ৰাণৰ জীৱন-ৰস বতাহৰ লগত মিলি যাব। কাইলৈ এই পৃথিৱীৰ কোনেও মনত নাৰাখিব— এইখন পৃথিৱীতে হাঁহি-কান্দোন, আবেগ-অনুভূতি, ৰাগ-অভিমান, কাম-ক্ষুধা,— সকলো লৈ আমাৰ মাজত এজন জীৱন্ত মানুহে বিচৰণ কৰিছিল। এটা বৰ্তমান লাহে লাহে অতীত হৈ যাব আৰু আমি পাহৰি যাম আমাৰ ভৱিষ্যতেও এদিন সেই অতীতৰ ৰূপ লৈ আমাক অভিবাদন জনাব— মৰিশালিত।

বগা কাপোৰেৰে ঢকা এটা মৰাশ জীৱন্ত মানুহৰ বোকোচাত উঠি আগবাঢ়ি গ'ল মৰিশালিৰ ফালে। সন্মুখত চুৰিয়া পিন্ধা, কান্ধত গামোচা লোৱা এজন মানুহ; মূৰত দুহাতেৰে ধৰি থকা এটা মাটিৰ ঘট; —যেন স্বৰ্গৰ দুৱাৰৰ চাবি কাঠী তেওঁৰেই হাতত। মাজে মাজে উফৰি আহিল দুই এটা মন্তব্য —মৰিল ভালেই হ'ল, —আজি কালি ৰাস্তাই-পদূলিয়ে, খালে-দোঙে বিচাৰিলে সুন্দৰ সুঠাম ডেকা ল'ৰাৰ মৃতদেহ বাগৰি থকা দেখা যায়, দুখ কৰিনো কি হ'ব? —মানুহ জন্মিলে মৰিবই।

সঁচা কথা। এনেকুৱা ধৰণৰ ঘটনাক লৈ উস-আস কৰি থকাটো ব্যস্ত মানুহৰ কাম নহয়। দৈনিক কাকতবোৰেও মৃত্যু বা হত্যাৰ ঘটনাক আজিকালি উত্তেজনাপূৰ্ণ বা চাঞ্চল্যকৰ বুলি প্ৰথম পৃষ্ঠাত স্থান নিদিয়ে, পঢ়ুৱৈয়ে আমোদ নাপায়।

শিলপুখুৰীৰ সেই ৰাস্তাৰ মূৰতেই মই নতুন দুমহলীয়া ঘৰটো সজালো। তলৰ অংশটো ভাৰা দিছোঁ। কেন্দ্ৰীয় চৰকাৰৰ অফিছ এটা। নিয়মীয়া ভাৰা নিয়মিত মেইনটেনেন্ছ। ওপৰত মই থাকোঁ। খোলা খিৰিকিৰে ৰাতিপুৱাৰ ৰ'দজাক সোমাই আহিছে চুচুক-চামাককৈ। আয়নাত মুখখন চাই চাই দুগালত চাবোন সানিছোঁ অলসভাৱে। ডাঢ়ি খুৰোৱাৰ প্ৰস্তুতি। অফিছ টাইমলৈ এতিয়াও বহুত সময় বাকী। খোলা খিৰিকিৰে এনেয়ে ভুমুকি মাৰি চালো তললৈ। ৰাতিপুৱাই ৰাতিপুৱাই মুডটো নষ্ট কৰি দিলে। ব্যস্ত চহৰৰ মাজত এনেকৈ মৃতদেহ লৈ প্ৰচেছন কৰাটো আইন কৰি চৰকাৰে বন্ধ কৰি দিব লাগে। কি এক অশ্লীল, বিসদৃশ দৃশ্য! চহৰ হ'ল প্ৰাণ-চাঞ্চল্য; জীয়াই থকাৰ প্ৰতীক; মৃত্যুৰ দৰে নৈৰাশ্যজনক ঘটনাৰ ইয়াত কোনো স্থান নাই। নৱগ্ৰহখন ইয়াৰপৰা উঠাই লৈ গৈ চহৰৰপৰা দূৰত,— আজাৰা বা আৰু সিফালে বা নাৰেংগীৰ পৰাও দূৰত ক'ৰবাত পেলাই দিব নোৱাৰিনে? মানুহ মৰে, মৰক। মৰিবই। কিন্তু শোভাযাত্ৰা কৰি সমগ্ৰ চহৰবাসীক সেই কথাটো জনাই ফুৰাৰ কি দৰকাৰ! অসহ্য! ৰিয়েলি অসহ্যকৰ। চহৰখন সুন্দৰ কৰি ৰাখিবলৈ হ'লে আমি মৃত্যুক ইয়াৰপৰা বিসৰ্জন দিবই লাগিব।

হঠাতে অহা এচাটি শাওণমহীয়া বতাহত মৃতদেহৰ মুখৰপৰা বগা কাপোৰখন আঁতৰি গ'ল আৰু এক অদ্ভুত আতংকত মই শিয়ঁৰি উঠিলো। চাবোন সানি থোৱা মুখখন ভয়ে ভয়ে আকৌ এবাৰ আয়নাত চালো। কোনো ভুল হ'ব নোৱাৰে; —একেই মুখ, একেই নাক, একেই চুলি। —অসম্ভৱ! হয়, সেয়া মোৰ— মোৰ— অৰিন্দম চৌধুৰীৰ মৃতদেহ।

চকু-মুখ মোহাৰি বিছনাৰপৰা জাপ মাৰি উঠিলো। গোটেই বিছনাখন ঘামত তিতি গৈছে। দেৱালৰ ঘড়িত তিনি বাজি দহ মিনিট। নিশা এতিয়াও শেষ হোৱা নাই। মেজত ঢাকি থোৱা পানী গিলাছ ধকধককৈ খালী কৰি দিলো। সঁচা নহয়। সপোনহে। ছিঃ, মিছাতে ভয় খাই গ'লো। মোৰ স্ত্ৰী অণু এতিয়া মাকৰ ঘৰত। থকা হ'লে— 'তুমি যে কি ভয়াতুৰ। আজে-বাজে কথাবোৰ চিন্তা কৰি থাকিবা। লাইটটো অফ কৰি শুই থাকা' —বুলি আকৌ মোৰ বুকুত কুচি মুচি সোমাবলৈ চেষ্টা কৰিলেহেঁতেন, এডাল সাপৰ দৰে। (কি যে উপমা! অণুৱে জানিলে কি ভাবিব।)

ইমান ডাঙৰ ঘৰটোত অকলশৰে থকা বাবেই নেকি সপোনটোৱে মোক দিঠকতো সময়ে-সময়ে খুলি খাবলৈ আৰম্ভ কৰিলে। যেন এক সদাজাগ্ৰত অশৰীৰী আত্মা মোৰ পিছে পিছে ঘূৰি ফুৰিবলৈ ধৰিলে। মোৰ নিজৰ অস্তিত্ব সম্পৰ্কে মই সন্দিহান হৈ উঠিলো। অথচ এই সন্দেহৰ কথা খুলি কবলৈ এজন মনৰ মানুহ বিচাৰি পোৱা নাই। কিবা এক সংকোচে যেন ডিঙিত চেপি ধৰে। কেতিয়াবা ভাবোঁ হাস্যৰসৰ চলেৰে— যেন কথাবোৰত একো গুৰুত্বই নাই,— মাথো কোৱাৰ প্ৰয়োজনত— সময়বোৰ উকুৱাই দিবলৈ কৈছোঁ,— তেনেকৈ কাৰোবাক কম। কিন্তু হৈ উঠা নাই। সময়, সুযোগ আৰু এজন সুযোগ্য শ্ৰোতা এতিয়াও একেলগে পোৱা নাই।

এই সন্দেহ, এই আশংকা—অৱচেতন মনত হয়তো বহুতদিন ধৰি পাক খাই আছিল। মই গম পালেও তাক মূৰ দাঙি উঠিবলৈ দিয়া নাই। এনেকুৱা এটা ভাব দেখুৱাইছোঁ— এনেকুৱা অনৰ্থক চিন্তা এটা বলিয়ালি। মানুহে শুনিলে—কোনোবা শুভাকাংক্ষীৰ কাণত কথাটো পৰিলে হয়তো মোক তেওঁলোকে পগলা জেললৈ পঠিয়াই দিব। (অণুৱে ডাইভোৰ্চ কৰিব নেকি?)।


অনেক যুক্তিৰে মই নিজকে বুজাইছোঁ— অইন যিকোনো জীৱন্ত মানুহৰ দৰে মই কাজ-কৰ্ম কৰিছোঁ, শ্বাস-প্ৰশ্বাস লৈছোঁ, খাইছোঁ-শুইছোঁ, অণু থকা সময়ত জৈৱিক তাড়নাও নিবাৰণ কৰিছো। এই সমস্ত কাৰ্য মোৰ জীয়াই থকাৰ জ্বলন্ত প্ৰমাণ। তথাপি মই যেন সম্পূৰ্ণভাৱে পতিয়ন যাব পৰা নাই। ক'ৰবাত কিবা যেন এটা খুঁট ৰৈ গৈছে। মই যেন মানুহজন ইমানদিনে ধীৰে ধীৰে আংশিকভাৱে মৰি আছিলো আৰু সেই মৃত্যুৱে এতিয়া পৰিপূৰ্ণ ৰূপ লৈ মোক গ্ৰাস কৰিছে। মই প্ৰায় নিশ্চিত হৈ গৈছো যে অৰিন্দম চৌধুৰী নামৰ এজন মৃত মানুহৰ আত্মাই মাথোন সদায় যন্ত্ৰৰ দৰে অফিছলৈ অহা-যোৱা কৰিছে, ফাইলত চহী কৰিছে, মানুহৰ লগত কথা পাতিছে, হাঁহিছে, খাইছে, শুইছে, অণুৰ লগত সহবাসত লিপ্ত হৈছে!

অণু। অণুৰ কথাবোৰ এসময়ত সেউজীয়া পাহাৰৰ ফাঁকে-ফাকে আনন্দৰ নিজৰা বোৱাই অনা গান যেন লাগিছিল। এতিয়া সাপৰ হিচ-হিচ শব্দৰ নিচিনা লাগে। মই এজন বেঙা মানুহৰ দৰে অণুৰ মুখলৈ চাই চাই কেতিয়াবা ভাবোঁ—এইজনী ছোৱালীৰ বুকুত এদিন প্ৰেম আছিল। এইজনী ছোৱালীয়ে এদিন গল্প লিখাৰ বাবে মোক প্ৰেৰণা যোগাইছিল।

মোৰ বুকুৰ যিখিনি ঠাইত অন্তৰখন আছিল, তাত এতিয়া এটা বিৰাট খাল। অন্তৰখনৰ লগতে মানুহৰ প্ৰতি একালৰ মোৰ প্ৰেম, পৃথিৱীৰ বাবে কিবা এটা কৰাৰ দুৰ্বাৰ হাবিয়াস, অণুক লৈ ৰচনা কৰা এটা কুসুমকোমল সপোন, —সকলো ক'ৰবাত হেৰাই গ'ল।

এজনী প্ৰেমিকাৰ পৰা এজন উচ্চ পদবীধাৰী চাকৰিয়ালৰ পত্নীলৈ ৰূপান্তৰিত হোৱা অণুৰ কথাবোৰ খবৰৰ কাগজৰ হে'ডলাইন চোৱাৰ দৰে শুনি যাবলৈ মই বাধ্য হৈ গৈছিলো। মই প্ৰথমতে করুণ উৎকণ্ঠাৰে আৰু পাছলৈ এটা যন্ত্ৰৰ দৰে লক্ষ্য কৰি গৈছিলো —কিদৰে এসময়ত উজ্জ্বল প্ৰভাতৰ সপোন দেখা অৰিন্দম চৌধুৰী নামৰ ডেকা ল'ৰা এজন নিষ্প্ৰাণ, কৃতিত্ব সম্পন্ন, উচ্চপদস্থ চাকৰিয়াললৈ পৰিৱৰ্তিত হৈছিল; —কিদৰে মাৰুতি এখন কিনিবৰ বাবে অগ্ৰৱাল নামৰ বিজিনেছমেনজনে কাম এটা পোৱাৰ আগনিশা ঘৰলৈ আহি—যেন একো এটা দিয়া নাই—তেনেকুৱা এক ভাবেৰে ত্ৰিছহাজাৰ টকা এনেয়ে দি গৈছিল— কিদৰে নিশা বাৰ বজালৈ অণুৱে তেওঁক হাঁহি হাঁহি আপ্যায়িত কৰিছিল, —আমি দিল্লীলৈ যাওঁতে লোধানিয়া নামৰ কনট্ৰেকটৰজনে ফুৰা-চকা, হোটেলৰ সকলো খৰচ বহন কৰাৰ বাবে কিদৰে অণু আনন্দত উৎফুল্লিত হৈ উঠিছিল। আমাৰ এই দুমহলীয়া ঘৰটোৰ বাবে মই কিয় এটকাও ছিমেণ্ট—লোহাত খৰচ কৰিব লগা নহ'ল মই যেন জানিও নজনাৰ ভাও জুৰিলো। এক আচৰিত কৌতুকেৰে মই মাথোঁ লক্ষ্য কৰি গৈছিলো—কিদৰে মই আহৰণ কৰা প্ৰতিটো পাৰ্থিৱ সামগ্ৰীয়েই হৈ পৰিছিল মোৰ কৃতিত্বৰ জ্বলন্ত উদাহৰণ!

হৃদয়ৰ বিনিময়ত আহৰণ কৰা এক সহজলব্ধ আৰ্থিক স্বচ্ছলতাই অণুৰ দুচকু শীতকালৰ ৰাতিপুৱাৰ কুঁৱলিৰ এক ডাঠ আৱৰণেৰে ঢাকি দিছিল আৰু মোৰ দেহৰ প্ৰতিটো কোষ লাহে লাহে যেন শৰতৰ সৰাপাতৰ দৰে শুকাই আহিছিল। এটা-এটা জীৱন্ত কোষৰ অপমৃত্যুৱে কিদৰে মানুহক পাৰ্থিৱ উন্নতিৰ এটা-এটা সোপানত ঠেলি উঠাই দিয়ে মই দেখি অবাক হৈ গৈছিলো। ●



৯ পৃষ্ঠাৰ পিছৰ পৰা

(মুছলমানসকল) যদি সমগ্ৰ ৰূপত থকা ভাৰতখনত নিৰাপদ নহয়, তেতিয়াহলে এটা অধিক সৰু অংশত তেওঁলোক কেনেকৈ "নিৰাপদ হ'ব পাৰিব ?"

কিন্তু নতুন দিল্লীৰ নিৰ্দেশত শ্ৰীনগৰত হোৱা যথেষ্ট বেছি সংখ্যক সাল-সলনিবোৰে এটা ভাবৰ সৃষ্টি কৰিছে যে কেন্দ্ৰই কাশ্মীৰ কাশ্মীৰীসকলৰ দ্বাৰা শাসিত হোৱাটো নিবিচাৰে। দৰাচলতে, যিমানেই দিন পাৰ হৈ গৈছে সিমানেই বেছি ধৰণে তেওঁলোকে নিজকে সুধিবলৈ লৈছে : তেওঁলোকৰ পৰিচয় কি ?

ফাৰুক আব্দুল্লা আৰু তেওঁৰ দৰে আন বহুতেই বিশ্বাস কৰে যে কাশ্মীৰীসকলক দেশৰ ঘাই সুঁতিটোৰ লগত চামিল কৰি দিলে এটা পৰিচয়ৰ বাবে চলোৱা সন্ধানত হয়তো সহায় কৰা হ'লহেঁতেন। ক্ৰমে অধিক পৰিমাণৰ সংযোগ সহায়ক হ'লহেঁতেন। তাৰ বাবে নতুন দিল্লীয়ে এতিয়ালৈকে কৰাতকৈ অধিক প্ৰচেষ্টা চলাব লাগিব। "কিন্তু একমাত্ৰ যিটো বস্তু নতুন দিল্লীয়ে বিচাৰে সেইটো হ'ল শ্ৰীনগৰত নিজৰ ক্ৰিয়াকলাপ আনৰ চকুত নপৰাকৈ আঁৰ দি ৰাখিবলৈ এটা ঘোঁৰা (stalking horse) এই নীতিয়ে কেনেকৈ কাম কৰিব?" —ফাৰুক আব্দুল্লাই সোধে।

২৩ পৃষ্ঠাৰ পিছৰ পৰা

শাঙৰ ডিগ্ৰি আছে; কিন্তু আমি সংস্কাৰ সমূহৰ বৈজ্ঞানিক অনুসন্ধান নকৰোঁ। বহুক্ষেত্ৰত বিজ্ঞানীসকলো অন্ধবিশ্বাসৰ বশবৰ্তী হোৱা দেখা যায়। ফলত সৰ্বসাধাৰণ লোক অধিক বিভ্ৰান্ত হয়। ইতিহাসৰ শিক্ষা কিন্তু অন্যৰকমৰহে। গেলিলিয়ে এৰিষ্টট'ল-কেন্দ্ৰিক সমগ্ৰ গ্ৰীক সমাজৰ বিৰুদ্ধে অকলে থিয় হৈ নিজৰ মতবাদ প্ৰতিষ্ঠা কৰা নাছিলনে?

মানুহ আৰু সভ্যতা জংগম অৰ্থাৎ গতিশীল। আমাৰ আজিৰ আকাশলংঘী বৈজ্ঞানিক প্ৰগতি এযুগৰ সৃষ্টি নহয়। ই বহুযুগৰ, বহু সভ্যতাৰ, বহু বিজ্ঞানীৰ অৱদান। গতিকে কোনো সংস্কাৰৰ বশবৰ্তী হৈ অবিজ্ঞানসন্মত কাম কৰিলে আমি তাৰ বাবে আমাৰ পুৰণি সভ্যতা বা সংস্কৃতিক দোষাৰোপ কৰিব নোৱাৰোঁ। প্ৰত্যেক সভ্যতাৰ চিন্তানায়ক তথা বিজ্ঞানীসকলে যুগে যুগে মানুহৰ সুখ-শান্তি, সমস্যা আদিৰ ওপৰত আলোকপাত কৰি আহিছে আৰু সেই সময়ৰ সমাজ, ঐতিহাসিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ সীমাবদ্ধ জ্ঞানৰ আলোকেৰে সমস্যাবোৰৰ সমাধান দিয়াৰ চেষ্টা কৰি আহিছে। প্ৰাচীন ভাৰতীয় শাস্ত্ৰবোৰ অফুৰন্ত জ্ঞানৰ ভাণ্ডাৰ। তাৰপৰা কুসংস্কাৰমুক্ত, বিজ্ঞানসন্মত উপাদানসমূহ গ্ৰহণ কৰি বাকীখিনি নিঃসংকোচে বৰ্জন কৰাৰ মানসিকতা আমি গঢ়ি তুলিব লাগিব। আমাৰ পূৰ্ব পুৰুষসকলৰ প্ৰতি অন্ধভক্তি প্ৰদৰ্শনৰ কাৰণে আমি আৰু উলংগ হৈ নাথাকোঁ বা সতীদাহ প্ৰথা সমৰ্থন নকৰোঁ। কাৰণ অতীত বা পুৰাতনৰ প্ৰতি থকা অযৌক্তিক ভাব-প্ৰৱণতা প্ৰগতিৰ পথৰ শক্তিশালী অন্তৰায়।

কুসংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ বিৰুদ্ধে বিজ্ঞানৰ সংঘাতৰ ইতিহাসৰ আলোচনা বিজ্ঞানী ড° আব্ৰাহাম থোম্মা কোভুৰ অবিহনে অসম্পূৰ্ণ হৈ ৰ'ব। ১৮৯৮ চনৰ ১০ এপ্ৰিল তাৰিখে শ্ৰীলংকাত এই বৈজ্ঞানিক মানৱতাবাদীজনৰ জন্ম হয়। তেখেতৰ ৮০ বছৰীয়া জীৱন কালত অলৌকিকতাবাদ আৰু ভুৱা প্ৰচাৰৰ বিৰুদ্ধে অবিৰতভাৱে প্ৰত্যাহ্বান জনাই গ'ল; কিন্তু কোনোদিনে তেখেত পৰাজিত হ'ব লগা নহল। আমেৰিকাৰ মিনেছোটা ইনষ্টিটিউট অৱ ফিলছফিয়ে মানৱজাতিক সত্যান্বেষণৰ পথ দিয়া এই মহান মানৱতাবাদীজনক 'ডক্টৰেট' উপাধিৰে সন্মানিত কৰে। ১৯৬৩ চনত তেখেতে তেখেতৰ বিখ্যাত প্ৰত্যাহ্বানত ২২ টা অলৌকিক কাৰ্যৰ যিকোনো এটা সম্পাদান কৰিব পৰা জনলৈ এক লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰে। ড° কোভুৰ মৃত্যুৰ পাছত তেখেতৰ সুযোগ্য পুত্ৰ আৰু পেৰিছৰ ছৰবোন বিশ্ব-বিদ্যালয়ৰ অধ্যাপক ড° আৰিচ কোভুৰেও পিতাকৰ প্ৰত্যাহ্বানটো বাহাল ৰাখিছে। সেই টকা কিন্তু এতিয়ালৈকে কোনোৱে জিকিব পৰা নাই। গতিকে কোনোৱে যদি নিজৰ অলৌকিকত্ব দাবী কৰে, তেনেহলে তেওঁ ড° আৰিচ কোভুৰৰ ঠিকনাত যোগাযোগ কৰি এক লাখ টকা জিকিব (?) পাৰে।

বিশ্বব্ৰহ্মাণ্ডত অলৌকিক-অবাস্তৱ একো থাকিব নোৱাৰে। আজি ৰহস্য যেন লগা ঘটনাবোৰৰ ব্যাখ্যা বিজ্ঞানে এদিন হ'লেও দিবলৈ সক্ষম হবই। বৈজ্ঞানিক ভাব ধাৰাক আদৰ্শ হিচাপে লৈ, নিজৰ অমিত সংকল্প আৰু শক্তিৰ সহায়ত এই ঘূণে ধৰা সমাজখনৰ পৰিবৰ্তে এখন সুস্থ সবল বিজ্ঞান-প্ৰকৃত 'মানুহৰ সমাজ' গঠনৰ পথত মানুহ অগ্ৰসৰ হ'ব লাগিব।


**অসমীয়া কাব্য-সাহিত্যলৈ আমাৰ সশ্ৰদ্ধ নিবেদন**

উদীয়মান কবি—

সনন্ত তাঁতিৰ

**মই মানুহৰ অমল উৎসৰ**

মূল্য—১০'০০ টকা

বিৰিঞ্চি ভট্টাচাৰ্য্যৰ

**দেওলগা ঘোঁৰা**

মূল্য—৮'০০ টকা

অলপতে ছপাহৈ ওলাব :

**হেম বৰুৱাৰ কবিতা**

(বালিচন্দা, মনময়ূৰী আৰু অপ্ৰকাশিত কবিতাৰ সংকলন)

মূল্য—৩০'০০ টকা

***এলবিএছ পাব্লিকেশ্যন***

জি. এন. বৰদলৈ ৰ'ড,

আমবাৰী, গুৱাহাটী-১

# অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীত-মাত আৰু "সুৰতীৰ্থ"

সত্যপ্ৰিয় পাঠক

অসমীয়া গীত-মাতৰ কেছেট আৰু গ্ৰামোফোন ৰেকৰ্ড নিৰ্মাণ কৰাৰ হাৰ সদ্যহতে বাঢ়ি আহিছে। খৰচ কম আৰু নিৰ্মাণ-ব্যৱস্থা সুলভ কাৰণে কেছেট বেছি জনপ্ৰিয় হৈছে। কেৱল এই জনপ্ৰিয়তা আৰু ব্যৱসায়িক লাভৰ প্ৰতি চকু ৰাখিয়েই বাচ-বিচাৰ নকৰাকৈ অসমীয়া গীত-মাতৰ কেছেট নিৰ্মাণ কৰিবলৈ ললে যে আমাৰ সাংস্কৃতিক দিশত অপকাৰ হ'ব, সেই বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে; প্ৰান্তিকৰ পাততে লিখাও হৈছে। মনোৰঞ্জনৰ লগতে কেছেট-ৰেকৰ্ড আদিয়ে অসমৰ সাংস্কৃতিক স্বাস্থ্যৰ প্ৰতিও চকু ৰাখিলে সেইবোৰ শ্ৰদ্ধাভাজন হয়। বিশেষকৈ, যেতিয়া গুণী লোকৰ শিল্পকৰ্ম আৰু অসমীয়া কৃষ্টি-সংস্কৃতিৰ পৰিচায়ক গীত-মাত ৰেকৰ্ড আৰু প্ৰচাৰ কৰাৰ প্ৰশ্ন উঠে, তেতিয়া উদ্যোক্তাসকলৰ, গায়ক-গায়িকাসকলৰ দায়িত্ব বহুগুণে বাঢ়ে; কাৰণ ৰেকৰ্ড মানে কেৱল ঘূৰণীয়া কাঁহীখন বা ফিটাডাল নহয়; ৰেকৰ্ডৰ গভীৰতৰ অৰ্থটো হৈছে যাউতীযুগীয়া সংৰক্ষণৰ ব্যৱস্থা বা আহিলা। ইয়াৰ ওপৰত বৰ্তমান আৰু ভৱিষ্যতৰ বহু কথা নিৰ্ভৰ কৰে। আজি জ্যোতি প্ৰসাদৰ গীত এটি যিদৰে বাণীবদ্ধ কৰা হ'ব, অসমৰ দূৰ-দূৰণিৰ গাঁৱে-ভূঁয়ে উঠি অহা গায়ক-গায়িকাসকলে ভৱিষ্যতে সেইদৰেই শিকিবলৈ-গাবলৈ চেষ্টা কৰিব বাণীবদ্ধ হোৱা দোষ-গুণ, ভুল-শুদ্ধ সকলো সমানে বিয়পি পৰিব; সেইবোৰ শুধৰাই দিয়া মানুহৰ সংখ্যা কিছুমান ক্ষেত্ৰত লাহে-লাহে কমি আহিব।

এইবোৰ দিশৰ পৰা "সুৰতীৰ্থ" নামৰ অনুষ্ঠানটোৱে নিৰ্মাণ কৰা "অগ্নিবীণাৰ তান" নামৰ কেছেটটোৰ কথা উল্লেখযোগ্য। অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম শতবাৰ্ষিকী উদযাপন কাৰ্যসূচীৰ অংগ হিচাপে এই কেছেটটো আগবঢ়োৱা হৈছে। সুখৰ কথা,— সংগীতক গুৰুত্বপূৰ্ণ শিল্পমাধ্যম হিচাপে গ্ৰহণ কৰি সক্ৰিয় হৈ থকা কেইগৰাকীমান যশস্বী লোক— ড° বীৰেন্দ্ৰ কুমাৰ দত্ত, ড° লক্ষহীৰা দাস, মৃদুলা দাস আদিয়ে এই কামৰ গুৰি ধৰিছে, আৰু মিহিৰ বৰদলৈ, জ্যোতিৰ্ময় কাকতী আদি ষাঠীৰ দশকতে সুখ্যাতি লাভ কৰা নিষ্ঠাবান গায়ক আৰু কুল বৰুৱা, পুলক বেনাৰ্জী, ভবেশ ঠাকুৰ, ৰুণুমী ঠাকুৰ, বন্দনা দত্ত আদি বৰ্তমানৰ গায়ক-গায়িকা ইয়াৰ লগত জড়িত হৈছে।



"অগ্নিবীণাৰ তান"ৰ উদ্বোধনী অনুষ্ঠানটোৰ সামগ্ৰিক সৌন্দৰ্যই দৰ্শকক মোহিত কৰিছিল।

প্ৰভু যিমানে উঠাই যাওঁ, কিয় শূন্য হ'বনো জীৱন, ব'লা ভাই আগুৱাই, জাগ জাগ জাগ, আৰু— শুনিবি ভাই— এই পাচোঁটা গীত কেছেটটোৰ এপিঠিত সন্নিবিষ্ট হৈছে। গীত কেইটি পৰিৱেশনত শ্ৰদ্ধাৰ ভাব আৰু গাম্ভীৰ্য ৰক্ষিত হৈছে। সুৰৰ শুদ্ধতাৰ ফালৰ পৰাও কেছেট-টোৰ এই পিঠিটো নিৰ্ভৰযোগ্য আৰু বিচাৰযোগ্য হৈছে। অম্বিকাগিৰী ৰায়চৌধুৰীৰ কেইটামান গীত বিভিন্ন মাধ্যমৰ যোগেদি আগতেও পৰিৱেশিত হৈ আহিছে, কিন্তু এই কেছেটটোৰ সহায়ত তেখেতৰ শিল্পকৰ্মৰ কেইটামান দিশ বিচাৰ কৰিবলৈ অনুসন্ধিৎসুসকলৰ সুবিধা হ'ব। বিশেষকৈ,— এটা সময়ত ভাৰতৰ পূৰ্বাঞ্চলত ৰবীন্দ্ৰনাথ ঠাকুৰ, পাৰ্বতী প্ৰসাদ বৰুৱা, জ্যোতি প্ৰসাদ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰী আদি কবি-গীতিকাৰসকলৰ অনুভূতি, উপলব্ধি, ৰসবোধৰ গভীৰতাৰ ক্ষেত্ৰত কেনে এক ঐক্য বা যোগসূত্ৰ আছিল, সেই বিষয়টো অধ্যয়ন কৰিবলৈ এই কেছেটটো (লগতে ড° ভূপেন হাজৰিকাই গোৱা পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতসমূহৰ ৰেকৰ্ডখনো) ভাল উপাদান হ'ব। ৰায়চৌধুৰীৰ কীৰ্তি স্মৰণ কৰাৰ লগতে তেখেতৰ গীত-মাত সম্পৰ্কে আলোচনাৰ সুবিধা কৰি দিয়াৰ বাবে "সুৰতীৰ্থ" ধন্যবাদৰ পাত্ৰ হৈছে।

কেছেটটোৰ ইপিঠিত সাতোটা কবিতাৰ আবৃত্তি বাণীবদ্ধ কৰা হৈছে। ড° অমৰ জ্যোতি চৌধুৰী, ড° মঞ্জুমালা দাস, ঈশান বৰুৱা, মীনাক্ষী গগৈ আৰু শৈলেন দাসে আবৃত্তিত কণ্ঠদান কৰিছে। আবৃত্তি সম্পৰ্কে ৰসবোধ থকাসকলৰ দৃষ্টিভংগী আমাৰ দেশত এতিয়াও ভিন ভিন হৈ আছে। কিন্তু "সুৰতীৰ্থ"ই যিটো দৃষ্টিভংগীৰে আবৃত্তি গ্ৰহণ কৰিছে, সেই দিশৰপৰা চাই কব পাৰি কণ্ঠশিল্পী কেইগৰাকীয়ে কবিতা কেইটি পৰিৱেশন কৰোঁতে কৃতকাৰ্যতা লাভ কৰিছে। তেওঁলোকে শ্ৰোতাৰ মনত উদ্দীপনা সঞ্চাৰ কৰিব পাৰিছে। "জাগ ডেকা তেজ জাগ" আৰু "বন্দো কি ছন্দেৰে"— এই দুটা ৰচনা গীত হিচাপে শুনাত অসমীয়া সমাজ অভ্যস্ত হৈ আছিল; কিন্তু এইবাৰ সেই দুটা কবিতা হিচাপে শুনি বিচাৰ কৰাৰ সুবিধা ওলাইছে। শেষৰ কবিতা গীতটো পৰিৱেশন কৰাত গীত আৰু আবৃত্তি দুয়োটাকে একে সময়তে ব্যৱহাৰ কৰাৰ যি পৰিকল্পনা কৰা হৈছিল, তাত "হাৰমনি"ৰ ত্ৰুটিয়ে কিছু অসুবিধাৰ সৃষ্টি কৰিছে।

আবৃত্তি সম্পৰ্কে দৃষ্টিভংগীৰ পাৰ্থক্যৰ কথা যে কৈছিলো, তাৰ এটা উদাহৰণ দিওঁ। এইটো কেছেটৰ ক্ষেত্ৰতে নহয়; সকলোৰে ক্ষেত্ৰত এই কথা প্ৰযোজ্য হ'ব। আবৃত্তিৰ লগত যন্ত্ৰসংগীত বা প্ৰতিধ্বনি (echo) আদিৰ ব্যৱহাৰ কেতিয়া, কিমান দূৰলৈকে কৰিব পাৰি? এইবোৰে কবিৰ উপলব্ধিৰ গভীৰতাত পোহৰ পেলোৱাত কিমান দূৰ সহায় কৰে? নে কেতিয়াবা ৰচনাৰ গাম্ভীৰ্য কমায়? এই কথাটো ছিৰিয়াছ শিল্পীসকলে বিচাৰ কৰিব লাগে।

প্ৰসংগতঃ আৰু এটা কথা উল্লেখযোগ্য। আজিকালি নিয়াৰিকৈ, সময়মতে, সুশৃংখল আৰু সুন্দৰভাৱে পৰিচালিত অনুষ্ঠানৰ সংখ্যা বৰ কম। যোৱা ৮ ডিছেম্বৰৰ দিনা কেছেটটো উদ্বোধন কৰিবলৈ সুৰতীৰ্থই পতা সভাখনৰ সামগ্ৰিক সৌন্দৰ্যই উপস্থিত থকাসকলক বৰ আনন্দ দিছিল। তাৰ বাবে "সুৰতীৰ্থ" প্ৰসংশাৰ পাত্ৰ।

"সুৰতীৰ্থ" গঠন কৰাৰ মূল উদ্দেশ্যসমূহৰ এটা হ'ল—"অসমৰ সংগীতৰ ধাৰালৈ বিভিন্ন সময়ত যিসকল গীতিকাৰ, সুৰকাৰ তথা সংগীতজ্ঞই মূল্যবান বৰঙণি আগবঢ়ালে সেইসকলৰ সৃষ্টিৰ উপযুক্ত সংৰক্ষণ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰা।" গতিকে অনুষ্ঠানটোৰ সম্মুখত বহু কাম আছে, আৰু এই কেছেটটোক অনুষ্ঠানটোৱে নিশ্চয় এক শুভ-আৰম্ভণি বুলি গ্ৰহণ কৰিব।●


অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম শতবাৰ্ষিকীত

**সুৰতীৰ্থৰ**

সশ্ৰদ্ধ নিবেদন

*অগ্নি-বীণাৰ তান*

ৰায়চৌধুৰীৰ গীত আৰু কবিতাৰ লং প্লেয়িং ৰেকৰ্ড আৰু কেছেট

সংগীত পৰিচালনা: ড° বীৰেন্দ্ৰ নাথ দত্ত

ব্যৱস্থাপনা: ড° সত্যেন চৌধুৰী

কবিতাংশৰ সংগীত পৰিকল্পনা: ড° অমৰজ্যোতি চৌধুৰী

যন্ত্ৰ-সংগীতৰ ব্যৱস্থাপনা: ভূপেন উজীৰ

গীতাংশৰ শিল্পী: ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° লক্ষহীৰা দাস, মৃণালিনী বৰবৰা, মিহিৰ বৰদলৈ, জ্যোতিৰ্ময় কাকতি, কুল বৰুৱা, মৃদুলা দাস, ভবেশ ঠাকুৰ, ৰুণুমী ঠাকুৰ, পুলক বেনাৰ্জী, যুগব্ৰতা দত্ত, বন্দনা দত্ত, কণিকা ভট্টাচাৰ্য্য, পাহাৰী দাস, শান্তা উজীৰ আৰু অনিৰ্বান দাস।

কবিতাংশৰ শিল্পী: ড° অমৰজ্যোতি চৌধুৰী, ড° মঞ্জুমালা দাস, ঈশান বৰুৱা, মীনাক্ষী গগৈ আৰু শৈলেন দাস।

সকলো সম্ভ্ৰান্ত কেছেট আৰু ৰেকৰ্ডৰ দোকানত পোৱা যাব।

এই বিষয়ে জানিব খুজিলে তলৰ ঠিকনাত

যোগাযোগ কৰক:

ড° সত্যেন চৌধুৰী

**সম্পাদক, সুৰতীৰ্থ**

মাৰফৎ— ৰসায়ন বিভাগ, কটন কলেজ, গুৱাহাটী-১



বিজ্ঞান সংখ্যা

হেলিৰ ধূমকেতুৰ সমস্ত কথা আৰু অজস্ৰ ছবিৰে ভৰপূৰ হৈ ওলাল!

সম্পূৰ্ণ উপন্যাস

ধূমকেতুৰ পিঠিত উঠি

উপহাৰ:

"হেলিৰ ধূমকেতু"ৰ বেজ

বৰ্দ্ধিত আকাৰ/মূল্য ৪ টকা

কামপুৰৰ সাহিত্য সভা অধিবেশন থলীৰ 'মৌচাক-বিপনী'ত বিশেষ ৰেহাই মূল্যত পুৰণা সংখ্যাসমূহ সংগ্ৰহ কৰাৰ সুযোগ পাব।

# দল নিৰ্বাচন কৰিব মুখ্য প্ৰশিক্ষকে

ভাৰতীয় অলিম্পিক সংস্থাই সিদ্ধান্ত লৈছে যে, ছিউল এছিয়াডৰ বাবে সেইসকল এথলিটক ভাৰতীয় দলত স্থান দিয়া হব যিসকলে জাকাটাৰ এছীয় ট্ৰেক আৰু ফিল্ড মিটত স্বৰ্ণ-পদকজয়ী প্ৰতিযোগীৰ যোগ্যতা স্পৰ্শ কৰিব। কমনৱেলথ গেমছ দলৰ যোগ্যতামান হব যোৱা কমনৱেলথ গেমছৰ বিভিন্ন ইভেণ্টত বিজয়ীসকলৰ সময়, দূৰত্ব আৰু উচ্চতা। আই. অ. এ.ৰ প্ৰেছিডেণ্ট বিদ্যাচৰণ শুক্লাই কৈছে যে ১২৫ জন এথলিট পঠিয়াই ১৬ টা পদক পোৱাতকৈ ২০ জনক পঠিয়াই ১৪ টা পদক পোৱা বেছি ভাল। "মাথোঁ যোগদানৰ বাবে যোগদান— এতিয়াৰ পৰা এই নীতি আৰু নচলিব। যিটো ইভেণ্টত যোগ্য খেলুৱৈ পোৱা নাযাব তাত ভাৰতে যোগদান নকৰে। দহ বছৰ আগতেই আমাৰ এই সিদ্ধান্ত লোৱা উচিত আছিল।"— শুক্লাই সাংবাদিকসকলৰ আগত এই বুলি কয়। তেওঁ আৰু কয় যে, দল নিৰ্বাচন ইমান দিনে নিৰ্বাচক কমিটিয়ে কৰিছিল, কিন্তু এতিয়াৰপৰা ফেডাৰেশ্যন সমূহৰ দ্বাৰা মনোনীত মুখ্য প্ৰশিক্ষকসকলে দল নিৰ্বাচন কৰিব। নিৰ্বাচকসকলে দল নিৰ্বাচনত মুখ্য প্ৰশিক্ষকক মাথোঁ সহায়হে কৰিব। দল নিৰ্বাচনত সম্পূৰ্ণ ক্ষমতা থাকিব মুখ্য প্ৰশিক্ষকৰ। তেওঁ সহকাৰী প্ৰশিক্ষক বাছি লব। দলটোৱে কেনেকুৱা খেল প্ৰদৰ্শন কৰে তাৰ বাবে মুখ্য প্ৰশিক্ষকগৰাকী সম্পূৰ্ণৰূপে দায়ী থাকিব। যদি তেওঁক পুৰস্কৃত কৰিব লগীয়া হয় তেতিয়াহলে সেইটো কৰিব লাগিব। আন হাতে তেওঁৰ দ্বাৰা নিৰ্বাচিত দলে যদি বেয়া ফল কৰে তেনেহলে তেওঁক শাস্তিও দিয়া হব। সম্প্ৰতি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাৰতীয় দলৰ ফলাফলৰ ভিত্তিত কোন দলক ছিউললৈ পঠোৱা হব সেই সিদ্ধান্ত লোৱা হ'ব। সম্প্ৰতি কুৱালালামপুৰত ভাৰতীয় বাস্কেটবল দলে বৰ বেয়া খেলিছে। আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থাসমূহৰ নিয়ম অনুযায়ী এইবাৰৰ-পৰা নিৰ্দিষ্ট সংখ্যক কৰ্মকৰ্তাহে দলৰ লগত যাব।



## ॥ মাধুৰ্য বৰুৱাই ভাল খেলিছে ॥

ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ উদীয়মান খেলুৱৈ মাধুৰ্য বৰুৱাই ছেমিফাইনেলত ৰাষ্ট্ৰীয় চেম্পিয়ন ছৈয়দ মোদীৰ লগত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰে খেলি ১৫-১১, ১৫-৪ পইণ্টত পৰাজিত হৈছে। প্ৰথম গেমত এটা সময়ত বৰুৱা খ্যাতনামা মোদীতকৈ ৯-৩ পইণ্টত আগবাঢ়ি আছিল। তেওঁ বাৰে বাৰে নে'টত মোদীক পৰাজিত কৰিছিল। নিখুঁত ক্ৰছক'ৰ্ট গেমচৰ পৰা তেওঁ পইণ্ট অৰ্জন কৰিছিল। ২১-মিনিট স্থায়ী প্ৰথম গেমত মোদীয়ে তেওঁৰ অভিজ্ঞতাৰ ফলতেই জয়লাভ কৰে। দ্বিতীয় গেমতো মাধুৰ্যই তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।

বিশেষভাৱে উল্লেখযোগ্য যে, কোৱাৰ্টাৰ ফাইনেলত মাধুৰ্যই চতুৰ্থ ৰেংকিং সঞ্জয় শৰ্মাক ১৫-১১ আৰু ১৫-৫ পইণ্টত পৰাজিত কৰি এইবাৰৰ প্ৰতিযোগিতাত চাঞ্চল্যৰ সৃষ্টি কৰিছিল।

## জিম্বাবৱেই ভাৰতীয় 'বি' ক্ৰিকেট দলক আমন্ত্ৰণ জনাইছে

ইংলেণ্ড 'বি' ক্ৰিকেটদলৰ ভ্ৰমণ বাতিল হোৱাত ভাৰতীয় 'বি' ক্ৰিকেট-দলক জিম্বাবৱে ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনাইছে— জিম্বাবৱে ক্ৰিকেট ইউনিয়নৰ প্ৰেছিডেণ্ট আলউইন পিছানিকে। পাঁচ সপ্তাহৰ ভ্ৰমণৰ বাবে ভাৰতীয় 'বি' ক্ৰিকেটদল ১৫ ফেব্ৰুৱাৰীৰ দিনা জিম্বা-বৱেলৈ যাব বুলি আশা কৰা হৈছে।

## ॥ অষ্ট্ৰেলিয়াৰ ক্ৰিকেট দল ভাৰতলৈ আহিব ॥

অহা ছেপ্টেম্বৰ মাহৰ ১ তাৰিখৰ পৰা অষ্ট্ৰেলিয়া ক্ৰিকেট দলে ভাৰত ভ্ৰমণ কৰিব। তেওঁলোকে তিনিখন টেষ্টমেচ খেলিব যথাক্ৰমে মাদ্ৰাজ, দিল্লী আৰু বোম্বাইত। ইয়াৰ বাহিৰে তেওঁলোকে ৬ খন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় মেচ, ব'ৰ্ড সভাপতি দলৰ বিৰুদ্ধে এখন মেচ, ২৫ বছৰৰ কমবয়সীয়া দলৰ বিৰুদ্ধে এখন মেচ, আৰু ৰঞ্জি চেম্পিয়নৰ বিৰুদ্ধে এখন মেচ খেলিব।

ভাৰতে এপ্ৰিলৰ প্ৰথম সপ্তাহত শ্ৰীলংকাত এছীয়কাপত ভাগ লব আৰু শ্ৰীলংকাৰ পৰা ১৬ এপ্ৰিলত 'অষ্ট্ৰেলেছিয়া কাপত' অংশগ্ৰহণ কৰিবলৈ ছাৰজাহলৈ যাব। তাত ভাৰতৰ বাহিৰে খেলিব অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, পাকিস্তান আৰু শ্ৰীলংকাদলে। এই প্ৰতিযোগিতাৰ পাছতেই ভাৰত ইংলেণ্ড ভ্ৰমণলৈ যাব।

## ৰাষ্ট্ৰীয় বেডমিণ্টনত ছৈয়দ মোদী আৰু মধুমিতা বিস্ত চেম্পিয়ন

ৰাষ্ট্ৰীয় বেডমিণ্টনৰ ফাইনেলত ৰেলৱেৰ ছৈয়দ মোদীয়ে বিমলকুমাৰক ১৫-১২, ১৫-১২ পইণ্টত পৰাজিত কৰি চেম্পিয়ন হৈছে। এইবাৰকে লৈ মোদীয়ে একেলেথাৰিয়ে ৬ বাৰ ৰাষ্ট্ৰীয় চেম্পিয়নৰ সন্মান লাভ কৰিলে। মহিলা বিভাগত চেম্পিয়ন হৈছে মধুমিতা বিস্ত। তেওঁ ফাইনেলত আমি ঘিয়াক ১১-২, ১২-৯ পইণ্টত পৰাজিত কৰে।



## ক্ৰিকেট খেলুৱৈ নিলম্বিত

সংগঠনবিৰোধী হৈ দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰা বাবে ভিক্টোৰিয়া ক্ৰিকেট সন্থাই তেওঁলোকৰ চাৰিগৰাকী ক্ৰিকেট খেলুৱৈক ১৯৮৬-৮৭ চনৰবাবে নিলম্বিত কৰিছে। এই চাৰিগৰাকী ক্ৰিকেট খেলুৱৈ হৈছে ৰডনি হগ, মাইকেল টেলৰ, গ্ৰাহাম য়ালোপ আৰু ৰড মেককাড়ি।

## ॥ অসাধাৰণ প্ৰাণশক্তি ॥

যিজন দুবাৰ হৃদৰোগত আক্ৰান্ত হৈছে, যাৰ দুবাৰ মস্তিস্কৰ ৰক্তক্ষৰণ হৈছে, তিনিবাৰ হাৰ্ট বাই-পাছ হৈছে, সেই ব্যক্তি গৰাকীয়ে একেৰাহে ১২ ঘণ্টা ১৫ মিনিট ৮ ছেকেণ্ড স্কিপিং কৰি নতুন বিশ্বৰেকৰ্ড স্থাপন কৰিছে। ৩৫ বছৰ বয়সীয়া এই ব্যক্তি গৰাকীৰ নাম ৰবাৰ্ট কমাৰছ,— মাৰ্কিন জিম-নাষ্টিকছ প্ৰশিক্ষক। তেওঁৰ এই কৃতিত্বৰ বাবে আমেৰিকান হাৰ্ট এছোছিয়েশ্যনে তেওঁক ৫০০ ডলাৰৰ পুৰস্কাৰ এটা দিছে। কমাৰছে কৈছে, "যেতিয়া জীৱনৰ সকলোখিনি শেষ হৈছে বুলি ভবা হয়, তেতিয়াও বহুতো কিবা কৰিব পাৰি।"

## ভাৰতীয় হকি দলৰ ডুবাইত সাফল্য, কুৱেইটত ব্যৰ্থতা

ডুবাই আৰু কুৱেইটত দুখন আন্তঃ-ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ভাৰতীয় হকিদল দেশলৈ ওভতি আহিছে। ডুবাইত ভাৰত, পাকিস্তান, পশ্চিম জাৰ্মানি আৰু গ্ৰেট বৃটেইনে প্ৰতিযোগিতাত ভাগ লৈছিল। তাত ভাৰতে বিজয়ীৰ সন্মান লাভ কৰে। কুৱেইটত পশ্চিম জাৰ্মানিৰ সলনি হলেণ্ড দলে খেলিছিল আৰু ভাৰতে তাত চতুৰ্থ স্থান লাভ কৰে। কিন্তু এই খেলৰ ফলাফলত ভাৰতৰ ক্ৰীড়া নৈপুণ্যৰ প্ৰকৃত প্ৰতিফলন হোৱা নাই। এছীয় হকি ফেডাৰেশ্যনৰ সচিব ব্ৰিগেডিয়াৰ এম. এইচ. আতিফে কৈছে যে, ভাৰতৰ এই দলটো নিঃসন্দেহে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠদল আৰু ডুবাইত সংগত কাৰণতেই তেওঁলোক চেম্পিয়ন হৈছে। এই দুখন প্ৰতিযোগিতাত আম্পায়াৰিং ভাল হোৱা নাছিল। হকি আইনৰ, বিশেষকৈ স্কুপ সম্পৰ্কে আম্পায়াৰসকলে বিভিন্ন ধৰণৰ ব্যাখ্যা দিছে। কিছুমান আম্পায়াৰৰ মতে ছাৰ্কলৰ ভিতৰত স্কুপ ৰখোৱা বিপজ্জনক; —ইয়াৰ বাবে তেওঁলোকে পেনাল্টিও দিছে। ডুবাইত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ কাৰভালহোৱে বুকুৰ সমান ওখ স্কুপ ষ্টিকেৰে ৰখাইছিল আৰু আম্পায়াৰে তাৰ বাবে পেনাল্টি ষ্ট্ৰ'ক দিছিল। ইয়াৰ ফলত পাকিস্তানে গ'ল দি খেলখন ২-২ কৰিছিল। ইয়াৰ পাছৰেপৰা ভাৰতীয় খেলুৱৈ সকলে ছাৰ্কলৰ ভিতৰত স্কুপ ৰখাবলৈ ইতস্ততঃ কৰিছিল। গ'ল ৰক্ষকে হাতেৰে বল ৰখোৱালৈও বিভিন্ন আম্পায়াৰে বিভিন্ন ধৰণৰ সিদ্ধান্ত দিছিল। ডুবাই আৰু কুৱেইটৰ প্ৰতিযোগিতাত ভাৰতৰ আক্ৰমণ বিভাগৰ খেলুৱৈসকল— জাফৰ, শ্বহীদ, হৰদীপ আৰু জালালুদ্দিনে বৰ ভাল খেলিছিল। গ'লৰক্ষক এছ. ৰাৱাতে সুন্দৰভাৱে নিজৰ দায়িত্ব পালন কৰিছিল। ৰক্ষণ ভাগত পাৰগত সিং, এম. পি.সিং আৰু কাৰভালহোৱে প্ৰশংসনীয়ভাৱে খেলিছে। ভাৰতীয় দলৰ প্ৰশিক্ষক এম. পি. গণেশে কৈছে, এই দলটোৱে দ্ৰুত গতিৰে উন্নতি কৰিছে। খেলুৱৈসকল বয়সত তৰুণ। তেওঁলোক যথেষ্ট আত্ম-বিশ্বাসী।"

## বৰ্তমান বিশ্বটেনিছ সম্পৰ্কে ৰড লেভাৰৰ মন্তব্য

টেনিছৰ প্ৰবাদ পুৰুষ ৰড লেভাৰে কয় যে, তেওঁ যি সময়ত খেলিছিল সেই সময়তকৈ বৰ্তমানৰ বিশ্ব টেনিছৰ মান দহ গুণে উন্নত। তেওঁলোকৰ দিনত উইম্বলডনত সাফল্য লাভ কৰিব পৰা মানৰ খেলুৱৈ ১০/১৫ গৰাকীহে আছিল; কিন্তু এতিয়া তেনে মানৰ খেলুৱৈৰ সংখ্যা ৫০ অৰ পৰা ৬০ জন। মাদ্ৰাজত বিজয় অমৃতৰাজে প্ৰতিষ্ঠা কৰা অমৃতৰাজ টেনিছ একাডেমিৰ প্ৰশিক্ষাৰ্থী সকলক উৎসাহ আৰু প্ৰেৰণা দিবলৈ ৰড লেভাৰ ভাৰতলৈ আহিছে।

দুবাৰ গ্ৰেণ্ডশ্লাম জিকাৰ অনন্য ৰেকৰ্ডৰ অধিকাৰী হ'ল ৰড লেভাৰ। এই ৰেকৰ্ড স্পৰ্শ কৰাৰ ক্ষমতা এতিয়াৰ খেলুৱৈসকলৰ বাবে সম্ভৱপৰ নহবও পাৰে। বৰ্তমানৰ টেনিছত তিনিটা বিভিন্ন ছাৰফেছত গ্ৰেণ্ডশ্লামৰ চাৰিটা ইভেণ্ট হয়, কিন্তু লেভাৰৰ সময়ত উইম্বলডন, যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়ান অপেন—এই তিনিখন টুৰ্ণামেণ্ট খেলা হৈছিল ঘাঁহৰ ক'ৰ্টত আৰু ফ্ৰেঞ্চ অপেন খেলা হৈছিল ক্লে' ক'ৰ্টত। লেভাৰে মন্তব্য কৰে: "মোৰ ধাৰণা আছিল বৰ্গে মোৰ এই ৰেকৰ্ড স্পৰ্শ কৰিব। তেওঁ নিঃসন্দেহে এজন প্ৰতিভাবান খেলুৱৈ। ক্লে'ক'ৰ্টত বিয়নবৰ্গে অতি সুন্দৰ খেল প্ৰদৰ্শন কৰে; কিন্তু হাৰ্ড ক'ৰ্টত তেওঁৰ খেলা সাবলীল নহয়। মেকেনৰোৰ এই ক্ষমতা আছে যদিও, কি কাৰণে কব নোৱাৰোঁ, তেওঁ সফল হব পৰা নাই। এতিয়া এক-মাত্ৰ বৰিছ বেকাৰৰ ওপৰতে আশা ৰাখিব পাৰি।"

লেভাৰৰ ধাৰণা— অৱসৰ গ্ৰহণ কৰাৰ আগতেই মেকেনৰোই আৰু এবাৰ গ্ৰেণ্ডশ্লাম জিকিব। মেকেনৰো সম্পৰ্কে তেওঁ কয়: "বৰ্তমানে মেকেন-ৰোৰ খেলাত আগ্ৰহৰ অভাৱ বাৰু-কৈয়ে চকুত পৰে। তেওঁৰ পকেটত বুজন পৰিমাণৰ ডলাৰ সোমোৱাৰ হেতুকে শেষ বললৈকে সংগ্ৰাম কৰাৰ মনোভাব তেওঁৰ এতিয়া আৰু নাই।"

## ॥ বয়কটে লাভ কৰিলে অনুৰাগিণীৰ দান ॥

ফিলিছ কালপেন নামেৰে এগৰাকী চিৰকুমাৰী মহিলাৰ উইল অনুযায়ী ইংলণ্ডৰ অপেনিং বেটছমেন জিওফ বয়কটে লাভ কৰিছে ১লাখ পাউণ্ড। যোৱা নৱেম্বৰত কালপেনে ৭৫ বছৰ বয়সত পৰলোক গমন কৰে। তেওঁ তেওঁৰ উইলত লিখিছে: "ইয়ৰ্কশ্বায়াৰ আৰু ইংলণ্ডৰ ক্ৰিকেটত আত্মনিবেদনৰ দ্বাৰা বিশ্ব ক্ৰিকেটত আৰ্জিত সন্মানৰ স্বীকৃতিস্বৰূপে এই সামান্য শুভেচ্ছা।"

পুলক লাহিড়ী



OKDISCD

# কামৰ সময়

সময় বুজি, প্ৰয়োজন বুজি কিছুমান কথা দোহাৰিব লগীয়া হয়। যোৱা নিৰ্বাচনৰ দিনটোৰ আগেয়েই আমি লিখিছিলো : এই নিৰ্বাচনী যুঁজত অসম গণ পৰিষদৰ হৈ গোটেই উপত্যকাটোৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে প্ৰচণ্ড শক্তিৰে কাম কৰিলে। নিৰ্বাচনী যুঁজত খাটি দিয়াৰ প্ৰতিদান বিচৰাটো আমাৰ দেশত অগ্ৰণীসকলে এটা ৰীতিত পৰিণত কৰি থৈছে। প্ৰতিদান মানে ক্ষুদ্ৰ স্বাৰ্থজড়িত প্ৰতিদান, সমূহীয়া মংগলসূচক প্ৰতিদান নহয়। “আমিয়েই জিকাই দিলো”—বুলি খাটি দিয়াসকলে যাতে প্ৰয়োজনাধিক শক্তি আৰু অপশক্তি আহৰণ নকৰে, সেইটোলৈ তৰুণ বিধায়কসকলে চকু ৰাখিব লাগিব। নিৰ্বাচন যুঁজত খাটি দিয়াটো যে নিস্বাৰ্থ সেৱা, সেই ধাৰণাটো তেওঁলোকৰ মনত সুমুৱাব লাগিব। এনে সেৱাৰ প্ৰতিদান যে ছাত্ৰ-ছাত্ৰী-যুৱক-যুৱতীৰ সৰ্বাংগীন মংগলৰ ৰূপতহে অহা উচিত সেই কথা তেওঁলোকক অতি সোনকালে বুজাই দিব লাগিব।

এই কথাখিনি আমি আগতীয়াকৈ কৈছিলো হয়, কিন্তু সেইখিনি সম্পূৰ্ণৰূপে কাৰ্যলৈ ৰূপান্তৰিত হোৱাৰ বাটত যে ভালেমান অসুবিধা আছে, সেইটোও বুজিছিলো। নিবনুৱা সমস্যা, অৰ্থাভাৱ বা অইন সমস্যাত ভুগি থকা হাজাৰ-বিজাৰ লোকে নতুন পৰিস্থিতিত অতি সোনকালে তেওঁলোকৰ সমস্যা সমাধানৰ আশা দেখাটো স্বাভাৱিক; দিছপুৰলৈ আহিলে কিবা এটা হ'ব বুলি ভবাটোও স্বাভাৱিক। আনহাতে মন্ত্ৰী-বিধায়কসকলেও অতি সোনকালে বহু কথা জানি-বুজি লব লাগে, ভাল কাম কৰাৰ লক্ষণো প্ৰকাশ কৰিব লাগে। নিশ্চয় সেইকাৰণেই কিছুদিনলৈ সম্বৰ্ধনা-জাতীয় সভা-সমিতি নপতাৰ কথা হৈছিল। কিন্তু আমি শুনা মতে প্ৰথম মাহটোতে দিছপুৰত দৰ্শনাৰ্থীৰ প্ৰচণ্ড ভিৰ হৈছে। এই ভিৰে কামত, বিশেষকৈ একোটা সমস্যা অধ্যয়ন কৰি চিন্তা কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰাটো স্বাভাৱিক। এনে অৱস্থা চলি থাকিবলৈ দিব নালাগে।

এখন চৰকাৰে নিজৰ সমৰ্থক-বাহিনীক নিজৰ কৰি ৰাখিব লাগে, জনপ্ৰিয়তা ৰক্ষা কৰিব লাগে, প্ৰতিশ্ৰুতি ৰক্ষা কৰিব লাগে, বন্ধুত্বও ৰক্ষা কৰিব লাগে;—এইবোৰ স্বাভাৱিক কথা। কিন্তু কেনেকৈ? সমগ্ৰ ৰাইজৰ বাবে কৰিবলগীয়া কামৰ বিনিময়ত নিশ্চয় এই কাম কৰিব নালাগে। মিনিবাছ, টেক্সি, ৰেল-বাছ আদিৰ খৰচ বহন কৰিব পৰা, উদ্যম থকা, এক ধৰণৰ সংযোগ থকা লোক দিছপুৰলৈ আহিব পাৰে; কিন্তু ৰাজ্যখনত লক্ষ-লক্ষ লোক আছে; যিসকলৰ সেই উদ্যম, সংযোগ বা সুবিধা নাই। এনে লক্ষ-লক্ষ লোক আছে যিসকলে,—সংযোগৰ প্ৰশ্নই নাই,— প্ৰাৰ্থীক নেদেখাকৈয়ে “আমাৰ চৰকাৰ হওক” বুলি দেহে কেহে খাটিলে আৰু ভোট দিলে, তাৰ পাছত আকৌ নিৰৱে সেই দূৰ দূৰণিৰ গাঁৱতে “কিবা এটা হ'ব” বুলি সোমাই থাকিল। এওঁলোক দিছপুৰলৈ নাহিল কাৰণেই প্ৰাপ্যৰপৰা বঞ্চিত হ'ব নে কি? হোৱা উচিত নহয়। যদি নহয়, তেনেহলে উদ্যম, সংযোগ আৰু ভাৰাৰ পইচা আছে কাৰণেই কিছুমান লোকে কিয় দিছপুৰত ভিৰ কৰিবহি লাগে? আগতে দেখিছোঁ, সৌ ধেমাজিৰপৰা শিক্ষক এগৰাকী টকা পইচা ভাঙি, সময় খৰচ কৰি গুৱাহাটীলৈ আহিল, তিনি দিন খাপ পতাৰ পাছত এদিন তেখেতে মন্ত্ৰী গৰাকীৰ লগ ধৰাৰ সুবিধা পালে,— দুই মিনিটমানৰ বাবে; মন্ত্ৰীয়ে কলে,—‘কাগজখন থৈ যাওকচোন, চাম বাৰু।’ সিমানেই। তাৰ পাছত শিক্ষকগৰাকী আকৌ ধেমাজিলৈ। কামৰ একোটো নহল। আচলতে, সেইটো হয়তো সেই অঞ্চলৰ ডি. আই. গৰাকীৰ মেজতে হবলগীয়া কাম আছিল। সেইদৰেই বহুদিন ধৰি চৰকাৰ আৰু ৰাইজ উভয় পক্ষৰে সময়, অৰ্থ আৰু শ্ৰমৰ অপব্যয় হৈছে। পঞ্চাছৰ দশকত, শ্বিলঙৰ ছেক্ৰেটেৰিয়েটৰ অভ্যৰ্থনা-কক্ষত বহু সময় কটাই পাইছিলো; —তেতিয়া লক্ষ্য কৰিছিলো— মন্ত্ৰীক দেখা কৰিবলৈ অহা মানুহৰ সংখ্যা ঘণ্টাত গড়ে এজনমানহে আছিল। বিধায়কসকল আৰু সংশ্লিষ্ট কাৰ্যালয়সমূহে নিয়াৰিকৈ নিজৰ কৰ্তব্য সমাপন কৰিলে এতিয়াও সেই অৱস্থা কিছু পৰিমাণে ওভোতাই আনিব পাৰি। ইয়াৰ বাবে মন্ত্ৰীসকলে সুচিন্তিত কাৰ্যপদ্ধতি ঠিক কৰি লোৱা উচিত। এতিয়া হয়তো বিজয়ৰ উল্লাস, ‘ইমিডিয়েট’ প্ৰতিদান, বন্ধুত্ব আদিৰ জেৰটোৱেই প্ৰবল হৈ আছে; কিন্তু এই প্ৰাবল্য অতি সোনকালে নাইকিয়া কৰিব লাগে।

বন্ধুত্বৰ সন্দৰ্ভত আৰু এটা গুৰুত্বপূৰ্ণ কথা কৈ থওঁ। সুদীৰ্ঘ আন্দোলনৰ বিচিত্ৰ ঘটনাই বহু লোকক বন্ধুত্বৰ বৃত্তৰ মাজলৈ আনিছিল। এই সকলো ‘বন্ধু’ৰ চৰিত্ৰ একে নহয়। এটা কাৰ্যালয়ৰ মেজৰ সমুখত থিয় হৈ, নিৰুপায় বিষয়াজনক —“কিয় নহ'ব? মই প্ৰফুল্ললৈ ফোন কৰিম; ভৃগুলৈ ফোন কৰিম।” —বুলি ধমকি মৰা বন্ধুৰ কথাও শুনিবলৈ পাইছোঁ। এওঁলোকক যেন পতিয়ন নিওৱা হয় যে—প্ৰফুল্ল ভৃগু এতিয়া যথাক্ৰমে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰী হৈছে। তেওঁলোকৰ মৰ্যাদাৰ ক্ষেত্ৰত বন্ধুসকলৰো দায়িত্ব বাঢ়িছে।

২৮।১।৮২

চৈতন্য নাথ শইকীয়া

OKDISCD